# বাজেট অধিবেশন

(অসংশোধিত/প্ৰকাশৰ বাবে নহয়)

## কাৰ্যবিৱৰণী

**তাৰিখঃ ২০/২/২০২৫ বৃহস্পতিবাৰ**

---

**পূৰ্ব নিৰ্ধাৰিত সময়সূচীমতে সদনৰ কৰ্য্যসূচী ২০ ফেব্ৰুৱাৰী ২০২৫ তাৰিখে পুৱা ০৯ঃ৩০ বজাৰ পৰা আৰম্ভ হয়।**

**মাননীয় অধ্যক্ষঃ** প্ৰশ্ন নং ২১। শ্ৰী ধৰ্মেশ্বৰ কোঁৱৰ।

মাননীয় মন্ত্ৰী।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মাননীয় মন্ত্ৰী, এক্ট ইষ্ট পলিচি এফেয়াৰচ্ ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**শ্ৰী ধৰ্মেশ্বৰ কোঁৱৰ (সোনাৰি)ঃ** মাননীয় অধ্যক্ষ মহোদয়, Act East Policy Affairs বিভাগৰ মাননীয় মন্ত্ৰী মহোদয়ক জনাব বিচাৰিছো যে Act East Policy হৈছে অৰ্থনৈতিক ধাৰণাৰ এটি বিষয়। অসমৰ সুকীয়া আৰু নিৰ্দিষ্ট অৰ্থনৈতিক বিষয় Act East Policy ৰ ওপৰত কেন্দ্ৰীয় চৰকাৰে বিশেষভাৱে গুৰুত্ব প্ৰদান কৰাৰ লগতে আমাৰ অসমৰ মাননীয় মন্ত্ৰী মহোদয়েও অধিক গুৰুত্ব দিয়া পৰিলক্ষিত হৈছে। যিহেতু, Act East Policyৰ জৰিয়তে আমাৰ অসমত নতুন অৰ্থনৈতিক ক্ষেত্ৰ নিৰ্মাণৰ পূৰ্ণ সম্ভাৱনা আছে, গতিকে মাননীয় Act East Policy Affairs বিভাগৰ মন্ত্ৰী মহোদয়ক সুধিব বিচাৰিছো যে দক্ষিণ-পূৱ এছিয়াৰ দেশ সমূহৰ লগত পোনপটীয়া যোগাযোগ ব্যৱস্থাৰ বাবে কিবা পদক্ষেপ গ্ৰহণ কৰিছে নেকি? লগতে, দক্ষিণ-পূৱ এছিয়াৰ বিশেষকৈ ম্যানমাৰ, থাইলেণ্ড, লাওচ, কম্বোডিয়াৰ পৰা আমাৰ অবিভক্ত শিৱসাগৰ জিলাৰ চৰাইদেউলৈ শিপাৰ সন্ধানত পৰ্য্যটকসকল আহিব ধৰিছে। আমাৰ চৰকাৰৰ মহান কৃতিত্ব হ'ল আমাৰ চৰাইদেউয়ে বিশ্ব ঐতিহ্য ক্ষেত্ৰৰ স্বীকৃতি পোৱাটো। গতিকে, আজি এই দক্ষিণ-পূৱ এছিয়াৰ লগতে বিশ্বৰ বিভিন্ন প্ৰান্তৰ পৰা পৰ্য্যটকসকল আহিছে। এই বিলাক দিশৰ প্ৰতি লক্ষ্য ৰাখি চৰাইদেউ জিলাত Act East Policy Affairs ৰ অধীনত কিবা আঁচনি ৰূপায়ণৰ কথা চিন্তা কৰিছে নেকি বা কিবা পদক্ষেপ লৈছে নেকি সেই বিষয়ে মন্ত্ৰী মহোদয়ে আমাক অৱগত কৰিলে ভাল হ'ব বুলি ভাৱো।

**মাননীয় অধ্যক্ষঃ** মাননীয় মন্ত্ৰী।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মাননীয় মন্ত্ৰী, এক্ট ইষ্ট পলিচি এফেয়াৰচ্ ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্যগৰাকীয়ে Act East Policy ৰ বিষয়ে ঠিকেই কৈছে। আচলতে, South-East Asia, Indo-Pacific যিখিনি দেশ আছে সেইখিনিৰ লগতে BIMSTEC ৰ লগত এটা সু-সম্পৰ্ক ৰক্ষাৰ কাৰণে Act East Policy টো হৈছে। সেই হিচাপে এই দেশসমূহৰ লগত ৰাজনৈতিক, অৰ্থনৈতিক আৰু সাংস্কৃতিক সম্পৰ্ক গঢ়ি তোলাৰ কাৰণে এই পলিচিটো আমাৰ ভাৰতবৰ্ষৰ প্ৰধানমন্ত্ৰী মোদী ডাঙৰীয়াই দিছে। সেই পলিচি মতে দক্ষিণ-পূৱ এছিয়াৰ দেশ সমূহৰ লগত আমি বাণিজ্যিক, সাংস্কৃতিক আদি বিভিন্ন সম্পৰ্ক গঢ়ি তুলিছো। অধ্যক্ষ মহোদয় আপুনি শুনি সুখ পাব যে আমি দক্ষিণ -পূৱ এছিয়াৰ দেশসমূহ যেনে বাংলাদেশ, ম্যানমাৰ আদিৰ লগতে আন দেশ সমূহৰ লগত সময়ে সময়ে গুৱাহাটীৰ লগতে বাহিৰতো মিটিং অনুষ্ঠিত কৰিছো। আমাৰ যাতে সম্পৰ্ক ভাল হয় তাৰ কাৰণে আমাৰ শিক্ষা মন্ত্ৰী ৰণোজ পেগু ডাঙৰীয়া,

আমাৰ বিধায়ক সকলৰ লগতে আমাৰ জ্যেষ্ঠ IAS বিষয়াসকলক লৈ আমাৰ এটা দল ম্যানমাৰ, বাংলাদেশলৈকে by road গৈছিলো আৰু তেওঁলোকৰ লগত আমাৰ সৌহাদ্যপূৰ্ণ আলোচনা হৈছিল। যাৰ ফলত আজি ম্যানমাৰে আমাৰ লগত বহু পৰিমাণে সহযোগিতা আগবঢ়াইছে। সেই সময়ত বাংলাদেশৰ চৰকাৰৰ লগত আমাৰ friendly relation আছিল, গতিকে, তেওঁলোকেও আমাক অৰ্থনৈতিক সহযোগিতা আগবঢ়াইছে। সেই আলোচনাত আমি গম পাইছিলো যে তেওঁলোকে Methanol বেলেগৰ পৰা কিনে। আমি কৈছিলো যে আমাৰ পৰাই কিনিব লাগে আৰু সেই হিচাপে তেওঁলোকে আমাৰ নামৰূপত থকা 500 MT ৰ Methanol Plant ৰ পৰা Methanol কিনি আছে। Numaligarh Refinery ৰ পৰা প্ৰথমতে তেল টেংকাৰত গৈছিল। এতিয়াবাংলাদেশলৈকে dedicated pipeline বহাইছে যাৰ ফলত Numaligarh Refineryৰ পৰা regularly বাংলাদেশলৈকে তেল গৈ আছে। তাৰোপৰিও, আমাৰ Act East Policy ৰ জৰিয়তে হোৱা কেইটামান ভাল কথা হৈছে যে আমাৰ এটা Trilateral Highway হৈছে। মণিপুৰৰ Moreh আৰু ম্যানমাৰৰ Tamu লৈ যিটো Trilateral Highway হৈছে, সেইটো আমাৰ ৰণোজ পেগু ডাঙৰীয়াক লৈ যি delegation গৈছিল তেওঁলোকে দেখিছে। ইতিমধ্যে six lane Highway থাইলেণ্ডলৈকে সম্পূৰ্ণ হৈছে আৰু এই Highway টো হৈ যোৱাৰ লগে লগে Motorable road ৰ যি সম্পৰ্ক সেই ক্ষেত্ৰত আমাৰ বহুত ভাল হৈছে। দ্বিতীয়তে, জলপথৰ লগত সংযোগ কৰাৰ কাৰণে Kaladan project তKaladan নদীৰ ওপৰত Sittwe Port টো সম্পূৰ্ণ হ'ল। সেইটো ভাৰত চৰকাৰৰ Ports, Shipping and Waterways মন্ত্ৰী সোণোৱাল ডাঙৰীয়াই মুকলিও কৰিলে। সেই Port টো মিজোৰামৰ লগত connect হৈছে। Port ৰ পৰা যিটো ৰাস্তা আইজললৈকে আহিব, সেইটো জুলিংপুইলৈকে সম্পূৰ্ণ হৈছে, তাৰ পৰা আইজললৈকে ৰাস্তাটো হ'বলৈ অলপ বাকী আছে। গতিকে, আইজল সংযোগ হোৱাৰ লগে লগে আইজলৰ পৰা শিলচৰ সংযোগ হ'ব আৰু শিলচৰৰ পৰা অসমলৈ সংযোগ হ'ব ........interruptions...

**মাননীয় অধ্যক্ষঃ** ঠিক আছে। Supplementary আছে, তাত আপুনি বাকীখিনি ক'ব পাৰিব। শ্ৰী প্ৰদীপ হাজৰিকা।

**শ্ৰী প্ৰদীপ হাজৰিকা (আমগুৰি)ঃ** অধ্যক্ষ মহোদয়, Trans-Asian Highwayটো Moreh ৰ পৰা Tamu-Kalewa-Kalemyo লৈ develop হৈছে। সেই ৰাস্তাটো আহি ইম্ফল-জিৰিবাম-শিলচৰ হৈ ওলাই যায়। কিন্তু,সকলোতকৈ গুৰুত্বপূৰ্ণ পথটোৰেই হ'ল Stilwell Road, যাৰ দৈৰ্ঘ্য হৈছে ১৭২৬ কিঃমিঃ (১৯৭৯ মাইল)। এই পথটো ঐতিহাসিক পথ। এই পথটোৰে চাওলং চুকাফাই আমাৰ এই অঞ্চললৈ আহিছিল আৰু তেওঁ আহি সাত ৰাজ মাৰি এক ৰাজ কৰি বৰ অসম গঢ় দিছিল। এই ৰাস্তাটোৰে ভাৰত ম্যানমাৰ আৰু চীন এই তিনিখন দেশ চুইছে। ভিয়েটনাম আৰু লাওচ আনটোফালে আছে। এই ৰাস্তাটো একেবাৰে পোনপটীয়া ৰাস্তা। ইৰাৱতী নদীখন সেইফালে আছে আৰু upstream ত তেওঁলোকে port বনাইছে। আমি যেনেকৈ ডিব্ৰুগড়ত port বনাব পাৰো, ইৰাৱতী নদীতো তেনেকৈ port বনাইছে। আগতে, তাত বিশ্বৰ আটাইতকৈ ডাঙৰ pontoon bridge আছিল। এতিয়া যদি port টো হয়, তেতিয়া জাপান, ৰাছিয়া, লাওচৰ লগত যোগাযোগৰ লগত সুবিধা হ'ব কিন্তু ভিয়েটনামৰ লগত অসুবিধা হ'ব। ম্যানমাৰ, চীন দেশৰ লগত এনেকুৱা হয়। সেয়েহে মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে এই পথটোৰ ক্ষেত্ৰত Act East Policy ৰ অধীনত চৰকাৰে এতিয়ালৈকে কিয় কোনো পদক্ষেপ লোৱা নাই?

**মাননীয় অধ্যক্ষঃ** মাননীয় মন্ত্ৰী।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মাননীয় মন্ত্ৰী, এক্ট ইষ্ট পলিচি এফেয়াৰছ্ ঃ** মাননীয় অধ্যক্ষ মহোদয়, Stilwell Road টোৰ ক্ষেত্ৰত মাননীয় সদস্যগৰাকীয়ে আজি বুলিয়েই নহয়, ১৯৯৬ ত যেতিয়া তেওঁ পৰিবহন মন্ত্ৰী আছিল তেতিয়া তেওঁ তাৰ ওপৰত এখন সৰু documentary কৰি আমাক দেখুৱাইছিল। মই জানো যে এই ৰাস্তাটোৰ ক্ষেত্ৰত তেখেতৰ যথেষ্ট interest আছে। কিন্তু, এই ৰাস্তাটো ৰাজনৈতিক কাৰণত ভাৰত চৰকাৰে আমাক এতিয়ালৈকে অনুমতি দিয়া নাই। তাৰ মানে এইটো নহয় যে আমি এই ৰাস্তাটোৰ কথা উল্লেখ কৰা নাই। মই মাজতে অৰুণাচলত চাংলাঙলৈ by road গৈছিলো। তাৰ ভাৰত-ম্যানমাৰ সীমান্তৰ Pangsan Pass ত থকা Naung Yang আৰু সেই অঞ্চললৈ মই নিজে গৈছো। তাত এখন Border Haat ও আছে। এই ৰাস্তাটোৰ ক্ষেত্ৰত পদক্ষেপ লোৱাৰ বাবে আমাৰ তৰফৰ পৰা আমি Ministry of External Affairs ক কৈছো কিন্তু ভাৰত চৰকাৰে যেতিয়ালৈকে এই কথাটোত সেউজ সংকেত নিদিয়ে তেতিয়ালৈকে অলপ অসুবিধা হৈ আছে। অধ্যক্ষ মহোদয়, মই সদনত আৰু নকওঁ, প্ৰদীপ হাজৰিকাৰ লগত কথাটো পাতি ল'ম।

**মাননীয় অধ্যক্ষঃ** ঠিক আছে। এতিয়া শ্ৰী আব্দুছ ছোৱাহান আলী চৰকাৰ।

**শ্ৰী আব্দুছ ছোৱাহান আলী সৰকাৰ, গোলকগঞ্জঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে যোৱা বছৰ ভাৰত আৰু ভূটান সীমান্তৰ আমাৰ দৰংত ৰাজ্যপাল মহোদয়,Lakshman prasad Acharya আৰু ভূটানৰ প্ৰধান মন্ত্ৰী, Tshering Tabgay" মিলি যি Intregated Check post ৰ শুভ উদ্বোধন কৰিছিল। ঠিক তেনেকুৱা আমাৰ অসমৰ ধুবুৰী জিলাত গোলকগঞ্জ সমষ্টিৰ সোনাহাট লক্ষীমাৰী যিটো Trade center আছে, এই Trade center ৰ কথাও বহুতবাৰ মই বিধানসভাত উত্থাপন কৰিছিলো। এইটো ICP লৈ উন্নীত কৰিব লাগে। কাৰন বহুতো সুবিধা আছে ইয়াত ভাৰত বাংলাদেশৰ বানিজ্যিক উন্নীতকৰণৰ কাৰণে। সেই কাৰণে মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে সোনাহাট লক্ষীমাৰীৰ যিটো Trade center আছে সেই Trade center টোত Intregated Check post লৈ উন্নীতকৰণ কৰাৰ কাৰণে কিমান দূৰ forward কৰিছে সেইখিনি জনাব লাগে। লগতে আমাৰ যিহেতু Chiken-neck ক লৈ এটা কথা সকলো সময়তে হৈ থাকে, চীনে সকলো সময়তে আমাক ভাবুকি দি থাকে। আমি বাংলাদেশৰ লগত আমাৰ বৈদেশিক চুক্তি উন্নীতকৰণ কৰি গোলকগঞ্জৰ পৰা বাংলাদেশৰ বিটালদাহ বামুনহাট লৈকে যিখিনি ৰেল লাইন আছিল সেইখিনি যদি আমি উন্নীতকৰণ কৰি ইয়াৰ জড়িয়তে আমি ৰে'ল চলাচলৰ সুবিধা কৰিব পাৰো তেনেহ'লে মই ভাবো অহা দিনত আমি বাৰে বাৰে যিটো Chicken Neck ৰ ওপৰত ভাবুকিৰ কথা শুনি আহিছো তাৰ এটা বিকল্প উপায় হিচাপে আমি পাম। লগতে Act East policy ৰ লগতে আমাৰ যিটো সীমান্ত হাট সীমান্ত হাট বুলি ইয়াৰ আগতে Act East policy ত আমাৰ গোলকগঞ্জৰ সত্ৰশাল আৰু শ্ৰীভূমি জিলাৰ লাড়ু নামৰ ঠাইখনত দুখন বজাৰ স্থাপন কৰাৰ কথা আছিল সেইখিনি কিমান দূৰ আগবাঢ়িলে এই খিনি জনাবৰ কাৰণে মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো।

**মাননীয় অধ্যক্ষঃ** Hon'ble Minister.

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, (মন্ত্ৰী)ঃ** অধ্যক্ষ মহোদয়, আমাৰ দৰংত যিটো Land Infrastructure ৰৰ কথা কৈছে,Integrated Check Post ৰ এইটো আচলতে আজিৰ পৰা ২ বছৰ আগতে মুকলি কৰা হৈছে। আমাৰ আগৰ চৰকাৰৰ সময়ত আৰু উদ্যোগ বিভাগে এইটো নিৰ্মাণ কৰিছিল আৰু তেতিয়া মই ও উদ্যোগ মন্ত্ৰী আছিলো, আৰু সেই সময়ত এইটো বহুত প্ৰয়োজন

আছিল। কাৰণ Indo -Bhutan যিটো আমাৰ বানিজ্যিক সম্পৰ্ক সেই বানিজ্যিক সম্পৰ্কটো জনোৱাৰ সেই Integrated Check Post টো আমাৰ অতি প্ৰয়োজন আছিল। তাৰ পিছত ভূটানৰ মাননীয় প্ৰধানমন্ত্ৰী আৰু আমাৰ মাননীয় ৰাজ্যপাল, ভাৰত চৰকাৰৰ Minister of State, MEA আৰু ভাৰত চৰকাৰৰ Minister of State, Home আৰু মই নিজেও সেইদিনা উপস্থিত আছিলো আৰু সেইটো Integrated Check Post লৈ ৰূপান্তৰিত হৈ গ'ল। মই শেহতীয়া ভাৱে খবৰ লওতে গম পাইছো যে, এই Integrated Check Post থকাৰ কাৰণে Bhutan India ত বানিজ্য বহু পৰিমানে বাঢ়ি গৈছে। গতিকে আজি আমাৰ গোলকগঞ্জৰ যিটো কথা কোৱা হৈছে তাত ইতিমধ্যে আমাৰ Check Post টো আছেই। কিন্তু আমি এটা Up-graded Station কৰাৰ কাৰণে ভাৰত চৰকাৰক Hand-Over কৰা আছে। গতিকে আপোনাৰ কথাটো হ'ল যে ইয়াত এটা Integrated Check Post এটা হ'ব লাগে আৰু সেইটো হোৱাটো মইও বিচাৰো কাৰণ ভূটানৰ পৰা বহু পৰিমানে শিল বা অন্যান্য Material ধুবুৰী হৈ আমাৰ বাংলাদেশলৈকে ৰপ্তানি হয়। গতিকে এই ক্ষেত্ৰত আপুনি যিটো কথা কৈছে, এই ক্ষেত্ৰত মই Act East Policy ৰ অধীনত নহয়, আমি policy টোহে কওঁ এইটো উদ্যোগ বিভাগৰ AIDC ৰ অধীনত আছে। উদ্যোগ বিভাগক আমি AIDC ক আপোনাৰ Concern টো জনাই দিম। আমাৰ উদ্যোগ মন্ত্ৰী বিমল বড়া ডাঙৰীয়া ইয়াত উপস্থিত আছে। লগতে Customs সহকাৰে এটা Integrated Check Post হ'ব লাগে সেই কথাখিনি নিশ্চয় আমি বিবেচনা কৰিম। দ্বিতীয়তে, শ্ৰী ভূমি জিলাত আৰু গোলাকগঞ্জত এই Border Haat ৰ কথাটো বিবেচনাধীন হৈ আছে।

**অধ্যক্ষ মহোদয়ঃ** Question number 22 শ্ৰী আব্দুৰ ৰশিদ মণ্ডল, Hon'ble Miniter.

**শ্ৰী ৰণোজ পেগু, (শিক্ষা মন্ত্ৰী)ঃ** অধ্যক্ষ মহোদয় উত্তৰ সদনত মজিয়াত দিয়া হৈছে।

**শ্ৰী আব্দুল ৰশিদ মণ্ডল, (পশ্চিম গোৱালপাৰা)ঃ** ধন্যবাদ অধ্যক্ষ মহোদয়, এই প্ৰশ্ন কেইটা দ্বাৰা চ'ৰ অঞ্চলৰ শিক্ষাৰ যিটো পুটৌ লগা অৱস্থা এই খিনি কথাকে অপোনাৰ জৰিয়তে চৰকাৰক দৃষ্টি গোচৰ কৰিব বিচাৰিছিলো আৰু মই ভাৱো এই গোটেখিনি কথা ইতিমধ্যে আহিছে । প্ৰায় ৩০ লাখতকৈ বেছি জনসংখ্যা থকা অসমত বৃহত্তৰ চৰ অঞ্চলত মাত্ৰ ২ হাজাৰ স্কুল। যি স্কুলৰ সংখ্যা দিছে এইটো মই ক'বলৈ নাযাও তাৰে statistics এনেকুৱা যে এ ল পি স্কুল প্ৰায় ডেৰ হাজাৰ মানুহৰ মাজত এখন। প্ৰায় ৯ হাজাৰ কাৰণে এখন M.E স্কুল, প্ৰায় ৩০ হাজাৰ কাৰণে এখন হাই স্কুল,এক লাখ ২০ হাজাৰ কাৰণে এখন higher Secondary স্কুল, ১০ লাখ কাৰণে এখনকৈ Junior College, আৰু প্ৰায় ৫ লাখৰ কাৰণে এখনকৈ Degree College. তাৰোওপৰি যদি কোৱা যায় মাজুলীও এই চৰ অঞ্চলত মাজত আছে। মই ২০০৬ চনত প্ৰথম বিধায়ক হয় আহি পেলাই যেতিয়া চৰ অঞ্চলত শিক্ষা অনুষ্ঠান কথা এটা প্ৰশ্ন আছিল দেখা পাইছিল যে মাজুলীত বা সেই অঞ্চলত যিমানখিনি শিক্ষা অনুষ্ঠান আছে Rest of char area in Assam সেইখিনি আছে। গতিকে মই District Wise ত ক'ব নাযাওঁ। গতিকে এইটো হৈছে পুতৌ লগা ছবি। তাৰোপৰি ইয়াতে এটা উত্তৰ আহিছে P.T.R ৰেচিও লৈ যে যিটো উত্তৰ প্ৰকৃততে শিক্ষা বিভাগৰ হ'ব নালাগিছিল। যিহেতু উত্তৰত পোৱা গৈছে জনসংখ্যা বৃদ্ধি private School নথকাৰ কাৰণে PTR বেছি। এই কথাটো শিক্ষা বিভাগৰ হ'ব নালাগিছিল। চৰ অঞ্চলত জনসংখ্যা বৃদ্ধি এই কথাটোত মই একমত। জনসংখ্যা বৃদ্ধি হৈছে ৯ লাখ due to lack of Education.য'ত শিক্ষা অনুষ্ঠান প্ৰতিষ্ঠান কথাটো আহিব লাগিছিল। তাকে নকয় যদি birth rate বেছি private

School নাই ইয়াৰ ফলত PTR ৰ বেছি । এতিয়া প্ৰশ্ন হ'ল যে চৰ অঞ্চলত কলেজৰ ক্ষেত্ৰত sonari ক ইয়াতে জলেশ্বৰত চৰ অঞ্চলক কলেজ বুলি কোৱা হৈছে। এইটো মই disagree নকৰো । কিন্তু Sonari College ওপৰত specific প্ৰশ্ন আছিল। যি Sonari College য়ে actually 1998 ততে Established হৈছিল। মই মন্ত্ৰী মহোদয়ৰ কাৰণে memorandum কপি এটা আনিছো তেওঁলোকে নিশ্চয় দিছে sub-committee Chairman হিচাপত যে ১৯৯৮ চনতে Established ত ২০০৬ চনতৰ আগতে তেওঁলোকে Concurrence পোৱা উচিত Concurrence date টো ২০০৮ টো w.e.f ২০০৫ চন এনেকুৱা ধৰণে আছে। যিটো পৰ্য্যায়ত Degree College ৰ পৰা ইতিমধ্যে Graduation লৈ Master's Degrees লৈ এতিয়ালৈকে Provincialization পোৱা নাই। Science Stream in East West Goalpara College ৰ ক্ষেত্ৰত এইটো Proposal Examine কৰা বুলি কৈ আছে। কিন্তু মই আশাবাদী আজি যিজন মুখ্যমন্ত্ৰী তেখেত শিক্ষা মন্ত্ৰী থকা অৱস্থাত তেখেতে উদ্যোগ লৈ Proposal আনিছিল। DHE ৰ পৰা চৰকাৰলৈ Proposal তেতিয়াই আহিছিল আগৰ চৰকাৰৰ দিনত । আনকি আমাৰ কংগ্ৰেছ দলৰ চৰকাৰৰ দিনত এই Proposal টো Pending হৈ আছিল। এতিয়া Science Stream Induction টো হ'বনে নাই? অসম চৰকাৰে গোৱালপাৰা জিলাৰ কেইবাখনো কলেজক Best College হিচাপে award দিছে। ইয়াত প্ৰশ্ন নাই যদিও কিন্তু, মাননীয় মন্ত্ৰী মহোদয় জ্ঞাত যে গোৱালপাৰা কলেজয়ে NAAC, accreditation 'A' Plus -পোৱাৰ কাৰণে মুখ্যমন্ত্ৰী য়ে award দিলেও অসমত B. Boruah College য়ে পোৱাৰ যোগ্য। অসমৰ বহুত কেইখন কলেজক University লৈ upgrade কৰা হ'ল ১৯৫৫ ত Established গোৱালপাৰা কলেজক University লৈ upgrade কৰা হ'বনে নাই? এইখিনি কথা মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

**অধ্যক্ষ মহোদয়ঃ** ঠিক আছে। Hon'ble Minister .

**ডাঃ ৰণোজ পেগু, (শিক্ষা মন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, যদিও মই ইয়াত পৰিসংখ্যা দাখিল কৰিছো যে, অসমৰ চৰ অঞ্চলত কিমান বিদ্যালয় L.P.U.P, Secondary বিদ্যালয় আছে। তথাপিতো মই কওঁ যে ইয়াত মোৰ এটা Reservation আছে, এই পৰিসংখ্যাটোৰ, কাৰণ চৰ এৰিয়া বুলি কোনটো অঞ্চলক নিৰ্দিষ্ট ভাৱে বুজোৱা যায়। তাৰ কোনো সংজ্ঞা আমাৰ শিক্ষা বিভাগৰ অধীনত বা ৰাজহ বিভাগৰ অধীনত নাই। মাননীয় বিধায়ক গৰাকীয়ে কৈছে যে মাজুলীও চৰ অঞ্চল এটা। মাজুলীৰ অৱস্থিতি আৰু আন নামনি অসমৰ বহুত চৰৰ অৱস্থিতি একে নহয়। আমাৰ বহুত নৈ পৰীয়া অঞ্চল আছে। যিবিলাক stable অঞ্চল, কিন্তু, কিছুমান অঞ্চল আছে যিবিলাক stable নহয়। চৰ অঞ্চলত আমাৰ হাতত যি তথ্য আহে বহু সময়ত বহুত বিদ্যালয় নদী গড়াখহনীয়াই তাক উটুৱাই লৈ যায়। পুনৰ সেই বিদ্যালয়খন তাত প্ৰতিষ্ঠা কৰিব পৰা নাযায়। ইয়াৰ কাৰণে বিদ্যালয়ৰ সংখ্যা কমি গৈছে আৰু সংখ্যা কমি যোৱাৰ কাৰণে অন্যান্য বিদ্যালয়ত PTR ৰ সংখ্যা বৃদ্ধি পাইছে। যি কি নহওঁক আমি চৰ অঞ্চলৰ বিদ্যালয় সমূহত PTR maintain কৰাৰ কাৰণে আমি আপ্ৰান চেষ্টা কৰিছো, কিছুদিন আগত মাননীয় প্ৰধান মন্ত্ৰী ডাঙৰীয়াই ৰাষ্ট্ৰীয় মাধ্যমত প্ৰশংসা কৰিছে যে বৰপেটা Aspirational District সেই জিলাখনৰ পুতৌ লগা যি PTR আছিল তাক আমি আজি improve কৰি প্ৰায় প্ৰত্যেকখন বিদ্যালয়ত আমি শিক্ষক দিবলৈ সক্ষম হৈছো। সেই কথা মাননীয় প্ৰধানমন্ত্ৰী ডাঙৰীয়াই উল্লেখ কৰি আমাক প্ৰশংসাও কৰিছে।এতিয়াও আমাৰ শিক্ষক নিযুক্তি প্ৰক্ৰিয়া চলি আছে। শিক্ষক নিযুক্তিৰ লগে লগে আমাৰ

PTR ৰ সংখ্যাটো improve কৰিবলৈ সক্ষম হ'ল। এতিয়া আমি মাননীয় মুখ্যমন্ত্ৰীৰ ডাঙৰীয়াৰ এক flagship আঁচনিৰ অধীনত বিভিন্ন মাধ্যমিক বিদ্যালয় সমূহক প্ৰায় ৮ কৌটি টকা ব্যয় সাপেক্ষে সম্পূৰ্ণ নতুনকৈ নিৰ্মাণ কৰাৰ বাবে আমি প্ৰচেষ্টা হাতত লৈছো। ইয়াৰ কাৰণে আমি চৰ অঞ্চলতো এনেকুৱা বিদ্যালয় প্ৰতিষ্ঠা কৰিছো। কিন্তু বহু অঞ্চলত যেতিয়া আমাৰ Engineer সকল গৈছে তেওঁলোকে চাৰ্ভে কৰিছে তাৰ পিছত ৰিপোৰ্ট দিছে যে structure টো এই চৰ অঞ্চলত নিৰ্মাণ কৰাটো সম্ভৱ নহ'ব। বিলাসীপাৰাতো আমি এখম মহাবিদ্যালয় দিছিলো, ইয়াৰ কাৰণে যি গুটিপাৰা বুলি অঞ্চল চিহ্নিত কৰি দিয়া হৈছিল তাৰো সেইখিনি মাটিত বৃহৎ বিল্ডিং নিৰ্মাণ কৰাৰ উপযোগী নহয় বুলি আমাক গড়কাপ্তানী বিভাগে জনাইছে। গতিকে বিদ্যালয় সমূহ মহাবিদ্যালয় সমূহ প্ৰতিষ্ঠিত হৈছে stable অঞ্চল সমূহত। য'ত চৰ অঞ্চলৰ ল'ৰা-ছোৱালী সমূহে আহি শিক্ষা গ্ৰহণ কৰিব পাৰে। ইতিমধ্যে তাৰ নিৰ্মাণ কাৰ্য্য আৰম্ভ হৈছে। আমি বিলাসীপাৰাৰ women কলেজ আৰম্ভ কৰি দিছো। গতিকে চৰ মানে আমি ব্ৰহ্মপুত্ৰ নদীৰ মাজত যে বিদ্যালয় নিৰ্মাণ কৰিব লাগে তেনেকুৱা কোনো কথা নাই। আমি যেতিয়া স্থায়ী বিদ্যালয় নিৰ্মাণ কৰিম তেতিয়া সেইটো যাতে গৰাখহনীয়াই সেই বিদ্যালয়, মহাবিদ্যালয়খন ঢুকি নাপায় তাত আমি নিৰ্মাণ কৰিব লাগিব। তাত নিৰ্মাণ কৰাৰ লগে লগে চ ৰ অঞ্চলৰ পৰিসংখ্যাটোত সেই বিদ্যালয়খন সংযোজিত নহয়, সেই বিদ্যালয় খন non চৰ এৰিয়া বুলি উল্লেখ হয়। ইয়াৰ পিছত যিটো বিজ্ঞান শাখাৰ কথা উল্লেখ কৰিছে, অধ্যক্ষ মহোদয় আমি গোটেই অসমত এটা চাৰ্ভে কৰি লৈছো কাৰণ আমাৰ যিমান বিজ্ঞানৰ আসন আছে তাৰ ১০০ শতাংশ full-fill নহয় বুলি মই আগতে বিধানসভাত কৈছো। এতিয়া আমি বিজ্ঞান শাখাত কোনোবা এখন মহাবিদ্যালয়ত আমি প্ৰৱৰ্তন কৰাৰ আগতে তথ্য খিনি আহৰণ কৰি লওঁ যে ওচৰত আৰু কোনোবা মহাবিদ্যালয়ত বিজ্ঞান শাখা আছে নেকি। এতিয়া ওচৰত যদি feeder উচ্চতৰ মাধ্যমিক স্কুলত বিজ্ঞান নাই তেনেহ'লে মহাবিদ্যলয় খনত বিজ্ঞান শাখাটো খুলিলেও আমি ছাত্ৰ-ছাত্ৰী নাপাওঁ। কাৰণ দূৰৰ পৰা ছাত্ৰ-ছাত্ৰী আহি ভাড়াঘৰ লৈ পঢ়িব নোৱাৰে। এই চাৰ্ভে সম্পূৰ্ণ হৈছে। এখন বিশেষ OM issue কৰা হৈছে। এই OM খনৰ ভিত্তিত সম্পূৰ্ণ যুক্তিসংগত ভাৱে এই ২০২৫-২৬ বৰ্ষৰ পৰা বিজ্ঞানৰ শাখা খোলাৰ আমি পদক্ষেপ আগুৱাই লৈ যাম।

**অধ্যক্ষ মহোদয়ঃ** ঠিক আছে। ধন্যবাদ। প্ৰশ্নকৰোতা। To the point ক'ব।

**শ্ৰী আব্দুল ৰশিদ মণ্ডল,(পশ্চিম গোৱালপাৰা) ঃ** অধ্যক্ষ ডাঙৰীয়া, মাননীয় মন্ত্ৰী মহোদয়ে কৈছে যে চৰ অঞ্চলত বহুত চৰ অঞ্চল এনেকুৱা আছে যিবিলাক চৰত এতিয়ালৈকে ME স্কুল এখন নাই। যিটো আপোনাৰ ২০১৭ চনৰ Act Reorganisation of Institutions সেইবিলাক কথা কিন্তু চৰ অঞ্চলত প্ৰতিফলিত হোৱা নাই LP স্কুলৰ ক্ষেত্ৰতে হওঁক বাME স্কুলৰ ক্ষেত্ৰতে হওঁক নতুবা হাইস্কুলৰ ক্ষেত্ৰতে হওঁক। গতিকে এই কথাটো গুৰুত্ব সহকাৰে ল'ব বুলি আপোনাৰ জৰিয়তে চৰকাৰক অনুৰোধ জনাইছো। West গোৱালপাৰা কলেজৰ ক্ষেত্ৰত যিটো Science Induction ৰ কথা কোৱা হৈছে। তাৰ পৰা কেইবাশ ল'ৰা এতিয়াও enrollment আছে। Major লৈ মাষ্টাৰ ডিগ্ৰী পঢ়ি আছে। এই চৰ অঞ্চলৰ ল'ৰা-ছোৱালী Doctor Engineer হয়।

**অধ্যক্ষ মহোদয়ঃ** আপুনি প্ৰশ্নটো কৰক।

**শ্ৰী আব্দুল ৰশিদ মণ্ডল,(পশ্চিম গোৱালপাৰা) ঃ** অধ্যক্ষ ডাঙৰীয়া, বিজ্ঞান শাখাৰ সোণাৰী কলেজৰ প্ৰাদেশীকৰণ, গোৱালপাৰা মহাবিদ্যালয়ত বিশ্ববিদ্যালয়লৈ up-gradation কৰিব লাগে।

**অধ্যক্ষ মহোদয়ঃ** আপুনি প্ৰশ্নটো কৰক। To the point কৰক, debate ৰ নিচিনা কৰিব নালাগে।

**শ্ৰী আব্দুল ৰশিদ মণ্ডল,(পশ্চিম গোৱালপাৰা) ঃ** অধ্যক্ষ ডাঙৰীয়া, পঞ্চভাঙা চৰৰ হাইস্কুল টো বেলেগ গাওঁ পঞ্চায়তৰ মই বিধায়ক হিচাপে মই DC, IAS ক কোৱৰ পিছতো শিক্ষক বা বেলেগ কিছুমান মানুহে বেলেগ ঠাইত চলাই থকা কথাটো আপোনাৰ দৃষ্টিগোচৰ কৰিলো। যি ঠাইত স্কুলখন স্থাপিত হৈছিল, তাত যাতে স্থানান্তৰ কৰা হয়।

**অধ্যক্ষ মহোদয়ঃ** ধন্যবাদ।

**শ্ৰী ৰণোজ পেগু, শিক্ষামন্ত্ৰীঃ** অধ্যক্ষ মহোদয়, প্ৰদেশীকৰণৰ বিষয় লৈ বিদ্যালয় হওঁক মহাবিদ্যালয় হওঁক ইতিমধ্যে এখন cabinet sub-committee গঠন হৈছে। এই কমিটিয়ে সকলো সংশ্লিষ্ট দল-সংগঠন অনুষ্ঠান-প্ৰতিষ্ঠানৰ পৰা স্মাৰক পত্ৰ পাইছে আৰু সেইবোৰ পৰীক্ষা কৰি আছে। ইয়াৰ ভিতৰত সোণাৰী মহাবিদ্যালয়ৰো আবেদন cabinet sub-committee য়ে পাইছে। গতিকে cabinet sub-committee ৰ প্ৰতিবেদনৰ ওপৰত প্ৰদেশীকৰণৰ বিষয়টোৰ সিদ্ধান্ত হ'ব। দ্বিতীয় কথাটো হ'ল বিজ্ঞান শাখা খোলা-নোখোলা কথা, পূৰ্বে পলিচি নাছিল এতিয়া পলিচি হ'ল, সেইটো নতুন পলিচিৰ আধাৰত সেই আবেদন বিচাৰ কৰা হ'ব।

**অধ্যক্ষ মহোদয়ঃ** ঠিক আছে। ধন্যবাদ। এতিয়া মাননীয় বিধায়ক শ্ৰী অখিল গগৈ।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ)ঃ** অধ্যক্ষ মহোদয়, আমাৰ যিখন প্ৰাদেশীকৰণ আইন ২০১৭ আছে। সেই অনুসৰি আকৌ প্ৰদেশীকৰণৰ কাৰণে cabinet sub-committee এখন মুখ্যমন্ত্ৰী ডাঙৰীয়াই বনাই দিছে। মোৰ প্ৰশ্নটো হ'ল ২০০৬ চনৰ যিবিলাক স্কুল আছে সেই স্কুল বিলাকৰ ক্ষেত্ৰত মুখ্যমন্ত্ৰী ডাঙৰীয়াই কৈছিল আমি ৰাজহুৱাকৈ কোৱা ও শুনিছো প্ৰেছত ও কৈছে যে ২০০৬ চনৰ আগৰ যদি মাটিৰ নথি-পত্ৰ আছে, SEBA ৰ লগত জড়িত যদি কিবা নথি-পত্ৰ বা council ৰ লগত জড়িত যদি কিবা নথি-পত্ৰ আছে, বিশ্ববিদ্যালয়ৰ লগত fees দিয়া নিদিয়াৰ যদি কিবা নথি-পত্ৰ আছে, তেনেকুৱা নথি-পত্ৰ লৈ DISE থকা বা চলি থকা শিক্ষানুষ্ঠান সমূহৰ পদ বিলাক প্ৰদেশীকৰণ হ'ব। কিন্তু cabinet sub-committee য়ে বিদ্যালয় বিলাকৰ যিটো union আছে তেওঁলোকক মাতি লৈ আলোচনা কৰা নাই। গতিকে union বিলাকৰ মাজত এতিয়াও সাংঘাতিক ধৰণৰ আন্দোলন চলি আছে বা তেওঁলোকে প্ৰতিবাদ সাব্যস্ত কৰি আছে বিভিন্ন সময়ত। গতিকে মুখ্যমন্ত্ৰীৰ কথা অনুসৰি এই ধৰণে ২০০৬ চনৰ আগৰ মাটিৰ নথি-পত্ৰকে ধৰি এই নথি-পত্ৰক লৈ প্ৰাদেশীকৰণ কৰা হ'ব নে, মোৰ প্ৰথম প্ৰশ্ন। নিযুক্তিৰ ক্ষেত্ৰত আগতে ১০ বছৰ আছিল এতিয়া ৬ বছৰ experience ৰ ব্যৱস্থাটো ল'বৰ বাবে union বিলাকে সদায় কৈ আছে সেইটো মানি ল'ব নে আৰু ২০১১, ২০১৩, ২০০১ আৰু ২০২১ চনৰ প্ৰাদেশীকৰণৰ সময়ত থাকি যোৱা যিবিলাক পদ আছিল সেই পদ বিলাকক লোৱা হ'ব নে নহ'ব সেই কথাকেইটা মই মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰো আৰু লগতে শিক্ষক সকলক মাতি এটা আলোচনা বহুৱাব নে নাই সেইটোও মই জানিব বিচাৰো।

**অধ্যক্ষ মহোদয়ঃ** ঠিক আছে, ঠিক আছে।

**শ্ৰী ৰণোজ পেগু, শিক্ষামন্ত্ৰীঃ** অধ্যক্ষ মহোদয়, প্ৰশ্নটো পশিম গোৱালপাৰাৰ জলেশ্বৰৰ সোণাৰী কলেজ সম্পৰ্কীয় আছিল। মই ইতিমধ্যে উল্লেখ কৰিছো যে এখন cabinet sub-committee হৈছে। গতিকে সেই cabinet sub-committee ৰ লগত মই এজন member আৰু

ইতিমধ্যে মই সকলো শিক্ষক সংগঠনৰ লগত আলোচনা অনুষ্ঠিত কৰিছো। মোৰ আলোচনাৰ প্ৰাপ্তি খিনি cabinet sub-committee ত দিম। তাৰ পিছত cabinet sub-committee য়ে যি সিদ্ধান্ত লয় সেইমতে আমি আগুৱাই যাম। গতিকে নিৰ্দিষ্টভাৱে মই এটা কথা ক'ব নোৱাৰো। দ্বিতীয় কথাটো হ'ল যে এখন আইন আছে সেই আইনখন বিধানসভাই প্ৰথম পাছ কৰে। ইয়াৰ পিছত সেই আইনৰ আওঁতাৰ ভিতৰত কোন বিদ্যালয় কোন মহাবিদ্যালয় তাত অন্তৰ্ভূক্ত হয় নহয়, সেইটো তাৰ পিছত আহে। গতিকে এতিয়া cabinet sub-committee য়ে পলিচি সিদ্ধান্ত ল'ব, তাৰ পিছতহে individually বিদ্যালয় বা মহাবিদ্যালয় এখন সেই আইনৰ আওঁতাৰ ভিতৰত আহিব নে বাহিৰত আহিব সেই কথাটো আহিব। গতিকে ব্যক্তিগত ভাৱে এখন এখন বিদ্যালয় বা মহাবিদ্যালয় সম্পৰ্কে মন্তব্য কৰাটো আমাৰ কাৰণে সম্ভৱ নহয়। মই সকলোকে অনুৰোধ জনাইছো যে সকলোৰে অকণমান ধৈৰ্য্য ধৰিলে cabinet sub-committee ৰ প্ৰতিবেদনখন দাখিল হ'ব, তাৰ ওপৰত ভিত্তি কৰি cabinet য়ে নিশ্চিতভাৱে সিদ্ধান্তও গ্ৰহণ কৰিব আৰু সেই সিদ্ধান্ত লৈ মই বিধানসভাৰ মজিয়ালৈ আহিম। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া সন্মানীয় সদস্য শ্ৰী ওৱাজেদ আলী চৌধুৰী।

**শ্ৰী ওৱাজেদ আলী চৌধুৰী, দক্ষিণ শালমৰা ঃ** মাননীয় অধ্যক্ষ মহোদয়, যিহেতু প্ৰশ্নটো আছিল চৰৰ ভিত্তিত, গতিকে চৰ অঞ্চলত শিক্ষা প্ৰতিষ্ঠান যথেষ্ট কম। এল পি স্কুল, এম ই স্কুল, হাই স্কুল বা কলেজে হওক একেবাৰে কম। আপোনাৰ হয়তো নিশ্চয় মনত আছে ২০০৩ চনত চৰ অঞ্চলত এটা survey হৈছিল। তাত দেখা গৈছিল যে তাৰ মাত্ৰ ১৯ শতাংশ মানুহহে শিক্ষিত। তেতিয়া অসমৰ আন অঞ্চলৰ শিক্ষাৰ হাৰ আছিল ৫৬ শতাংশ। গতিকে মই আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাব বিচাৰিছো যে এইবাৰ যিবোৰ ২০০৬ চনৰ আগত স্থাপন হোৱা বিদ্যালয়সমূহ চৰকাৰীকৰণ কৰা হ'ব বুলি যি কথা শুনিছো, চৰ অঞ্চলৰ ক্ষেত্ৰতো গুৰুত্ব দি বিশেষকৈ মোৰ দক্ষিণ শালমৰা সমষ্টিত ২ লাখ জনসংখ্যা লৈ এখন জুনিয়ৰ কলেজ আছে। তাত চিনিয়ৰ কলেজ নাইয়েই। এই কলেজখন যদি লোৱা হয় তেতিয়াহ'লে আমাৰ ছাত্ৰ-ছাত্ৰীসকল যথেষ্ট উপকৃত হ'ব। আমাৰ দক্ষিণ শালমৰা সমষ্টিৰ বিভিন্ন পঞ্চায়তত হাইস্কুল নাই। মন্ত্ৰী মহোদয়ে আগতেও কথা দিছিল যে এম ই স্কুল upgrade কৰি হাইস্কুল কৰিব। গতিকে এতিয়া এম ই স্কুল upgrade কৰি হাই স্কুল কৰাৰ ব্যৱস্থা কৰিব নেকি? লগতে আমাৰ একমাত্ৰ জুনিয়ৰ কলেজখন চৰ অঞ্চলৰ হিচাপে provincialise কৰিব নেকি?

**মাননীয় অধ্যক্ষ ঃ মাননীয় মন্ত্ৰী ডাঙৰীয়া।**

**ডাঃ ৰণোজ পেগু, (শিক্ষা মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ইতিমধ্যে আমি ৩০০ খন হাইস্কুলক হায়াৰ চেকেণ্ডাৰীলৈ উন্নীত কৰিছো। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই কেইদিনমান আগত অনুমোদন জনাইছে ২০২৫ -২৬ বৰ্ষতো আমি ২৫০ খন হাইস্কুলক স্কুলক হায়াৰ চেকেণ্ডাৰীলৈ উন্নীত কৰিম। আমাৰ এটা policy decision ল'ব লাগিব যে মাত্ৰ তিনিটা শ্ৰেণীলৈ upper primary school একোখন আমি ৰাখিম নে সেই বিদ্যালয় সমূহক আমি উচ্চ মাধ্যমিক বিদ্যালয়লৈ উন্নীতকৰণ কৰিম।এই বছৰ আমি অগ্ৰাধিকাৰ ভিত্তিত upper primary বা M.E school ক High school লৈ উন্নীতকৰণ কৰাৰ কাৰণে আমি প্ৰায় ২০০০ কোটি টকা ব্যয় সাপেক্ষে এখন বিশেষ আঁচনি গ্ৰহণ কৰিছো আৰু এইখন ৰূপায়ণ হ'ব। এই আঁচনিখন ৰূপায়ণ হ'লে আমাৰ চৰ অঞ্চল হওক বা পাৰ্বত্য অঞ্চল হওক বা বহু দূৰৱৰ্তী অঞ্চল য'ত High school ৰ সুবিধা নাই, এই সমস্যাটো আমাৰ সমাধান হ'ব। লগতে ক'ব বিচাৰিছো যে চৰ অঞ্চলত বা নৈৰ গড়াত বা

vulnerable area ত আমি তেনেকুৱা বৃহৎ উচ্চতৰ মাধ্যমিক বিদ্যালয় বা মহাবিদ্যালয় প্ৰতিষ্ঠান বা বৃহৎ structure নিৰ্মাণ কৰিব নোৱাৰো। আমি stable অঞ্চলতহে বৃহৎ বিদ্যালয় বা মহাবিদ্যালয় স্থাপন কৰিম, য'ত গড়াখহনীয়াই ঢুকি নাপায় বা কোনো ধৰণৰ ক্ষয়-ক্ষতি নহয়। যেতিয়া আমি এখন মহাবিদ্যালয় চৰ অঞ্চলৰ ওচৰৰ stable অঞ্চলত প্ৰতিষ্ঠা কৰিম সেয়েহ চৰ অঞ্চলত মহাবিদ্যালয় নাই বুলি কথাটো ক'ব নালাগে। অধ্যক্ষ মহোদয়, মই আৰম্ভণিতে কৈছো যে চৰ অঞ্চল বুলি ক'লে কোনটো অঞ্চলক বুজায় তাৰ কোনো definition নাই।

-----হুলস্থুল-------

**মাননীয় অধ্যক্ষ ঃ** Reply is reply. Whether you are satisfied or not.If you have any problem you meet Hon'ble Minister.

এতিয়া question no-23, Shri Hitendra Nath Goswami.

**শ্ৰী দেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসম চৰকাৰে welfare of minorities ৰ under ত যিহেতু চৰ এৰিয়া development fund আছে আৰু তেখেতসকলে এটা বাজেটো পায়। গতিকে কোনবিলাক অঞ্চল চৰ আৰু কোনবিলাক চৰ অঞ্চল নহয় এইবিলাক বিষয় লৈ সকলো বিভাগকো যাতে এটা নিৰ্দেশনা দিয়ে তাৰবাবে আপুনি এটা direction দিয়ক যাতে ভৱিষ্যতে এনেকুৱা ধৰণৰ confusion নহয়।

**মাননীয় অধ্যক্ষ ঃ** Definitely.

**ডাঃ ৰণোজ পেগু, ( শিক্ষা মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই এই সদনক জনাওঁ যে যিসমূহ অঞ্চলত Higher Secondary School নাই বা High School নাই, তাত Upper Primary School ক উন্নীতকৰণৰ জৰিয়তে আৰু High School ক উন্নীতকৰণৰ জৰিয়তে সেই নাটনি দূৰ কৰাৰ বাবে চৰকাৰে সিদ্ধান্ত গ্ৰহণ কৰিছে আৰু এই সিদ্ধান্ত ইতিমধ্যে কাৰ্য্যকৰী ßÁ±ÆÿÈÅâÃ¼৩০০ খন High School ক উন্নীতকৰণ কৰা হৈছে আৰু এই বছৰো আমি ২৫০ খন High School ক Higher Secondary School ক উন্নীত কৰাৰ কাৰণে সিদ্ধান্ত গ্ৰহণ কৰিছো।

**শ্ৰী শ্বেৰমান আলী আহমেদ, (বাঘবৰ) ঃ** ছাৰ, মোৰ এটা supplementary আছে।

**মাননীয় অধ্যক্ষ ঃ** Supplementary সকলোৰে আছে। কিন্তু আমি rule মতে যাব লাগিব। আপোনালোকে সদনৰ মৰ্য্যাদা বজাই ৰাখক। এতিয়া মাননীয় সদস্য শ্ৰী হিতেন্দ্ৰ নাথ গোস্বামী।

**ডাঃ ৰণোজ পেগু, (শিক্ষা মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া হৈছে।

**শ্ৰী হিতেন্দ্ৰ নাথ গোস্বামী, (যোৰহাট) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই উত্তৰটো পাইছো। প্ৰশ্নটো মোৰ অনাৰ ইচ্ছা নাছিল। কিন্তু এতিয়া শিক্ষয়িত্ৰীগৰাকীৰ প্ৰায় ২৪ বছৰ হ'ল যে তেওঁ ১৮০০ টকা দৰমহাতে চলি আছে। ২০১৭ চনত তেওঁ মোক এবাৰ লগ কৰিছিল। মই হাই কোৰ্টলৈ পঠোৱাৰ কথা ভাৱিছিলো। কিন্তু মই পাছত নিজে গলো আৰু মই কৃতজ্ঞ যে তিনিজন শিক্ষা মন্ত্ৰী, বৰ্তমানৰ মুখ্যমন্ত্ৰী তেখেত তেতিয়া শিক্ষামন্ত্ৰী আছিল, সিদ্ধাৰ্থ ভট্টাচাৰ্য্য ডাঙৰীয়া আৰু ৰণোজ পেগু ডাঙৰীয়া। তেওঁলোকে যথেষ্ট positively কাম কৰি এই শিক্ষয়িত্ৰী গৰাকীৰ সম্পৰ্কে কেবিনেটত এটা সিদ্ধান্ত গ্ৰহণ কৰা হৈছিল যে contractual basis ত হ'ব with ROP benifit under the directorate of Elementary education. ১৫ মাৰ্চ ২০২৪ ত এই সিদ্ধান্তটো দিছিল আৰু আজি প্ৰায় এবছৰ হ'ল। শিক্ষয়িত্ৰী গৰাকীয়ে ২০২৬-২৭ চনত re-tire কৰিব। গতিকে আমাৰ এটা দীঘলীয়া process fail হ'ল। সেইকাৰণে মই প্ৰশ্নটো

আনিছো। মোৰ কোনো supplementary নাথাকে। প্ৰশ্নটো হৈছে, এতিয়া যিটো উত্তৰ দিছে তাত কৈছে যে ইতিমধ্যে বিষয়টো পুৰ্ণৰূপ এটা দিয়াৰ পাছত নথি পত্ৰ সমূহ এটা নতুন head of account প্ৰস্তুতিৰ জৰিয়তে সৃষ্টি কৰাৰ বাবে বিত্ত বিভাগৰ অনুমোদনৰ বাবে প্ৰেৰণ কৰা হৈছে। বিত্ত বিভাগৰ পৰা নতুন head of account লাভ কৰিলে শ্ৰীমতী কোঁৱৰক ঠিকাভিত্তিক চৰকাৰী শিক্ষকৰূপে নিযুক্তি দিব পৰা হ'ব। Unfortunately আজি মাননীয় বিত্ত মন্ত্ৰী মহোদয় সদনত উপস্থিত নাই। মই এইকাৰণেই প্ৰশ্ন কৰিছো যে প্ৰায় ২৪ বছৰ হৈ গ'ল। এইটো অৱশ্যে বিভাগৰ ভুল যাৰ কাৰণে মানুহগৰাকী এনেকৈ থাকিব লগীয়া হ'ল। এতিয়া মানুহগৰাকীক আমি এতিয়া সহায় কৰিব পাৰিম নে নোৱাৰিম সেইটোৱে মই জানিব বিচাৰো। মাননীয় শিক্ষা মন্ত্ৰী ডাঙৰীয়াৰ পৰা মই জানো যে যেতিয়ালৈকে বিত্ত বিভাগে একো নক'ব তেতিয়ালৈকে তেখেতেও একো কৰিব নোৱাৰিব। এইক্ষেত্ৰত মই পুনৰ মাননীয় শিক্ষা মন্ত্ৰী ডাঙৰীয়াক সুধিছো যে এইটো কিবা সম্ভৱ হ'ব নে নহ'ব।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী মহোদয়।

**ডাঃ ৰণোজ পেগু, (শিক্ষামন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, শ্ৰীমতী দীপিকা কোঁৱৰৰ বিষয়টো এটা uncommon বিষয়। ইতিমধ্যে কেবিনেটে প্ৰাথমিক শিক্ষা সঞ্চালকালয়ৰ অধীনত তেখেতক ঠিকাভিত্তিক ROP মতে নিযুক্তি দিয়াৰ কাৰণে সিদ্ধান্ত গ্ৰহণ কৰিছে। মই এই পবিত্ৰ সদনত জনাব বিচাৰো যে ঠিকাভিত্তিক শিক্ষক নিযুক্তি দিয়াৰ ব্যৱস্থা সমগ্ৰ শিক্ষাৰ অধীনত আছে। ঠিকাভিত্তিক শিক্ষক মাধ্যমিক শিক্ষা বিভাগৰ অধীনতো আছে। কিন্তু ঠিকাভিত্তিক শিক্ষকৰ ব্যৱস্থা আমাৰ প্ৰাথমিক শিক্ষা সঞ্চালকালয়ৰ অধীনত নাছিল সেইকাৰণে প্ৰাথমিক শিক্ষা সঞ্চালকালয়ত ইয়াৰ Head of Account নাই। পলম হোৱাৰ কাৰণ এইটোৱেই যে আমি সমগ্ৰ শিক্ষাৰ অধীনত কৰিব পৰা যায় নেকি, যিহেতু তাত তেওঁলোকৰ বিত্তীয় ব্যৱস্থা আছে সেই বিষয়টো পৰীক্ষা কৰিছিলো আৰু যেতিয়া আমি তাৰপৰা নেতিবাচক উত্তৰ পালো আৰু দেখিলো যে তাত আমাৰ অসুবিধা আছে তেতিয়া আমি Head of Account এটা সৃষ্টি কৰিবৰ বাবে বিত্ত বিভাগক অনুৰোধ জনাইছো। মই আশা কৰো যে বিত্ত বিভাগে দুই-এদিনৰ ভিতৰতে ইয়াৰ সমাধান কৰি দিব। কাৰণ সিদ্ধান্ত হৈছে কেৱল তেখেতক এটা Head of Account create কৰি দৰমহা দিব পৰা ব্যৱস্থা এটালৈ নিব লাগে। মই মাননীয় সদস্য গৰাকীক আশ্বস্ত কৰিব বিচাৰো যে শীঘ্ৰেই এই সমস্যাৰ সমাধান হ'ব আৰু শ্ৰীমতী দীপিকা কোঁৱৰ ঠিকাভিত্তিক আৰু with ROP ভাৱে নিযুক্তি লাভ কৰিব। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া প্ৰশ্ন নং ২৪। মাননীয় সদস্য শ্ৰী আমিনুল ইছলাম ডাঙৰীয়া।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**শ্ৰী আমিনুল ইছলাম, (জ্যেষ্ঠ,ধিং) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই প্ৰশ্নৰ উত্তৰত আমি দেখিবলৈ পাইছো যে লাওখোৱা অভয়াৰণ্যৰ ওচৰত ভূৰবান্ধা অঞ্চল আৰু বুঢ়াচাপৰি অভয়াৰণ্যৰ নামত আইমাৰী, গণেশঠাকুৰ, শিয়ালচাপৰি, বাঘাটাপু, লাঠিমাৰী আদি অঞ্চলত যি উচ্ছেদ কৰা হ'ল, এই অভয়াৰণ্যৰ সংযোজন ১৩ ফেব্ৰুৱাৰী, ২০২৩ তাৰিখে নটিফিকেশ্যন হৈছে। এতিয়া মোৰ প্ৰশ্নটো হ'ল য'ত ৬০-৭০ বছৰ আগৰ পৰা মানুহ আছে, চৰকাৰে তাত ইমান স্কুল, হস্পিতাল আদি কৰিছে সেই এলেকা বিলাকত কেৱল এই মানুহবিলাক ধৰ্মীয় সংখ্যালঘু হোৱাৰ কাৰণেই নেকি যে তাত ২০২৩ চনত Forest declare কৰি হাজাৰ হাজাৰ মানুহক উচ্ছেদ কৰা হ'ল। এই কৃষক সকলে তাত কৃষি কাৰ্য্য কৰি আছিল। য'ত কোনো বনৰীয়া জীৱজন্তু নাই। এটা

শিয়াল,নেউলো নাই। মাননীয় অধ্যক্ষ মহোদয়, তাত Forest declare কৰি হাজাৰ হাজাৰ মানুহক উচ্ছেদ কৰা হ'ল। গতিকে এই কথাটো চৰকাৰে স্পষ্ট কৰিব লাগে যে ২০২৩ চনত forest declare কৰি ৬০-৭০ বছৰ আগৰ পৰা মানুহ থকা, স্কুল-কলেজ থকা এলেকা সমূহক কিয় উচ্ছেদ কৰা হ'ল? এইটো আক্ৰোশমূলক ভাৱে কৰিছে নেকি এই প্ৰশ্নটোৰ উত্তৰ বিচাৰিছো।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকী এগৰাকী জ্যেষ্ঠ সদস্য। ধৰ্মীয় বা অন্যান্য ভিত্তিত উচ্ছেদ কৰা হৈছে তেখেতে এনেকুৱা ধৰণৰ কথা ক'ব নাপায়। তাত এটা শিয়াল, নেউলো নাই। থাকে কেনেকৈ? তাত যদি মানুহে মাটি দখল কৰি খেতি-বাতি কৰি থাকে তাত শিয়াল,নেউল কেনেকৈ থাকিব? কিন্তু মাননীয় সদস্য গৰাকীয়ে ধন্যবাদ জনাব লাগিছিল যে সেইখিনি উচ্ছেদ কৰাৰ পিছত এতিয়া কাজিৰঙাৰ পৰা তাত চাৰিটা গঁড় আহিছে আৰু মাজে মাজে বাঘো আহে। অলপতে বাঘ এটাই বহুদিন তাত বিচৰণ কৰি আছিল। শিয়াল, নেউল নথকা ঠাইত গঁড়, বাঘ আহিছে। তাৰমানে আমাৰ অভয়াৰণ্যখন সৰু হৈছে। গতিকে সেইকাৰণে এই উচ্ছেদ কৰা হৈছে। এই উচ্ছেদ কোনো জাতি-ধৰ্ম- বৰ্ণ লৈ কৰা হোৱা নাই। এইখিনি কাৰো ম্যাদী পট্টাৰ মাটিও নহয়। এইখিনি চৰকাৰী মাটি। যিসকল মানুহক উচ্ছেদ কৰা হৈছে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই স্পষ্ট ভাৱে কৈছে যে উচ্ছেদ কৰা মানুহক তেওঁলোকৰ যদি কাৰোবাৰ মাটি নাই তেওঁলোকক আমি মাটি দিম। তেখেতৰ এইটো clear instruction আছে। কিন্তু যিসকল মানুহে তাত মাটি দখল কৰি বহি আছে সেইসকলৰ মাটি, ঘৰ নিশ্চয় অন্য ঠাইত আছে। আপোনালোকে এই কথাবিলাক ৰাজনীতিকৰণ কৰিব নালাগে। কিয়নো কাজিৰঙা অভয়াৰণ্যখন কেৱল বন বিভাগৰে নহয়। এইখন ভাৰত চৰকাৰৰ এটা ঐতিহ্য আৰু এইটো UNESCO heritage. আপুনি জানি ভাল পাব যে ওৰাং অভয়াৰণ্যত আজিৰ দিনটোত বাঘৰ density highest. এতিয়া ওৰাঙত বাঘৰ বাবে ঠাই কম হৈছে। এটা বাঘক 10 square কিলোমিটাৰ ঠাই লাগে। সেয়েহে ওৰাঙত এতিয়া বাঘ অনুপাতে মাটিৰ পৰিমাণ কম হৈছে। এই মাটিখিনি আমি উচ্ছেদ কৰাৰ লগে লগে ওৰাং অভয়াৰণ্যৰ পৰা বাঘ বাহিৰলৈ ওলাই আহিবলৈ সক্ষম হৈছে। অলপতে আপোনালোকে দূৰদৰ্শনত লক্ষ্য কৰিছে যে ওৰাঙৰ পৰা বাঘ ওলাই ৰাষ্ট্ৰীয় ঘাইপথত বিচৰণ কৰি আছে। ওৰাঙৰ যিবোৰ অঞ্চল উচ্ছেদ কৰা হ'ল তাত কেৱল আপোনালোকৰ মাটিয়েই উচ্ছেদ কৰা হোৱা নাই। তাত ব্ৰহ্মপুত্ৰ নদীৰ আশে-পাশে থকা অঞ্চল সমূহো উচ্ছেদ কৰা হৈছে। এই উচ্ছেদ কৰা কামত আপোনালোকে সহযোগহে কৰিব লাগে। কাজিৰঙা হৈছে এখন World Heritage. আপোনালোকে ধৰ্মীয় চিন্তা-চৰ্চা আৰু ভোট বেংকৰ চিন্তাবোৰ এৰক।

**শ্ৰী আমিনুল ইছলাম, (জ্যেষ্ঠ,ধিং) ঃ** মাননীয় অধ্যক্ষ মহোদয়, কাজিৰঙা আৰু ওৰাং অভয়াৰণ্যৰ কথা মই কোৱা নাই। নগাওঁৰ ধিং চাৰ্কোলক অধীনত যিবোৰ চৰ অঞ্চল আছিল সেই অঞ্চলবোৰ কোনোদিনে বন বিভাগৰ অধীনত .নাছিল। কিন্তু ২০২৩ চনত সেই অঞ্চল সমূহ forest area হিচাপে ঘোষণা কৰিছিল। সেইটো মই মাননীয় মন্ত্ৰী মহোদয়ক স্পষ্ট কৰি দিলো। বাঘবোৰ চৰত নহয়, বানপানীৰ সময়ত বাঘেবোৰ ধিং টাউনলৈ আহি বিচৰণ কৰি আছিল যাৰ ফলত বহু মানুহ আঘাত প্ৰাপ্তও হৈছিল। ধিং চাৰ্কোলৰ অধীনৰ চৰ অঞ্চল সমূহত যি ২০-২৫ খন স্কুল উচ্ছেদ কৰা হ'ল সেই স্কুল সমূহত যদিহে Forest ৰ মাটিত প্ৰতিষ্ঠা কৰিছিল তেতিয়াহ'লে Forest য়ে তাত স্কুল প্ৰতিষ্ঠা কৰিব নিদিলে হেতেন। চৰকাৰে সেই অঞ্চল সমূহত কোটি কোটি টকা খৰছ কৰি স্কুল, হস্পিতাল আদি বনাইছে যদিও সেই অঞ্চল সমূহক ২০২৩ চনত Forest area বুলি ঘোষণা কৰি সেইবোৰ উচ্ছেদ কৰিলে। এইদৰে উচ্ছেদ কৰি চৰকাৰী টকা অপচয় কৰা হোৱা নাই

নেকি ? গতিকে এইদৰে স্কুল-হস্পিতাল আদি গৃহবোৰ ভাঙি কিয় চৰকাৰী টকা অপচয় কৰা হ'ল ইয়াৰ উত্তৰ লাগে।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এইবোৰ স্কুল মাননীয় মন্ত্ৰী শ্ৰী ৰণোজ পেগু ডাঙৰীয়াই বনোৱা নাই। এইবোৰ স্কুল সেই সময়ত চৰকাৰী মাটিত ৰাইজে প্ৰতিষ্ঠা কৰা স্কুল। তেতিয়াৰ চৰকাৰ কাৰ আছিল সেইটো আপোনালোকেও জানে আৰু মইও জানো। কিন্তু মই নকওঁ।

**শ্ৰী আশ্ৰাফুল হুছেইন, (চেঙা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, বিধান সভাখন আপোনালোকে বনোৱা নাই। স্কুলবোৰ মাননীয় শিক্ষামন্ত্ৰী শ্ৰী ৰণোজ পেগু ডাঙৰীয়াই বনাইছে। এতিয়া কিয় সেই স্কুলবোৰ নচলিব ?

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, তেতিয়া সেই স্কুলবোৰক recognition আৰু permission আদি দিব নালাগিছিল। কিয়নো সেইবোৰ চৰকাৰী মাটি আছিল। গতিকে ৰাজহ বিভাগৰ মাটিত চৰকাৰৰ কোনো অনুমতি নোহোৱাকৈ কেনেকৈ recognition আৰু permission পালে ?

**শ্ৰী আমিনুল ইছলাম, (জ্যেষ্ঠ , ধিং) ঃ** মাননীয় অধ্যক্ষ মহোদয়, সেইবোৰ স্কুল ৰাইজে পতা স্কুল বা ভেঞ্চাৰ স্কুল নাছিল। সেই স্কুলবোৰ সৰ্ব্বশিক্ষা অভিযান আঁচনিৰ অধীনত প্ৰত্যক্ষভাৱে প্ৰতিষ্ঠা কৰা স্কুল।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়,মাননীয় শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু ডাঙৰীয়া শিক্ষা মন্ত্ৰী হোৱাৰ পিছত কিছুমান Model আৰু residential school হে তেওঁ প্ৰতিষ্ঠা কৰিছিল। আগতে অসমত যিবোৰ স্কুল প্ৰতিষ্ঠা কৰিছিল সেইবোৰ স্কুল ৰাইজে পাতিছিল আৰু পিছত সেই স্কুলবোৰ recognition ৰ কাৰণে আহে আৰু পিছত চৰকাৰীকৰণ কৰা হয়।

**শ্ৰী আমিনুল ইছলাম, (জ্যেষ্ঠ , ধিং) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় ড° হিমন্ত বিশ্ব শৰ্মা শিক্ষামন্ত্ৰী হৈ থাকোতে সেই স্কুল সমূহ তাত প্ৰতিষ্ঠা কৰিছিল। এতিয়া সেই স্কুল সমূহ Forest ৰ মাটিত আছে বুলি কৈ ভাঙি দিয়া হৈছে।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই উচ্ছেদৰ ক্ষেত্ৰত আপোনালোকে সহযোগ হে কৰিব লাগে যাতে আমাৰ কাজিৰঙাৰ পৰিসৰ বৃদ্ধি হয়।

মাননীয় অধ্যক্ষ ঃ মাননীয় বিধায়ক শ্ৰী নুৰুল হুদা।

**শ্ৰী নুৰুল হুদা, (ৰূপহী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, বুঢ়াচাপৰি অভয়াৰণ্যৰ যিটো পৰিসীমা, ১৯৯৫ চনৰ ১১ জুলাই তাৰিখৰ যিটো অধ্যাদেশ আছিল সেই অধ্যাদেশত মোৰ ৰূপহী বিধান সভা সমষ্টিৰ চিতলমাৰী পথাৰ, চিতলবাৰী বিল আৰু চি চেনিমাৰী বিল আৰু চি, নাতিমাৰী, হাৰিমাৰী, শিয়ালীচাপৰি, গণেশটাবু এইখিনি কৃষকৰ মাটি আছিল আৰু তেওঁলোকে ইয়াত খেতি কৰি আাছিল। কিন্তু ২০২৩ চনৰ ১৩ ফেব্ৰুৱাৰী তাৰিখে অধিগ্ৰহণ কৰি চৰকাৰে খেতিয়কসকলক তাৰ পৰা উচ্ছেদ কৰিছে। গতিকে খেতিয়কসকলক এই গাঁওখনৰপৰা উচ্ছেদ কৰি যি অধিগ্ৰহণ কৰিলে, সেই অধিগ্ৰহণৰ পৰা গাঁওখন মুক্ত কৰি মানুহখিনিক পুনৰবাৰ তাতে বহিবলৈ দিবৰ বাবে আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই সম্পৰ্কত মই মাননীয় বিধায়ক

মহোদয়ৰ লগত ইতিমধ্যে কথা পাতিছো যদিও আকৌ কৈছো যে এই যিখিনি উচ্ছেদ হ'ল তাতে আকৌ কোনো পৰিস্থিতিতেই খেতি কৰিবলৈ দিয়া নহ'ব। এই মাটি অভয়াৰণ্যৰ ভিতৰত থাকিব গতিকে তাত কোনো খেতি কৰিবলৈ দিয়া নহ'ব।

**শ্ৰী নুৰুল হুদা, (ৰূপহী) ঃ**মাননীয় অধ্যক্ষ মহোদয়, ১৯৯৫ চনত এই এলেকাখিনিত সম্পূর্ণ খেতি আছিল আৰু তাৰ পৰা খেতিয়কসকল উচ্চেদ কৰি অন্যায় কৰা হৈছে। গতিকে এই ক্ষেত্ৰত চৰকাৰক পুনৰ বিবেচনা কৰিবৰ বাবে মই বিনম্ৰ ভাৱে অনুৰোধ জনাইছো যিহেতু তাত কোনো ধৰণৰ বনাঞ্চল নাছিল।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি কামবিলাক আইন অনুযায়ী কৰো। ১৯৭২ চনৰ বন্য প্ৰাণী সংৰক্ষণৰ যিখন আইন তাৰে ২৬(A) ৰ মতে এই উচ্চেদ হৈছে। অভয়াৰণ্য হোৱাৰ পিছত যিহেতু তাত গঁড়, বাঘ আদি জীৱ-জন্তু আহিল গতিকে তাত খেতি কৰিবলৈ কোনো পধ্যেই দিয়া নহ'ব।

মাননীয় অধ্যক্ষ ঃ এতিয়া প্ৰশ্ন নং- ২৫। মাননীয় বিধায়ক শ্ৰী গণেশ কুমাৰ লিম্বু।

**ডাঃ ৰণোজ পেগু, (শিক্ষা মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত আছে।

**শ্ৰী গণেশ কুমাৰ লিম্বু, (বৰছলা )ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আপোনালোকৰ জৰিয়তে মন্ত্ৰী মহোদয়ক প্ৰশ্ন কৰিব বিচাৰিছো যে কিছু বছৰ আগলৈকে গুৱাহাটী বিশ্ববিদ্যালয়ত IDOL ৰ জৰিয়তে নেপালী ভাষাত এম.এ কৰাৰ সুবিধা আছিল। কিন্তু কাৰিকৰী কাৰণত এম. এ কৰাৰ ব্যৱস্থা GU ৰ IDOL ৰ পৰা নাইকিয়া হ'ল। তাৰ পিছৰে পৰা নেপালী সাহিত্য সভা বা বিভিন্ন জাতীয় সংগঠনে বিভিন্ন সময়ত অসমৰ গুৱাহাটী বিশ্ববিদ্যালয়, বড়োলেণ্ড বিশ্ববিদ্যালয় আৰু K KHOU ত নেপালী ভাষাত এম.এ কৰাৰ সুবিধাৰ কাৰণে কি ব্যৱস্থা গ্ৰহণ কৰিছে আৰু লগতে যিহেতু বিগত ২৫ বছৰলৈকে কোনো এখন কলেজ বা বিশ্ববিদ্যালয়ত নেপালী বিষয়ত শিক্ষকৰ পদ নহোৱাৰ কাৰণে ছাত্ৰ-ছাত্ৰীৰ সংখ্যা ক্ৰমান্বয়ে কমি গৈছে। এই বিষয়ত মাননীয় মন্ত্ৰী মহোদয়ে কি ধৰণৰ ব্যৱস্থা লৈছে ?

**মাননীয় অধ্যক্ষ ঃ** Hon'ble Minister Dr. Ranoj Pegu.

**ডাঃ ৰণোজ পেগু, (শিক্ষা মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, বৰ্তমান NEP ৰ অধীনত Master Degree কৰাৰ সুবিধা বিশ্ববিদ্যালয়তে সীমিত হৈ নাথাকে ।মহাবিদ্যালয় সমূহতো Master Degree কৰাৰ সুযোগ সুবিধা প্ৰদান কৰিছে। অসমৰ বহু মহাবিদ্যালয়ত ইতিমধ্যে বিভিন্ন বিষয়ৰ Post Graduate Post আৰম্ভ হৈছে। অসমৰ চাৰিখন মহাবিদ্যালয়ত নেপালী ভাষা বিষয় হিচাপে আছে। ত্যাগবীৰ হেম বৰুৱা মহাবিদ্যালয়, বিশ্বনাথ মহাবিদ্যালয়, ঢেকীয়াজুলিৰ LOKD মহাবিদ্যালয় আৰু দৰং মহাবিদ্যালয়।ইয়াৰে দৰং মহাবিদ্যালয়ক বাদ দি বাকী খিনি মহাবিদ্যালয়ত ছাত্ৰ- ছাত্ৰী আছে। দৰং মহাবিদ্যালয়তো আছে যদিও নেপালী ভাষাৰ ছাত্ৰ-ছাত্ৰীৰ সংখ্যা কম। আমি এই মহাবিদ্যালয় কেইখনলৈ instruction দিম যে ইয়াত Master Degree Course খুলিবৰ বাবে যি পৰ্য্যাপ্ত পৰিমাণে প্ৰয়োজনীয় সহযোগিতা লাগে সেইখিনি আমাৰ চৰকাৰে আগবঢ়াব। মহাবিদ্যালয় কেইখনত যিহেতু ইতিমধ্যে নেপালী ভাষা প্ৰৱৰ্তিত হৈ আছে গতিকে তাত Masters Course কৰাৰ কাৰণে সুবিধা প্ৰদান কৰিব লাগে। এই ক্ষেত্ৰত আমি সুবিধা প্ৰদান কৰিম।ইয়াৰ উপৰিও গুৱাহাটী বিশ্ববিদ্যালয়ৰ IDOL ত নেপালী ভাষা বন্ধ হৈ যোৱাৰ পৰিপ্ৰেক্ষিতত আমি K KHOU ত নেপালী ভাষাৰ Course খোলাৰ বাবে যাৱতীয় আলাপ-আলোচনা চলি আছে আৰু খুব খৰতকীয়া ভাবে আমি এটা সিদ্ধান্তলৈ যাম। নতুন মহাবিদ্যালয়

সমূহত য'ত নেপালী ভাষা অধ্যয়ন কৰিব বিচৰা ছাত্ৰ-ছাত্ৰীৰ সম্ভাৱনীয়তা আছে তেনে মহাবিদ্যালয়ত নতুনকৈ নেপালী ভাষাৰ বিভাগ খোলাৰ বিষয়টো চৰকাৰে বিবেচনা কৰিব। ধন্যবাদ।

**শ্ৰী গণেশ কুমাৰ লিম্বু, (বৰছলা)ঃ** মাননীয় অধ্যক্ষ মহোদয়, নেপালী ভাষা যিহেতু SLET ত অন্তৰ্ভুক্ত হৈছে, সেইকাৰণে আমাৰ যিহেতু ইয়াত উত্তৰত উপযুক্ত প্ৰাৰ্থীৰ অভাৱৰ কথা কৈছে , সেইকাৰণে মই নাভাবো যে উপযুক্ত প্ৰাৰ্থীৰ সংখ্যা আছে আৰু দ্বিতীয়তে মই এটা প্ৰশ্ন কৰিছিলো যে অধ্যক্ষ মহোদয়, আমি প্ৰায়ে শুনি থাকো যে আমাৰ ইয়াৰ পৰাহে বিদেশলৈ পঢ়া- শুনা কৰিবলৈ যায় কিন্তু আমাৰ বিশ্ববিদ্যালয়সমূহত বহিঃ ৰাষ্ট্ৰৰ ছাত্ৰ-ছাত্ৰীসকলক আকৰ্ষণ কৰিবলৈ হোষ্টেলকে আদি কৰি আমাৰ চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে , এই বিষয়ে মাননীয় মন্ত্ৰী মহোদয়ে জনাবনে ?

**মাননীয় অধ্যক্ষ ঃ** Hon'ble Minister.

**ডাঃ ৰণোজ পেগু, (শিক্ষা মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসমৰ বিশ্ববিদ্যালয়হমূহত যথেষ্ট সংখ্যক বহিঃৰাষ্ট্ৰৰ ছাত্ৰ-ছাত্ৰী আছে। ডিব্ৰুগড় বিশ্ববিদ্যালয় আৰু গুৱাহাটী বিশ্ববিদ্যালয় দুয়োখনতে foreign students আছে। ইয়াৰ উপৰিও আমাৰ গুৱাহাটী মেডিকেল কলেজতো foreign students আছে। গতিকে এতিয়া আমি আমাৰ program বোৰ অলপ সম্প্ৰসাৰণ কৰিব বিচাৰিছো। মই ভাবো অনাগত দিনত বহিঃৰাষ্ট্ৰৰ পৰা অধিক সংখ্যক ছাত্ৰ-ছাত্ৰী আকৰ্ষিত হ'ব।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ।

**শ্ৰী পদ্ম হাজৰিকা, (চতিয়া) ঃ** মাননীয় অধ্যক্ষ মহোদয়, TSB কলেজত নেপালী বিষয়ৰ পদটোৰ sanction ৰ ক্ষেত্ৰত কি ব্যৱস্থা গ্ৰহণ কৰিছে এই বিষয়ে জনাবলৈ অনুৰোধ জনাইছো।

**মাননীয় অধ্যক্ষ ঃ** Hon'ble Minister.

**ডাঃ ৰণোজ পেগু, (শিক্ষা মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, নেপালী বিষয় থকা কলেজ কেৱল TSB কলেজেই নহয়, বিশ্বনাথ কলেজ, LOKD কলেজ আৰু দৰং কলেজ , এই চাৰিখন কলেজৰ নেপালী ভাষাৰ বিষয়ৰ যি প্ৰয়োজনীয় পদ সেই সমূহ দিয়াৰ আৰু তাত বিভাগ কেইটা শক্তিশালী কৰিবলৈ পদক্ষেপ গ্ৰহণ কৰিম। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্ন কালীন ঘন্টা শেষ হৈছে। এতিয়া শূন্যকালীন ঘন্টা। শ্ৰী কমলাক্ষ দে পুৰকায়স্থ।

**শ্ৰী কমলাক্ষ দে পুরকায়স্থ (উত্তর শ্ৰীভূমি)ঃ-** মাননীয় অধ্যক্ষ মহোদয়, যুগশঙ্খ পত্রিকায় ১৫-০২-২৫ তারিখে প্রকাশিত "ফের ভেঙে পড়ল গেমন সেতু রেলিং। ভয়ঙ্কর পরিনতির আশঙ্কা, বিছিন্ন হতে পারে বরাক, ত্রিপুরা এবং মিজোরাম।"—

এই বিষয়টি উত্থাপন করার সুযোগ দেওয়ার জন্য অধ্যক্ষ মহোদয় আপনাকে ধন্যবাদ জ্ঞাপন করছি। অধ্যক্ষ মহোদয়, উচ্চস্বরে কথা বললে কিছু মানুষ শুনতে পায়, কিন্তু উচ্চ মানসিকতার কথা যদি হয় তাহলে পুরো জগতে শুনতে পায়। উচ্চ মানসিকতা ও চিন্তাধারার জন্য আমি উনাকে ধন্যবাদ জ্ঞাপন করছি। অধ্যক্ষ মহোদয়, ইলেকশনের আগে ভিশন ডকুমেন্ট এ বরাক নদীর উপর ৫টি ব্রিজ হওয়ার কথা হয়েছিল। সেগুলো ভিশন ডকুমেন্টে লিপিবদ্ধ হয়েছিল। অধ্যক্ষ মহোদয়, প্রকৃতপক্ষে সত্যিই সেটা প্রশংসনীয় ব্যাপার। ৫টি ব্রিজের কথা বলা হয়েছিল পাঁচগ্রাম বাইপাস সেখানে ১৬৬১ মিটারের একটি ব্রিজ হচ্ছে, বদরপুর বাইপাস সেখানে ৫১০ মিটারের ব্রিজ, সোনাবাড়ি ঘাট সেখানে ৫৫০ মিটারের ব্রিজ হচ্ছে, বাঁসকান্দি সেখানে প্রায় ৩৯০ মিটারের ব্রিজ হচ্ছে এবং সদরঘাটে অলরেডি ব্রিজের কাজ কমপ্লিট হয়ে গেছে। সেখানে প্রায় ৪০০ মিটারের একটি ব্রিজ হয়েছে। আমি এজন্যই কথাগুলো বলছি কারণ সেটা আমাদের বিশ্বাসযোগ্য ছিলনা যে ৫টি ব্রিজ হয়ে যাবে। আজ ৫টি ব্রিজে কাজ চলছে এবং কাজের অগ্রগতি অনেক বেশি। অধ্যক্ষ

মহোদয়, সমস্যা হচ্ছে গেমন সেতু, যেটা নিয়ে আমি উথাপন করছি। গেমন সেতুর বর্তমান অবস্থা আমরা প্রত্যেক দিন এই সেতুর উপর দিয়ে চলাচল করতে হয়। ব্রিজে উঠার পর ব্রিজটি খুব নড়াচড়া করে। যেকোনো সময় দুর্ঘটনা ঘটতে পারে। ডান পাশে এবং বাঁ পাশে দুদিকেই ব্রিজের কাজ চলছে যেখানে প্রায় **১৬০০** মিটার এবং **৫১০** মিটারের কাজ চলছে। বর্তমান সময়ে এই গেমন সেতুর পরিবেশ অনেক খারাপ। সেই ব্যাপারে আমি দৃষ্টি আকর্ষণ করলাম কারণ এই ব্যাপারে যাতে কোন ব্যবস্থা নেওয়া হয়। আমার মন্ত্রী মহোদয়ের কাছে পরামর্শ হচ্ছে এই ব্রিজে লোড রেস্ট্রিকশন দেওয়া হোক যে ব্যাপারে ডিসি মহোদয় ইতিমধ্যে সিদ্ধান্ত নিয়েছেন এবং এক্সপার্ট টিম পাঠানো হোক। অধ্যক্ষ মহোদয়, বলা হচ্ছে ২৬ এর নভেম্বরের ভিতরে এই ব্রিজের কাজ সম্পূর্ণ হবে। মালুয়া এবং পাঁচগ্রাম এর ব্রিজগুলোর কাজ সমাপ্ত হয়ে গেলে আমি মনে করি আমাদের সমস্যাগুলো চিরতরে সমাধান হবে। আমি মাননীয় মুখ্যমন্ত্রীকে ধন্যবাদ জানাচ্ছি ওনার মানসিকতার জন্য। সঙে সঙে আমাদের ইস্ট-ওয়েস্ট কোরিডোরের কাজ চলছে এবং আমাদের মাননীয় মুখ্যমন্ত্রী ঘোষণা করেছিলেন যে গৌহাটি- শিলচরে নতুন একটি হাইওয়ে রোড হবে যেখানে ২৫ হাজার কোটি টাকা ব্যয় করা হবে। সেটা আমাদের জন্য বিশাল প্রাপ্তি। এই যে নুতন পরিবেশের সূচনা হচ্ছে আমি বিশ্বাস করি গেমন সেতুর বর্তমান যে অবস্থা সেটা নিয়ে আমি সরকারের দৃষ্টি আকর্ষণ করলাম যাতে কোন ধরনের দুর্ঘটনা না হয় তার জন্য বিহীত ব্যবস্থা নেওয়া হোক এবং সামনের দিনে আমি যেগুলো পরামর্শ দিলাম সেগুলোর উপর যাতে দৃষ্টি আকর্ষণ করা হয়। ধন্যবাদ।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ, মাননীয় মন্ত্রী ।

**শ্রী চন্দ্রমোহন পাটোৱাৰী, (মন্ত্রী)** ঃমাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্রী মহোদয়ৰ হৈ মই শূণ্যকালীন ঘন্টাত উত্তৰটো দিওঁ, অকণমান দীঘলীয়া হ'ব। The highlighted matter pertains to a section of railing of the distressed Gammon Bridge which got damaged on 14.02.2024 on account of the vibration caused by the heavy vehicle movement. Immediately, retroreflective tapes have been installed and the railing is being got repaired. A temporary railing shall be installed by 25.02.2025 (target date). Noteworthy to mention that the Highway Administration (i.e. MD, NHIDCL) has issued an order to restrict the movement of heavy commercial vehicles (earlier for the period from 16.12.2024 to 13.01.2025) and now for the period from 01-02-2025 to 28-02-2025) and allow the movement of the following vehicles only on the bridge:

(i) Two wheelers and Three Wheelers
(ii) Bullock Carts, Tractors
(iii)Car, Jeep, Van or Light Motor Vehicles
(iv) Light Commercial vehicles, Light Goods Vehicle or Mini Bus
(v)Buses
(vi) Other Goods Vehicle carrying upto 20T Gross Vehicle Weight

This order is to be enforced through the district administration. On account of the sub-optimal enforcement of the restric-

tion, the heavy vehicles are plying on the bridge causing vibrations, which in the instant case caused damage to the railings.

The Gammon Bridge across River barak at Badarpur is presently under distress. It was opened to traffic in 1974. In 2002-03, a major Rehabilitation of the bridge was carried out by PWD. All suspended spans, bearings and expansion joints replaced and cantilever spans were externally pre-stessed by PWD. In 2013, JICA carried out detailed investigation and recommended for a new bridge. Further, in 2016, all suspended spans, bearings and expansion joints replaced by PWD. The NH-06 (from Badarpur to Malidor) was handed over to NHIDCL in May 2022 in a corridor approach. PWD-NH had not shared any information with the distress in structure.

Action taken by NHIDCL, so far:

(i) Preliminary inspection got carried out by field experts. A bypass slab arrangement put in place. Load restriction of 35T requested (which was imposed till 04.11.2024 by DC).

(ii) Bridge was inspected by Mr. Alok Bhowmick on 06.10.2024 . Restriction on the movement of Heavy Commercial Vehicles, by imposing 3m height restriction was recommended.

(iii) HM, RT&H vide letter dated 16.10.2024 had conveyed the criticality of the Bridge to the HCM, Assam with a request for restriction of Heavy Commercial Vehicles.

(iv) Agency to carry out specialised testing for finalising long term measures deployed at site on 20.11.2024. The testing activities have been substantially completed.

(v) Contractor has been engaged for carrying out short term repair by replacement of suspended spans/ bearings/ joints. The work has commenced at site and is targeted for completion by 31.03.2025.

(vi) As a long term measure, 2 new 4 lane bridges are being constructed across River Barak through the Panchgram and Badarpur Bypass Projects. The Projects have commenced but are facing hindrance due to Land Acquisition, especially in the Cachar District.

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। **এতিয়া তেৰচ গোৱালা।**

**শ্ৰীতেৰচ গোৱালা, (দুলীয়াজান) ঃ** অধ্যক্ষ মহোদয়, অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্যপৰিচালনাৰ নিয়মাৱলী ৩০১ নং নিয়ম অনুসৰি তলত উল্লেখ কৰা ৰাজহুৱা গুৰুত্বপূৰ্ণ বিষয়টো শ্ৰমিক কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰি বিষয়টোৰ ওপৰত আলোচনা কৰিব খোজো । বিষয়টো হ'ল অসমত চাহ বাগিছা তলাবন্ধ আৰু চাহ শ্ৰমিকৰ ওপৰত অত্যাচাৰ ।

অধ্যক্ষ মহোদয় , অসমৰ চাহ বাগিছাসমূহত চাহ গছৰ কলম কটাৰ নিৰিখ সম্পৰ্কে বিভিন্ন চাহ বাগিছাত বিভিন্ন ধৰণৰ । চাহ বাগিছাৰ স্থায়ী শ্ৰমিকসকলক বাগিছা কৰ্তৃপক্ষই অধিক নিৰিখত চাহ গছৰ কলম কটাৰ কাম কৰিবলৈ বাধ্য কৰায় । বাগিছা শ্ৰমিক আইন ১৯৫১ ত স্থায়ী শ্ৰমিকৰ সংজ্ঞা স্পষ্টভাৱে উল্লেখ থকা সত্বেও বাগিছা কৰ্তৃপক্ষই স্থায়ী শ্ৰমিকসকলক ঠিকা কামত নিয়োগ কৰে কিয় ? কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ কোনটো আইন বিধিৰ আধাৰত স্থায়ী শ্ৰমিকসকলক নিয়োগ কৰে যিহেতু শ্ৰমিকসকলে নাজানে । স্থায়ী শ্ৰমিকসকলক ঠিকা কামত নিয়োগ কৰি অধিক হাৰত চাহ গছৰ কলম কাটিবলৈ বাধ্য কৰোৱা বাবে ডিব্ৰুগড় জিলাৰ দুলীয়াজান বিধান সভা সমষ্টিৰ ‘হাতীজান’ চাহ বাগিছাত উদ্ভৱ হোৱা সামান্য আইন শৃংখলা পৰিস্থিতিৰ বাবে একপক্ষীয়ভাৱে যোৱা ইংৰাজী ৩১ ডিচেম্বৰ ২০২৪ তাৰিখে বাগিছাখন তলাবন্ধ ঘোষণা কৰে । এই সম্পৰ্কে কেইবাগৰাকী স্থায়ী শ্ৰমিকক কামৰ পৰা বৰ্খাস্ত / নিলম্বন কৰিছে । ইয়াৰ ফলত উক্ত চাহ বাগিছাত যিকোনো সময়ত পুনৰ আইন শৃংখলা পৰিস্থিতি অধিক জটিল হোৱাৰ সম্ভাৱনা আছে । অধ্যক্ষ মহোদয়, আমি জানো যে, চাহ বাগিছাৰ শ্ৰম আইন কেন্দ্ৰীয় আইন , এই আইনত অসম ৰুল বুলি আছে । ৰুল বহুত বঢ়াব পাৰো । বিশেষকৈ চাহ বাগিছাবিলাকত চাহ শ্ৰমিকসকলে আইন কানুন সম্পৰ্কে নাজানে । হাতীজান চাহ বাগিছাত ৩১ ডিচেম্বৰ তাৰিখে যিটো কাৰণত বাগিছাখন লক আউট ঘোষণা কৰা হ'ল - ইয়াত স্বাভাবিকতে শ্ৰমিকৰ কোনো ভুল নাছিলে চাহ বাগিছাত স্থায়ী শ্ৰমিকক ঠিকা কামত কেনেকৈ নিয়োগ কৰে ? কলম কটা কামটো ঠিকা হিচাপে দিয়ে যিটো নিৰিখ বুলি কোৱা হয় । এই নিৰিখটো বিভিন্ন চাহ বাগিছাত বিভিন্ন ধৰণৰ । বিভিন্ন পৰম্পৰা আছে- কোনো ঠাইত নলা পুতিব লাগে । কোনো ঠাইত ২৫০ গছ কাটিব লাগে। হাতীজান চাহ বাগিছাত আগৰ পৰাই অসম চাহ মজদুৰ সংঘৰ লগত বুজাপৰা মতে ২৫০ গছ কাটিলেই তেওঁলোকৰ হাজিৰা হৈছিল । হঠাৎ চাহ বাগিছাৰ পৰিচালকে তেওঁলোকক ৩৫০ গছ কাটিবলৈ বাধ্য কৰাইছিল । শ্ৰমিকসকলে নমনাৰ পিচত এটা অনানুষ্ঠানিক বুজা বুজিত আহিছিল । আৰু ৩০০ লৈকে গছপুলি কটাৰ বাবে সন্মত হৈছিল । তাৰ পিছত মেনেজমেন্টে হঠাতে ক'লে যে, নহয় ঠিকাত কৰিব নালাগে , হাজিৰাত কৰিব লাগে । হাজিৰাত কাম কৰিবলৈ চৰ্দাৰক নিৰ্দেশ দিলে, হাজিৰাত কাম কৰোতে ২৫০ তলত যেতিয়া গছ কটা হ'ল তেতিয়া লগে লগে চৰ্দাৰজনক শ্ব'ক'জ কৰা হ'ল । শ্ব'ক'জ কৰাৰ কাৰণে শ্ৰমিকসকলে আহি মেনেজমেন্টক শ্ব'ক'জ কৰাৰ কাৰণ কি সুধিলে তেতিয়া মেনেজমেন্টে শ্ৰমিকসকলক কয়, তোমালোকে বেছি কৰিছা , বেছি আইন কানুন দেখুৱাইছা- ৰেষ্ট বেংগলৰ দৰে তোমালোকক শ্বট কৰি দিয়া হ'ব । এইখন অসম হয় অধ্যক্ষ মহোদয়, য'ত আমাৰ ২০০ বছৰৰ ইতিহাস আছে । য'ত আমাৰ ককা -দেউতাসকলে হাবি কাটি- নলা - নৰ্দমা কাটি সমান কৰি চাহ গছ ৰুইছিলে । এই চাহ শ্ৰমিকক আইন কানুনৰ দোহাই দি ৰেষ্ট বেংগলৰ ৰেফাৰেন্স দি শ্ৰমিকসকলক যদি ধমকি দিয়ে , স্থায়ী শ্ৰমিকক যদি ঠিকা কামত নিয়োগ কৰে আৰু শ্ৰমিকৰ কথাবিলাক একপক্ষীয়ভাৱে লৈ মালিক পক্ষই বিবেচনা নকৰে তেনেহ'লে এই কথাটো কেনেকুৱা হ'ব পাৰে ? চৰ্দাৰক শ্ব'ক'জ কৰাৰ পিচত ৰিক'গনাইজড্ থকা সংঘ- অসম চাহ মজদুৰ সংঘ আমাৰ মাননীয় মন্ত্ৰী তাৰ জেনেৰেল চেক্ৰেটাৰী । এনে এটা শ্ৰমিক সংগঠন থকাৰ পিচত অসম চাহ মজদুৰ সংঘৰ লগত কিয় আলোচনা নকৰিলে ? আলোচনা নকৰি চাহ শ্ৰমিকসকলক হঠাতে এই ধৰণে প্ৰেচাৰ দিয়া বাবে শ্ৰমিকসকল উত্তেজিত হৈছিল আৰু কাৰ্য্যালয়লৈ আহিছিল । হয়, শ্ৰমিকসকলে স্বীকাৰ কৰিছে যে তেওঁলোকে মেনেজমেন্টক গাত হাত লগাইছে । কিন্তু হাত লগাবলগা কিয় হ'ল, ইয়াৰ কাৰণ হ'ল - শ্ৰমিকসকলৰ কথা

মেনেজমেন্টে নুশুনে, মেনেজমেন্টৰ কথা শ্ৰমিকসকলে নুশুনে । মেনেজমেন্টে একপক্ষীয়ভাবে - দমনমূলকভাৱে শ্ৰমিকসকলক কাম কৰিবলৈ বাধ্য কৰায় । কৰ্মচাৰীসকলে কথা নুশুনে । এনে যদি পৰিস্থিতি থাকে স্বাভাবিকতে চাহ বাগিছা বিলাকত অসুবিধা হ'ব । আজি প্ৰায় ৬ গৰাকী শ্ৰমিক চাচপেণ্ড হৈ আছে । তেওঁলোক হ'ল - অমিত গোৱালা, জয় হেমব্ৰম, বিজয় হেমব্ৰম, চিৰ ৰাজপোৱৰ, ডেনিয়েল কান্দুলা, মন্ট চুৰেন। অধ্যক্ষ মহোদয়, এই শ্ৰমিকসকলক চাচপেণ্ড কৰাৰ মুলতে হ'ল যেতিয়া চাহ বাগিছাত লক আউট হয় শ্ৰমিকসকল সদায়ে দোষী হয় । এচিচটেন্ট লেবাৰ কমিশ্যনাৰৰ তাত মাতি অনা হয়- মেনেজমেন্ট - ইউনিয়ন আৰু দেখিব লাগ্তত তেওঁলোকৰ এটা আণ্ডাৰটেকেন লোৱা হয় যে, 'আমাৰ এইটো ভুল হ'ল '। আমি ভবিষ্যতে এইটো নকৰো । আণ্ডাৰটেকেন লোৱাৰ পিচত এই ৬ গৰাকী শ্ৰমিকক চাচপেণ্ড কৰি দিয়া হ'ল । মাননীয় অধ্যক্ষ মহোদয় , আমি ১২৬ গৰাকী সদস্য বিধান সভাত বহি আছো । আমি ৰাজহুৱা স্বাৰ্থ জড়িত বিষয়ত আমি আইন কানুন বনাব পাৰো । চাহ বাগিছাত এনেকুৱা কোনো আইন নাপালো যিটো আইনত স্থায়ী শ্ৰমিকক ঠিকা কামত লগাব পাৰে । মই ভাবো আসাম মজদুৰ সংঘ বা ট্ৰেড ইউনিয়নৰ লগত যদি তেওঁলোকৰ কিবা বুজা পৰা চুক্তি আছে তাক আইনলৈ ৰূপান্তৰ কৰিব লাগে । এইটো প্ৰয়োজন আছে বুলি মই ভাবো । বিগত দিনবিলাকত বিভিন্ন চাহ বাগিছাত সৰু সৰু কথা লৈ সংঘাত হৈছে , কেতিয়াবা মেনেজমেন্টক মাৰিছে, মাৰ্ডাৰ কৰিছে । চাহ বাগিছা লক আউট কৰি দিয়া হৈছে , এইবিলাক দুখীয়া মানুহ, দৈনিক মজুৰি কৰা মানুহ, নিম্নতম মজুৰীত কাম কৰা মানুহ, এই মানুহবিলাকৰ কথা যদি আমি সাধাৰণভাবে লওঁ তেতিয়া হ'লে নিশ্চিতভাৱে আইন কানুনজনিত পৰিস্থিতি সৃষ্টি হ'ব । ১২.৫ লাখ- ১৩ লাখ মানুহৰ স্বাৰ্থজনিত বিষয়, প্ৰায় ৮৫০খন চাহ বাগিছা আৰু ক্ষুদ্ৰ চাহ খেতিয়কৰ লগত জড়িত এটা বিষয়, গতিকে গুৰুত্বসহকাৰে লৈ প্ৰয়োজনীয় আইন কানুন বিবেচনা কৰি হ'লেও ইয়াৰ এটা সমাধান উলিয়াব লাগে অধ্যক্ষ মহোদয়।

মাননীয় অধ্যক্ষ ঃ মিনিষ্টাৰ প্লিজ ।

**শ্ৰীৰূপেশ গোৱালা, (মন্ত্ৰী, শ্ৰমিক কল্যাণ বিভাগ ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, সন্মানীয় অধ্যক্ষ, তেৰচ গোৱালা ডাঙৰীয়াই যিটো বিষয় আনিছে সেই বিষয়টো গুৰুত্বপূৰ্ণ - যোৱা ৩১ ডিচেম্বৰ তাৰিখে - হাতীজান চাহবাগিছাই লক আউট ঘোষণা কৰিছিল , তাৰ আগদিনা অৰ্থাৎ ৩০ তাৰিখে এটা সৰু Task লৈ এটা অপ্ৰীতিকৰ পৰিস্থিতি সৃষ্টি হ'ল আৰু তাৰ পিচত এটা Law & order situation নিচিনা পৰিস্থিতি হোৱাৰ বাবে পৰৱৰ্ত্তী সময়ত মেনেজমেন্টে লক আউট ঘোষণা কৰিলে আৰু ৯ জানুৱাৰী তাৰিখে আমাৰ ৪ লানি আলোচনা হ'ল । ত্ৰিপাক্ষিক বৈঠক অনুষ্ঠিত হৈছিল । এচিচটেন্ট লেবাৰ কমিশ্যনাৰ অফিচত , লেবাৰ কমিশ্যনাৰ, ইউনিয়ন আৰু মেনেজমেন্টৰ মাজত ৪ লানি আলোচনা অনুষ্ঠিত হোৱাৰ পিচত ৯ তাৰিখে তলা বন্ধ প্ৰত্যাহাৰ কৰা হ'ল। যিটো বিষয় লৈ অপ্ৰীতিকৰ পৰিস্থিতিৰ সৃষ্টি হ'ল । অধ্যক্ষ মহোদয়, চাহ বাগিছাত ঠিকা ভিত্তিত কোনো শ্ৰমিক নিয়োগ কৰাৰ কোনো তথ্য আমাৰ হাতত নাই । বাগিছাত দুই ধৰণৰ শ্ৰমিক থাকে - স্থায়ী শ্ৰমিক আৰু অস্থায়ী শ্ৰমিক । কিন্তু বাগিছাবিলাকত কাম ঠাণ্ডা দিনত কৰোতে এইটো কল্ড ৱেদাৰ টাক্স বুলি কোৱা হয় । Cold weather task-মানে আপোনাৰ -প্ৰনিং- হ'ব পাৰে , নলা খন্দা হ'ব পাৰে চিলিং হ'ব পাৰে। বিভিন্নধৰণৰ কাম ঠাণ্ডা দিনত হয় । আৰু সেই ঠাণ্ডা দিনত যিবিলাক কাম হয় সেইবিলাক ক'ল্ড ৱেদাৰ টাক্স বুলি কয় । আৰু এই ক'ল্ড ৱেদাৰ টাক্স বিলাক মেনেজমেন্ট আৰু ইউনিয়নৰ মাজত বুজাপৰা কৰি পেলাই সাধাৰণতে নিৰিখ হিচাপত কৰা হয় । কলম কটাৰ বিষয়টো এনেকুৱা যে, নিয়ৰ যেতিয়া থাকে তেতিয়া গছবিলাক কোমল

**হৈ যায় আৰু কোমল হ'লে কাটিবলৈ সুবিধা হয় । সেই কাৰণে মানুহে ৰাতিপুৱা গৈ কাটি আনিব বিচাৰে ।¨ সেইটো ট্ৰেডিশ্যন চলি আহিছে । এতিয়াৰ পৰা নহয়, আমি যেতিয়া বাগিছাত জন্ম হৈছিলো তেতিয়াৰ পৰাই প্ৰনিঙৰ এটা টাক্স থাকে আৰু টাক্সবিলাক সাধাৰণতে ইউনিয়ন আৰু মেনেজমেন্টৰ মাজত বুজাবুজিৰ মাজত কৰা হয় । আৰু কৰাৰ কাৰণে Industrial dispute rule - ১৯৫০, section - ৬১, sub section - ৪ তাত প্ৰভিজন দিয়া আছে । ইউনিয়ন আৰু মেনেজমেন্টৰ মাজত যিকোনো সময়ত উচিত বুলি ভবা বিষয় বিলাকৰ ওপৰত দ্বিপাক্ষিক বৈঠকৰ যোগেদি চুক্তি কৰিব পাৰে আৰু সেইটো বৈধ হয় আইনমতে । সেইমতে বিভিন্ন সময়ত চুক্তি সম্পাদিত কৰা হয় আৰু তাৰ ওপৰত কামো হয় । কিন্তু বাগিছাবিলাকত বিভিন্নধৰণৰ পৰিচালন কৰ্তৃপক্ষ থাকে । কিছুমান ভাল থাকে কিছুমান বেয়া থাকে । যিবিলাক বেয়া থাকে , যিবিলাক মেনেজমেন্টে ভাল কাম কৰিব নোৱাৰে বা ভাল কাম কৰা মানসিকতা নাথাকে বা শ্ৰমিকসকলক ভালদৰে ট্ৰিট নকৰে তেওলোকৰ অদক্ষতাৰ কাৰনে বা তেওঁলোকৰ ভুল পৰিচালনাৰ বাবে বিভিন্ন সময়ত এনেধৰণৰ বিবাদৰ সৃষ্টি হয় ? যিটো বিবাদ মই ভাবো হাতীজান চাহ বাগিছাতো সৃষ্টি হয় আৰু এইটো অতি অপ্ৰীতিকৰ- বিষয় বুলি ক'ব লাগিব । লক আউট যদিও উইড্ৰ' হ'ল ৬ জন শ্ৰমিক নিলম্বিত হৈ আছে, আমি বিভাগে চোকা দৃষ্টি ৰাখিছো । সেই ক্ষেত্ৰত যাৱতীয় ব্যৱস্থা লোৱা হৈছে । যাতে তৎকালে সেই ৬ জন শ্ৰমিক বাহাল হয় আৰু সেইক্ষেত্ৰত আমি বিভাগক মই ইতিমধ্যে নিৰ্দেশনা দিছো যে অতি সোনকালে আমি সেই ক্ষেত্ৰত এটা বিহীত ব্যৱস্থা ল'ব লাগিব যাতে ঠাণ্ডা দিনত কোনো শ্ৰমিকে কাম কৰাৰ পিচত যাতে নিম্নতম মজুৰী পোৱাৰ পৰা বঞ্চিত নহয় । সেই বিষয়টো যাতে সুনিশ্চিত হয় তাৰ কাৰণে আমি বিভাগৰ পৰা চোকা দৃষ্টি ৰাখিম আৰু লগে লগে আৰু এটা বিষয় যে, এজন শ্ৰমিকে ৮ ঘন্টা কাম কৰাৰ পিচত তেওঁৰ টাক্স কমপ্লিট কৰিছেনে নাই সেইটো গুৰুত্বপূৰ্ণ নহয় । তেওঁ ৮ ঘন্টা যদি কামত থাকে তেন্তে তেওঁৰ মিনিমাম ৰেজটো গেৰাণ্টেড হয় । গতিকে সেইটো কোনো কাৰনতে কনফিউজন থাকিব নালাগে। যদি তেনেধৰণৰ স্পেচিফিক বিবাদ সৃষ্টি হৈছে আমাৰ নজৰত আহিলে আমি নিশ্চয় বিহীত ব্যৱস্থা ল'ম । ধন্যবাদ ।**

**মাননীয় অধ্যক্ষ মহোদয়** ঃ ডঃ আচিফ মহম্মদ নাজাৰ এতিয়া আপুনি কওঁক।

**ডঃ আচিফ মহম্মদ নাজাৰ, (লাহৰীঘাট)** ঃ মাননীয় অধ্যক্ষ মহোদয় যোৱা ১৮ ফেব্ৰুৱাৰী তাৰিখে দৈনিক অগ্ৰদূত কাকতত এটা বাতৰি প্ৰকাশ হৈছিল সেই বাতৰি মতে নগাওঁ চিকিৎসালয় সমূহত নাই প্ৰৰ্যাপ্ত পৰিমাণৰ বিনামূলীয়া ঔষধ ৰোগীৰ দুৰ্ভাগ্য। মাননীয় অধ্যক্ষ মহোদয়, নগাওঁ জিলাৰ জাগৈ চিকিৎসালয়ত পৰ্যাপ্ত পৰিমাণৰ বিনামূলীয়া ঔষধ নথকাৰ অভিযোগ উঠিছে। অভিযোগ অনুসৰি জিলাখনৰ প্ৰথমিক চিকিৎসালয়কে ধৰি, ক্ষুদ্ৰ প্ৰথমিক চিকিৎসালয়টো বাদেই নগাওঁ জিলাৰ শ্বহীদ ভোগেশ্বৰী জিলা অসামৰিক চিকৎসালয়টো ৰোগীৰ বাবে জীৱন দায়নী বহুতো ঔষধ উপলব্ধ নহয়। ইয়াৰ ভিতৰত প্ৰধানকৈ প্ৰসুতি ৰোগ, শিশু ৰোগ,ডাইবেটিচ,লিভাৰ আৰু উচ্চ ৰক্তচাপকে ধৰি এনেকুৱা বহুতো ধৰণৰ গুৰুত্বপূৰ্ণ ৰোগৰ ঔষধ উপলব্ধ নহয়। ইয়াৰ লগতে নগাওঁ মেডিকেল ক'লেজটো এই ঔষধবোৰ নথকাৰ অভিযোগ উত্থাপন কৰিছে বহুতো লোকে। স্বাস্থ্য বিভাগে প্ৰতিদিনে বহুতো নতুন আঁচনি গ্ৰহণ কৰি থকা সময়তো ৰোগীৰ বাবে প্ৰয়োজনীয় ঔষধ যোগান ধৰিব পৰা নাই। যাৰ ফলত বিশেষ কৈ দৰিদ্ৰ লোকে, যি সকলে ঔষধ ক্ৰয় কৰিব নোৱাৰে তেওঁলোকে যথেষ্ট সমস্যাৰ সন্মুখীন হ'বলগীয়া হৈছে। অধ্যক্ষ মহোদয়, অতিকে গুৰুত্বপূৰ্ণ বিষয়টো হৈছে ৰাজ্য চৰকাৰে যোগান ধৰা আইৰন টেবলেট অতিকে নিম্নমানৰ। এই ক্ষেত্ৰত এটা

অভিযোগ উত্থাপন হৈছে যে একাংশ ঔষধ প্ৰস্তুত কৰা কোম্পানী সমূহৰ লগত স্বাস্থ্য বিভাগৰ একাংশ বিষয়াৰ গোপন বুজাবুজি আছে। এনেকুৱা ধৰণৰ অতি নিম্নমানৰ ঔষধ যোগান ধৰা বিষয়টোত ৰাজ্য চৰকাৰে আজি লৈকে কোনো ব্যৱস্থা লোৱা নাই । অকল নগাওঁ জিলাৰ চিকিৎসালয় বিলাকৰ কথাই নহয়, যদি আমি চাওঁ আমাৰ মৰিগাওঁ জিলাতো স্বাস্থ্য বিভাগৰ ফোপোলা স্বৰূপ দেখা পোৱা যাব। অসমীয়াত এষাৰ কথা আছে যে " বাহিৰে ৰং চং ভিতৰে কোৱা ভাতুৰি"। অকল ঘৰ বোৰ বনালে স্বাস্থ্য বিভাগৰ উন্নতি নুবুজায়। ২০২৩ চনৰ ১৬ October তাৰিখে মৰিগাওঁ জিলাৰ যি অসামৰিক চিকিৎসালয় আছে তালৈ বিভাগীয় মন্ত্ৰীয়ে গৈ তাত ICU আৰম্ভ কৰাৰ বাবে উদ্বোধন কৰি আহিছিল। কিন্তু ১৬ মাহ অতিক্ৰম কৰাৰ পিচতো এতিয়ালৈকে তাত একো কাম হোৱা নাই। বিগত সময়চোৱাত বহুতো ৰোগীক মৰিগাওঁ অসামিৰক চিকিৎসালয়ৰ পৰা ৰেফাৰ কৰিবলগীয়া হৈছে। ICU ৰ অভাৱত বহুতো নৱজাত শিশুৰ মৃত্য হৈছে কিন্তু বিভাগৰ ফালৰ পৰা কোনো ব্যৱস্থা লোৱ হোৱা নাই। মোৰ সমষ্টি লাহৰিঘাটত এখন আদৰ্শ চিকিৎসালয় আছে কিন্তু তাত এতিয়া লৈকে কোনো প্ৰসুতি বিভাগৰ চিকিৎসক নিযুক্তি দিয়া হোৱা নাই। মোৰ সমষ্টিত ৩ লাখ ভোটাৰ আছে কিন্তু এজনো প্ৰসুতি বিভাগৰ চিকিৎসক নাই। ইয়াৰ উপৰিও আমি বাতৰি কাকতত পঢ়িব পাইছো যে মৈৰাবাৰী চিকিৎসালয় টৰ্চ লাইত লৈ চিকিৎসা কৰিবলগীয়া হৈছে আৰু ইয়ে হৈছে ৰাজ্যখনৰ চিকিৎসা বিভাগৰ অৱস্থা। গতিকে মই মাননীয় মন্ত্ৰী মহোদয়ক প্ৰশ্ন কৰিব বিচাৰিছো যে তেখেতসকলে ঔষধৰ কথা কৈছে, এই ক্ষেত্ৰত কিছুদিন আগতে মুখ্যমন্ত্ৰী ডাঙৰীয়াই কৈছিল যে যিবোৰ ঔষধ আছে সেইবোৰ আমাৰ চৰকাৰী ফাৰ্মাচী পৰা ল'ব লাগে। যদি আমি চৰকাৰী ফাৰ্মাচীৰ পৰা ঔষধ ল'ব লাগে তেতিয়া হ'লে ৰোগীৰ ৰোগ বাঢ়িব নে কমিব সেইটো ভগৱানে জানে। এই ক্ষেত্ৰত মই অসমৰ স্বাস্থ্যখণ্ড GMCH ৰ কথাই কৈছো যে তাত যিবোৰ ফাৰ্মাচী আছে তাত যিবোৰ গুৰুত্বপূৰ্ণ ঔষধ এই বোৰ পোৱা নাযায়। সেয়েহে এনেকুৱা অৱস্থাত GMCH ত ভৰ্তি হোৱা ৰোগী ভাল হৈ ওলাই যাব পৰা আশা নাই যদিহে তাত থকা ফাৰ্মাচীবোৰৰ পৰা ঔষধ লয়। এতিয়া যদি আপুনি চৰকাৰী হাস্পতালবোৰৰ বিষয়ে চাই তাত আপুনি Antibiotic, জ্বৰৰ ঔষধ, পেটৰ বিষৰ ঔষধ, DNS আৰু RL ইত্যাদিও নাপায়। গতিকে আমাৰ স্বাস্থ্য ক্ষেত্ৰত বহুতো কাম কৰিব লগীয়া আছে ধন্যবাদ ।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী মহোদয় ।

**শ্ৰী অশোক সিংহল (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয় ইয়াত এক গুৰুত্বপূৰ্ণ কথা উত্থাপন কৰা হৈছে যে নগাওঁৰ চিকিৎসালয় সমূহত নাই পৰ্য্যাপ্ত পৰিমানৰ ঔষধ আৰু চিকিৎসক। এই কথাটো সচা নহয় কাৰণ নগাওঁ জিলা Specialist ৬৫ জন চিকিৎসক আছে, MBBS ১৮৪ জন আছে আৰু Ayush চিকিৎসক ৪০ জন আছে, হোমিও চিকিৎসক ২৫ জন আৰু দন্ত চিকিৎসক ১৭ জন আছে মুঠ ৩৩১ জন চিকিৎসক নগাওঁ জিলাত আছে Under NHM of DHS। নগাওঁ জিলাৰ মেডিকেল কলেজত ১২১ জন চিকিৎসক আছে। ইয়াৰোপৰি Private practice কৰা চিকিৎসকৰ কথা যদি মই বাদেই দিওঁ তেতিয়া হলে যিটো National standard মতে ২৬০ জন চিকিৎসক থাকিব লাগে কিন্তু ইয়াৰ বিপৰীতে নগাওঁ জিলাত ৪৫২ জন চিকিৎসক আছে অৰ্থাৎ বেছিহে আছে।

**ডঃ আচিফ মহম্মদ নাজাৰ, (লাহৰীঘাট) ঃ** মন্ত্ৰী ডাঙৰীয়া মই চিকিৎসকৰ কথা কোৱা নাই মই ঔষধৰ কথাহে কৈছো।

**শ্ৰী অশোক সিংহল (মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয় Zero Hour যিটো উত্তৰ মোক দিছে তাত

বিষয়টো দিছে যে যোৱা ১৬ ফেব্ৰুৱাৰী ২০২৫ তাৰিখে দৈনিক অগ্ৰদূত কাকতত প্ৰকাশিত বাতৰিৰ শিৰোনামাটো হৈছে " নগাওঁ জিলাৰ চিকিৎসালয় সমূহত নাই পৰ্য্যাপ্ত পৰিমানৰ ঔষধ আৰু নাই পৰ্য্যাপ্ত পৰিমানৰ চিকিৎসক"। আপোনাৰ তাত যদি কিবা বেলেগ তথ্য আছে মোক দিব মই চাই দিম। দ্বিতীয়তে ঔষধক লৈ এটা গুনাগঠা চলি থাকে Media হওঁক বা মানুহৰ মাজত, মই আজি এই কথাটো স্পষ্ট কৰি দিব বিচাৰিছো যে Essential Drugs List বা EDL বুলি কয় যত প্ৰয়োজনীয় ঔষধৰ তালিকা থাকে সেইটো বিভাগে ঠিক কৰি নিদিয়ে সেইটো চৰকাৰে ঠিক কৰি দিয়ে। DME বা Director of Medical Educatio ত জ্যেষ্ঠ চিকিৎসকৰ এখন সমিতি আছে আৰু যিবোৰ ঔষধ Essential Drugs List থাকে, তেখেতসকলে এইটো ঠিক কৰি দিয়ে। ২৭২ বিধ ঔষধ তেখেত সকলে Essential Drugs List ত ধাৰ্য্য কৰি দিয়ে। জিলা চিকিৎসালয়ত ২৭২ ঔষধ থাকিব লাগে। তাৰ পিছত জিলা চিকিৎসালয়ৰ তলত যদি যায় যেনে BPHC, PHC, State Dispensary আৰু SHC তাত ঔষধৰ তালিকা আছে ১২৫ । অৰ্থাৎ সেই চিকিৎসালয় বোৰত ১২৫ বিধ ঔষধ থাকিব লাগে। তাৰ তলত যদি আমি যাওঁ আয়ুস্মান, আৰোগ্য মন্দিৰ, উপস্বাস্থ্য কেন্দ্ৰ সেইবোৰত ৩৩ বিধ ঔষধ থাকিব লাগে। There should be 33 types of medicins there in these kind of Hospitals. নগাওঁ জিলাত ২৭২ বিধ ঔষধৰ ভিতৰত Essential Drugs List মতে ২৬৫ টা আছে মাত্ৰ ৭ বিধ ঔষধ নগাওঁ জিলাত নাই । ইয়াৰ তলত যদি মই যাওঁ BPHC, CHC ত ১২৫ বিধ ঔষধ থাকিব লাগে তাৰ ভিতৰত ১২০ বিধ আছে। আয়ুস্মান, আৰোগ্য মন্দিৰৰ ক্ষেত্ৰত যদি মই যাওঁ তাত ৩৩ বিধ ঔষধ থাকিব লাগে, তাৰ ভিতৰত ৩১ বিধ আছে। গতিকে ঔষধ নাই বুলি কোৱাতো ঠিক নহয়। মাননীয় সদস্যই কথা কওঁতে আবেগিক হৈ কৈ গ'ল, যে GMCHত যিখন ফাৰ্মাচী আছে সেই ফাৰ্মচীত ঔষধ ললে বোলে মানুহ কোনো দিন ভাল হৈ ওলাই নাযায়। মই ভাৰো বিৰোধীয়ে চৰকাৰক সমলোচনা কৰক কোনো আপত্তি নাই, যিমান টান কথা কব লাগে বিভাগৰ মন্ত্ৰী হিচাপে মোক টান কথা কওঁক, মোৰ আপত্তি নাই। কিন্তু চিকিৎসক সকলক তেনেকৈ কলে তেখেত সকলে মনত কষ্ট পায়।

**ডাঃ আছিফ মহম্মদ নাজাৰ, (লাহৰীঘাট)** ঃ মাননীয় মন্ত্ৰী মহোদয়, মই চিকিৎসকৰ কথা কেতিয়া কলো, মই নিজেই এজন চিকিৎসক। মই মেডিচিনৰ কথাহে কৈছো। মই চিকিৎসকৰ কথা কেতিয়াও নকওঁ। তাত মেডিচিন পোৱা নাযায়।

**শ্ৰীঅখিল গগৈ, (শিৱসাগৰ)** ঃ মাননীয় মন্ত্ৰী মহোদয়ে সকলো কথাতে dilute কৰি গৈ আছে। তেখেতে ঠিকেই প্ৰশ্ন সুধিছে আপুনি ওলোটা উত্তৰ দি dilute কৰি গৈ আছে।

**মাননীয় অধ্যক্ষ ঃ Please.**

**শ্ৰীঅশোক সিংহল, (মন্ত্ৰী)** ঃ আপুনি তেখেতৰ উকিল নেকি ? উকিল যদি হয় Affidavit এটা দিয়ক।

**মাননীয় অধ্যক্ষ ঃ Please.**

**ডাঃ আছিফ মহম্মদ নাজাৰ, (লাহৰীঘাট)** ঃ ডাঙৰীয়া, তেখেতৰ কথা বাদ দিয়ক, মুখ্যমন্ত্ৰী ডাঙৰীয়াই নিজেই কৈছে চিকিৎসালয়ত চিকিৎসকে যি মেডিচিন থাকিব তাকেই লিখিব লাগিব।

**শ্ৰীঅশোক সিংহল, মন্ত্ৰী** ঃ ক'ত কলে ? তাৰ Statement ক'ত আছে?

**ডাঃ আছিফ মহম্মদ নাজাৰ, (লাহৰীঘাট)** ঃ আপুনি চাই লওঁক। দুদিনমান আগত কৈছে যে চিকিৎসালয়ত যিবোৰ মেডিচিন থাকিব সেইবোৰ দিব লাগিব।

**শ্ৰীঅশোক সিংহল, (মন্ত্ৰী)** ঃ আপুনি বহক, মই বুজাই দি আছো। মই বৰাকভেলীত টুৰত যাওঁতে কৰিমগঞ্জ জিলা চিকিৎসালয়ত গৈছিলো, হাস্পতাল ভ্ৰমণ কৰি মই যেতিয়া ওলাই আহিছিলো তেতিয়া সাংবাদিকে মোক প্ৰশ্ন কৰিলে যে, মন্ত্ৰী মহোদয়, হাস্পতালত মেডিচিন নাই। যাওঁতে মই খবৰ লৈ গৈছিলো তেতিয়া হাস্পতালত মেডিচিন আছে বুলি কলে। মই তেতিয়া বিচাৰি দিলো যে কোনো মেডিচিন নাই বুলি কব খোজে তাৰ prescription টো দিয়ক, তেতিয়া মোৰ prescription হাতত দিলে। দিওতে দেখিলো যে prescription ত branded medicine লিখা আছে। চৰকাৰৰ নিয়ম হল out of 272 medicine যিবিলাক জেনেৰিক মেডিচিন আছিল জেনেৰিক নামতে মেডিচিন লিখিব লাগে। ব্ৰেণ্ডৰ নামত মেডিচিন লিখিব নালাগে এইটো নিৰ্দেশ চৰকাৰৰ তৰফৰ পৰা আছে। ব্ৰেণ্ডদেট মেডিচিন যেতিয়া লিখি দিয়ে চৰকাৰে ব্ৰেণ্ডদেট মেডিচিন নানে। চৰকাৰে জেনেৰিক মেডিচিন আনে। Paracetamol, paracetamol, paracetamol is a generic name. Brand is crocin. এতিয়া Crocin যদি কোনোবাই লিখি দিয়ে চৰকাৰী চিকিৎসালয়ত বা চৰকাৰী ফাৰ্মাচীত ক্ৰচিন নাপাব। কিন্তু ক্ৰচিনৰ যিটো পেৰেচিটমল আছে সেইটো পাব।

**মাননীয় অধ্যক্ষ ঃ হ'ব।**

**ডাঃ আছিফ মহম্মদ নাজাৰ, (লাহৰীঘাট)** ঃ ডাঙৰীয়া, ইয়াত জেনেৰিকৰ কথা অহা নাই। ইয়াত কথা হৈছে যে বিনামূলীয়া ঔষধ পৰ্য্যাপ্ত পৰিমাণে আপোনালোকৰ বিভাগত পৰা নাযায়।

**শ্ৰীঅশোক সিংহল, মন্ত্ৰী** ঃ অধ্যক্ষ মহোদয়, with all sincerity, I want to place the things in record যে নগাওঁ জিলাত।

**ডাঃ আছিফ মহম্মদ নাজাৰ, (লাহৰীঘাট)** ঃ নগাওঁ, মৰিগাওঁ কতো পোৱা নাযায়।

**মাননীয় অধ্যক্ষ** ঃ Please.

**শ্ৰীঅশোক সিংহল, (মন্ত্ৰী)** ঃ মৰিগাঁৱৰ প্ৰশ্ন অনা নাছিল, মৰিগাঁৱৰ তথ্য যদি লাগে বিধান সভা শেষ হোৱাৰ পিছত আপুনি মোৰ তাত আহিব বিস্তৃত ভাৱে তথ্য আপোনাক দিম।

..........(সদনত হুলস্থূল)...........

**ডাঃ আছিফ মহম্মদ নাজাৰ, (লাহৰীঘাট)**ঃ সাধাৰণ কফচিৰাপ পোৱা নাযায়।

**মাননীয় অধ্যক্ষ** ঃ Please.

**শ্ৰীঅশোক সিংহল, (মন্ত্ৰী)** ঃ অধ্যক্ষ মহোদয়, ভুল বাৰ্তা কিয় দিছে।

**শ্ৰীঅখিল গগৈ** ঃ এইটো ভুল বাৰ্তা নহয়, একেবাৰে শুদ্ধ বাৰ্তা। আপুনি ভুল বাৰ্তা দি আছে।

**মাননীয় অধ্যক্ষ** ঃ Please.

**শ্ৰীঅশোক সিংহল, (মন্ত্ৰী)** ঃ Out of 272 ৰ 265 মেডিচিন উপলব্ধ আছে। তেখেতে কৈছে কফচিৰাপ উপলব্ধ নাই, ক'ত নাই উপলব্ধ? মই আপোনাক এতিয়াই খবৰ কৰি দিম, কেৰল যাওঁক।

..........(সদনত হুলস্থূল)...........

**মাননীয় অধ্যক্ষ** ঃ হ'ব। এতিয়া Zero Hour is over. এতিয়া Rule 54, Item NO. 2. Sri Mrinal Saikia.

**শ্ৰীমৃণাল শইকীয়া, (খুমটাই )**ঃ মাননীয় অধ্যক্ষ মহোদয়, মই আজি সমাজত হৈ থকা অতি এটা স্পৰ্শকাতৰ বিষয় আলোচনা কৰিব খুজিছো, যিটো আমাৰ সমাজত দিনক দিনে বৃদ্ধি পাই আহিছে 'আত্মহত্যা'। মই এই কাৰণে কৈছো যে পৃথিৱীত থকা দুখৰ পৰা মুক্তি পাবৰ কাৰণে বহুতে আত্মহত্যাৰ

পথ বাচি লয়। কিন্তু দেখা গৈছে যি সকলে এতিয়া এই কথা seriously ভাবিব নোৱাৰে pain and all these. সেই কাৰণে আমাৰ ছাত্ৰ সমাজে সেই পথটো বাচি লবলৈ ধৰিছে কিন্তু। যোৱা ১৩ ফেব্ৰুৱাৰীত চিকমিকা দাস, ১৪ বছৰ বয়সৰ অষ্টম শ্ৰেণীত পঢ়ি থকা ছোৱালী এজনীয়ে আত্মহত্যাৰ পথ বাচি লৈছে। গোলাঘাট জাতীয় বিদ্যালয়ত এই ছাত্ৰী গৰাকীয়ে পঢ়ি আছিল, তেওঁ আত্মহত্যা কৰে পুৱতি নিশা। ১৮ ফেব্ৰুৱাৰীত প্ৰিয়মকুছ ডেকা, মেট্ৰিক পৰীক্ষাৰ পৰীক্ষাৰ্থী এজনে শিলপুখুৰীৰ হাউচিং কলনিত আত্মহত্যাৰ পথ বাছি লৈছে। ১৯ ফেব্ৰুৱাৰীত অনিচা চেত্ৰী suspected suicide কৰিছে, বিশ্বনাথ চাৰিআলীত ঘৰ, ইয়াতে পঢ়ি আছিল। এই বিলাক কিহৰ কাৰণে হৈছে। যেতিয়া মই চিকমিকা দাসৰ পুলিচ ৰিপোৰ্টটো আনি চালো তেতিয়া জানিলো যে পৰীক্ষা চলি আছিল ডাঙৰ পৰীক্ষাও নহয়, অষ্টম শ্ৰেণীৰ পৰীক্ষা, তেওঁক ৰাতিপুৱা ৩ বজাত মাকে উঠাই দিলে পঢ়িবলৈ। ৩ বজাত বহাই দি মাকে চাহ বনাবলৈ যাওঁ বুলি যায় ঘুৰি আহি দেখিলে যে কোঠাৰ দৰ্জা বন্ধ তাৰ পিছত দৰ্জা ভাঙি দেখে যে চিকমিকা দাস সৰু ছোৱালী জনীয়ে আত্মহত্যা কৰিছে। কিহৰ কাৰণে নিশ্চয় তেওঁ ভয় খাইছে যে পঢ়িব পৰা নাই, মা হতে মোক কি কব দেউতাই কি ক'ব বা প্ৰিয়ংকুছ ডেকাই পৰীক্ষাৰ ফলাফল বেয়া হ'ব বুলি ভয় খাই তেওঁ আত্মহত্যাৰ পথ বাচি ললে। তেনেকৈ বিভিন্ন স্কুলত বা ঘৰুৱা কণ্ডলৰ কাৰণে কেতিয়া গিৰিয়েকে ঘৈনীয়েকক কিবা কাৰণত misbehave কৰিলে আত্মহত্যা কৰিলে, মানুহ বোৰ খুব sentimental হৈ গৈ আছে। বিশেষকৈ আমাৰ ছাত্ৰ-ছাত্ৰী সকলৰ মাজত যাতে এই বস্তুটো আহিব নোৱাৰে তাৰ কাৰণে আমাৰ অভিভাৱকে, আমাৰ চৰকাৰে ব্যৱস্থা হাতত লব লাগিব। কাৰণ আজি কালি আমাৰ অভিভাৱক বোৰ দিনক দিনে এনেকুৱা হৈ আহিছে যে ভাত সোনকালে হ'বৰ কাৰণে যেনেকৈ প্ৰেছাৰ কুকাৰত চাউল দি দিয়ে, তেওঁলোকে নিজৰ সন্তানকো এটা প্ৰেছাৰত সোমাই দিয়ে যে তই সোনকালে শিকিবই লাগিব। চোকা হ'বই লাগিব। মাজে মাজেতো মই এনেকুৱা ধাৰণা কৰো যদি সম্ভৱ হ'ল হেতেন যদি পাৰিলে হেতেন কিছুমান অভিভাৱকে নিজৰ ১০/১২ বছৰীয়া ল'ৰা-ছোৱালীকো হাতুৰী-বতালী মাৰি যিমান কিতাপৰ জ্ঞান আছে সকলো হেচি-থেলি সোমায় দিলে হেতেন বোলে যা অভিযন্তা হোৱাগে বা ডাক্তৰ হোৱাগে। কিন্তু আমাৰ সমাজ খন আমি পাহৰি যাওঁ, যে formal Education নোহোৱাকৈও এই পৃথিৱীত, ভাৰতত বহুত ডাঙৰ বিখ্যাৎ ডাঙৰ ডাঙৰ মানুহ হৈছে, বৈজ্ঞানীক হৈছে, আমাৰ ভাৰতৰ শ্ৰীনিৱাস ৰামানুজন তেওঁতো গণিতৰ পণ্ডিত, কিন্তু তেওঁৰ কোনো formal Education নাই। আমাৰ বিল্‌গেটছ্‌, হেন্‌ৰী ফোৰ্ড, থমাছ এলবা এডিচন, এলবাৰ্ট আইনষ্টাইন, আব্ৰাহাম লিংকন এওলোকৰ কোনো formal Education নাছিল। তথাপি তেওঁলোকে কিন্তু নিজস্ব ভাৱে আগবাঢ়ি গৈ তেওঁলোকে গোটেই পৃথিৱীত contribute কৰিছে। পৃথিৱীৰ কাৰণে কিবা দি গৈছে। সেই কাৰণে আমাৰ যি বোৰ অভিভাৱক আছে তেওঁলোকেও বুজিব লাগিব যে ল'ৰা-ছোৱালীৰ কি পছণ্ড, কি ভাল পায়, সেইটো নাচাই কেতিয়াবা জোৰজৰদষ্টি বহুতক দেখা পাও ল'ৰা-ছোৱালী চোকা হোৱাৰ কাৰণেও নহয়, নিজৰ সন্মান যাতে সমাজত ওপৰলৈ যায় সেই কাৰণে ল'ৰা-ছোৱালীক প্ৰেচাৰ দিয়াৰ পৰিলক্ষিত হয়। যে মই অভিযন্তা হব নোৱাৰিলেও মোৰ ল'ৰাটো অভিযন্তা হবই লাগিব বা হাজৰিকাৰ পুতেকে ৯০ পাইছে মোৰ শইকীয়া পৰিয়ালৰ ল'ৰাই ৯০ পোৱা নাই মোৰ সমাজত সন্মান ক'ত থাকিব যে ল'ৰাটোৱে কি কৰিব সেই বুলি নহয়, যে নিজৰ সমাজত সন্মান আজি কালি এটা ট্ৰেণ্ড হৈছে যে নিজৰ ল'ৰা-ছোৱালীক পঢ়াব লাগে বুলি গাঁৱৰ পৰা গোটেই মাক-বাপেক সহিতে চহৰত ভাড়াঘৰ কৰি লয়। নিজৰ বৃদ্ধ মাক-বাপেকক এৰি থৈ যায়। যেতিয়া অকল পঢ়াম

বুলিয়ে চহৰত যায় সকলো কাম বাদ দি সেই ল'ৰা-ছোৱালী কেইটাই কিমান প্ৰেচাৰত থাকিব। আমাৰ শিক্ষা মন্ত্ৰী মহোদয়ক মই অনুৰোধ কৰিম যে প্ৰত্যেক স্কুল বিলাকত যাতে এজন কাউন্সিলাৰ নিয়োগ কৰা হয়, Psychological Council নিযুক্তি দিয়া হয়। Counsel আমাৰ দেশত খুব সম্পসাৰণ হোৱা নাই। কিন্তু বাহিৰৰ দেশত অকমান tension হলে বা কিবা হলে counselling ৰ কাৰণে যায়। আমাৰ ইয়াত পাগল বুলি ক'ব পাৰে counselling ৰ কাৰণে গৈছে, সেই কাৰণে নহয়। Counselling টো স্কুলত, মই যেনেকৈ কলো যে চিকমিকা দাস নামৰ ছোৱালীজনী, তেনেকুৱা যদি কথা থাকিলেহেতেন য'ত এজন ডাক্তৰ বহি থাকে, যি counselling কৰে, তাই যদি ক'লেহেতেঁন যে মোৰ ইয়াত pressure পৰীক্ষা বেয়া হ'ব পাৰে, এইবিলাক ঘটনাৰ পৰা ৰেহাই হ'ব। নহলে আমাৰ দেশখন, আমি ৰাজ্যখনৰ কাৰণে এটা লজ্জা অনুভৱ কৰিম। আজি Finland যেনেকৈ happiest country in the world, অসমখন আজি যে অতি দুখৰ এখন ৰাজ্য য'ত লৰা-ছোৱালীয়ে ইয়াত আত্মহনণ কৰে। সেই কাৰণে প্ৰথম কথা হ'ল যে বিশেষকৈ হাইস্কুল বিলাকত এজন এজন Psychological Counsel দিয়াৰ কাৰণে মই মাননীয় মন্ত্ৰী মহোদয়ক আপোনাৰ জৰিয়তে অনুৰোধ কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰীঅশোক সিংহল, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, সন্মানীয় বিধায়ক মৃণাল শইকীয়া ডাঙৰীয়াই গুৰুত্বপূৰ্ণ বিষয় আজি সদনত উত্থাপন কৰিছে। depression, suicidal behaviour এই প্ৰৱণতাটো সমাজত লাহে লাহে বাঢ়ি গৈ আছে। আমাৰ দেশত বা আমাৰ ৰাজ্যত কিছু বছৰ আগলৈ এই প্ৰৱণতাটো নাছিল। কিন্তু লাহে লাহে এই প্ৰৱনাটো বাঢ়িবলৈ ধৰিছে। cause of suicide যিটো clinically কোৱা যায়, তাত বৰ্গীকৰণ যেতিয়া কৰে socio environmental risk factor আছে, psychological risk factor আছে, biological risk factor আছে। তথ্য মই কিছু ৰাখি দিব খুজিছো, National Crime Report Bureau (NCRB) ২০২২ ৰ data যিটো আছে, most common cause of suicide in Assam, শতকাৰ যদি ১০০ টা suicide হৈছে, 35% due to family problem, 12% because of marriage related issue, 10% due to love affairs, অৰ্থাৎ more than 57% of suicide is because of family related issue, marriage related issue and love affairs related issue। property dispute ৰ কাৰণে 8%, failer in exam তাৰ কাৰণে যিটো suicide হয়, ২০২২ চনৰ দাতা মতে ১ শতাংশ।

মাননীয় অধ্যক্ষ মহোদয়, এই ঘটনাটোৰ প্ৰৱণতাটো কিয় বাঢ়ি বাঢ়ি গৈ আছে আৰু সঠিক সমাধান কি হ'ব পাৰে। depression ৰ কাৰণে যিটো suicide হয়, clinical উত্তৰটো বহুত সীমিত। Depression ৰ সঠিক কিবা ঔষধ, কিহৰ কাৰণে depression হল, তাৰ কাৰণে সঠিক ঔষধ যে এইটো দিলে ঠিক হৈ যাব, তেনেকুৱা নহয়। এই বেমাৰটোৰ সম্পৰ্ক মানুহৰ চিন্তা, মানুহৰ মনত জন্ম হোৱা দুচিন্তা, সমাজ, পৰিয়াল তাৰ লগত জড়িত আৰু গোটেই সমাজ ব্যৱস্থাটো পৰিয়াল বোলা concept টো লাহে লাহে ভাঙিব ধৰিলে। আগতে যৌথ পৰিয়াল আছিল, ককা আইতাহঁত আমি সকলো একেলগে আছিলো, লাহে লাহে পৰিয়ালবোৰ সৰু হোৱা আৰম্ভ হ'ল, সৰু সৰু পৰিয়াল হৈ মই মোৰ পত্নী আৰু মোৰ লৰা-ছোৱালী। পৰিয়ালত কিবা সমস্যা হলে কথা পতিবলৈ মানুহ নাই। গিৰিয়েক আৰু ঘৈনিয়েকে যদি কিবা কাম কৰে, তেতিয়া

সমস্যা আৰু বেছি আছে। গতিকে family values লাহে লাহে নোহোৱা হ'ল। আগতে ঘৰত লৰা-ছোৱালীৰ কিবা সমস্যা হলে জেষ্ঠ্যজনে বুজাইছিল, কথা পাতিছিল, কৰবাত মনত যদি কষ্ট পাইছিল, কথা পাতি সমাধান উলিওৱাৰ চেষ্টা কৰিছিল। তাৰ পিছত লৰা -ছোৱালী সকলক আমি যিটো প্ৰতিযোগিতাৰ এটা দৌৰত নমাই দিলো, যে মোৰ লৰা ডাক্তৰে হ'ব, মোৰ লৰা অভিযন্তাই হ'ব লাগিব। মই ভৰাৰ নিচিনা মোৰ লৰা-ছোৱালীয়ে ক্ৰীড়া কৰিব লাগিব, তেনেকুৱা কাম কৰিব লাগিব। লৰা -ছোৱালীয়ে কি ভাবিছে, সেইটো আমি কোনো দিনে চিন্তা নকৰি, মই যিটো বিচাৰো সেইটো মোৰ লৰা-ছোৱালীয়ে কৰিব লাগিব, এই প্ৰৱণতা যেতিয়াৰ পৰা বেছিকৈ হোৱা হ'ল যে মোৰ লৰা ACS, IAS, Doctor, Engineer ইত্যাদি হ'ব লাগিব, family values যেতিয়াৰ পৰা নোহোৱা হ'ল আৰু যেনেকৈ technology য়ে বিকাশ কৰিলে, আমাৰ হাতলৈ মোবাইল আহিলে আৰু বন্ধু বান্ধব প্ৰায় কমিব ধৰিলে, তেতিয়া সেই সমস্যাবোৰেই সমাজখন গ্ৰাস কৰিব ধৰিলে। এতিয়া আটাইতকৈ বেছি বন্ধু facebook ত থাকে। গতিকে physical activity নোহোৱা এখন সমাজত য'ত বাহিৰৰ সমাজৰ লগত কোনো সম্পৰ্ক নাই, সেই ফালে যেতিয়া আমি যাবলৈ ধৰিলো, loneliness আহি গ'ল। আমি অকলে চিন্তা কৰা, অকল থকা,অকল কৰাৰ এটা প্ৰৱণতা আহি গ'ল আৰু এই পৰিৱেশত যেতিয়া আমাৰ কিবা ভাল হয় আমাৰ মনটো ভাল লাগে আৰু আমি বিচৰা ধৰণে নহলে আমাৰ মনটো বেয়া লাগে। এই ভাল আৰু বেয়াৰ মাজত বেয়া যদি অলপ বেছিকৈ হোৱাৰ আৰম্ভ হয়, আমি ভৰা ধৰণে যদি কামবোৰ নহয়, মানুহ লাহে লাহে এলাগী হ'বলৈ ধৰে, আনৰ লগত কথা পতাটো কমাই দিয়ে আৰু লাহে লাহে depression বোলা যিটো বেমাৰ তাত সোমাই যায়। মই ভাৱো যে we need to know how to be happy আৰু happiness টো বাহিৰৰ পৰা নাহে। Happiness টো কেনেকৈ নিজৰ ভিতৰত জন্ম দিব পাৰো, কেনেকৈ আমি নিজৰ লগত সুখী থাকিব পাৰো, সেইটো চিন্তা কৰিব লাগিব।

মাননীয় অধ্যক্ষ মহোদয়, সময় অনুযায়ী সময় উপযোগী যদি হৈ থাকো, তেতিয়া ভাল। কিন্তু প্ৰতিযোগিতাত পৰি যদি আমি এজনে সিজনৰ লগত প্ৰতিযোগিতাৰ চিন্তাৰে কাম কৰা আৰম্ভ কৰো, মই ভাৱো যে সেইটো ঠিক নহয়। তথাপিও এক গুৰুত্বপূৰ্ণ কথা ইয়াত উত্থাপন হৈছে। গীতাত শ্ৰীকৃষ্ণই কৈছিল - (সংস্কৃতৰ শ্লোক) অৰ্থাৎ মনটো বৰ চঞ্চল আৰু নিয়ন্ত্ৰণ কৰাটো বৰ কঠিন। কিন্তু অভ্যাসৰ জৰিয়তে মণটোক নিয়ন্ত্ৰণ কৰিব পাৰি আৰু এই চেষ্টা কৰোতো অকল চৰকাৰৰ দ্বাৰা ফলপ্ৰসু নহ'ব। সমাজৰ প্ৰত্যেকজন ব্যক্তিয়ে ইয়াত অংশগ্ৰহণ কৰিব লাগিব। চৰকাৰৰ হাতত কোনো মেকানিজিম নাই যে মানুহৰ মনটো ভাল লগাই থাকিব পাৰিব। গতিকে সমাজে এটা নিজেও চিন্তা কৰিব লাগিব। চৰকাৰে তাত সহযোগ কৰিব আৰু সহযোগ কৰিবৰ কাৰণে মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাক জনাবলৈ পাই সুখী হৈছো যে Tele MANAS বুলি আমাৰ help line চলি আছে, তাত 24x7 সুবিধা হোৱাকৈ দুটা নম্বৰ দিয়া আছে। তাত আমি tele counselling দিও আৰু এটা উপলদ্ধি আমি কৰিছো যে ৮০ শতাংশ মনোবৈজ্ঞানিক সমস্যা counselling ৰ জৰিয়তে সমাধান হয়। Counselling সদায়ে যে ডাক্তৰ বা psychologist য়ে কৰিব লাগিব, তেনেকুৱা কোনো কথা নাই। বন্ধু এজনেও আন এজনৰ counselling কৰিব পাৰে, বুজাব পাৰে। সমাজে দায়িত্বটো হাতত ল'ব লাগিব। স্কুলসমূহতো এই programme বোৰ চলি আছে। আমাৰ সন্মানীয় বিধায়ক ডাঙৰীয়াই যিটো গুৰুত্ব প্ৰশ্ন উত্থাপন কৰিলে, মই তাৰ উত্তৰত ক'ব বিচাৰিছো যে স্কুলতো ১০ ৰ পৰা ১৯ বছৰ বসয়ৰ লৰা-

ছোৱালীসকলৰ বাবে Rastriya Kishor Swasthya Karyakram (RKSK) বুলি counselling এটা চলি আছে আৰু শিক্ষক এজনকো প্ৰশিক্ষণ দিয়া হয় যাতে তেখেতে counsellor হিচাপে কাম কৰিব পাৰে। এই সমস্যাটো এটা সামাজিক সমস্যা। চৰকাৰ আৰু সমাজ, আমি সকলোৱে বহি চিন্তা কৰি এই সমস্যাটোৰ সমাধান কৰিব লাগিব। মই বিধায়ক ডাঙৰীয়াক আৰু আপোনাৰ মাধ্যমেৰে এই পবিত্ৰ সদনক assurance দিব খুজিছো যে অনাগত দিনবোৰত মানসিক ৰোগ, মনোৰোগ, depression এই যিখিনি সমস্যা আহিছে, সমাজৰ লগত বহি বিধায়কসকলক লগত লৈ এক সমাধানৰ পথ আমি উলিয়াব পাৰো নেকি, তাৰ ওপৰত চিন্তা কৰিম।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ।

**শ্ৰীমৃণাল শইকিয়া, খুমটাই ঃ** মাননীয় অধ্যক্ষ মহোদয়, যিটো counselling concept বহু ছাত্ৰ ছাত্ৰীয়ে নাজেনে যে আমি এনেকৈ counselling ল'ব পাৰো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ।

**শ্ৰী মৃণাল শইকীয়া, (খুমটাই) ঃ** চাৰ এক মিনিট। আমাৰ মন্ত্ৰী মহোদয়ে খুব সুন্দৰকৈ উত্তৰ দিলে, খুব ভাল লাগিল । আমাৰ যিটো কাউঞ্চেলিং কনচেপ্ত বহুতো ছাত্ৰ-ছাত্ৰীয়ে নাজানে যে আমি কাউঞ্চেলিং ল'ব পাৰো বা শিক্ষকে যেতিয়া ছাত্ৰ জনক দেখি থাকে তেতিয়া শিক্ষকে গম পাই যে যে এইজন ছাত্ৰৰ মাজত কিবা এটা হৈছে কথা বতৰা নোহোৱা হৈছে, মন মাৰি থকা হৈছে। নিজেই শিক্ষক সকলোৰ ইমান জ্ঞান নাই যে কাউঞ্চেলিং বোলা এটা বস্তু আছে । সেই কাৰণে আমাৰ অফিচাৰ বিলাকৰ লগত ভিজিটিং এটা দিব লাগে যে কাউঞ্চিলাৰে মাজে মাজে স্কুল বিলাকত গৈ কাউঞ্চেলিং কৰিব লাগিব । কনাচেপ্টটো আমি আচলতে ৰাজহুৱা কৰিব লাগে, সকলোৱে জানিব লাগে। ধন্যবাদ ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ । শ্ৰী অশোক সিংহল।

**শ্ৰী অশোক সিংহল, (মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, শিক্ষা বিভাগৰ লগত কথা পাতি এই বিষয়টো আমি কেনেকৈ আগবঢ়াই লৈ যাব পাৰো, স্কুলে স্কুলে আমি কেনেকৈ টেলিফোন নম্বৰ পাব্লিচ কৰিব পাৰো, তাত লগাই ৰাখিব পাৰো তাৰ ব্যৱস্থা কৰি সংবাদ মাধ্যমৰ জৰিয়তে কেনেকৈ ৰাইজক সজাগ কৰি এই কাউঞ্চেলিংৰ বিষয়টো কেনেকৈ আগুৱাই লৈ যাব পাৰো আৰু প্ৰয়োজন সাপেক্ষে কাউঞ্চিলাৰৰ নাম্বাৰ যদি বৃদ্ধি কৰিব লাগে তাৰ বাবে আমি সাজু আছো । সুন্দৰকৈ, ডাঙৰকৈ এটা সামাজিক সমস্যাৰ ওপৰত আপোনাৰ ইয়াত আলোচনা হ'ল আৰু মই ভাবো যে এটা ভাল ফল অহা দিনবোৰত ইয়াৰ জৰিয়তে ওলাব ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ । এতিয়া কাৰ্য্যসূচী নং - ৩ শ্ৰী দেৱব্ৰত শইকীয়া।

**শ্ৰী দেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি)** ঃ মাননীয় অধ্যক্ষ মহোদয়, অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্যপৰিচালনাৰ নিয়ম অনুসৰি এটা ৰাজহুৱা গুৰুত্বপূৰ্ণ বিষয়ত অসম চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰাৰ সুযোগ দিয়াৰ বাবে আপোনাক ধন্যবাদ জনাইছো । বিষয়টো হ'ল- ৰাজ্যিক ভাষা আইন ১৯৬০ অসমৰ সকলো পৰ্য্যায়তে প্ৰয়োগ কৰা হওঁক । অসমৰ ৰাজ্যিক ভাষা আইন অনুসৰি বৰাক উপত্যকা, বি টি আৰ আৰু অন্যান্য জিলা বিলাকত ভাষা আইন ১৯৬০ চনৰ সঠিক পৰিচালনাই ৰাজ্যৰ সকলো জণগনক উপকৃত কৰিব । সেই আইনৰ বিষয়ে চৰকাৰক দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিম । নৈৰ সমান বৰ্ব কোন আৰু আইৰ সমান হ'ব কোন।

আইৰ মুখৰ ভাষাই আমাৰ ভাষা। মোৰ আই মুখৰ ভাষা মোৰ ভাষা সবাতোকৈ আপোন মোৰ

ভাষা। অহাকালিলৈ অৰ্থাৎ ২১ ফেব্ৰুৱাৰী, ১৯৯১ চনৰ ১৭ নৱেম্বৰত ইউনেছকোৱে দিয়া প্ৰস্তাৱ অনুসৰি আন্তৰ্জাতিক মাতৃভাষা দিৱস হিচাপে উদযাপন কৰা হ'ব আৰু এই মাতৃভাষা দিৱসত প্ৰকমূহুৰ্তত মই সকলো জাতি-জনগোষ্ঠীৰ লোকৰ নিজৰ-নিজৰ মাতৃভাষাক সন্মান জনাইছোঁ। সকলো মাতৃৰে মাতৃভাষা শ্ৰীবৃদ্ধি হওঁক, এই কামনা কৰিছোঁ।

মহোদয়, ভাৰতবৰ্ষত প্ৰায় ডেৰশ কোটি জনসংখ্যা, ইয়াৰে সৰ্বাধিক হিন্দিভাষী আৰু তাৰ পিছত বাংলা ভাষীৰ সংখ্যা আৰু তাতকৈ বহুত কম আমাৰ অসমীয়া ভাষাৰ সংখ্যা। তিনি কোটিতকৈ অলপ বেছি আৰু তাৰ ভিতৰত অসমত বাস কৰা এই তিনিকোটিতকৈ অধিক লোকৰ আধা সংখ্যাই পঢ়ে অসমীয় ভাষা । মহোদয়, এই অসমীয়া ভাষাটো যদিও বহুত পুৰণা বৌদ্ধ ধৰ্মৰ কিছুমান চাৰ্য্যপদ ইয়াত প্ৰথম অসমীয়া ভাষাত লিখা হৈছিল বুলি কোৱা হয় । আৰু আমাৰ অসমত বিভিন্ন বিষয় বিতৰ্ক হয় । সেই কোনোবা ইয়াত মগধি ভাষাৰ পৰা অহা বুলি ক'লেও এই বিষয়টো বাণীকান্ত কাকতিৰ দ্বাৰা ভাষাবিদ সকলে সত্য নহয় বুলি কৈছে । বৃটিছে যেতিয়া অসমখনত সম্ৰাজ্যবাদ স্থাপন কৰিবলৈ সক্ষম হৈছিল তাৰ পৰৱৰ্তী সময়ত ১৮৩১ চনৰ পৰা ১৮৭৩ চনলৈ অসমীয়াৰ নিজৰ মাতৃভাষাৰ যি সন্মান অসমত পাব লাগে সেইয়া মৰ্য্যদা হেৰুৱাইছিল । তেতিয়াৰ সময়ত আনন্দৰাম ঢেকীয়াল ফুকন, হেমচন্দ্ৰ বৰুৱা আৰু গুণাভিৰাম বৰুৱা প্ৰমুখ্যে সেই সময়ৰ এচাম অসমীয়া যুৱকৰ প্ৰচেষ্টা আৰু খ্ৰীষ্টান বেপ্তিষ্ঠ মিছনাৰী সকলৰ সহযোগত অসমত পুনৰ অসমীয়া ভাষা প্ৰচলিত হয় । অসমীয়া ভাষাই হওঁক বা বাংলা ভাষয়েই হওঁক কোনোৱে কাৰো ধাৰ খাই থোৱা নাই । এনে এটা অভিমত গুণাভিৰাম বৰুৱাই লিখা আৰু আনন্দৰাম ঢেকীয়াল ফুকনৰ জীৱন চৰিতত পোৱা যায় । অৰ্থাৎ সেই সময়ত অসমৰ বহুত মানুহে এই ভাষালৈ ইমান চিন্তা কৰা নাছিল । তেখেত সকল নিৰ্বিকাৰ আছিল । এই অসমীয়া ভাষা কিন্তু আমাৰ উত্তৰ পূৰ্বাঞ্চলৰ বিভিন্ন জাতি-জনগোষ্ঠীৰ সহযোগী ভাষা বুলিও আমি ক'ব পাৰো । মহোদয়, ১৯১৮ চনত কলিকতা বিশ্ববিদ্যালয়ত চাৰ আশুতোষ মুখাৰ্জীয়ে ইয়াৰ প্ৰচলনত ব্যৱস্থা কৰিছিল আৰু পৰৱৰ্ত্তী সময়ত যেতিয়া ৰাজ্য পুনৰ গঠন হ'ল ১৯৫৬ চনত ষ্টেট ৰি-অৰগেনাইজেশ্যন এক্ট অনুসৰি অসমৰ নামাকৰণ হোৱাৰ পিছত অসমৰ ভাষা অসমীযা হৈছিল আৰু ১৯৬০ চনত যি ষ্টেট লেঙ্গুৱেজ এক্ট, সেই এক্ট খন অসম বিধান সভাই আইন প্ৰণয়ন কৰাৰ পিছত অসমৰ বিভিন্ন অঞ্চলত বিভিন্ন অশান্তিও হৈছিল । পৰৱৰ্ত্তী সময়ত কেন্দ্ৰীয় গৃহমন্ত্ৰী লাল বাহাদুৰ শাস্ত্ৰী ডাঙৰীয়াই ভাষাৰ ক্ষেত্ৰত যি ত্ৰি-ভাষিক ফৰ্মুলা সেই অনুসৰি অসমৰ একাংশ অঞ্চলত হোৱা বিযেশকৈ বৰাক উপত্যকাত হোৱা বাংলা ভাষাৰ প্ৰচলন আৰু পৰৱৰ্ত্তী সময়ত বড়ো অধ্যূষিত অঞ্চলত বড়ো ভাষাৰ প্ৰচলন আমি আৰম্ভ কৰিলো । কিন্তু ১৯৫৬ চনলৈ অসমৰ অবিভক্ত গোৱালপাৰা জিলাত বাংলা ভাষায়ে চলি আছে । সেই খিনি সময়ত প্ৰাক্তন মুখ্যমন্ত্ৰী শৰৎ সিংহ ডাঙৰীয়াৰ নেতৃত্বত এটা ৰাইজৰ সমৰ্থন পোৱাৰ পিছত এই অসমত অসমীয়া ভাষা প্ৰচলন হৈছিল । ইয়াৰ পূৰ্বে গুৰু কালিচৰণ ব্ৰহ্মাই অসমীয়া ভাষা দিব লাগে বুলি ব্ৰিটিছৰ যি মিছন আহিছিল সেই মিচনৰ ওচৰত তেখেত আৰ্জি দাখিল কৰিছিল আৰু অসমীয় ভাষাৰ হকে তেখেতে সকলে এনেধৰণৰ অৱদান আগবঢ়াইছিল। মহোদয়, শেহতীয়াকৈ যি সংবিধানৰ অনুচ্ছেদ ৩৫০, অনুচ্ছেদ ৩৫১ এই বিলাকত ৰাজ্যভাষা কি হ'ব লাগে, কেন্দ্ৰীয় চৰকাৰ ভাষা কি হ'ব লাগে এইখিনিয়ে আছে আৰু অনুচ্ছেদ ৩৫০ (১) কৈছে যে যি সকল মাইনোৰিটি তেওঁলোকো মাতৃভাষা কোৱাৰ সুযোগ দিব লাগে । এই গোটেই খিনি কথা অসমৰ যি ত্ৰি-ভাষিক ফৰ্মুলা চলি আছে তাত ধুনীয়াকৈ আছে । কিন্তু ২০২০ চনত অসম চৰকাৰে এই অসমীয়া ভাষা আইন আনিছে আৰু যাৰ মাধ্যমত কৈছিল যে অসমত কাম কৰিবলৈ

হ'লে অসমীয়া ভাষা শিকিব লাগিব । নহ'লে বিষয়া সকলোৱে ফাইলৰ ন'ট বিলাক কেনেকৈ কৰিব আৰু তেওঁলোকে সকলো খিনি কৰিব লাগিব কিন্তু সদৌ অসম ছাত্ৰ সন্থাৰ লগত হোৱা আলোচনা হৈছিল যে অসমত থকা সকলো স্কুল, ৰাজ্য বা ব্যক্তিগত বিদ্যালয় হওঁক অসমীয়া জানিব লাগিব আৰু ছিক্স ডিডিউল এৰিয়াৰ ক্ষেত্ৰত তেওঁলোকেৰ মাতৃভাষাটো চলিব । কিন্তু মই এতিয়া দেখা পাইছো যে অষ্টম মান শ্ৰেণীলৈকেহে ৰখা হৈছে । অষ্টম মান শ্ৰেণীলৈকেহে বিভিন্ন স্কুলত অসমীয়া ভাষাটো নিশ্চিত কৰা হৈছে । যি নহওঁক মহোদয়, পুৰ্বৰ মুখ্যমন্ত্ৰী আৰু বৰ্তমানৰ মুখ্যমন্ত্ৰী মহোদয়ে ২০২০ চনত ২৫ জানুৱাৰীত কৈছিল যে অসমত অসমীয়াৰ জ্ঞান বাধ্যতামূলক কৰা হ'ব চাকৰিৰ বাবে আৰু বিটিআৰ ত মই কোৱাৰ নিচিনা তেওঁলোকৰ নিজৰ নিজৰ ভাষা প্ৰচলিত হ'ব । কিন্তু ২০২১ চনত বৰ্তমানৰ মুখ্যমন্ত্ৰীয়ে কেবিনেটত সিদ্ধান্ত লৈ অসমীয়াৰ যি এ পি এচ চি ৰ অসমীয়া পেপাৰখন বাতিল কৰিলে । ৰাইজৰ প্ৰতিবাদ সত্য । এতিয়া মহোদয়, কথাটো হ'ল যে শেহতীয়াকৈ মহাৰাষ্ট্ৰ চৰকাৰে এটা নচি জাৰি কৰিলে যোৱা জানুৱাৰী মাহত যাৰ মধ্যমত মাৰাঠি ভাষাটো মহাৰাষ্ট্ৰৰ সকলো চৰকাৰী কাম-কাজ ত চলাব বুলি তেওঁলোলে ঘোষণা কৰিলে । তেওঁলোকৰ মাৰাঠি ডেজিগনেটেত অফিচিয়েল লেঙ্গুৱেগ ১৯৬০ আইন অনুসৰি আৰু তাত তেওঁলোকেও ধ্ৰুপদী ভাষা সংজ্ঞা পাইছিল ২০২৪চনত, আমি যেনেকৈ পালো । যাৰ বাবে আমাৰ প্ৰথম দিনাখনে আমাৰ যি সকলে কাম কৰিলে ভাৰত চৰকাৰ বা অসম চৰকাৰৰ সকলোকে অভিনন্দন জনালো আৰু তামিলনাডুত চৰকাৰী কাম-কাজৰ বাবে দশম শ্ৰেণীলৈকে তথা চৰকাৰী চাকৰি পাবলগীয়া হ'লে তামিল ভাষা জনাটো বাধ্যতামূলক কৰিলে । মহোদয় কৰ্ণাটকাতো তেনেকৈ কানাড়া ভাষা বাধ্যতামূলক কৰিলে আৰু তাৰে যিকোনো অফিচ বা বিজ্ঞাপনত আশী শতাংস দিয়া হ'ব। বিভিন্ন ৰাজ্যত তেনেকুৱা কথা আছে। মহোদয় এতিয়া কথাটো হ'ল যে মহাৰাষ্ট্ৰ ই যেনেকৈ ব্যৱস্থা কৰিছে আমি ধ্ৰুপদী ভাষাটো ভাষা হ'লেও পালি প্ৰাকৃতিক বিলাক নাইকিয়া হৈ গৈছে। অসমৰ বিভিন্ন আঠ হাজাৰ খন ৰাজহুৱা বিদ্যালয় বন্ধ হৈছে। মানে ড্ৰপ আউটৰ সংখ্যা অসমত বেছি । চৰকাৰী বিদ্যালয় সমূহত বিভিন্ন স্বাৰ্থত শিক্ষক দিব পৰা নাই । এই বিলাকত নিশ্চয় অসমীয়া ভাষা প্ৰচলনৰ সংৰক্ষনত প্ৰভাৱ পেলাব । গতিকে মহোদয় মই অসম চৰকাৰক আজি কেইটামান প্ৰস্তাৱ আগবঢ়াব বিচাৰো। গুৰুজনাৰ সৃষ্টিৰাজিকে ধৰি অসমীয়া ভাষাত সৃষ্টি হোৱা কালজয়ী সাহিত্যৰাজি ইংৰাজীৰ উপৰিও বিভিন্ন ভাৰতীয় ভাষাত অনুবাদৰ বাবে বিশেষ ব্যৱস্থা ল'ব লাগে আৰু এই অনুবাদৰ ওপৰত এটা ৰাষ্ট্ৰীয় পৰ্য্যায়ৰ বঁটাও ঘোষণা কৰিব লাগে আৰু অসমৰ বিভিন্ন চৰকাৰী website ত unicode যিটো unicode Rhode Island University ৰ প্ৰফেচাৰ দিলীপ দত্ত আৰু অন্য সকলে প্ৰথম অসমীয়াত কিতাপ লিখিছিল। স্বীকৃতি হোৱাৰ পিছত যিহেতু আমাৰ website সমূহ কিন্তু বহুখিনি এতিয়াও ইংৰাজীত আছে যাৰ ফলত সাধাৰণ ৰাইজে যিসকলে ইংৰাজী ভালকৈ নাজানে তেওঁলোকে চৰকাৰী যোগাযোগ কৰিব লাগে যিটো আজিকালি computer ৰ যোগেদি হয় আৰু paperless সেইখিনি হয় তেওঁলোকৰ ওচৰ চপাত অসুবিধা হয়। সেই গতিকে মহোদয়, অসমীয়া ভাষাৰ অৱস্থাটো যাতে ত্ৰিপুৰাৰ নিচিনা নহয়, তাৰবাবে আমাৰ সমাজৰ দায়িত্ব আছে, চৰকাৰৰ দায়িত্ব আছে। আমাৰ ৬০ চনৰ যি ৰাজ্যভাষা আইন সেইখিনি সংশোধন কৰি বা যিখিনি থাকিব লাগে মহাৰাষ্ট্ৰৰ নিচিনাকৈ যিকোনো ভাষাত কোৱাৰ অভিযোগ, আবেদন, যোগাযোগৰ উত্তৰ, ৰাজ্যিক সচিবালয়, বিভাগীয় মুৰব্বীৰ কাৰ্য্যালয়ৰ পৰা ব্ৰহ্মপুত্ৰ উপত্যকাত অসমীয়াত, বৰাক, বি.টি আৰ স্বায়িত্ব শাসিত অঞ্চলত ইংৰাজী ভাষাত, ৰাজ্যিক সচিবালয়ৰ বিভাগীয় মুৰব্বীৰ কাৰ্য্যালয়ৰ note, order, notification অসমীয়াত

কৰিব লাগে, প্ৰশাসনিক কাৰণত প্ৰয়োজন হ'লে ইংৰাজীও ব্যৱহাৰ কৰিব পাৰে, ৰাজ্যিক সচিবালয়ৰ বিভাগীয় মুৰব্বী ব্ৰহ্মপুত্ৰৰ জিলাসমূহৰ কাৰ্য্যালয়ৰ সকলো যোগাযোগ অসমীয়াত হ'ব লাগে। অনুৰূপ ধৰণেৰে জিলাৰ পৰা প্ৰায় নিম্ন পৰ্য্যায়ৰ communication খিনি স্থানীয় ভাষাত, BTR, Sixth Schedule Area অথবা বৰাকভেলী তাৰ local language ত হ'ব লাগে আৰু ৰাজ্য চৰকাৰে জাৰি কৰা বিজ্ঞপ্তি সকলোখিনি ৰাজপত্ৰত ইংৰাজীৰ লগত অসমীয়াত হ'ব লাগে। বিজ্ঞাপন বিলাক বা কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগখিনিও অসমীয়া ভাষাত হ'ব লাগে আৰু যিসকলে এইবিলাক নকৰে তেওঁ সেই বিষয়াসকলৰ ওপৰত অনুশাসনমূলক ব্যৱস্থা ল'ব লাগে। এনে বিভিন্ন ধৰণৰ যদি কাম কৰা হয়, তেতিয়াহ'লে অসমত চৰকাৰী ভাষা আইন সঠিকভাৱে প্ৰযোজ্য হ'ব আৰু এইখিনি কামৰ বাবে চৰকাৰৰ দৃষ্টি আকৰ্ষণ আপোনাৰ যোগেদি কৰিছো। ধন্যবাদ।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। মাননীয় মন্ত্ৰী।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, (সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, অসমৰ মাননীয় মুখ্যমন্ত্ৰীৰ হৈ আমাৰ সন্মানীয় Leader of the Opposition শ্ৰীদেৱব্ৰত শইকীয়া ডাঙৰীয়াই যিটো বিষয় সদনত উত্থাপন কৰিছে, তাৰ উত্তৰত ৰাজ্য চৰকাৰৰ তৰফৰ পৰা মুখ্যমন্ত্ৰীৰ ডাঙৰীয়াৰ হৈ এই বক্তব্যখিনি ৰখা হৈছে। অসমৰ চৰকাৰী ভাষা আইন ১৯৬০ আৰু অসম চৰকাৰৰ নিয়মাৱলী ১৯৭০ ত বিধান অনুযায়ী অসমীয়া ভাষা সমগ্ৰ ৰাজ্যতে অসমৰ চৰকাৰী ভাষা হৈছে প্ৰচলিত হৈ আছে। বৰাক উপত্যকাত ষষ্ঠ অনুসূচীৰ অন্তৰ্গত পাৰ্বত্য জিলা সমূহ আৰু বড়োলেণ্ড teritorial স্বায়িত্ব শাসিত অঞ্চলত স্থানীয় ভাষা ব্যৱহাৰৰ বাবে আইনখনত উল্লেখ কৰা আছে। এই সন্দৰ্ভত জাৰি কৰা জাননী নম্বৰ TNC 0/65/172 dtd. 24-06-1966 আৰু আদেশ নম্বৰ GLA 132/2020/12 dtd. 31-01-2021ৰ প্ৰতিলিপি ইয়াৰ লগত সংলগ্ন কৰি বিধান সভাৰ মজিয়াত ৰখা হৈছে। ইয়াৰ উপৰিও মনিপুৰী ভাষাটো কাছাৰ, কৰিমগঞ্জ, হাইলাকান্দি আৰু হোজাই জিলাত সহযোগী চৰকাৰী ভাষা হিচাপে ব্যৱহাৰ কৰাৰ বাবে অসম বিধান সভাই ইতিমধ্যে অনুমোদন দিছে। মাননীয় ৰাজ্যপাল মহোদয়ক অনুমোদনৰ বাবে প্ৰেৰণ কৰা হৈছে। ইতিমধ্যে কাৰ্য্যালয়ত official hand book চুক্তিৰ নিয়মাৱলী Release Notes 1934 অসম বিত্তীয় নিয়মাৱলী Assam Financial Rules সচিবালয়ৰ কাৰ্য্যালয়ত ব্যৱস্থাৰ পুস্তক 1968, Manual of Assam Office Procedure, Secretariate,1968 প্ৰশাসনীয় পৰিভাষা। গতিকে বিভাগীয় অভিযোগ আমাৰ manual of departmental proceedings অসম কাৰ্য্যবাহী কাৰ্য্যক্ৰমনিকা নিয়মাৱলী অসম ভূমি আৰু ৰাজহ অধিনিয়ম Land and Revenue Regulation Act, 1886, আৰু অসম ভূমি ৰাজহ পুস্তিকা, অসম ভূমি ৰাজহ নিয়মৰ অধীনত নিয়মাৱলী Rules under the Land Revenue Regulation আদি অসমীয়ালৈ অনুবাদ কৰি প্ৰকাশ কৰা হৈছে। লগতে এখন দ্বিভাষিক অসমীয়া ইংৰাজী চলন্ত বিধান প্ৰকাশ কৰা হৈছে। তদুপৰি চৰকাৰী কাৰ্য্যালয়ত চৰকাৰী ভাষা কাৰ্য্যকৰী কৰিবলৈ সৰল সময় বিজ্ঞপ্তি প্ৰকাশ কৰা হয়। এই সন্দৰ্ভত অসম চুক্তিৰ ৬ নং দফা ৰূপায়ণৰ বাবে গঠিত উচ্চ স্তৰীয় সমিতি ন্যায়াধীশ বিপ্লৱ কুমাৰ শৰ্মা সমিতিৰ পৰামৰ্শসমূহ অসম চৰকাৰে ভাষা আইন ১৯৬০ লগত সংগতি ৰাখি এই চৰকাৰী কাৰ্য্যালয়ত অসমীয়া ভাষাৰ ব্যৱহাৰৰ অধিক গতিশীল কৰাৰ বাবে শীঘ্ৰে ব্যৱস্থা গ্ৰহণ কৰা হ'ব। ধন্যবাদ।

**মাননীয় অধ্যক্ষ** ঃ ২ মিনিট সময় ক'ব।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, (উত্তৰ কৰিমগঞ্জ) ঃ** কাঠিগড়া সমষ্টিৰ কাতিয়াল, গণপতি, বিহাড়া,

সুবর্ণপুর ইত্যাদি গ্রামের কয়েক দশক ধরে বসবাসকারী তপসিল সম্প্রদায়ের মানুষ জমির পাট্টা এখন পর্যন্ত পায় নাই এই বিষয়টি সদনে উত্থাপন করার সুযোগ দেওয়ার জন্য মাননীয় অধ্যক্ষ মহোদয়কে ধন্যবাদ জ্ঞাপণ করছি। ১৯৫০ RR department কাছাড়ে D.C. অফিস খোলা হয়েছিল এবং বিশেষ করে RR department থেকে অনেককেই Refugee স্লিপ দেওয়া হয়েছিল। কিন্তু পরবর্তী সময়ে অনেককেই পাট্টা দেওয়া হল, কিন্তু এই গ্রামগুলোতে যারা আছেন তারা বেশীরভাগই তপসিল সম্প্রদায়ের মানুষ। কিছু সংখ্যক মানুষকে পাট্টা দেওয়া হল বাকী কিছু সংখ্যককে পাট্টা দেওয়া হয় নাই। ১৯৫০ সালে স্বাধীনতার পর Partition যখন হল আর রিফিউজিরা যখন এখানে আসলেন তখন বিশেষ করে এই গ্রামগুলোতে পাট্টা না দিয়ে RR villege করে দেওয়া হল। আমি মাননীয় মন্ত্রী মহোদয়ের কাছে জানকে চাই এই যে RR villege গ্রাম করা হল সেটাতে সরকারের কোন Instruction ছিলনা সেখানে ডি.সি. অফিস থেকে RR করে দেওয়া হল তার জন্য কি হল এই যে তপসিল সম্প্রদায়ের মানুষকে D.C. অফিস থেকে পাট্টা দিতে পারছেনা। মন্ত্রী মহোদয়ের কাছে অনুরোধ এই RR শব্দটা উঠিয়ে দেওয়া হোক এবং ইতিমধ্যে মাননীয় মুখ্যমন্ত্রী মহোদয় একটা Recommandation দিয়েছিলেন সেইমতে survey কাজও চলছে। ২৮ তারিখে ডি.সি. অফিস থেকে সেই Recommandation এর কাগজও গিয়েছিল ১৩ তারিখে সার্কেল অফিসার থেকে সেটার সার্ভের কাজ চলছে। আমার মাননীয় মন্ত্রী মহোদয়ের কাছে দাবী এই তপসিল সম্প্রদায়ের মানুষ যাতে পাট্টা পায়। অনেক সময় আমরা দেখতে পাই অনেকেই জমি দখল করছে কিন্তু তপসিল সম্প্রদায়ের মানুষ যুগ-যুগান্তর থেকে এখানে আছে ওদেরকে পাট্টা দেওয়া হচ্ছে না। Refugee RR এই terms উঠানো হোক আর এই মানুষদেরকে যাতে আমরা পাট্টা দিতে পারি। আমি বিশ্বাস করি বর্তমান এই সরকারের সময় এই মানুষগুলোকে পাট্টা দেওয়া সম্ভব হবে। সেটাই আজ কামনা করছি। ধন্যবাদ।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। মাননীয় মন্ত্ৰী। শ্ৰী কেশৱ মহন্ত।

**শ্ৰী কেশৱ মহন্ত, মাননীয় মন্ত্ৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, ইয়াত আমাৰ সন্মানীয় সদস্য শ্ৰী কমলাক্ষ্য দে পুৰকায়স্থ ডাঙৰীয়াই যিটো বিষয় উত্থাপন কৰিছে সেই বিষয়টো অসমৰ কোনো ঠাইত নাই। কেৱল তেখেতৰ কাছাৰ জিলাৰ কাৰণে এই বিষয়টো সৃষ্টি হৈছিল আৰু এই বিষয়টো এতিয়া সমাধান হোৱা নাই যদিও সমাধানৰ পথত আমি আগবাঢ়িব বিচাৰিছো। বিষয়টো হৈছে ১৯৫০ চনৰ যেতিয়া ইষ্ট পাকিস্থান আৰু এতিয়াৰ বাংলাদেশ ইয়াৰ যেতিয়া বিভাজন হৈছিল, বিভাজন হোৱা সময়ত তাৰপৰা অহা যিবিলাক বিশেষকৈ শৰণাৰ্থী হিন্দু লোক আৰু তেওঁলোকক তাত আশ্ৰয় দিয়া হৈছিল। মাননীয় অধ্যক্ষ মহোদয়, ৫০-৬০ হাজাৰ লোকক তাত আশ্ৰয় দিয়া হৈছিল আৰু আশ্ৰয় দিয়াৰ পিছত তেওঁলোকক ক'ত আশ্ৰয় দিব তাৰ কাৰণে জিলা ভিত্তিত এটা মাটিৰ Classification কৰিলে বা Class এটা Create কৰিলে, সেইটো হৈছে-RR Khas (Refugee Requisition Khas) । এই যিটো মাটিৰ শ্ৰেণী তাত সংযোজন হ'ল, কেনেকুৱা মাটিৰ ৰাজহ আইন বা তেনেকুৱা একো ক'তো উল্লেখ নাই। এইটো অকল কাছাৰ জিলাৰ বিশেষকৈ কাটিগড়া ৰাজহ চাৰ্কুলৰ কেইখনমান গাওঁৰ বিষয়। তাত ৰেভিনিউ গাওঁ বুলি ক'লে চণ্ডীনগৰ, কিন্তু ভিতৰত গাওঁ হ'লে সুবুধ নগৰ, নৰপতি এইকেইখন গাওঁ আছে আৰু কাটিৰাইল চাহবাগিছা আছে, কাটিৰাইল গাওঁ আছে, দীননাথপুৰ বাগিছা এইটো বিহৰা এলেকাৰ ভিতৰত আৰু এইখিনি ঠাইতে এই মানুহখিনি আছে। অধ্যক্ষ মহোদয়, এই বিষয়টো কোনো

অসুবিধাজনক নহ'লহেঁতেন। বিষয়টো হৈছে যে তেখেতসকলক তেতিয়াই মাটিৰ এলোটমেণ্ট দিয়া হ'ল, এলোটমেণ্ট দিয়াৰ পিছত সেই মানুহবিলাকৰ যিসকলে এলোটমেণ্ট পালে তেওঁলোকে মাটিবিলাক বেলেগক Possession দিলে। কাৰণ এইখিনিৰ ৰেজিষ্ট্ৰেশ্যন নহয় আৰু বিক্ৰী কৰিব নোৱাৰে। তেওঁলোকে কেঁচা দলিল নিজৰ ভিতৰত বনাই চৰকাৰৰ অনুমতি নোহোৱাকৈ বিক্ৰী কৰিছে। এনেদৰে বিক্ৰী কৰি তেওঁলোকে অসমৰ বিভিন্ন ঠাইলৈ গুছি গ'ল। বেছিকৈ এনেকুৱাধৰণৰ হোজাই, ধিং আদিত বিচাৰিলে পোৱা যায়। তাত আমি তেওঁলোকৰ ৰিফিউজি চাৰ্টিফিকেট বিচাৰিলে তেওঁলোকৰ ৰিফিউজি চাৰ্টিফিকেট কাছাৰৰ পোৱা যায়। এতিয়া তাৰে ৪ শ ৪০ টা পৰিয়ালৰ ভিতৰত ৩৫ জনৰ এলোটমেণ্ট চাৰ্টিফিকেট আৰু Possession তেওঁলোকৰ আছে। সেয়েহে আমি এই ৩৫ জনক মাটিৰ পট্টা দিলো আৰু ৪০৫ জনৰ যিহেতু কোনো Possession নাই বাবে তেওঁলোকক পট্টা দিয়া নহ'ল। যিসকল মানুহৰ Possession আছে, তেওঁলোকৰ কাৰণে মাটিৰ পট্টা দিব লাগে বুলি দাবী কৰা হৈছে। গতিকে মাটিৰ পট্টা দিবলৈ নিশ্চয় অসুবিধা নহ'ব। কিন্তু ইয়াৰ যিটো আইনগত ব্যৱস্থা, সেই ব্যৱস্থাটোত তেওঁলোক পৰা নাই। হয়তো এইখিনি মাটি চৰকাৰী কৰিব লাগিব, কৰাৰ পিছত তেওঁলোকক আকৌ পট্টা দিয়াৰ নিয়ম আনিব লাগিব। যিয়েই নহওঁক মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ পৰামৰ্শমতে আমি তাত ডিটেইল চাৰ্ভে কৰাইছো আৰু ডিটেইল চাৰ্ভে কৰাৰ পিছত আমি এই ক্ষেত্ৰত আইনগত সমস্যাটো অকনমান দূৰ কৰি ল'ব লাগিব। আইনগত সমস্যাটো দূৰ কৰাৰ পিছত চাৰ্ভে ৰিপোৰ্টটো চাই এই বিষয়ত সিদ্ধান্ত ল'বলৈ সুবিধা হ'ব। গতিকে অধ্যক্ষ মহোদয়, আজি এই যি বিষয় উত্থাপন কৰিলে এই ক্ষেত্ৰত থকা বক্তব্যটো দাঙি ধৰিলো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ।

**শ্ৰী জাকিৰ হুছেইন, (সৰুক্ষেত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, যোৱাকালি আপুনি মোক সুযোগ দিছিল শূন্যকালীন ঘণ্টা আৰু ৩০১ ৰ।

**মাননীয় অধ্যক্ষ ঃ** কালি নহয়। এইটো আজি নোটিচত নাই।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ, (সৰুক্ষেত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, কালি মই নতুনকৈ দিছিলো। কিন্তু আজি মাননীয় সদস্য কমলাক্ষ্য দে ডাঙৰীয়াক দুয়োটাতে সুযোগ দিলে, আমাক নিদিলে।

**শ্ৰী কমলাক্ষ্য দে পুৰকায়স্থ, (উত্তৰ কৰিমগঞ্জ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, যোৱাবাৰ একেলগে দুবাৰকৈ সুযোগ পাইছিলে আৰু তেতিয়া আমি একো আপত্তি কৰা নাছিলো।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ, (সৰুক্ষেত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ লগত কথা পতা নাই, মই মাননীয় অধ্যক্ষৰ লগত কথা পাতিছো।

(সদনত হুলস্থুলীয়া পৰিৱেশৰ সৃষ্টি হয়।)

**মাননীয় অধ্যক্ষ ঃ** আমি এতিয়া ৰাজ্যপালৰ ভাষণৰ ওপৰত ধন্যবাদ সূচক প্ৰস্তাৱৰ ওপৰত Continue কৰিম। এতিয়া মাননীয় সদস্য শ্ৰী তৰঙ্গ গগৈ ডাঙৰীয়াক ৫ মিনিট সময় দিয়া হৈছে।

**শ্ৰী তৰঙ্গ গগৈ, (নাহৰকটীয়া) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় ৰাজ্যপাল শ্ৰী লক্ষ্মণ প্ৰসাদ আচাৰ্য্যৰ ভাষণৰ ওপৰত মোক ক'বলৈ সুযোগ দিয়াৰ বাবে মই ধন্যবাদ জনাই তথা মাননীয় অধ্যক্ষ মহোদয় আপোনাকো মই ধন্যবাদ জনাও। কাৰণ আপুনি সেই সুবিধা কৰি দিলে যে আমি এইবাৰ ১২৬ গৰাকী বিধায়ক কোকৰাঝাৰলৈ গৈ বিশেষ এই মুহূৰ্ত্তৰ আমি সাক্ষী হ'ব পাৰিলো। মোৰ এতিয়াও মনত আছে যে ২০১৬ চনত যেতিয়া আমি কোকৰাঝাৰলৈ গৈছিলো তাত এটা বিশেষ পৰিৱেশ আছিল। সেই সময়ত সন্ত্ৰাসবাদী হওঁক বা গুলী বৰ্ষণ কৰি কিছুলোকক হত্যা কৰা হৈছিল আৰু সেই সময়ৰ মন্ত্ৰী ডাঙৰীয়াৰ লগত কোকৰাঝাৰত যাওঁতে তাৰ পৰিৱেশটো বেলেগ

আছিল। আমি যেতিয়া Hotspot লৈ যাওঁ সকলোতে তেজ বিয়পি থকা দেখিছিলো। কিন্তু আজি ১৭-০২-২০২৫ চনত যি ঐতিহাসিক দিনৰ আমি সাক্ষী হ'লো, মই ভাৱো সেই মহামান্য ৰাজ্যপাল মহোদয়ৰ ভাষণৰ বিশেষ গুৰুত্ব আছে। এই ভাষণটো নৰ্মেল নহয় কাৰণ এই ভাষণটো গুৱাহাটীত নহয় কোকৰাঝাৰত হৈছিল। সেই বাবে মই আপোনাক ধন্যবাদ জনাও তথা অসমৰ মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ এটা খুব ডাঙৰ পদক্ষেপ। কেতিয়াওঁ কোনেও ভৱা নাছিল যে অসমৰ এখন দ্বিতীয় ৰাজধানী হ'ব পাৰে আৰু জনসাধাৰণৰ কাষত প্ৰশাসন। অকল ঘোষণাই নহয়, ডিব্ৰুগড়ত অসমৰ দ্বিতীয় ৰাজধানী প্ৰতিষ্ঠা কৰা কাম আৰম্ভ হ'ল। মহামান্য ৰাজ্যপাল মহোদয়ৰ ভাষণত তাৰ বিষয়ে বিৱৰণ দিয়া হৈছিল যে কি ধৰণে আগন্তুক সময়ত গোটেই বছৰৰ যি আমাৰ বিধান সভাৰ অধিৱেশন হয়, এতিয়া এটা অধিৱেশন ডিব্ৰুগড়ত অনুষ্ঠিত কৰা হ'ব। তাৰ বাবে এটা স্থায়ী ভৱন নিৰ্মাণ কৰা হ'ব। বিধায়ক সকলৰ আৱাস ব্যৱস্থা কৰা হ'ব। মন্ত্ৰীসকলৰ কাৰ্য্যালয়ৰ ব্যৱস্থা কৰা হ'ব। মই ভাৱো যে আজি যি ধৰণে কোকৰাঝাৰত অধিৱেশন অনুষ্ঠিত কৰা হ'ল আৰু যিধৰণে চ্যুকাফা ডাঙৰীয়াই বৰ অসম গঢ় দিছিল আমাৰ গোটেই অসমখন একত্ৰীতভাৱে চলাবলৈ যি পৰিকল্পনা কৰা হৈছিল ঠিক তেনেদৰে মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই গোটেই অসমখনৰ সৰ্বাঙ্গীন উন্নিত কৰিবৰ কাৰণে কাম কৰি আছে। তাৰ এটা উদাহৰণ হ'ল যে-ডিব্ৰুগড় এতিয়া ৰাজধানী। মই ডিব্ৰুগড় জিলাৰ এজন বিধায়ক। আমাৰ গুৱাহাটীলৈ আহিবলৈ কিমান কষ্ট হয়। যেতিয়া মন্ত্ৰীসকলৰ আৱাস হ'ব, মন্ত্ৰীসকলৰ কাৰ্য্যালয় হ'ব মই ভাৱো আমাৰ মানুহখিনিৰ বহুত সুবিধা হ'ব। যিটো এডভাণ্টেজ আসাম হ'বলৈ গৈ আছে, তাত বহু ব্যৱসায়ী আৰু ইণ্ডাষ্ট্ৰীৰ মানুহ আহে। সকলোৱে বিচাৰে যে নিজৰ অফিচ ৰাজধানীত স্থাপন হওঁক। সকলোৱে ৰাজধানীক কেন্দ্ৰ কৰি অহাৰ বাবে আজি গুৱাহাটীখনৰ উন্নয়ন হৈছে। গুৱাহাটীৰ পিছত ডিব্ৰুগড়ৰ উন্নয়ন হ'বলৈ গৈ আছে। এই বিশেষ গুৰুত্বপূৰ্ণ কামটো মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই কৰি দেখুৱালে। তাৰ লগতে উল্লেখ কৰা হৈছে যে আমাৰ এইবাৰ ৩৯ খন কো-ডিষ্ট্ৰিক নিৰ্মাণ হ'ল। তাৰে নাহৰকটীয়া সমষ্টিটো প্ৰায় ১৯৭০ চনৰ পৰা মহকুমা বিচাৰি থকা হৈছিল আৰু মহকুমা নাপাই আমি কো-ডিষ্ট্ৰিক পালো। এটা সৰু উদাহৰণ দিছো যে বহুত দিন হাজিৰ কাম কৰা মহিলা আৰু পুৰুষ লগ পাওঁ, যিজনে ৰেচন কাৰ্ডৰ পৰা নামটো কাটাব বা উঠাব লাগে নাইবা কিবা চহী লাগে আৰু সেই কামটো কৰিবৰ কাৰণে তেখেতসকলে নাহৰকটীয়াৰ নামৰূপৰ ছাচনিৰ পৰা ডিব্ৰুগড়লৈ প্ৰায় ৬০ কিলোমিটাৰ অতিক্ৰম কৰি আহিবলগীয়া হয়। তেনেকৈ অহা-যোৱা কৰোতে প্ৰায় গোটেই দিনটো যায়। কেনেবাকৈ যদি বিধায়ক জন কিবা চৰকাৰী কামত বেলেগ সমষ্টিলৈ যাবলগীয়া হয় বা অফিচত যদি নাথাকে তেনেহ'লে কামটো নহয়গৈ আৰু কামটো নোহোৱাৰ পিচত কেনেবাকৈ বাছত ঘূৰি অহাৰ সময়ত যদি বাছখন মিছ কৰি দিয়ে, তেনেহ'লে তেওঁলোকৰ থকাৰ ঠিকনা নাথাকে। কিন্তু আজি এই কো-ডিষ্ট্ৰিক গঠন কৰাৰ ফলত supply, excise, bihu-mela ৰ permission আদি সকলোবিলাক কাম এতিয়া কো-ডিষ্ট্ৰিকতে হৈ পৰে। আমাৰ মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা মহোদয়ৰ দূৰদৰ্শী চিন্তাৰ বাবে এইখিনি সম্ভৱ হৈছে। মহামান্য ৰাজ্যপাল মহোদয়ৰ ভাষণত উল্লেখ আছে যে ডিব্ৰুগড় ৰাজধানীত কো-ডিষ্ট্ৰিক হোৱাৰ বাবে অসমৰ বাবে এটা ভাল পদক্ষেপ হ'ল। তেখেতৰ ভাষণত দেখা পালো যে নতুনকৈ ভাৰত চৰকাৰৰ বাজেটত ঘোষণা হোৱা নামৰূপ সাৰ কাৰখানা। মাননীয় অধ্যক্ষ মহোদয়, নামৰূপ বুলি ক'লে সকলোৱে কয় 'সাৰ নগৰী নামৰূপ'। নামৰূপৰ এটা টাইটল থাকে যে 'সাৰ নগৰী নামৰূপ'। অসমত ২ লাখ মেট্ৰিকটন ইউৰিয়া প্ৰডাকশ্যন কৰা লৈ গোটেই নামৰূপখন সাৰনগৰী বুলি খুব এটা

ধুনীয়া পৰিৱেশ আছিল। ২০০৬ চনৰ পৰা মানুহবিলাক এটা হতাশা বা আশাত জীয়াই আছিল যে সাৰকাৰখানা বন্ধ হ'বলৈ গৈ আছে, সাৰকাৰখানাৰ উৎপাদন কমি গৈছে, ইয়াত কি হ'ব? মই ধন্যবাদ জনাম যে অসম চৰকাৰে মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ ৪০ শতাংশ শ্বেয়াৰ লম বুলি কৈ সাৰকাৰখানা পুনৰ্জ্জীৱিত কৰিলে আৰু ভাৰত চৰকাৰে এই বাজেটত যি আমাৰ চাবচিডি প্ৰায় ১২ শতাংশ মেট্ৰিকটন বুলি ঘোষণা কৰিলে। সাৰ নগৰী নামৰূপৰ ৰাস্তাটোৰ ইপাৰ-সিপাৰে প্ৰাক্তন বিধায়িকা ডাঙৰীয়ানীৰ ঘৰ। যেতিয়া সাৰ নগৰীৰৰ মানুহে বিধায়িকা ডাঙৰীয়ানীৰ ঘৰলৈ যায় আৰু সোধে যে সাৰ নগৰী বা সাৰকাৰখানটো কি হ'ব? তেতিয়া তেওঁলোকে কয় যে এইটো ভাৰত চৰকাৰৰ প্ৰতিষ্ঠান। আমি একো ক'ব নোৱাৰো। কাৰণ আমাৰ লগত অসম চৰকাৰৰ ৰোল নাই বুলি দায়সৰা মন্তব্য আগবঢ়াই আঁতৰি দিছিল। কিন্তু আজি সেই অসম চৰকাৰে ৪০ শতাংশ শ্বেয়াৰ ল'লে। গতিকে আজি যদি অসম চৰকাৰে এইখিনি কাম কৰিব পাৰিলে, সেই সময়ৰ অসম চৰকাৰে কিয় নোৱাৰিলে? আজি সেই একেটা নামৰূপ ২ লাখৰ পৰা ১২ লাখ হ'ল। মই ভাৰো এই চৰকাৰে যি ধৰণে কাম কৰিছে ইণ্ডাষ্ট্ৰী হওঁক, প্ৰশাসন ব্যৱস্থা হওঁক সকলো কাম কৰি গৈ আছে আৰু আগন্তুক সময়ত যি বিকশিত অসম গঢ় দিয়াৰ বাবে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই চিন্তা কৰিছে আমি অতি সোনকালে দেখা পাম। মই এটা কথা ক'ব বিচাৰো যে মই এজন যুৱক আৰু আমি খেলত জড়িত হৈ থাকো। এই যে খেল মহাৰণ অনুষ্ঠিত কৰা হ'ল এইবাৰ প্ৰায় ২৮৪৫ গৰাকী খন পঞ্চায়তত প্ৰায় ৩১গৰাকী যুৱকে খেল মহাৰণ অৰ্গেনাইজ কৰিছে আৰু তাত পাৰ্টীচিপেট কৰিছে। শেষত মোক বেছি সময় দিয়া নাই। মই এটা কথা ক'ব বিচাৰিছো যে খেল মহাৰণৰ লগতে অসম চৰকাৰে ৪১ খন মিনিষ্ট্ৰিয়েল নিৰ্মাণ কৰিছে আৰু এইকেইখন নিৰ্মাণ হৈ উঠিলে আমাৰ অসমৰ খেলৰ যি পৰিৱেশ, উন্নতি বাঢ়ি যাব আৰু তাৰ লগতে মই মুখ্যমন্ত্ৰী মহোদয়ক ধন্যবাদ জনাওঁ। অসম বুলি ক'লে অসমৰ হকীত আন্তঃগাঁথনিৰ অভাৱত খুব এটা ভাল নাম নাছিল। বৰ্তমান হকীৰ আন্তঃগাঁথনিৰ কথা যদি কয় কোকৰাঝাৰত এখন গ্ৰাউণ্ড আছে, এল এন এপিত আছে আৰু গুৱাহাটীত আছে। উজনি অসমৰ নাহৰকটীয়াত প্ৰথম হকী ষ্টেডিয়াম হ'বলৈ গৈ আছে আৰু এই কথাষাৰ ৰাজ্যপাল মহোদয়ৰ ভাষণত উল্লেখ আছে। মই মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াক ধন্যবাদ জনাওঁ যে ১৫ কোটি টকা খৰচ কৰি উজনি অসমৰ ষ্টেডিয়ামটো নাহৰকটীয়াই পাবলৈ গৈ আছে ইয়াৰ টেণ্ডাৰো উলিয়াইছে। এই ধৰণৰ পদক্ষেপ যি গ্ৰহণ কৰা হ'ল অসমৰ ডিব্ৰুগড়, কোকৰাঝাৰ সকলোকে লৈ যেতিয়া আমাৰ কাম-কাজ কৰো তেতিয়া আমাৰ অসমখন আগুৱাই যাবলৈ কোনেও ৰখাব নোৱাৰে। ইয়াৰ লগতে আমি এখন সুন্দৰ অসম পাই উঠো। মোক ক'বলৈ এই সুবিধাখিনি দিয়াৰ বাবে অধ্যক্ষ মহোদয় মই আপোনাক ধন্যবাদ জনাই মোৰ বক্তব্য সামৰিছো।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। শ্ৰী মনোৰঞ্জন তালুকদাৰ।

**শ্ৰী মনোৰঞ্জন তালুকদাৰ, (সৰভোগ)ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি ৰাজ্যপালৰ ভাষণত অসমৰ এখন rosy picture তুলি ধৰিবলৈ চেষ্টা কৰা দেখা পাইছো। কিন্তু মই এই rosy picture টো নিশ্চিতভাৱে দেখা নাই আৰু তাৰ বাবে কিছুমান কথা জনাৰো প্ৰয়োজন আছে। মই জানিব বিচাৰিছো যে Advantage Assam 2.0 ত বিষয়বোৰৰ যি ধৰণে এটা উজ্জ্বল চিত্ৰ অনা হ'ল সেই ধৰণে Advantage Assam-I ত কিমান নতুন বিনিয়োগ হ'ল, নতুন উদ্যোগ স্থাপন হ'ল, তাৰ কোনো খবৰ তাত নাই। আমি বৰ ধুমধামেৰে Advantage Assam-I কৰিছিলো, কিন্তু তাৰ কোনো উল্লেখ তাত নাই। যিটো মূল উদ্বেগৰ বিষয়, সেইটো চৰকাৰে ৰাজ্যপালৰ ভাষণত

এৰাই গৈছে। আমাৰ ৰাজ্যখনত প্ৰায় ২ লাখতকৈ বেছি সৰু মজলীয়া উদ্যোগ বন্ধ হৈ গৈছে। ই বৰ উদ্বিগ্নতাৰ বিষয়। ভাৰত চৰকাৰৰ মজলীয়া, ক্ষুদ্ৰ আৰু লঘু উদ্যোগ মন্ত্ৰালয়ৰ প্ৰতিবেদন মৰ্মে ২০০৯ ত অসমত MSME ৰ সংখ্যা আছিল ১২ লাখ ১৪ হাজাৰ। কিন্তু, ভাৰত চৰকাৰৰ Udyam Portal ৰ শেহতীয়া তথ্যমতে ১,০৩,০১৮ টা আছে। তাৰ মানে ২,১০,১৮২ টা ক্ষুদ্ৰ উদ্যোগ আমাৰ ৰাজ্যখনত বন্ধ হৈ গৈছে। এনেকুৱা উদ্যোগ বন্ধ হৈ যোৱাৰ পিছতো Advantage Assam ৰ ইমান rosy picture এখন দাঙি ধৰা হৈছে। এই উদ্যোগবোৰ বন্ধ হৈ যোৱাৰ পিছত প্ৰায় ৩ লক্ষৰো অধিক মানুহে কৰ্ম সংস্থাপন হেৰুৱালে। MSME মন্ত্ৰালয়ৰ বাৰ্ষিক প্ৰতিবেদনৰ তথ্যমতে আমাৰ ৰাজ্যখনৰ GDP ৰ ৩৪.৫৪% MSMEৰ পৰা আহে। এনেকুৱা অৱস্থাৰ মাজত মই rosy picture টো বিচাৰি পোৱা নাই। সন্মানীয় সদস্য তৰংগ গগৈয়ে কোৱা দৰে নামৰূপৰ সাৰ কাৰখানাত ১২ লক্ষ টনতকৈ বেছি সাৰ উৎপাদন হয়। স্বাধীনতাৰ পিছত বহুত বাজেট প্ৰস্তাৱ কেন্দ্ৰীয় চৰকাৰে লৈছে। কিন্তু, সেইবোৰ বাস্তৱায়িত হোৱা নাই। যেতিয়া বাস্তৱায়িত হ'ব তেতিয়া মই নিশ্চিতভাৱে তৰংগ গগৈক ধন্যবাদ জনাম। কিন্তু মই আশা কৰা নাই। এনেকুৱা বহু প্ৰস্তাৱ পৰি আছে, কোনো বাস্তৱায়িত নহ'ল। আমাৰ ৰাজ্যখনত সদ্যহতে বিদ্যুতৰ চাহিদা হৈছে ২৮০৯ মেগাৱাট। কিন্তু আমাৰ সংস্থাপিত ক্ষমতা হৈছে মাত্ৰ ৪০৬.৩৫ মেগাৱাট। দৈনিক উৎপাদন হয় ২৭০.৪৩ মেগাৱাট। আমি ইমান কম উৎপাদন কৰি আছো কাৰণে APDCL য়ে যোৱা বছৰ দীৰ্ঘম্যাদী চুক্তিৰ যোগে ১৭০০ মেগাৱাট লাভ কৰিছিল। কিন্তু ৰাজ্যখনৰ চিৰস্থায়ী বিদ্যুতৰ অভাৱ আমি দেখি আছো। যদি উদ্যোগ কৰিব লগীয়া হয় তেন্তে বিদ্যুৎ অতি জৰুৰী উপাদান। বিদ্যুৎ নহ'লে আমি কৰিব নোৱাৰো। সৰ্ব ভাৰতীয় জনমুৰি বিদ্যুতৰ ব্যৱহাৰৰ ক্ষেত্ৰতো আমাৰ ৰাজ্যখন বহুত পিছ পৰি আছো। অসমত আমি জনমুৰি ৩৪৬ কিলোৱাট ব্যৱহাৰ কৰো কিন্তু ভাৰতৰ হাৰ হ'ল ১৩৯৫মেগাৱাট। এনে ক্ষেত্ৰত এই গোটেই বিষয়বোৰ এৰাই গৈ rosy picture দিয়াৰ যি চেষ্টা কৰিছে তাত মই একমত হ'ব নোৱাৰো। জনসংখ্যাৰ ৭৫% লোক প্ৰত্যক্ষ বা পৰোক্ষভাৱে কৃষিৰ লগত জড়িত। কৰ্ম সংস্থাপনৰো প্ৰায় ৫৩% কৃষি আৰু তাৰ allied sector বোৰৰ পৰা আহে। ৰাজ্যখনত GSDP ত কৃষিৰ যি অৰিহণা সেই অৰিহণা ক্ৰমাগতভাৱে কমি গৈ আছে। তাৰ মানে কৃষি ক্ষেত্ৰখন এটা বিধ্বস্ত ৰূপলৈ গৈ আছে। কৃষি ক্ষেত্ৰখনত সংকটৰ সৃষ্টি হৈছে। ২০১১-১২ চনত GSDP ৰ অংশ আছিল ১৯.৮৯ % কিন্তু ২০১৯-২০ত সেইটো নামি ১৭.০৮% লৈ আহিল আৰু ২০২৪-২৫ ত ই ১৬% হৈছে। অৰ্থাৎ কৃষি GSDP ৰ অংশ কমি গৈছে। জলসিঞ্চনৰ ক্ষেত্ৰতো সেই একেই ব্যৱস্থাটো হৈছে। আমি কৃষিযোগ্য মাটিক সম্পূৰ্ণ জলসিঞ্চনৰ আওঁতালৈ অনাৰ বাবে দাবী কৰি আছিলো। কিন্তু ২০২০-২১ বৰ্ষৰ তথ্য মতে আমি এতিয়ালৈকে মাত্ৰ ৫.১২ % জলসিঞ্চনৰ ব্যৱস্থা পাইছো। ই ক্ৰমাগত ভাৱে হ্ৰাস পাই ২০২২-২৩ ত ২.৩৬% হৈছে। এইটো এটা খুব উদ্বেগৰ বিষয়। এই বিষয়ে যোৱা বছৰৰ বাজেট অধিৱেশনত চৰকাৰে ঘোষণা কৰিছিল যে এইটো বৰ্ষত জলসিঞ্চনৰ কাৰণে বাজেট ৰাখিব। জলসিঞ্চনৰ ব্যৱস্থাটো কৰিব। কিন্তু তথ্যই কৈছে যে কৃষিত জলসিঞ্চনটো ২.৩৬% লৈ আহিছে। এইটো সাংঘাটিক কথা। অসমত প্ৰতি হেক্টৰত আমি ৬৭.৫১ কেজি সাৰৰ ব্যৱহাৰ কৰোঁ আৰু সৰ্বভাৰতীয় ক্ষেত্ৰত কৰা হয় ২২০৯.৩ %। আমাৰ ৰাজ্যখনত সাৰৰ ব্যৱহাৰ ইমান কম হৈ আছে, জলসিঞ্চনৰ ব্যৱস্থা নাই। কৃষিযোগ্য মাটিত জলসিঞ্চন নাথাকিলে আমাৰ কৃষি উৎপাদন নাবাঢ়ে। তাৰ ফলত কৃষকে উৎপাদিত ফচলৰ দাম নাপায়। ২০২৩-২৪ বৰ্ষত আমি লক্ষ্য স্থিৰ কৰিছিলো ১০ লাখ মেট্ৰিকটন ধান সংগ্ৰহ কৰিম। কিন্তু মাত্ৰ ৫৩.৯%হে ধান সংগ্ৰহ কৰিবলৈ সক্ষম হৈছো। অসম চৰকাৰে ঠিক

কৰি দিয়া MSP কোনো পধ্যেই গ্ৰহণযোগ্য হোৱা নাই আৰু সেইমতে কৃষকে ধানৰ দামটো পোৱা নাই। ফচল বীমাৰ ক্ষেত্ৰত আৰু ভয়ংকৰ দুৰ্নীতি হৈছে। তেওঁলোকে কৃষকক মাধমাৰ শোধাইছে। ২০২২ চনত ২৯৫৫ কোটি টকা কোম্পানীবিলাকে কৃষকৰ পৰা কৃষিৰ প্ৰিমিয়াম সংগ্ৰহ কৰিছিল। ২০২৩ চনত ২৬৫৩ কোটি টকা সংগ্ৰহ কৰিছিল। কিন্তু কৃষকৰ দাবী অনুযায়ী কোম্পানীবিলাকে ২০২২ চনত মাত্ৰ ১৮.৯৫ কোটি টকা আৰু ২০২৩ চনত ৩২.৫৬ কোটি টকা আদায় দিছে । তাৰ ফলত কোম্পানীবিলাকে সাংঘাটিক লাভ কৰিছে। কিন্তু কৃষকৰ লাভ হোৱা নাই, বৰঞ্চ ক্ষতিগ্ৰস্ত হৈ আছে। এনেকুৱা অৰস্থাৰ মাজত আমি ইয়াত Semi Conductor কৰিম, কিমান নিয়োগ হ'ব, অমুক হ'ব তমুক হ'ব, তাৰ হিচাপ দেখাবলৈ চৰকাৰে চেষ্টা কৰিছে। কিন্তু **২ লাখ** MSME যেতিয়া বন্ধ হৈ গৈছে, ৩ লাখতকৈ বেছি মানুহে কৰ্ম সংস্থাপন হেৰুৱাইছে। এনেকুৱা অৰস্থাত আমি কেনেকৈ নিবনুৱা সমস্যাক address কৰিম মই বুজি পোৱা নাই। বাস্তৱ চিত্ৰটো তেনেকুৱা নহয়। কাৰণ ১২ হাজাৰ পদৰ বাবে বিজ্ঞাপন দিয়া হৈছিল তেতিয়া ৩২ লক্ষ পঞ্জীয়নভুক্ত কৰ্মহীন যুৱকে তাত আবেদন কৰা দেখা পাইছিলো। এতিয়া বেচৰকাৰী হিচাপ মতে প্ৰায় ৩৬ লক্ষ কৰ্মহীন যুৱক পঞ্জীয়নভুক্ত হৈ আছে। ৭ লক্ষ যুৱক এতিয়া বাহিৰত গৈ কাম কৰি আছে। এনে এটা ভয়ংকৰ অৱস্থা য'ত আমাৰ নিবনুৱাৰ হাৰ হৈছে ৮.৪% । এই হাৰটো যদি আমি কমাব নোৱাৰো তেতিয়া হ'লে আমাৰ ৰাজ্যখন কেনেকৈ উন্নতিৰ পথলৈকে যাব। বিজেপি চৰকাৰৰ প্ৰায় ৮ টা বছৰ পাৰ হ'ল। কিন্তু বিগত ৮ বছৰত এই সমস্যাবিলাক বৃদ্ধি হৈছে, কমা নাই। আমি জাগীৰোডৰ কাগজ কল আৰু কাছাৰ কাগজ-কল বন্ধ কৰি হাজাৰ হাজাৰ মানুহৰ কৰ্ম সংস্থাপন নোহোৱা কৰি দিলো, সেইটো অকল Semi Conductor ৰ কথা কৈ ৰাজ্যখনৰ উদ্যোগীকৰণৰ বিষয়টো ......... **Interrruptions**........সেইকাৰণে, ৰূপক শৰ্মাই ৰাজ্যপালৰ ভাষণৰ যি সমৰ্থন প্ৰস্তাৱ কৰিছিল তাৰ মই তীব্ৰ বিৰোধিতা কৰিছো আৰু এই বিলাক বিষয়ত আজি চৰকাৰে তেওঁলোকৰ নিজৰ position টো স্পষ্ট কৰাটো প্ৰয়োজন বুলি অনুভৱ কৰো।

**মাননীয় উপাধ্যক্ষঃ** ধন্যবাদ। এতিয়া পৃথিৰাজ ৰাভা।

**শ্ৰী পৃথ্বিৰাজ ৰাভা, (তেজপুৰ)ঃ** সন্মানীয় উপাধ্যক্ষ মহোদয়, যোৱা ১৭ তাৰিখে অসমৰ কাৰণে এটা বিশেষ দিন আছিল। পোন প্ৰথমবাৰৰ বাবে ৰাজধানী চহৰ বাদ দি, ৰাজধানীত থকা বিধান সভা বাদ দি অন্য এঠাইত আমি বিধান সভা পাতিবলৈ সক্ষম হৈছিলো। বিধান সভাৰ প্ৰথম দিনাখন অসমৰ মহামহিম ৰাজ্যপালে উদ্বোধনী বক্তব্য ৰাখিছিল। সেই বক্তব্যতে আলোচনা হৈছিল যে ৰাজধানীৰ পৰা বেলেগ ঠাইলৈ গৈ, যিখন ঠাইত এসময়ত মানুহে যাবলৈ ভয় খাইছিল, এসময়ত ইমান শান্তিপ্ৰিয় হৈ থকা সেই ঠাইখন পিছত অশান্তি হ'ল, অশান্তি হোৱাৰ পিছত আকৌ শান্তি ঘূৰি আহিলে আৰু শান্তি ঘূৰি অহাৰ পিছত কোকৰাঝাৰৰ BTR বিধানসভা কক্ষত আমি মিলিত হৈছিলো। তাৰ কাৰণে মই মাননীয় অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়া আৰু মাননীয় অধ্যক্ষ শ্ৰী বিশ্বজিৎ দৈমাৰী ডাঙৰীয়া, উপাধ্যক্ষ ডাঃ নোমল ম'মিন ডাঙৰীয়ালৈ মোৰ আন্তৰিক অভিনন্দন আৰু শুভেচ্ছা জ্ঞাপন কৰিছো আৰু লগতে শুভেচ্ছা জ্ঞাপন কৰিছো সেইসকল লোকক যিসকল লোকে এটা সময়ত সেইবোৰ ঠাইত বাহিৰৰ মানুহখিনিক আপোন কৰি ল'ব পৰা নাছিল আৰু সেইদিনাখন যেতিয়া আমি বিধায়ক সকলে বাছত উঠি যাত্ৰা কৰিছিলো তেতিয়া আমি বহু দূৰৰ পৰা দেখিছিলো বড়ো জনগোষ্ঠীৰ লোক, কোচ জনগোষ্ঠীৰ লোক, আদিবাসী জনগোষ্ঠীৰ লোক, বিভন্ন জনগোষ্ঠীৰ লোকে আমাক বাটত পতাকা দেখুৱাই , হাত বাউলী দি আমাক বিদায় দিছিল। এয়া হ'ল পৰিৱৰ্তনৰ প্ৰথম খোজ আৰু এই পৰিৱৰ্তনৰ খোজ আগবঢ়াইছে কোনে, এইখন

চৰকাৰে। মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ নেতৃত্বত যিবোৰ কাম-কাজ চলি আছে, চৰকাৰৰ দ্বাৰা তাকেই প্ৰতিফলিত হৈছে, ৰাজ্যপাল মহোদয়ৰ ভাষণত। ৰাজ্যপাল মহোদয়ৰ ভাষণত যিবোৰ কথা কৈছে তাৰ যদি মই taxt and figure ক'বলৈ যাওঁ তেতিয়া ঘন্টাৰ পিছত ঘন্টা কৈ থাকিলেও শেষ নহ'ব। গতিকে মই সকলো সামৰি এটা কথাই ক'বলৈ বিচাৰিছো যে শিক্ষা খণ্ডই হওঁক বা স্বাস্থ্য খণ্ডই হওঁক বিভিন্ন খণ্ডত নহওঁক কিয় এইখন চৰকাৰে যিটো প্ৰগতি লাভ কৰিছে, উন্নতি লাভ কৰিছে ইয়াৰ আগতে এনে উন্নতি অসমৰ মানুহে দেখা নাছিল। অসমৰ যুৱক-যুৱতী, ছাত্ৰ-ছাত্ৰী লৈ এইখন চৰকাৰে এনে কিছুমান কাম কৰি দেখুৱাইছে যিবোৰ কামে আমাৰ ভৱিষ্যতৰ ছাত্ৰ-ছাত্ৰী, ল'ৰা-ছোৱালী এসময়ত নাগৰিক হ'ব। সেই নাগৰিক সকলক অধিক শক্তিশালী, ক্ষমতাশালী, জ্ঞান-গভীৰ কথা শিকাবৰ বাবে ব্যৱস্থা কৰিছে। তাৰে এটা হৈছে খেল-মহাৰণ। ইয়াৰ জৰিয়তে গাওঁৰ ছাত্ৰ-ছাত্ৰী সকলে, ল'ৰা-ছোৱালীয়ে বিভিন্ন খেলত অংশগ্ৰহণ কৰি সুনাম অৰ্জন কৰিবলৈ সক্ষম হৈছে। সেই খেল-মহাৰণ এইকাৰণে পতা হৈছে যে অসমৰ বিভিন্ন ঠাইত ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ নেতৃত্বত ষ্টেডিয়াম নিৰ্মাণ কৰা হৈছে। গাৱে-ভূঞে খেল-পথাৰ নিৰ্মাণ কৰা হৈছে, যাতে এইবিলাক ল'ৰা-ছোৱালীৰ দ্বাৰা ব্যৱহাৰ কৰা হয়। ইয়াৰ দ্বাৰা ল'ৰা-ছোৱালীবোৰে যাতে ক্ৰিয়াৰ ক্ষেত্ৰত অসমলৈ সুনাম কঢ়িয়াই আনিব পাৰে। তাৰ বাবে এই ব্যৱস্থা কৰা হৈছে। ঠিক তাৰ লগে লগে সাংস্কৃতিক মহাসংগ্ৰামৰ জৰিয়তে আমাৰ বিভিন্ন গান-নাচ কৰা গীত গোৱা বিভিন্ন সাংস্কৃতিক দিশত কাম কৰি থকা ল'ৰা-ছোৱালী, ছাত্ৰ-ছাত্ৰী আছে, তেখেতসকলে যেতিয়া সুনাগৰিক হ'ব, তেতিয়া যাতে তেওঁলোক এজন এজন সুগায়ক, সুঅভিনেতা আৰু সুনৃত্যবিদ হৈ ওলাই আহি অসমলৈ সুনাম কঢ়িয়াই আনিব পাৰিব। যোৱা বছৰ আপোনালোকে যেনেকৈ বিহুক লৈ সৰুসজাইত এটা ডাঙৰ অনুষ্ঠান দেখা পাইছিল য'ত মাননীয় প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়াই উপস্থিত হৈছিল। এইবাৰ আদিবাসী সম্প্ৰদায়ৰ ঝুমুৰ নৃত্যৰ দ্বাৰা এটি অনুষ্ঠান আয়োজন কৰা হৈছে অহা ২৪ ফেব্ৰুৱাৰী ২০২৫ তাৰিখে য'ত পুনৰবাৰ ভাৰতৰ মাননীয় প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়াই উপস্থিত হ'ব আৰু আমাক উদগণি যোগাব। অকল অসমতে নহয়, ভাৰতবৰ্ষতে নহয় সমগ্ৰ পৃথিৱীত ঝুমুৰ নৃত্যৰ যোগেদি আমি যে আনন্দিত হ'ব পাৰো আমাক উদগণি যোগাব পাৰে, সেয়া প্ৰদৰ্শন কৰা হ'ব। মিছন বসুন্ধৰা-১ গ'ল, বসুন্ধৰা-২ গ'ল আৰু এতিয়া বসুন্ধৰা-৩ চলি আছে। এই বসুন্ধৰা-৩ ৰ দ্বাৰা অসমৰ যিবোৰ ভূমিত মানুহে বসবাস কৰি আছে যাৰ আৱন্টন নাছিল, যিবোৰ ভূমিৰ নিষ্পত্তি হোৱা নাছিল, বিবাদ চলি আছিল, এই সকলোবোৰ সামৰি এই বসুন্ধৰা-৩ য়ে আগন্তুক দিনত অসমৰ গাওঁ, চহৰ, নগৰত বসবাস কৰি থকা লোকক ভূমি আৱন্টন দিয়াৰ ক্ষেত্ৰত যথেষ্ট ভূমিকা পালন কৰি আহিছে আৰু পালন কৰি যাব। আশা ৰাখিছো মুখ্যমন্ত্ৰী মহোদয়ৰ নেতৃত্বত এই ৰাজহ বিভাগে অসমৰ সকলো ঠাইত সকলো অঞ্চলৰ এই ভূমিৰ নিষ্পত্তি হ'ব বুলি ধাৰণা কৰিছো আৰু এইটো সম্ভৱত হৈ উঠিব। যেনেকৈ উদ্যোগিক ক্ষেত্ৰত আপোনালোকে জানে যে জাগীৰোডত ডাঙৰ এটা industry Tata Company কৰিব গৈ আছে, যাৰ দ্বাৰা কেইবা হাজাৰ আমাৰ অসমীয়া যুৱক-যুৱতীয়ে চাকৰিত নিযুক্তি পাব আৰু চাকৰিত নিযুক্তি পোৱাৰ লগে লগে নিৱনুৱা সমস্যা সমাধানৰ ক্ষেত্ৰত অলপ হ'লেও সকাহ পোৱা যাব। মই বিধানসভাৰ সমিতিৰ পৰা নামৰূপ সাৰ কাৰখানাতগৈছিলো, ২-৩ বছৰ আগত নামৰূপ সাৰ কাৰখানা দেখিলো, নামৰূপ সাৰ কাৰখানা দেখিলে দুখ লাগিছিল, ভগা-ছিঙা ঘৰবোৰ, যিটো কাৰ্য্যালয় আছিল সেইটোৰো অৱস্থা বেয়া। এতিয়া নামৰূপ সাৰ কাৰখানাক পুনৰ উৎজীৱিত কৰা হৈছে। নামৰূপ সাৰ কাৰখানাত উৎপাদিত সাৰেৰে সমগ্ৰ অসমত নহয়, সমগ্ৰ

ভাৰতবৰ্ষত, ইয়াৰ সাৰ আমদানি-ৰপ্তানি হ'বৰ বাবে ব্যৱস্থা কৰি থকা হৈছে। তাৰোপৰি অসমৰ বিভিন্ন ঠাইত সৰু-বৰ, চহৰীয়া-নগৰীয়া, ক্ষুদ্ৰ-মজলীয়া যিবোৰ আমাৰ industry বা factory আছে, বা কাৰখানা আছে, এইবোৰক উদগণি যোগাবৰ বাবে বিভিন্ন কাৰ্য্যপন্থাৰ ব্যৱস্থা কৰা হৈছে, যাৰ দ্বাৰা আজিৰ দিনত আমি দেখিছো যে অসমৰ বিভিন্ন ঠাইত বিভিন্ন কাৰখানাৰ যোগেদি বিভিন্ন সামগ্ৰী উৎপাদন হৈ আছে। বিভিন্ন সামগ্ৰী উৎপাদন হৈ ই অসমৰ বাহিৰত বিক্ৰী হৈ আছে আৰু অসমলৈ ধন আহি আছে। এনেদৰে কাম কৰি যাওঁতে আমি অৰুণোদয়ৰ কথা ক'ব লাগিব। অৰুণোদয় তৃতীয়ত, অসমৰ যিবিলাক দৰিদ্ৰ মহিলা আছে, যিবোৰ দৰিদ্ৰ মহিলাৰ এটা সময়ত চলিবৰ বাবে হাতত ধন নাছিল। মই জানো ১২৫০ টকা অধিক ধন নহয়। ১২৫০ টকাৰ দ্বাৰা খোৱা-লোৱা কৰি আনন্দত জীয়াই থাকিব নোৱাৰে। কিন্তু দৰিদ্ৰ পৰিয়ালৰ এগৰাকী মহিলাই ১২৫০ টকা পালে অন্ততঃ মনত আনন্দ পাব, গেছৰ ছিলিণ্ডাৰটো আনিব পাৰিব, লগা হ'লে এটা ফল-মূল খাব পাৰিব, প্ৰয়োজন হ'লে কেতিয়াবা বেমাৰ-আজাৰ হ'লে এটা ঔষধ কিনি আনিবৰ বাবে এই সুবিধা কৰি দিয়া হৈছে। বেমাৰী মানুহক টকা দি সহায় কৰা হৈছে। মোৰ সমষ্টিত প্ৰায় ২ কৌটিতকৈ বেছি টকা দিয়াহৈছে বেমাৰী সকলক সহায় কৰিবলৈ। কেন্সাৰ বেমাৰী, দূৰাৰোগ্য বেমাৰী বা সাধাৰণ বেমাৰী এই সকলোকে ধন দিয়াৰ ব্যৱস্থা কৰা হৈছে। প্ৰতিটো সমষ্টিত ধন আৱন্টন দিয়া হৈছে কেইবা লাখ টকা। সেই টকাৰে আমি নিজৰ নিজৰ সমষ্টিত ৰোগী সকলক ধন দি আছো। ঠিক তেনেকৈ গোটেই কাম কৰিবলৈ যাওঁতে অকল গুৱাহাটীক কেন্দ্ৰ কৰি সকলো কাম কৰাটো সম্ভৱ নহয়, যাৰ কাৰণে অসমৰ মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই ডিব্ৰুগড়ক আন এখন অসমৰ  কেন্দ্ৰবিন্দু হিচাপে স্থাপন কৰিবলৈ গৈ আছে, য'ত ডিব্ৰুগড়ৰ পৰাই ৯ খন জিলাত বিভিন্ন ধৰণৰ সুবিধাবোৰ দিবৰ কাৰণে সক্ষম হ'ব। এই ৯ খন জিলাৰ লোকে ডিব্ৰুগড়লৈ গৈ অসমৰ যিবোৰ আঁচনি, যিবোৰ প্ৰশাসনীয় ব্যৱস্থা, অসমৰ যিকোনো চৰকাৰী নিয়ম-নীতিৰ যিখিন কাম-কাজ কৰিব লাগে সদূৰ গুৱাহাটীলৈ নোযোৱাকৈ সমাধান কৰিব পৰা যাব। আনকি শিলচৰতো এই ব্যৱস্থা আৰম্ভ কৰিছে। শিলচৰকো পুনৰোজ্বিৱীত কৰিব। শিলচৰ, হাইলাকান্দি, শ্ৰীভুমিৰ মানুহে যাতে গুৱাহাটীলৈ ঢাপলি মেলি আহিব নালাগে, তাৰ সমস্যা বিলাক শিলচৰতে কেনেকৈ সমাধান কৰিব পৰা যাব, তাৰ বাবে ব্যৱস্থা কৰিবলৈ আগবাঢ়ি আহিছে। মই স্বাস্থ্য খণ্ডৰ কথা ক'ব খুজিছো। আমি প্ৰতিখন বিধানসভাৰ সভাত কৈ আহিছো যে আমি মেডিকেল কলেজ কেইখন আছে, সমগ্ৰ উজনি অসমৰ মানুহে ডিব্ৰুগড় মেডিকেল কলেজত গৈ দূৰাৰোগ্য ৰোগৰ চিকিৎসা কৰিবলগীয়া হৈছে। সমগ্ৰ নামনি অসমৰ মানুহে একেবাৰে ধুবুৰীলৈকে গুৱাহাটী মেডিকেল কলেজত আহি চিকিৎসা কৰিবলগীয়া হৈছে। সেইফালে ডিমা হাছাওৰ পৰা আৰম্ভ কৰি একেবৰে শ্ৰীভূমিলৈকে হাইলাকান্দি এই গোটেইখিনি মানুহে শিলচৰ মেডিকেল কলেজত চিকিৎসা কৰিবলগীয়া হৈছে। এতিয়া মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই অসমৰ প্ৰতিখন জিলাত একো-একোখনকৈ চিকিৎসা মহাবিদ্যালয় স্থাপন কৰিবলৈ গৈ আছে। আমি আশা ৰাখিছো এই চিকিৎসা মহাবিদ্যালয় সমূহৰ দ্বাৰা ল'ৰা-ছোৱালীবোৰ চিকিৎসক হৈ ওলাই আহি আমাৰ প্ৰতি জনমূৰি মানুহৰ বিপৰীতে এজন এজন ভাল doctor ওলাব বুলি আশা ৰাখিছো আৰু আশা ৰাখিছো যে এই মুখ্যমন্ত্ৰীৰ যি বক্তব্য, ৰাজ্যপালৰ যি ভাষণ এই ভাষণ কিন্তু অকল ৰাজ্যপাল মহোদয়ৰ ভাষণ নহয়।  ৰাজ্যপাল মহোদয়ে তেখেতৰ ভাষণ প্ৰদান কৰিছে মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ নেতৃত্বত যিবোৰ উন্নয়ণমূলক কাম কাজ, এই কাম কাজেৰেই প্ৰতিফলন ঘটিছে মহামহিম ৰাজ্যপাল মহোদয়ৰ ভাষণত। মই আৰু দীঘলীয়া কৰিব খোজা নাই, মাননীয় ৰাজ্যপালৰ ভাষণৰ

সমৰ্থণত আমাৰ স্বতীৰ্থ বিধায়ক শ্ৰী ৰূপক শৰ্মা ডাঙৰীয়াই যি সমৰ্থণৰ প্ৰস্তাৰ আগবঢ়াইছে তাৰ সমৰ্থণ আগবঢ়াই মোৰ বক্তব্য ইমাণতে সামৰণি মাৰিছো। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া মাননীয় সদস্য শ্ৰী নৱ দলে।

**শ্ৰী নৱ দলে, (লখিমপুৰ) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, অসমৰ মহামহিম ৰাজ্যপাল শ্ৰীযুত লক্ষ্মন প্ৰসাদ আচাৰ্য্য দেৰৰ অসম বিধান সভা বাজেট অধিবেশন ২০২৫ ৰ প্ৰথম দিনা প্ৰদান কৰা ভাষণৰ ধন্যবাদসূচক প্ৰস্তাৱৰ সমৰ্থণত মই পবিত্ৰ সদনৰ মজিয়াত বক্তব্য দাঙি ধৰিব বিচাৰিছো। জয়জয়তে ইতিহাস সৃষ্টিৰে প্ৰথম বাৰলৈ ৰাজধানীৰ বাহিৰত কোকৰাঝাৰত অসম বিধান সভাৰ বাজেট অধিবেশন ২০২৫ ৰ প্ৰথমটো দিনৰ কাৰ্য্যসূচী অতি সফলতাৰে আয়োজন কৰাৰ বাবে মাননীয় অধ্যক্ষ মহোদয় আৰু মাননীয় মুখ্যমন্ত্ৰীৰ সৈতে অসম বিধান সবাৰ প্ৰত্যেক গৰাকী সদস্য লৈ আন্তৰিক কৃতজ্ঞতাৰে অভিনন্দন জ্ঞাপন কৰিছো। মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ নেতৃত্বত বৰ্তমান চৰকাৰ খনৰ কাৰ্য্যকালত অসমে বিকাশৰ নতুন শিখৰ স্পৰ্শ কৰিবলৈ সক্ষম হৈছে। শিক্ষা, স্বাস্থ্য, যাতায়ত, যোগাযোগ, উদ্যোগ, বাণিজ্য, নিয়োগ, সৃষ্টি, দীৰ্ঘদিনীয়া বানপানী আৰু খহনীয়া সমস্যা সমাধান আত্মনিৰ্ভৰশীলতাৰ পৰিৱেশ সৃষ্টি আদি সকলো ক্ষেত্ৰতে বৰ্তমানৰ চৰকাৰৰ কাৰ্য্যকালত হোৱা অভূতপূৰ্ব আজি অসমক দেশৰ শ্ৰেষ্ঠ ৰাজ্য শাৰীত স্থান দিয়াৰ সপোন বাস্তাৱায়িত কৰিবলৈ আগবাঢ়িছে। মহামহিম ৰাজ্যপাল মহোদয়ে আগবঢ়োৱা ভাষণত ৰাজ্যখনৰ অভূতপূৰ্ব বিকাশ আৰু এই বিকাশৰ পথ গ্ৰহণ কৰা দূৰদৰ্শী পদক্ষেপসমূহৰ ছবি স্পষ্টভাৱে প্ৰতিফলিত হৈছে। যাৰবাবে আমি মহামহিম ৰাজ্যপাল মহোদয়লৈ আন্তৰিক জ্ঞাপন কৰিছো লগতে অসমৰ উন্নয়ণৰ এই নতুন দিগন্ত সূচনা কৰাত সন্মুখৰ পৰা নেতৃত্ব কৰণেৰে নজিৰ সৃষ্টি কৰা আমাৰ সকলোৰে আদৰৰ মাননীয় মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়ালৈ আন্তৰিক কৃতজ্ঞতা আৰু অভিনন্দন জ্ঞাপন কৰিছো। মাননীয় অধ্যক্ষ মহোদয়, মহামহিম ৰাজ্যপাল মহোদয়ে তেখেতৰ ভাষণত উল্লেখ কৰাৰ দৰে জাগিৰোডত স্থাপন কৰিবলৈ আগবঢ়া Tata Semi Conductor প্ৰকল্পই আমাৰ ৰাজ্যখনলৈ এক বিশাল সম্ভাৱনাৰ দুৱাৰ মুকলি কৰিছে। অৰ্থ পৰিবাহী উদ্যোগৰ ক্ষেত্ৰত অসমে এই উৎসাহে উদৌগিক আৰু প্ৰযুক্তিৰ ক্ষেত্ৰত দেশৰ শ্ৰেষ্ঠ ৰাজ্যসমূহৰ সৈথে আমাৰ ৰাজ্যখনক একেশাৰীত স্থান লোৱাৰ বাবে সাজু কৰি তুলিব। উদৌগিক ক্ষেত্ৰত এক বিশাল বিনিয়োগৰ পৰিৱেশ সৃষ্টি কৰিব পৰাটো আমাৰ চৰকাৰৰ এক বৃহৎ সাফল্য। যি নেকি স্বাধীনোত্তৰ কালত বিৰল। ২৭,০০০ কোটি টকাৰ এই প্ৰকল্পই নিযোগ সৃষ্টিৰ ক্ষেত্ৰতো প্ৰচুৰ সম্ভাৱনা সৃষ্টি কৰিব। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ বলিষ্ঠ নেতৃত্বত প্ৰযুক্তি আৰু ঔদৌগিক বিকাশৰ এই গতিক স্বাৱলম্বী কৰি তোলাৰ উদ্দেশ্যে অহা ২৫ আৰু ২৬ ফেব্ৰুৱাৰীত গুৱাহাটীত অনুষ্ঠিত Advantage Assam টো ২.০ অহা ২৫ ফেব্ৰুৱাৰী মাননীয় প্ৰধানমন্ত্ৰী শ্ৰীযুত নৰেন্দ্ৰ মোদী ডাঙৰীয়াই শুভ উদ্বোধন কৰিবলগীয়া এই সন্মিলনে নিশ্চিতভাৱে অসমৰ বিনিয়োগত এক নতুন যুগৰ সৃষ্টি কৰিব। অৰ্থ পৰিবাহী, তথ্য প্ৰযুক্তি নৱীকৰণ যুক্ত, শক্তি উৎপাদন, পৰ্য্যটন আদি খণ্ডত নতুন বিনিয়োগৰ এক নতুন সুযোগৰ সৃষ্টিৰে আমাৰ ৰাজ্যখনক উদ্যোগিক ক্ষেত্ৰত এক নতুন শক্তিৰূপে প্ৰতিষ্ঠা কৰিব। উদ্যোগীকৰণৰ অৰ্থনৈতিক স্বাৱলম্বীতা আৰ্জণৰ ধাৰাটোক শক্তিশালী ৰূপত আগুৱাই নিয়াৰ বাবে বৰ্তমান ৰাজ্য চৰকাৰে গ্ৰহণ কৰি অহা বলিষ্ঠ পদক্ষেপ সমূহৰ অংশ হিচাপে দেশৰ ভিতৰতে প্ৰথম innovation incubation আৰু startup নামেৰে নতুন বিভাগ সৃষ্টিৰে যুগান্তকাৰী সিদ্ধান্ত হিচাপে বিবেচিত হৈছে। লগতে উদ্যোগীক বিকাশ তথা

আত্মনিৰ্ভৰ অসম গঢ়াৰ বাবে চৰকাৰে গ্ৰহণ কৰা আন আন গুৰুত্বপূৰ্ণ পদক্ষেপ সমূহৰ বিষয়ে আমাৰ মহামহিম ৰাজ্যপাল মহোদয়ে তেখেতৰ ভাষণত উল্লেখ কৰিছে। এই সকলোবোৰ পদক্ষেপেই অসমক প্ৰগতিৰ এক উদাহৰণ স্বৰূপে প্ৰতিষ্ঠা কৰিবলৈ আগবাঢ়িছে।

মাননীয় উপাধ্যক্ষ মহোদয়, প্ৰগতিৰ এক অন্যতম চৰ্ত হৈছে যাতায়ত আৰু যোগাযোগ ব্যৱস্থাৰ উন্নয়ণ। আমাৰ চৰকাৰে এই অভুতপূৰ্ব উন্নয়ণ সাধন কৰিবলৈ সক্ষম হৈছে। মাননীয় মুখ্যমন্ত্ৰীৰ পকীপথ নিৰ্মাণ আঁচনি, অসম মালা, PMGSY আঁচনিৰ জৰিয়তে যাতায়ত আৰু যোগাযোগ ব্যৱস্থাৰ জৰিয়তে ৰাজ্যখনৰ আমূল পৰিবৰ্তন সাধন হৈছে। এইদৰে স্বাস্থ্যখণ্ডত হোৱা বিৰল উন্নয়ণে স্বাস্থ্যসেৱাক আজি বিশাল পৰিসৰলৈ লৈ গৈছে। অতি গুৰুত্বপূৰ্ণ হিচাপে বিবেচিত এই বিষয় সমূহ মহামহিম ৰাজ্যপাল মহোদয়ে নিজৰ ভাষণত উল্লেখ কৰিছে। মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ বলিষ্ঠ নেতৃত্বত ৰাজ্যখনৰ সকলো শ্ৰেণীৰ জনসাধাৰণৰ বাবে মৰ্য্যাদাপূৰ্ণ জীৱনযাত্ৰাৰ পৰিৱেশ গঢ়ি তোলাৰ বাবে আমাৰ চৰকাৰ সফল হৈছে। অৰুণোদয়ৰ জৰিয়তে লাভ কৰা আৰ্থিক সকাহ, মিছন বসুন্ধৰাৰ জৰিয়তে ভূমিৰ অধিকাৰ, PMGAY ৰ ঘৰৰ গৃহ, মুখ্যমন্ত্ৰীৰ নিযুত কন্যা আঁচনিৰ জৰিয়তে বাল্যবিবাহ ৰোধ তথা কন্যা শিশুৰ ভৱিষ্যৎ সুৰক্ষিত কৰাৰ বাবে লোৱা পদক্ষেপ আদিয়ে সকলোৰে জীৱনলৈ নতুনত্ব কঢ়িয়াই আনিছে। সেইদৰে সমজিলা গঠণৰ ঐতিহাসিক পদক্ষেপে প্ৰশাসনিক সংস্কাৰৰ নতুন মাত্ৰা প্ৰদান কৰাৰ লগতে জনসাধাৰণক প্ৰশাসনৰ কাম-কাজত সুচল কৰি তুলিছে। মহামহিম ৰাজ্যপাল মহোদয়ৰ ৰাজ্যৰ উন্নয়ণী যাত্ৰা এই গুৰুত্বপূৰ্ণ বিষয় বিলাকৰ সমান্তৰালকৈ অসমক ঐতিহাসিক হিচাপে বিবেচিত প্ৰতি গৰাকী অসমীয়াকে গৌৰৱান্বিত কৰি তোলা খবৰ, অসমীয়া ভাষালৈ ধ্ৰুপদী ভাষাৰ স্বীকৃতি আৰু চৰাইদেউ মৈদামক UNESCO ৰ দ্বাৰা বিশ্ব ঐতিহ্য ক্ষেত্ৰ হিচাপে স্বীকৃতি প্ৰদানৰ বিষয় তেখেতৰ ভাষণত উল্লেখ কৰিছে। তেওঁ ৰাজ্যখনৰ সৰ্ব্ব সাধাৰণ জনতাৰ আশা-আকাংক্ষাক বাস্তাৱায়িত কৰাৰ নিমিত্তে বৰ্তমান চৰকাৰখনে চলাই যোৱা আন্তৰিক প্ৰয়াস উন্নয়ণৰ অবিৰত ধাৰা আৰু ভাষা সংস্কৃতিৰ পৰম্পৰা তথা ৰাইজৰ স্ব-ঐতিহ্য সুৰক্ষাৰ বাবে গ্ৰহণ কৰা সকলো দিশ সামৰি মহামহিম ৰাজ্যপাল মহোদয়ে এক সুন্দৰ ভাষণেৰে আমাক সকলোকে আপ্লুত কৰিছে আৰু এই সুন্দৰ ভাষণৰ বাবে আমি তেখেতলৈ কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰি মই মোৰ বক্তব্য সামৰিছো।

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া মাননীয় সদস্য ড° ৰফিকুল ইছলাম।

**ড° ৰফিকুল ইছলাম, (জনীয়া) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, ৰাজ্যপাল মহোদয়ৰ ভাষণত অসম চৰকাৰে হাতত লোৱা কিছুমান পৰিকল্পানৰ কথা আনিছে আৰু কৈ যোৱা কিছুমান কাম উল্লেখ কৰিছ। আমি লক্ষ্য কৰিছো যে কিছু গুৰুত্বপূৰ্ণ কাম যিবিলাক আছে বা কৰিবলগীয়া পৰিকল্পনা আছিলে এইখিনি কিন্তু আমি দেখা নাই ৰাজ্যপালৰ ভাষণত। তাৰে কিছু পৰামৰ্শ আমি আগবঢ়াম। মাননীয় উপাধ্যক্ষ মহোদয়, ৰাজ্যখন যদি আমাৰ অসম চৰকাৰৰ সোৱৰণ যে ৫ খন উন্নত ৰাজ্যৰ মাজত আমাৰ ৰাজ্যখন লৈ যাম। তাৰকাৰণে আমাৰ foundation strong হ'ব লাগিব আৰু অসম ৰাজ্যক যদি আমি ভাৰতবৰ্ষৰ ৫ খন ৰাজ্যৰ ভিতৰত লৈ যাব বিচাৰো তেতিয়াহ'লে শিক্ষা, স্বাস্থ্য, roads and communication এনেকুৱা ধৰণৰ গুৰুত্বপূৰ্ণ বিষয় বিলাকত আমি গুৰুত্ব দিব লাগিব। মাননীয় উপাধ্যক্ষ মহোদয়, যোৱা ৭ বছৰত ৮০০০ ত কৈ অধিক বিদ্যালয় আমি shut down কৰিলো এইখন ৰাজ্যত আৰু অধিক সংখ্যক primary আৰু upper primary বিদ্যালয় এই ৰাজ্যত ৮০০০ বিদ্যালয় বন্ধ হৈছে। ছাত্ৰ সকল ক'ত গৈছে গোটেইখিনি

প্ৰাইভেট বিদ্যালয়ত কিয় গৈছে, বন্ধ আমি কিয় কৰিছো, বোলে students নাই, students কেনেকৈ থাকিব। বিদ্যালয়ত আপোনাৰ যদি ৫৯ জন ছাত্ৰ-ছাত্ৰী এজনেই শিক্ষক আমি primary স্কুলত দিওঁ। শ্ৰেণী ৫ টা, এজন শিক্ষক যেতিয়া এটা শ্ৰেণীত যাব, ৪ টা শ্ৰেণীৰ লৰা-ছোৱালী খেলা ধূলা কৰে, সচেতন নাগৰিক নিজৰ লৰা ছোৱালীক খেলিব স্কুলত নপঠায়। এই কাৰণ বিলাকত অভিভাৱকবিলাকে হয়তো নিজৰ লৰা ছোৱলীৰ নপঠায় আৰু চৰকাৰে সুযোগ লৈ স্কুল বিলাকক বন্ধ কৰি যায়। যোৱা ৭ বছৰত ৮০৬৬ খন বিদ্যালয় আমি ৰাজ্যত বন্ধ কৰিলো। মাননীয় উপাধ্যক্ষ মহোদয়, আৰু প্ৰাইভেট বিদ্যালয়ত এই ছাত্ৰ বিলাক গৈছে তাতে ৫ টা শ্ৰেণীত ৮ জন শিক্ষক আছে। ৫০০০,৭০০০,১০০০০ টা মানুহ মিলি এই শিক্ষকক লৈ কাম কৰি আছে। তাতে কিন্তু আমাৰ লৰা ছোৱালী দি আছো। কিন্তু চৰকাৰে বহুত ভাল দৰমহা দি শিক্ষক নিযুক্তি দিয়াৰ পিছতো পৰ্য্যাপ্ত শিক্ষক নথকাৰ কাৰণে, ৫ টা শ্ৰেণীৰ বাবে এগৰাকী শিক্ষক দিয়াৰ বাবে এই wrong policy ৰ বাবে আমাৰ বিদ্যালয় বিলাক ৰসাতলে গৈ আছে। আমি বন্ধ কৰিব ধৰিছো। এনেকুৱা যদি হয় আৰু এটা সময়ত আৰু ৮ হাজাৰ স্কুল বন্ধ হ'ব। মানুহে নিজৰ ল'ৰা-ছোৱালীক প্ৰাইভেট বিদ্যালয়ত পঢ়াবলৈ যাব। কিন্তু দুখীয়া আৰু মধ্যবিত্ত শ্ৰেণীৰ মানুহে যদি নিজৰ ল'ৰা-ছোৱালীক পঢ়াব বিচাৰে এক ৰ পৰা আঢ়ৈ লাখলৈকে টকা তেখেত সকলে খৰছ কৰিব লাগিব। তেওঁলোকে এই পইচা ক'ত পাব। শিক্ষা বিভাগৰ আৰু এটা ভুল চাব যে ভেঞ্চাৰ স্কুল বিলাক আমি provincialisation আমি কৰিলো। ২০১৩ চনত যিখিনি বিদ্যালয় provincialisation কৰিলো তাত যি কনডিশ্যন আছিল, ২০২১ চনত আমি নতুন নতুন কনডিশ্যন লগালো। ২০১১ চনত provincialised হোৱা বিদ্যালয় সমূহত যি M.E school ৫,৭ গৰাকী শিক্ষক আছিল গোটেইখিনি ললো। ২০২১ চনত আহি তিনিজন ললো। আৰবী শিক্ষক, হিন্দী শিক্ষক, সংস্কৃত শিক্ষক আৰু অতিৰিক্ত শিক্ষক আমি বাদ দিলো। যিটো ২০১৩ চনত কৰা নাছিলো। আমি এইসকলৰ বাবে বৈষম্য কৰিলো। Sectional teacher খিনি আমি বাদ দিলো। ২০১১ চনত enrollment ৰ কোনো কনডিশ্যন নোহোৱাকৈ কলেজ ললো। ২০২১ চনত যেতিয়া আমি কলেজ সমূহ ললো তেতিয়া ১৫ জন student থাকিব লাগিব। এটা বিভাগত যদি ১৪ জন student আছে ২০ বছৰ চাকৰি কৰা এগৰাকী কলেজ শিক্ষকক ১৫ জনৰ ঠাইত ১৪ জন student থকাৰ বাবে সেই সম্পূৰ্ণ বিভাগটোক লোৱা নহ'ল, বিষয়টো লোৱা নহ'ল। চাৰিজনকৈ শিক্ষক বঞ্চিত হ'ল। এনেকৈ কলেজৰ শিক্ষক বিলাক বঞ্চিত হৈ আছে। হাই স্কুলৰ Additional teacher সকল বঞ্চিত হৈ আছে। এনেকুৱা ধৰণৰ Senior Madrassa খিনি provincialised কৰিম বুলি নকৰিলে। পিছত বিদ্যালয় কৰিলে। এই Senior Madrassa খিনি বঞ্চিত হৈ গ'ল। মাননীয় উপাধ্যক্ষ মহোদয়, এনেকুৱা হাজাৰ হাজাৰ শিক্ষক এনেকৈ বঞ্চিত হৈছে। এই সমস্যাটো আমি সমাধান কৰিব লাগে। যিখিনি provincialised কৰিলো টিউটৰ হিচাপে তেখেত সকলক সামান্য পইচা দি full fledged কৰা নাই। M.E school ৰ পৰা কলেজলৈকে যিবিলাক তৃতীয় আৰু চতুৰ্থ বৰ্গৰ কৰ্মচাৰী আছিল এইসকলৰ কোনো কনডিশ্যন নাই। B.Ed নাই, Net,Slet নাই। ২০১৩ চনত তেখেত সকলক full fledged হিচাপে লৈ ২০২১ চনত তেখেত সকলক সামান্য মাননি দি লৈ আছো। এই সমস্যাবিলাক সমাধান কৰি এইবাৰ আমাৰ পৰামৰ্শ হ'ল এক্টখন সংশোধন কৰি এই সকল যাতে বঞ্চিত নহয় তেনেধৰণৰ এখন এক্ট আনিব লাগে। তেতিয়াহে আমাৰ শিক্ষা বিভাগটো ভাল হ'ব। উচ্চ শিক্ষাৰ বাবে মাননীয় ৰাজ্যপাল মহোদয়ে কৈছে। আমি ভাল পাইছো। কিছু বিশ্ব বিদ্যালয় অসমত হৈছে আৰু হওঁক।

এখন এখন জিলাত দুখনকৈ হৈ আছে। এইটো ভাল কথা। কিন্তু বৰপেটা, গোৱালপাৰা, ধুবুৰী, মানকাছাৰ, দক্ষিণ শালমাৰা জিলাত আজিলৈকে কোনো বিশ্ব বিদ্যালয় নাই। গোৱালাপাৰাৰ পৰা আৰম্ভ কৰি ধুবুৰীলৈকে ২০০ কিলোমিটাৰ ঠাইত এখন বিশ্ববিদ্যালয় নাই। ৫০ লাখ জনসংখ্যাৰ মাজত কোনো এখন বিশ্ববিদ্যালয় নাই। কিহৰ বাবে মাননীয় উপাধ্যক্ষ মহোদয়? যদি আমাৰ ৰাজ্যখনক ৫ খন ৰাজ্যৰ মাজলৈ লৈ যাব বিচাৰে এটা চেকশ্যনক বাদ দি 1/3 population উপেক্ষা কৰি তেনেকুৱা মনোভাৱ লৈ কাম কৰিলে ৰাজ্যখনক আগুৱাই লৈ যাব নোৱাৰিম। গতিকে আপোনাৰ জৰিয়তে চৰকাৰলৈ অনুৰোধ থাকিল যে বৰপেটাত বিশ্ববিদ্যালয় ঘোষণা কৰক। মোৰ সমষ্টি জনিয়াত structure আছে। তাত MSDP ৰ পৰা ডাঙৰ বিল্ডিং বনাই থৈ দিছে। বিশ্ববিদ্যালয় তাত কৰিব পাৰে। তাত ২০০ বিঘা মাটি আছে। আমি এইখিনি provide কৰিম। গতিকে তাত বৰপেটা বিশ্ববিদ্যালয় গঢ়ি তোলক। ধুবুৰী, গোৱালপাৰা, কৰিমগঞ্জ, হাইলাকান্দি, মৰিগাওঁ আদি এই প্ৰত্যেক জিলাত বিশ্ববিদ্যালয় দিয়ক। এই জিলাবিলাক আজি deprive হৈ আছে। গতিকে শিক্ষাত যদি আমি গুৰুত্ব নিদিওঁ আৰু lacuna বিলাক যদি আমি ঠিক কৰি আগনাবাঢ়ো তেতিয়াহ'লে আমি কেতিয়াও সফল হ'ব নোৱাৰিম। মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ Health Sector টোৰ কথা কৈছো। এইক্ষেত্ৰত মাননীয় মন্ত্ৰী মহোদয়ে নগাওঁত ৪২০ জন নে ২৫ জন ডাক্তৰৰ কথা ক'লে। নগাওঁ জিলাত প্ৰায় ২৭ লাখ জনসংখ্যা। ২৭ লাখ জনসংখ্যাৰ বাবে আঢ়ৈ হাজাৰ ডাক্তৰৰ প্ৰয়োজন। WHO ৰ norms হিচাপে ১ হাজাৰ জনসংখ্যাৰ বাবে ১ জন ডাক্তৰ লাগে। সেই হিচাপে নগাঁওত যদি আমি হিচাপ কৰো ২৭০০ ডাক্তৰ লাগিব। কিন্তু তাত ৪০০ ডাক্তৰ আছে। মেডিকেল কলেজত ১০০। তেখেতে কৈ গ'ল double doctor আছে তাত। এনেকুৱা ধৰণৰ কথা যদি মাননীয় শিক্ষামন্ত্ৰী মহোদয়ে কয় সেই ৰাজ্যৰ অৱস্থা কি হ'ব, ৰোগীৰ অৱস্থা কি হ'ব। আজি চৰকাৰী হস্পিতাল বিলাকত ৫০-৬০ শতাংশ মেডিচিন পাবলৈ নাই। টোগলকী ফৰমান জাৰী কৰে যিবিলাক মেডিচিন থাকিব সেই বিলাক মেডিচিন হে ডাক্তৰে লিখিব। তাৰমানে ৰোগীয়ে বেমাৰ লৈ আহিব আৰু ডাক্তৰে মেডিচিন নাই বুলি লিখিব আৰু সেই ৰোগীজনৰ বেমাৰ বেমাৰ হৈয়ে থআকি যাব। এনেকৈ মানুহখিনিক মাৰিব বিচাৰিছে নেকি? গতিকে Medicine provide কৰিব লাগে। মাননীয় উপাধ্যক্ষ মহোদয়, আপুনি আমাতকৈ ভালকৈ জানে অসমত কেঞ্চাৰ ৰোগী কিমান বা কেঞ্চাৰ ৰোগ অসমত কিমান শিপাইছে। গতিকে মোৰ অসম চৰকাৰলৈ প্ৰস্তাৱ থাকিল যে শিক্ষা আৰু স্বাস্থ্য দুয়োটা free কৰক। আমি অসমীয়া জাতি emotional. কিছুমান  বস্তু আমাক দিলে আমি ভাল পাওঁ। কিছুমান উৎসৱ-পাৰ্বনৰ নামত আমাক উপহাৰ দিলে আমি ভাল পাওঁ। সেইবিলাক নিদি মেডিচিন free কৰক। ১০০ শতাংশ মেডিচিন free হ'ব লাগে। চৰকাৰী বিদ্যালয় ভাল কৰক। প্ৰাইভেট বিদ্যালয় লাহে লাহে বন্ধ হৈ যাওঁক কোনো কথা নাই। চৰকাৰী বিদ্যালয়ৰ সেই মানদণ্ড কৰিব লাগে। কেঞ্চাৰ ৰোগীৰ  বাবে সম্পূৰ্ণ free treatment ৰ ব্যৱস্থা কৰিব লাগে। মোৰ ওচৰলৈ কেঞ্চাৰৰোগৰ চিকিৎসা গ্ৰহণ কৰি থকা এগৰাকী শিক্ষকে কৈছে। তেখেতে chemo লৈ আছে। এটা Chemo ৰ বাবে ৭ লাখ টকা লাগে। সকলোৰে জীয়াই থাকিব বিচাৰে। এনেকুৱা উন্নতমানৰ চিকিৎসা ওলাইছে। ৭ লাখকৈ কিমান টকা তেখেতে খৰছ কৰিলে। মাটি-বাৰী সকলো বন্ধকত থৈ চিকিৎসা কৰি আছে। চাকৰি কৰে বাবেহে তেখেতে এইখিনি কৰিব পাৰিছে। দুখীয়া মানুহে গৰু-ছাগলী বিক্ৰী কৰি ও চিকিৎসা কৰিব নোৱাৰিব। তাৰপিছত ভগৱানৰ ভৰসা কৰি মৃত্যুমুখত পৰি থাকিব লাগিব।

**মাননীয় উপাধ্যক্ষ ঃ** এই চৰকাৰী মানুহজনে চিকিৎসাৰ নামত ব্যয় হোৱা টকাখিনি reim-

bursement কৰিব নোৱাৰে নেকি?

**ড° ৰফিকুল ইছলাম, (জনীয়া) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, শিক্ষকৰ এই ব্যৱস্থাটো নাই আৰু আছে যদিও সামান্য পৰিমাণেহে reimbursement কৰিব পাৰে। ডাক্তৰৰ বহুত অভাৱ। মোৰ সমষ্টিত থকা এখন মডেল হস্পিতাল হ'ল চান্দনমা। তাত অতি কমেও ৮ জন ডাক্তৰ থাকিব লাগে। কিন্তু দুজনৰ বাহিৰে বেছি ডাক্তৰ নাই। কেতিয়াবা আকৌ এজন ডাক্তৰ হৈ থাকে। ঠিক সেইদৰে আমাৰ হস্পিতালবোৰত প্ৰয়োজন অনুসৰি ডাক্তৰ আৰু নাৰ্চ নাই। মোৰ কলগাছিয়া চিভিল হস্পিতালত ৩২ গৰাকী নাৰ্চৰ প্ৰয়োজন। কিন্তু তাত নাৰ্চ নাই আৰু আমি বিচাৰিও পোৱা নাই। গোটেই অসমৰ চৰ-চাপৰি আৰু বাগান অঞ্চলত ডাক্তৰ, নাৰ্চ আৰু ষ্টাফৰ অভাৱ। চাহ বাগান বোৰত স্কুল গৃহ বনাইছে কিন্তু তাত শিক্ষক নাই। বাগান অঞ্চল সমূহত কিয় শিক্ষক সকলে জইন্ট কৰা নাই এই কথাটো গুৰুত্ব সহকাৰে বিবেচনা কৰিব লাগে। গতিকে চৰ অঞ্চল বা বাগান অঞ্চলত থকা স্কুল গৃহ কেইটাই শিক্ষা নহয় বা হস্পিতালৰ গৃহ কেইটা থাকিলেই স্বাস্থ্য নহয়। ইয়াৰ বাবে চৰকাৰে কৰিবলগীয়া পদক্ষেপবোৰ ল'ব লাগে। লগতে ১০০ শতাংশ স্কুল আৰু স্বাস্থ্যৰ ক্ষেত্ৰত বিনামূলীয়া হ'ব লাগে। এইটো মোৰ ফালৰ পৰা পৰামৰ্শ থাকিল। কৃষি বিভাগৰ ক্ষেত্ৰত MSP দিছে। সৰিয়হৰ কথা কৈ আছে যদিও এতিয়ালৈকে কিনা-বেচা হোৱা নাই। মৰাপাটতো MSP দিয়াৰ ব্যৱস্থা কৃষি  বিভাগে কৰিব লাগে। অসমৰ বহুতো কৃষকে মাকৈৰ খেতি কৰে। তাতো MSP দিয়াৰ ব্যৱস্থা কৰিলে খেতিয়ক সকল স্বাৱলম্বী হোৱাত সুবিধা হ'ব। আলুৰ খেতিও অসমত যথেষ্ট পৰিমাণে হয়। তাৰ ওপৰতো MSP দিয়াৰ ব্যৱস্থা কৰিব লাগে। এনেদৰে MSP দিয়াৰ ব্যৱস্থা কৰিলে BJP চৰকাৰৰ যিটো শ্লোগান 'সবকা সাথ, সবকা বিকাশ' কৰিলে খেতিয়কসকলে দুগুণ আয় কৰিব পাৰিব। কৃষি বিভাগৰ ফালৰ পৰা খেতিয়ক সকললৈ যিবোৰ বীজৰ যোগান ধৰে সেইখিনি সময়মতে গৈ নাপায়। খেতিয়ক সকলে খেতি কৰি উঠাৰ পিছতহে সেই মৰা বীজ বা বস্তুবোৰ গৈ পায়। এইবোৰৰ ওপৰত কৃষি বিভাগে গুৰুত্ব আৰোপ কৰিব লাগে। গৰাখহনীয়া সমস্যাটো অসমৰ এটা ডাঙৰ সমস্যা। যোৱা ৩-৪ বছৰৰ ভিতৰত গৰাখহনীয়াৰ ওপৰত ভালেখিনি  কাম হৈছে যদিও গৰাখহনীয়াত বিধ্বস্ত হোৱা মানুহখিনিৰ permanent sattlement ৰ কাৰণে কোনো ব্যৱস্থা নাই। সেই গৰাখহনীয়াত ভুক্তভোগী মানুহখিনিক চিনাক্তকৰণ কৰি তেখেতসকলক মাটি দিয়াৰ ব্যৱস্থা কৰিব লাগে লগতে তেখেত সকলৰ rehabilition ৰ ব্যৱস্থা কৰিব লাগে। মাননীয় ৰাজ্যপাল মহোদয়ৰ ভাষণত সংখ্যালঘু সকলৰ উন্নয়নৰ কাৰণে একো কথা উল্লেখ কৰা নাই। MSDP দিল্লীৰ পৰা আহে। কিন্তু UC দিব পৰা নাই বুলি MSDP দিল্লীৰ পৰা অহাতো বন্ধ হৈ আছে। দিল্লীয়ে পইচা দিবলৈ সাজু হৈ আছে কিন্তু আমাৰ চৰকাৰে আনিব পৰা নাই। ১-২ হাজাৰ কোটি টকা আমি আনিব পাৰো। কিন্তু UC কিয় দিব পৰা নাই এইটো কথা চৰকাৰে গুৰুত্ব সহকাৰে লোৱা নাই। সেইবাবে কামখিনি হোৱা নাই। ভাৰতৰ প্ৰতি গৰকী ভূমিহীন লোকেই মাটি পাব লাগে। বসুন্ধৰা ১,২,৩ চলি আছে। কিন্তু আমি তাত লক্ষ্য কৰিছো যে কিছুমান মানুহক বঞ্চিত কৰি থকা হৈছে। সংখ্যালঘু মানুহে মাটি পোৱা নাই এনে নহয়, চাহ বাগান সমূহক মাটি দিয়াৰ কথা কৈ থাকে যদিও তাত আকৌ NOC ও বিচাৰিছে। বাগানৰ মালিক সকলে NOC নিদিয়াৰ বাবে পৰিত্যক্ত মাটিবোৰ বাগানৰ লোক সকলে পোৱা নাই। এটা জাতিক উদ্দেশ্য কৰি যদি .মাটি দিয়া নহয় আৰু মাহী আইৰ দৃষ্টিৰে যদি তেখেত সকলক চোৱা হয় বা তেখেত সকলৰ দুখ-দুৰ্দশা যদি চোৱা নহয় তেতিয়াহ'লে কিন্তু ৰাজ্যখন কেতিয়াও আগবাঢ়ি যাব নোৱাৰিব। চৰ অঞ্চলত চৰকাৰে মাটি চাৰ্ভে কৰাৰ কথা কৈ

থাকে। কিন্তু allotment ৰ কথা নকয়। সেই মানুহখিনিৰ অপৰাধ কি? মাটিৰ allotment তেখেত সকলে পাব লাগে যিহেতু তেখেত সকলে ভাৰতীয় নাগৰিক। ভাৰতীয় নাগৰিকে যদি মাটি পোৱাৰ পৰা বঞ্চিত হৈ থাকে তেতিয়াহ'লে এনেকুৱা ধৰণৰ কথা কেতিয়াও গ্ৰহণযোগ্য নহয়। গতিকে চৰকাৰৰ প্ৰতি আমাৰ এটা সপোন থাকিল যে আমাৰ অসমৰ এই ৩ কোটি ৩০ লাখ বা ৪০ লাখ জনতাক সম দৃষ্টিত চাই 'সবকা সাথ, সবকা বিকাশ' যিটো BJP ৰ শ্লোগান সেই শ্লোগানৰ প্ৰতি তেখেতসকল শ্ৰদ্ধাশীল হৈ চাহ জনগোষ্ঠী হওঁক বা সংখ্যালঘু হওঁক, গাৰো, ৰাভা, চাওঁতাল হওঁক সকলো জাতি-জনগোষ্ঠীক সম দৃষ্টিত চাই সমান অধিকাৰ দিব লাগে। এইখিনি কৈ মই মোৰ বক্তব্য সামৰিছো। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ, এতিয়া মাননীয় সদস্য শ্ৰী জলেন দৈমাৰী।

**শ্ৰী জলেন দৈমাৰী, (তামুলপুৰ) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, যোৱা ১৭ ফেব্ৰুৱাৰীৰ ৰাজ্যপালৰ ভাষণৰ ওপৰত ধন্যবাদ সূচক প্ৰস্তাৱত সমৰ্থন জনাই মই দু- আষাৰ বক্তব্য ৰাখিব বিচাৰিছো। প্ৰথমতে,২০২০ চনৰ BTR ৰ শান্তি চুক্তিৰ পাছত ১৭ তাৰিখে যি বাজেট অধিৱেশন আৰম্ভ হ'ল,এই অধিৱেশনে অসমৰ লগতে সমগ্ৰ ভাৰত বৰ্ষতেই এটা শান্তিৰ বাৰ্তা পঠিয়াইছে বুলি আমি ক'ব বিচাৰিছো। BTR অঞ্চলত প্ৰথম বাৰৰ বাবে বিধান সভাৰ অধিৱেশন আৰম্ভ হোৱা মানেই হৈছে BTR ত শান্তি অহাৰ এটা বাৰ্তা। মহামহিম ৰাজ্যপাল ডাঙৰীয়াই ইয়াত যিখিনি বক্তব্য ৰাখিছে, তাৰ ওপৰত ভিত্তি কৰি আমি কিছু কথা ক'ব বিচাৰিছো। আমাৰ তামুলপুৰ সমষ্টি প্ৰথমে তামুলপুৰ জিলা হোৱাৰ লগতে এতিয়া তাত মেডিকেল কলেজো আৰম্ভ হ'ল, যিটো আমি কেতিয়াও ভবাই নাছিলো। ২০২৬ চনৰ পৰা এই মেডিকেল কলেজত ক্লাচ আৰম্ভ হ'ব আৰু অসম তথা BTR ৰ লগতে ভাৰতবৰ্ষৰ বিভিন্ন ৰাজ্যৰ পৰা ইয়াত আহি ছাত্ৰ-ছাত্ৰীয়ে মেডিকেল course কৰিব পাৰিব। ৰাজ্যপাল ডাঙৰীয়াৰ ভাষণত উল্লেখ কৰা হিচাপে BTR চুক্তিৰ পাছত ৬৬০০ NDFB ৰ যি শ্বহীদ আছিল সেই শ্বহীদ সকলৰ rehabilitation দিয়া হৈছে। তাৰ বাবে মই চৰকাৰক ধন্যবাদ জনাইছো আৰু যিখিনি rehabilitation ৰ বাবে বৈ গৈছে সেইখিকিনিকো দিয়াৰ বাবে পৰৱৰ্তী সময়ত ব্যৱস্থা কৰিব বুলি আশা ৰাখিছো। আমাৰ চৰকাৰৰ দিনত বিভিন্ন জাতি-জনগোষ্ঠীৰ যি সংগ্ৰামী সংগঠন আছিল তেওঁলোকৰ লগত চুক্তি অনুযায়ী বিভিন্ন ধৰণৰ কাম ইয়াত আৰম্ভ হৈছে। NDFB, AABSU বা Civil organization ৰ লগত যি শান্তি চুক্তি হ'ল সেই হিচাপে ২৭৪ NDFB ৰ কেচ withdraw হৈ যোৱাটো আমাৰ কাৰণে শুভ লক্ষণ বুলি মই ক'ব বিচাৰিছো। যি সকলৰ কেচ withdraw হোৱা নাই বা যি সকল cadre জেলত আছে পৰৱৰ্তী সময়ত নিশ্চয় আমাৰ চৰকাৰে মুক্তি দিব বুলি আশা ৰাখিছো। আমি ৰাজ্যপাল মহোদয়ৰ ভাষণৰ ওপৰত আৰু মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ ভাষণৰ ওপৰত গৌৰৱ অনুভৱ কৰিছো যে বিশ্ববাসীৰ ওচৰত বিহু প্ৰদৰ্শনৰ পিছত বিশ্বৰেকৰ্ড বা সংস্কৃতিক প্ৰতিস্থা কৰিবলৈ অহা ২৪ ফেব্ৰুৱাৰী,২০২৫ তাৰিখে আমাৰ ঝুমুৰ নৃত্যটো প্ৰদৰ্শন কৰা হ'ব। ইয়াৰ পিছত বাগুৰুম্বা নৃত্যক প্ৰদৰ্শনৰ বাবে যি প্ৰতিশ্ৰুতি দিছে আমি আশা ৰাখিছো বিহু বা ঝুমুৰৰ নিচিনাকৈ বাগুৰুম্বাকো অসমৰ সংস্কৃতিৰ অংশীদাৰ হিচাপে বিশ্বত প্ৰতিস্থাৰ বাবে নিশ্চয় অহা নৱেম্বৰ বা ডিচেম্বৰ মাহত এই বিষয়ে পদক্ষেপ হাতত ল'ব। ২০০৬ চনত Provincialize Act হিচাপে নতুনকৈ cabinet committee ত আলোচনাৰ পিছত যিহেতু আকৌ নতুনকৈ provincialise ৰ ওপৰত re-discussion চলিব তাত ২০২০ চনৰ BTR Accord অনুযায়ী ৬.৩ যি clause আছিল সেই অনুসৰি আমাৰ বি টি আৰ অঞ্চলত আৰু বি টি আৰ ৰ বাহিৰত থকা যিবিলাক

Bodo medium school আছিল সেই বিলাক provincialise কৰাৰ বাবে যি প্ৰক্ৰিয়া সেই প্ৰক্ৰিয়াটো এই কমিটিৰ আওঁতাত আনি বি টি আৰ ৰ বাহিৰৰ যিবিলাক স্কুল আছে সেইবিলাকো provincialise কৰাৰ বাবে সিদ্ধান্ত ল'ব বুলি আমি আশা ৰাখিছো। আমাৰ historical place যেনেঃ father of Bodofa ৰ সমাধিস্থল develop কৰাৰ বাবে তেওঁ যি প্ৰতিশ্ৰুতি দিছে লগতে Bodofa ৰ জন্মদিৱস সমগ্ৰ অসমতে ছাত্ৰ দিৱস হিচাপে পালন কৰাৰ বাবে আমাৰ সন্মানীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াক ধন্যবাদ জনাব বিচাৰিছো যিটো স্বীকৃতি অসমত আমি আগতে পোৱা নাছিলো আৰু ই আমাৰ কাৰণে অতি গৌৰৱৰ কথা লগতে চৰকাৰে যিবোৰ সিদ্ধান্ত লৈছে সেইবোৰ আমি বি টি আৰ বাসীৰ বাবে মংগলজনক বুলি ভাবিছো। আপোনালোক সকলোৱে জানে যে যোৱা কেইবছৰমানত বি টি আৰ ত কেনেকুৱা সংগ্ৰাম চলিছিল, ৰাস্তা-ঘাটৰ অৱস্থা কেনেকুৱা আছিল, কিন্তু বি টি আৰ চুক্তি হোৱাৰ পিছতো আমাৰ চৰকাৰৰ ফালৰ পৰা অতিৰিক্ত ভাৱে পুঁজি আৱন্টন দি বি টি আৰ অঞ্চলৰ বিভিন্ন ক্ষেত্ৰত ৰাস্তা-ঘাট, দলং নিৰ্মাণকে ধৰি সমস্যা সমূহ সমাধান কৰাৰ বাবে মই ধন্যবাদ জনাইছো আৰু ভৱিষ্যতেও এনেধৰণৰ সমস্যা সমুহ সমাধান কৰি যাব বুলি আশা ৰাখিছো। ৰাজ্যপালৰ ভাষণৰ ওপৰত পূৰ্ণ সমৰ্থন জনাই মই মোৰ বক্তব্যৰ সামৰণি মাৰিছো। ধন্যবাদ।

মাননীয় উপাধ্যক্ষ ঃ এতিয়া মাননীয় বিধায়ক শ্ৰী দিগন্ত কলিতা।

**শ্ৰী দিগন্ত কলিতা, (কমলপুৰ) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণৰ প্ৰস্তাৱক সমৰ্থন জনাই কিছু কথা মই অৱগত কৰিব বিচাৰিছো। আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াই শাসন ভাৰ লোৱাৰে পৰা এই চাৰিটা বছৰত যিখিনি আঁচনি গাঁৱৰ প্ৰত্যেক পৰিয়াললৈকে, চহৰৰ উন্নয়নৰ কাৰণে, শিক্ষা, স্বাস্থ্য, infrustrusture development আদিৰ ক্ষেত্ৰত আনিছিল সেই আঁচনি সমূহ এতিয়া বাস্তৱত ৰূপায়িত হৈ আছে আৰু এখন সুন্দৰ অসম গঢ়াৰ ক্ষেত্ৰত মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ যি নেতৃত্ব, প্ৰত্যেক জন মন্ত্ৰী তথা বিধায়কৰ যি ভূমিকা সেই কথা অসমৰ ৰাইজে স্বীকাৰ কৰিছে আৰু তাৰ পৰিণতিত আজি ভাৰতীয় জনতা পাৰ্টীৰ চৰকাৰ খন ৰাইজৰ বাবে এক আস্থা আৰু বিশ্বাসত পৰিৱৰ্ত্তিত হৈছে। ৰাজ্যপাল মহোদয়ৰ বহু খিনি কথাই প্ৰতিফলিত হৈছে আৰু এনেকুৱা দিন আহিলে যে আমি পৱিত্ৰ বড়ো ভূমিত গৈ সুন্দৰ ভাৱে পৱিত্ৰ বিধান সভা পাতিবলৈ সমৰ্থ হ'লো। এসময়ত এনেকুৱা এটা দিন আছিল যে তাত ভাতৃত্বমূলক সংঘৰ্ষ হৈছিল, এই কথা সকলোৱে জানে আৰু কাৰ দিনত হৈছিল এই কথা মই উনুকিয়াবলৈ নাযাওঁ। যিয়েই নহওঁক আজি তাত আমি এক সুন্দৰ পৰিৱেশ দেখিবলৈ পাইছো। আজি বিভিন্ন জনে বিভিন্ন কথা কৈছে। তাৰ লগতে মই এটা কথা ক'ব বিচাৰিছো যে এটা সময়ত আমি যেতিয়া অৰুণোদয় আঁচনি আনিলো সকলো বিৰোধীয়ে আমাক তুচ্ছ-তাচ্ছিল্য কৰিছিল আৰু আজি পৰ্য্যন্ত তেওঁলোকে অৰুণোদয়ৰ বিপক্ষে মাত দি আহিছে।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ) ঃ** সকলো বিৰোধী বুলি এনেই কৈছে ছাৰ, এইটো উঠাই দিবলৈ দিয়ক। সকলো বিৰোধীয়ে কোৱা নাই ছাৰ।

**মাননীয়উপাধ্যক্ষ** ঃ আপোনাক যেতিয়া ক'বলৈ সময় দিয়া হ'ব, তেতিয়া ক'ব।

**শ্ৰীদিগন্ত কলিতা, (কমলপুৰ) ঃ** আৰু এই কথাটো বাস্তৱ ।আপোনালোকে যদি বিৰোধীৰ ভাষণ চাবলৈ যায়, সদায় তেওঁলোকে অৰুনোদয়ৰ বিপক্ষে ক'বলৈ যায়। আজি অসম চৰকাৰে এটা সময়ত আমি এটা সমষ্টিত ৭ হাজাৰ দিলো, ৭ ৰ পৰা ১৫ হ'ল, ১৫ৰ পৰা ২২ হ'ল, ২২ৰ পৰা ২৮ হ'ল, আজি ৩০ হাজাৰ পৰিয়ালক অৰুনোদয় দিবলৈ আমি সক্ষম হৈছো। এটা সমষ্টিত ৩০

হাজাৰ পৰিয়ালে যদি অৰুনোদয় পায়, তাৰ ভাগ বিৰোধীয়ে পোৱা নাই নেকি ? ক'ব পাৰিব নেকি ? অন্য ক্ষেত্ৰত আজি মই কম, আজি বিৰোধীয়ে সমালোচনা কৰিছে, বিৰোধীয়ে এই ভাষণক লৈ তীব্ৰ বিৰোধিতা কৰিছে। কৰক, বিৰোধীতা কৰিব লাগে বাবেহে বিৰোধিতা কৰিছে। এনেকুৱা হ'ব নালাগে। মই সকলো বিৰোধীকে কৈছো যে আপোনালোকে ভাল কামখিনি প্ৰশংসা কৰক, আৰু বেয়া কামখিনি আমাক দেখুৱাই দিয়ক। কেতিয়াও তেখেত সকলে নকৰে, কেৱল প্ৰত্যেক ক্ষেত্ৰত তেখেত সকলে বিৰোধিতা কৰে। আজি মই আপোনালোকক ক'ব বিচাৰিছো মিশ্যন বসুন্ধৰা - ১,মিশ্যন বসুন্ধৰা -২, ই - ফাইল, এই বিলাক কি উন্নয়নৰ এক উদাহৰণ নহয় জানো? আজি কিছুমান কথা ক'ব নাপাই, বিৰোধী দলৰ কোনো এজনে আজি এটা কথা প্ৰকাশ নকৰিলে যে আমাৰ ইয়াৰ পৰা কোনোবা নেতা পাকিস্থানত গৈ পাকিস্থানৰ লগত কথা পাতিছে , কোনো বিৰোধীয়ে সেইটো প্ৰত্যুত্তৰ নকৰে। আমাৰ সন্দেহ আছিল, মই কাৰো নাম নলওঁ, বুজাই বুজি পাইছে। এনেকুৱালৈকে আমাৰ সন্দেহ হৈছে

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ) ঃ** আপুনি ল'বলৈ সাহসেই নকৰে নাম।

**মাননীয় উপাধ্যক্ষ মহোদয়ঃ** অখিল গগৈ ডাঙৰীয়া বহক।

**শ্ৰী দেবব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি ) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, বিনা প্ৰাসংগিক নাম উল্লেখ নকৰাকে ক'লে কোনে কাক ধৰিব ছাৰ, এইটো নাজানো, Please ask him to be specific sir, if there is any specific allegation, then we will discuss about it sir.

**শ্ৰীদিগন্ত কলিতা, (কমলপুৰ) ঃ** মই বিৰোধী বুলি কেৱল কংগ্ৰেছ দলকটো কোৱা নাই, বিৰোধী সকলো থাকিব পাৰে। আজি আপোনালোকে প্ৰত্যেকটো ক্ষেত্ৰত, এই মাত্ৰ বিৰোধীয়ে কথা কৈ আছিল, মই উত্থাপন কৰিম, যে দেৱব্ৰত শইকীয়া ডাঙৰীয়াই clause -6 ৰ কথা কৈছে। আজি clause -6 ৰ recommendation, আজি বিপ্লৱ শৰ্ম্মাৰ recommendation টো cabinet ত আজি recommend কৰা হৈছে। আজি মই AIUDFৰ কথা কৈছো,কালি আইন শৃঙ্খলাৰ কথা কৈছে, আইন শৃঙ্খলা কি হৈছিল সেই চৰকাৰৰ দিনত আপোনালোকে নিজেই জানে। অৱশ্যে সেইটো সময়ত আমি সেই দলত আছিলো, কিন্তু আমি নিজে দেখি আহিছিলো, আজি সেই ঠাইত আপোনালোকে গৈ অকল বহিবই পৰা নাই আপোনালোকে পবিত্ৰ বিধান সভাত নিজৰ বক্তব্য ৰাখিবলৈ সক্ষম হৈছে। আজি মুখ্যমন্ত্ৰী ডাঙৰীয়াই সেই দিনা বড়ো অঞ্চলৰ কথা কৈছে, যে বড়ো সকল যেনেকৈ সুৰক্ষিত হৈ থাকিব, তাত থকা অবড়ো সকলকো আনকি মুছলিম ভাই সকলৰো কথা পবিত্ৰ বিধান সভাত কৈছে। এই বিলাক কথা আপোনালোকৰ ক্ষেত্ৰত প্ৰযোজ্য নহয় নেকি ? আজি অলপ আগতে CPI (M) দলৰ বিধায়কে কৈছে যে semi conductor পাতি তুচ্ছ তাচ্ছিল্য কৰিছে। মনোৰঞ্জন তালুকদাৰ ডাঙৰীয়া, আপোনালোকে semi conductor ৰ ইমান তুচ্ছ তাচ্ছিল্য নকৰিব।

..........(সদনত হুলস্থুল )............

**শ্ৰী মনোৰঞ্জন তালুকদাৰ, (সৰভোগ) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মই তেনেকৈ কোৱা নাই, এই বিলাকৰ ৰেকৰ্ড আছে মই কোৱা নাই। এই পবিত্ৰ বিধান সভাৰ ৰেকৰ্ডত আছে, live telecast ত আছে।

**শ্ৰীদিগন্ত কলিতা, (কমলপুৰ) ঃ** মই কিয় আপোনালোকক উনুকিয়াই দিছোযে আপোনালোকে সমালোচনা কৰিব লাগে। সমালোচনা ইয়াত কৰে কিন্তু সময়ত যেতিয়া আঁচনি লাগে, আপোনালোকে

সেইজন মুখ্যমন্ত্ৰীৰ ওচৰলৈ আঁচনিৰ কাৰণে আহক। মই আপোনালোকক আজি কৈছো, অলপ আগতে ৰফিকুল ইছলাম ডাঙৰীয়াই বহুত কথাই আমাক ক'লে, ৮ হাজাৰ বিদ্যালয় বন্ধ কৰি দিয়া হৈছে, কিন্তু ৰফিকুল ইছলাম ডাঙৰীয়াই এইটো কথা কিয় নকয় যে মাইন'ৰেটি এৰিয়াত ৯ খন woman college হ'ল , ৰফিকুল ইছলাম ডাঙৰীয়াই কিয় নকয়,২১ খন মডেল স্কুল মাইন'ৰেতি এৰিয়াত হ'ল, নকয়। এই বিলাক কথা নকয়। কাৰণ এই বিলাক বি জে পি চৰকাৰে কৰিছে। ৰফিকুল ইছলাম ডাঙৰীয়াই এইটো নকয় ১২৬ টা বিধান সভা সমষ্টিত মডেল স্কুল কৰি আছে, এইটো নকয় তেখেতে। ৰফিকুল ইছলাম ডাঙৰীয়াই 'ল' কলেজৰ কথা নকয়, আজি মই এইখিনি কথাই কৈছো,ৰফিকুল ইছলাম ডাঙৰীয়াই ইঞ্জিনিয়াৰিং কলেজৰ কথা নকয়, শিক্ষাৰ কথা নকয়, স্বাস্থ্যৰ কথা নকয়।

...........(সদনত হুলস্থুল)...........

আজি ১৬ শ টা ছিট পাবলৈ সক্ষম হৈছে, আৰু যদি প্ৰাগজ্যোতিষপুৰ আমাৰ approve হয় আৰু ১০০ ছিট আমি পাবলৈ সক্ষম হ'ম। মোৰ ক'বলৈ বহুত মন আছিল আৰু মই কোৱা কথাবিলাক আপোনালোকৰ গাত পিৰপিৰাইছে, আৰু আমি বাস্তৱ কথা কৈছো। অনাগত দিনত ড০ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ নেতৃত্বত আমি সুন্দৰকৈ বিকাশ কৰিম, আৰু গাঁৱৰ শেষৰ জন ব্যক্তিক আমি সহায় কৰাৰ যি সংকল্প লৈছো, সেই সংকল্প সিদ্ধিলৈ পৰিণত হ'ব আৰু ভৱিষ্যতত আমি অসমত আকৌ পুনৰ ভাৰতীয় জনতা পাৰ্টী এলাইনছৰ চৰকাৰ আনিম। এইটোৱেই আমাৰ প্ৰতিজ্ঞাবদ্ধ। পুনৰবাৰ আজি মহামহিম ৰাজ্যপালৰ ভাষণৰ প্ৰস্তাৱৰ সপক্ষে গৌৰৱেৰে এই ভাষণক আমি পূৰ্ণ সমৰ্থন দিছো ভাৰত মাতা কি জয়।

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া মাননীয় বিধায়ক জাকিৰ হুছেইন সিকদাৰ।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ, (সৰুক্ষেত্ৰী) ঃ** মাননীয় উপাধ্যক্ষ ডাঙৰীয়া, মাননীয় ৰাজ্যপাল ডাঙৰীয়াৰ ভাষণৰ সপক্ষে শাসক পক্ষই যি ধন্যবাদসূচক প্ৰস্তাৱ আনিছে তাৰ বিৰোধিতা কৰি মই বক্তব্য দিব ওলাইছো। অলপ আগতে মাননীয় বিধায়ক দিগন্ত কলিতা ডাঙৰীয়াই clause - 6 ৰ বিষয়ে কৈছে, কিন্তু আজিৰ তাৰিখত বিপ্লৱ শৰ্মা ডাঙৰীয়াৰ যি প্ৰতিবেদন দিছে অসম চুক্তি clause - 6 লৈ তাক ৰাজহুৱা কৰিবৰ কাৰণে কেন্দ্ৰীয় চৰকাৰে এতিয়ালৈকে ছীল মোহৰ মাৰা নাই। সেই কথাখিনি হয়তো দিগন্ত কলিতা ডাঙৰীয়াই নাজানে। আপোনাৰ জৰিয়তে ৰাজ্য চৰকাৰক দৃষ্টিগোচৰ কৰিলো। মাননীয় উপাধ্যক্ষ ডাঙৰীয়া, ৰাজ্যপাল ডাঙৰীয়াই বিভিন্ন বিষয়ৰ ওপৰত চৰকাৰক প্ৰশংসা কৰি গৈছে। চৰকাৰৰ গুণানুকীৰ্ত্তন কৰিছে, মই কেইটামান বিভাগৰ ওপৰত যিহেতু সময় একেবাৰে কম, মই কথাখিনি উল্লেখ কৰিব বিচাৰিছো। বৰ্তমান সমগ্ৰ অসমতে advantage Assam লৈ ২.০ লৈ চৰকাৰ ব্যস্ত। সকলো অসমৰ মানুহে advantage Assam ৰ বিষয়ে অসমৰ মানুহক চৰকাৰে অৱগত কৰি আছে, কিন্তু আপোনাৰ জৰিয়তে কেৱল চৰকাৰৰ প্ৰতি অসমৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ লগতে সমূহ শাসক পক্ষকে এটা আবেদন জনাম যে অসমৰ ৰাইজে advantage Assam ১.০ এবাৰ দেখিছে। আৰু ১.০ দেখাৰ লগে লগে ১.০ ৰ পৰা কিন্তু অসমে একো লাভান্বিত হোৱা নাই। আমি অসমলৈ পুঁজি অহাটো বিচাৰো কোনোবাই বেলেগৰ পৰা বিনিয়োগ কৰাটো বিচাৰিছো গতিকে advantage Assam ২.০ যাতে ১.০ নিচিনা নহয়, তাৰ প্ৰতি যাতে লক্ষ্য ৰাখে সেই আবেদন প্ৰথমতে জনাইছো। গৃহ বিভাগৰ কথা ৰাজ্যপাল ডাঙৰীয়াই উল্লেখ কৰিছে, বৰ্তমানো ৰাজ্যখনত হত্যা, হিংসা, ডকাইতি চুৰি, বিভিন্ন মাৰধৰ এনেকুৱা অপৰাধজনিত ঘটণাবোৰ ঘটিব ধৰিছে, অসম আৰক্ষীয়ে তাক কিন্তু নিয়ন্ত্ৰণ কৰিব

পৰা নাই। বৰ্তমান আমি সকলোৰে এখন নিচামুক্ত অসম বিচাৰো, ড্ৰাগছ মুক্ত এখন অসম বিচাৰো কিন্তু এতিয়াও অবাধে ড্ৰাগছৰ প্ৰচলন চলি আছে। কিন্তু গৃহ বিভাগে এতিয়ালৈকে ড্ৰাগছৰ প্ৰচলন বা ড্ৰাগছ মুক্ত অসম গঢ়াৰ ক্ষেত্ৰত যি পদক্ষেপ ল'ব লাগে ৰাজ্য চৰকাৰে এতিয়ালৈকে কিন্তু সম্পুৰ্ণ ভাবে ল'ব পৰা নাই। এই কথাখিনি আপোনাৰ জৰিয়তে দৃষ্টি আকৰ্যণ কৰিছো। দক্ষতা বিকাশ আৰু হস্ত তাঁতৰ কথা কৈছে, দক্ষতা বিকাশ আৰু হস্ততাঁতৰ জৰিয়তে বিভাগে যি সমূহ কাৰ্য্যসূচী লৈছে, যি ধৰণৰ ফাণ্ড তেওঁলোকে দিছে, আজিৰ তাৰিখত কিন্তু দক্ষতা বিকাশ আৰু হস্ততাঁত বিভাগ সম্পুৰ্ণ বিফল। ইয়াৰ জৰিয়তে অসমত কোনো লাভান্বিত হোৱা নাই। আজি কৃষকৰ আয় দুগুন কৰাৰ কথা এই চৰকাৰ খনে কৈছিলে কিন্তু কৃষিকৰ আয় দুগুন কৰাৰ ক্ষেত্ৰত চৰকাৰ খনে বা বিভাগে যিধৰনে পদক্ষেপ ল'ব লাগে তেনেধৰনে কোনো পদক্ষেপ লোৱা নাই । কৃষকৰ মাজত আজি হাহাকাৰ । বিভিন্নধৰণৰ অভাৱ অভিযোগ উত্থাপন হয় কিন্তু আজিৰ তাৰিখত বিভাগে কৃষকৰ মনৰ কথা শুনা নাই। এতিয়া বীজৰ কথা কওঁ তাৰ মূল্য যোৱা বছৰতকৈ বজাৰ মূল্য অধিক বৃদ্ধি হৈছে । কৃষি বিভাগে কৃষকসকলক যিখিনি বীজ যোগান ধৰে সেই খিনি উন্নত মানৰ নহয় । কৃষকৰ পৰা সেই বীজসমূহ চৰকাৰে ল'ব নোখোজে কাৰণ এই বীজসমূহ দালালৰ যোগেদি যোগান ধৰা হয় । বহু প্ৰকৃত কৃষক আজিৰ দিনত বঞ্চিত হৈ আছে । উপাধ্যক্ষ ডাঙৰীয়া ৰাজ্য চৰকাৰে বিভিন্ন সময়ত অসমখনক ৫ খন ৰাজ্যৰ ভিতৰত এখন শ্ৰেষ্ঠ ৰাজ্য বুলি কয় । আন ৰাজ্যৰ পৰা অসমে কেনেকৈ ৰাজহ লাভ কৰিব পাৰে সেই কথা কয় । এই ক্ষেত্ৰত উল্লেখযোগ্য এটা বিভাগ হৈছে মীন বিভাগ । আজিৰ তাৰিখত অসমত প্ৰয়োজন হোৱা মাছ নিজেই উৎপাদন কৰিব পাৰো আমাৰ বহুতো উদ্যোগ আছে কিন্তু অসমে হাজাৰ হাজাৰ কুইন্টল মাছ বাহিৰৰ পৰা আনিব লগা হয় যদি বিভাগে উপযুক্তভাৱে ব্যৱস্থা লয় তেনেহ'লে অসমে প্ৰয়োজনীয় মাছ উৎপাদন কৰিব পাৰে আৰু আমাৰ ৰাজ্যৰ পৰা আন ৰাজ্যলৈ মাছ পঠিয়াব পাৰে । কিন্তু যিসকল মীন পালক তেওঁলোকৰ লগত বিভাগে কেতিয়াও কথ বতৰা নাপাতে যে, কি ব্যৱস্থা ল'লে কেনেধৰনে পুঁজি দিলে মীন পালকসকলে অসমক স্বাৱলম্বী কৰিব পাৰিব । সেই ব্যৱস্থা যাতে ৰাজ্য চৰকাৰখনে লয় । উপাধ্যক্ষ ডাঙৰীয়া পশুপালন ও পশুচিকিৎসাৰ কথা ক'বলৈ যাওঁ তেনেহ'লে আজিৰ দিনত এই বিভাগত যিমান কৰ্মচাৰী আৰু চিকিৎসকৰ প্ৰয়োজন সেই অনুযায়ী অভাৱ দুৰ কৰিব নোৱাৰিলে । আজি এই বিজেপি চৰকাৰৰ ৯ বছৰ হৈ গ'ল । কিন্তু এই বিভাগটো উন্নতমানৰ কৰিব নোৱাৰিলে । আমি গাখীৰৰ বাবেও বেলেগ ৰাজ্যৰ ওপৰত নিৰ্ভৰ কৰিব লাগে । বেলেগ ৰাজ্যৰ পৰা আমাৰ ৰাজ্যলৈ যথেষ্ট পৰিমানৰ গাখীৰ আহে । অসমত যিসকল গোপালক আছে , ৰাজ্য চৰকাৰ আৰু বিভাগে যদি তেওঁলোকক সুবিধা দিয়ে তেন্তে নিশ্চিতভাৱে অসমক প্ৰয়োজন হোৱা গাখীৰ আমি ইয়াতে উৎপাদন কৰিব পাৰো । পশুপালন আৰু পশু চিকিৎসা বিভাগত যিখিনি ব্যৱস্থাপনা থাকিব লাগিছিল আৰু দৰবপাতি থাকিব লাগিছিল সেইখিনি আমি দেখিবলৈ নাপালো । উপাধ্যক্ষ ডাঙৰীয়া 'জলজীৱন' আঁচনি সকলোতে বনাইছে - পাইপ বহুৱালে কিন্তু পানী নাই । আঁচনি আছে তাত কৰ্মচাৰী নাই । অসমৰ বহু ঠাইত বহু মানুহে এতিয়া জলজীৱনৰ পানী পোৱা নাই । ৰাজ্য চৰকাৰৰ তথ্যমতে অসমত বহু মানুহে পানী পোৱা বুলি দেখুৱাইছে । স্বাস্থ্য খণ্ডৰ কথা ক'বলৈ গ'লে আজিৰ তাৰিখত চৰকাৰী চিকিৎসালয় চিকিৎসক আৰু কৰ্মচাৰীৰ অভাৱ । অসমৰ বেছিভাগ ৰোগীয়ে ব্যক্তিগত নাৰ্ছিং হোমলৈ যায় । চৰকাৰী চিকিৎসালয়ত উপযুক্ত চিকিৎসা আৰু দৰব পাতি নাপায় । আজি এম জি এনৰেগা বহু ফাণ্ড দিছে । কিন্তু জৰ কাৰ্ড হোল্ডাৰে এম জি এনৰেগাৰ ফাণ্ড নাপায় । এই ক্ষেত্ৰত গ্ৰাম্য অঞ্চলত যথেষ্ঠ অসুবিধা আহি পৰিছে । শিক্ষা বিভাগৰ ক্ষেত্ৰত যিবিলাক

**বেচৰকাৰী আৰু ভেন্সাৰ বিদ্যালয় আছিলে সেইবিলাক চৰকাৰী কৰাৰ প্ৰতিশ্ৰুতি চৰকাৰে দিছিলে কিন্তু আজিলৈকেও কৰিব পৰা নাই । শক্তি বিভাগৰ ক্ষেত্ৰত ২৪ ঘন্টাই বিজুলী যোগান ধৰাৰ কথা কৈছিলে কিন্তু অসমৰ বহু ঠাইত আজিও বিজুলী পোৱা নাই । আজি ক্ৰীড়াৰ কথা ৰাজ্য চৰকাৰে কয় কিন্তু গ্ৰামাঞ্চলত ক্ৰীড়াৰ উন্নয়নৰ ক্ষেত্ৰত চৰকাৰখনে কোনো ব্যৱস্থা লোৱা নাই । জল সম্পদত মথাউৰি নিৰ্মাণৰ কথা কয় কিন্তু এই মঠাউৰিসমূহতো বহু বিসংগতি আছে । আজিলৈকে চৰকাৰে ব্যৱস্থা কৰা নাই । জলসিঞ্চন- উদ্যোগ, সংখ্যালঘু উন্নয়ণ চাহ জনজাতি আদিবাসী আদিৰ ক্ষেত্ৰত চৰকাৰে ব্যৱস্থা ল'ব পৰা নাই । এই বিষয়ত ৰাজ্যপাল ডাঙৰীয়াই যিখিনি বৰ্ণনা কৰিছে তাক আমি নসাৎ কৰিছো । আহি থকা দিনত যাতে বিভাগবোৰৰ ক্ষেত্ৰত চৰকাৰে ব্যৱস্থা লয় ইয়াকে মই উপাধ্যক্ষ মহোদয়ৰ জৰিয়তে জনালো । ধন্যবাদ ।**

**মাননীয় উপাধ্যক্ষ ঃ এতিয়া দ্বীপায়ন চক্ৰৱৰ্ত্তী ।**

**শ্ৰী দীপায়ন চক্রবর্তী (শিলচর) ঃ** মাননীয় উপাধ্যক্ষ মহোদয় বিগত ফেব্রুয়ারী বাজেট অধিবেশনের প্রথম দিনে এই চলতি বাজেটের উপর অসমের মহা-মহিম রাজ্যপাল মহোদয় বক্তব্য উত্থাপন করেছেন। মাননীয় রাজ্যপাল মহোদয়ের বক্তব্যের উপর ধন্যবাদ সূচক বক্তব্যের জন্য আমাকে সুযোগ দেওয়ার জন্য আমি আপনাকে ধন্যবাদ জানাচ্ছি। উপাধ্যক্ষ মহোদয়, রাজ্যপাল মহোদয় উল্লেখ করেছেন অসমের সার্বিক উন্নয়নের লক্ষ্যে অসম সরকার যেভাবে কাজ করছেন তার উল্লেখযোগ্য কিছু কাজ উনি ওনার বক্তব্যে তুলে ধরেছেন। আগামী দিনে মাননীয় মুখ্যমন্ত্রী হিমন্ত বিশ্ব শর্মা সরকারের যে ভবিষ্যৎ পরিকল্পনা এই রাজ্যকে এগিয়ে নিয়ে যাওয়ার জন্য সেই বিষয়ে তিনি আলোকপাত করেছেন, যার জন্য আমি মহা-মহিম রাজ্যপালকে আমাপ অন্তরের অন্তঃস্থল থেকে ধন্যবাদ জ্ঞাপণ করছি। অসমের প্রথম ও প্রধান উদ্যেগ হল চা উদ্যোগ। যে উদ্যোগে সমস্থ অসম আজ এগিয়ে চলছে আমরা জানি। চা জন-গোষ্ঠীর জন্য আজ সরকারের যে ইতিবাচক পদক্ষেপ এই পদক্ষেপে মাননীয় মুখ্যমন্ত্রী হিমন্ত বিশ্ব শর্মা খুব গুরুত্বপূর্ণ ভূমিকা পালন করে যাচ্ছেন এই চা জন-গোষ্ঠী জনজাতির জন্য। প্রথমে উল্লেখ করতে হয় চা কর্মচারীদের বেতন বৃদ্ধির কথা হোক, স্বাস্থ্যের কথা চিন্তা করে হেলথ সেন্টার স্থাপণ, শিক্ষার কথা চিন্তা করে অঙ্গনয়াড়ী সেন্টার থেকে শুরু করে চা বাগানের শিক্ষার পরিকাঠামো উন্নতির জন্য অনেক কাজ করে যাচ্ছেন এই সরকার। রাস্তা-ঘাটের পরিকাঠামো উন্নতির জন্য অনেক কাজ করে যাচ্ছেন মাননীয় মুখ্যমন্ত্রী। চা জন-জাতির সংস্কৃতিকে রক্ষা করার জন্য জগন্নাথ মন্দির নির্মাণ করেছেন। স্বাধীনতার পরবর্তীকালে কোন মুখ্যমন্ত্রী চা জন-গোষ্ঠীর সংস্কৃতিকে গুরুত্ব দিয়ে সমস্থ বিশ্বের দরবারে পরিচয় করিয়ে দেওয়ার জন্য আগামী ২৪ তারিখে এই ঝুমুর নৃত্যের আয়োজন করেছেন। সেখানে চা বাগানের ৮ হাজার শিল্পী ঝুমুর নৃত্য পরিবেশন করবেন। বিগত দিনের সরকারের চা বাগানের উন্নয়নের জন্য কোন উদ্যোগ ছিলনা, যার জন্য আমরা মাননীয় মুখ্যমন্ত্রী হিমন্ত বিশ্ব শর্মার ভূয়সী প্রশংসা করি। আমরা লক্ষ্য করেছি যে অসমের ছেলে মেয়েরা আজ চাকরী না পেয়ে বিভিন্ন রাজ্যে গিয়ে চাকরী নিচ্ছে। সেটা সিকিউরিটি গার্ড হোক বা অন্য কোন চাকরী। আমাদের মাননীয় মুখ্যমন্ত্রী মহোদয় উনার প্রতিশ্রুতি অনুযায়ী এক লাখের বেশী নিযুক্তি দিয়েছেন । দেড় লাখের টার্গেটের লক্ষ্য পূরণের জন্য মাননীয় মুখ্যমন্ত্রী এগিয়ে চলছেন। কিন্তু Advantage Assam 2.0 র মাধ্যমে লক্ষ্য করেছি উদ্যোগীকরণের যে প্রক্রিয়া, সেই প্রক্রিয়াকে গুরুত্ব দিয়ে মাননীয় মুখ্যমন্ত্রী ভুটান, জাপান, সাউথ কোরিয়া, সিঙ্গাপুর বিভিন্ন রাষ্ট্রে গিয়ে তিনি Advantage Assam এর কাজ শুরু করেছেন। আগামী 25 ও 26 তারিখে মাননীয় মুখ্যমন্ত্রী ও মাননীয় প্রধান মন্ত্রী নরেন্দ্র মোদীজীর উপস্থিতিতে

৫১ জন উদ্যোগপতি আমাদের এই অসমে আসবেন। আর বিভিন্ন রাষ্ট্রের রাষ্ট্রদূতরা বা রাষ্ট্র প্রধানদের উপস্থিতিতে এই Advantage Assam 2.0 উদ্বোধন হবে। জাগীরোডের যে উদ্যোগ সেখানে ২৭ হাজার ছেলে মেয়েরা চাকরি পেতে সক্ষম হবেন। এইভাবে যদি ১০ টা Industry অসমে স্থাপন করা যায় তাহলে শুধু সরকারি চাকরি নয় বে-সরকারি চাকরিতে নিযুক্তি দিয়ে অসমের ছেলে-মেয়েরা যাতে মা বাবার কাছে থেকে অসমেই চাকরি করতে পারেন সেইজন্য Advantage Assam কাজে লাগিয়ে তিনি চেষ্টা করে যাচ্ছেন। নিযুক্তির ক্ষেত্রে মাননীয় মুখ্যমন্ত্রীর ভূয়সী প্রশংসা আজকে বিরোধীদের করা উচিত ছিল, কেন করা উচিত ছিল যে আজকে ১ লাখের বেশী চাকরি দেওয়া হয়েছে। চাকরির নিযুক্তির ক্ষেত্রে কোন ধরণের দুর্নীতির গন্ধ আমরা পাই নাই। কোন সাংসদ বা বিধায়কের সুপারিশ নেই, কোন টাকা-পয়সার লেনদেন নেই। কিন্তু দুর্ভাগ্যবশতঃ আমরা ছোটবেলা থেকে লক্ষ্য করেছি কংগ্রেস সরকারের দিনে লোক সভা আয়োগ পরীক্ষা হোক বা বেসরকারি যে কোন নিযুক্তির সঙ্গে দূর্নীতি জড়িত ছিল। ন্যায়াধীশ বিপ্লব শর্মার প্রতিবেদনে জানতে পাই এপি এস সির দুর্নীতির কথা। মাননীয় মুখ্যমন্ত্রী মহোদয়কে আন্তরিক ধন্যবাদ জানাতে চাই অসমীয়া ভাষা ও বাংলা ভাষাকে ধ্রুপদী ভাষার স্বীকৃতি দেওয়ার পর ভাষা গৌরব সপ্তাহ পালন করা হয়েছে কিন্তু আমরা লক্ষ্য করেছি যে অনেক বিরোধী বিধায়ক এই ভাষা গৌরব সপ্তাহে নিজেকে জড়িত করেননি। আমরা দেখেছি যে খেল মহাড়ণের মতো একটা অসাধারণ চিন্তা ধারা কোন মুখ্যমন্ত্রী করেছেন। যে জায়গায় আমি গর্বের সাথে বলতে পারি এই খেল মহাড়ণে আমাদের অসমের রাজ্য পর্যায়ের প্রতিযোগিতায় কাছাড় জেলা থেকে আমরা খোকো খেলায় সেমি ফাইনালিষ্ট পেয়েছিলাম। সেখানে সবথেকে বেশি প্রতিযোগী আমরা শিলচর থেকে পেয়েছিলাম। বরাক উপত্যকা একটা পিছিয়ে পড়া অঞ্চল ছিল কিন্তু মাত্র চার বছরে মাননীয় মুখ্যমন্ত্রী তার অসাধারণ প্রচেষ্টায় অভূতপূর্ব উন্নতি করেছেন। মাননীয় মুখ্যমন্ত্রী বরাক ভেলি থেকে দুই জন মন্ত্রীকে মন্ত্রী সভায় নিয়েছেন। মেডিকেল কলেজ, কেন্সার হাসপাতাল রাস্তা ঘাট বা ফ্লাই-ওভারের উন্নতির কথা চিন্তা করার জন্য মাননীয় মুখ্যমন্ত্রীকে অশেষ ধন্যবাদ জানিয়ে আমার বক্তব্য শেষ করছি । ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ ঃ** হ'ব আপুনি এইখিনি সদনত দাখিল কৰক। এতিয়া শ্ৰী যুত দুৰ্গা দাস বড়ো

**শ্ৰী দুৰ্গা দাস বড়ো, (কলাইগাঁৱ ) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মই অসমৰ মহামান্য ৰাজ্যপাল ডাঙৰীয়াৰ ভাষনক সমৰ্থন জনাই দুআষাৰ ক'ব বিচাৰিছো বিশেষকৈ শিক্ষাৰ ওপৰত যি বিস্তৃত ভাৱে আলোচনা হৈছে আৰু অসমৰ প্ৰত্যেক খন জিলাত এখনকৈ চিকিৎসা মহাবিদ্যালয় স্থাপনৰ যি সিদ্ধান্ত লোৱা হৈছে সেইটো অতি গুৰুত্বপূৰ্ন কথা। অসম বিধান সভাৰ প্ৰথম দিনটোৰ যি অধিবেশন BTAD ত অনুষ্ঠিত হৈছে সেইক্ষেত্ৰত মই এজন BTAD ৰ বিধায়ক হিচাপে গৰ্ব অনুভ ৰ কৰিছো আৰু তাত মাননীয় মুখ্য মন্ত্ৰী মহাশয়ে যি কেইটা ঘোষনা কৰিছে সেইবোৰ অতি গুৰুত্ব পূৰ্ন বিষয়। ইয়াৰ লগতে আমাৰ BTAD এৰিয়া বোৰটো চিকিৎসা মহাবিদ্যালয়ৰ প্ৰয়োজন আছে। আৰু লগতে ওদালগুৰি জিলাত এখন চিকিৎসা মহাবিদ্যালয় স্থাপন কৰিম বুলি ঘোষণা কৰা মই আনন্দিত। নতুন শিক্ষা আঁচনি আৰম্ভ হোৱাৰ পিছত ৰাজ্য চৰকাৰে শিক্ষাঅনুস্থান বিলাকৰ আন্তঃগাথনিৰ উন্নয়নৰ বাবে যিখিনি সহায় কৰিব পাৰে এই ক্ষেত্ৰত মই বিশেষকৈ শিক্ষা মন্ত্ৰী মহোদয়ক এটা কথা লক্ষ্য ৰাখিবলৈ অনুৰোধ কৰিছো যে যদি কলেজ স্থাপন কৰে সেইটো কলাইগাৱঁত হওঁক, বিজ্ঞানে হওঁক বা বানিজ্য শাখা হওক তাৰ ওচৰত সেই প্ৰত্যেকটো শাখাৰ

উচ্চতৰ মাধ্যমিক শ্ৰেণীৰ ব্যৱস্থা কৰিব লাগে। ইয়াৰোপৰি স্বাস্থ্যৰ ক্ষেত্ৰত টাটাৰ লগত লগ লাগি যি কেইখন Cancer Hospital বনালে সেইটো অতিকে প্ৰয়োজন আছিল অসমত যিহেতু উত্তৰ পূৰ্বাঞ্চল Cancer prone এৰিয়া হিচাপে পৰিগনিত হৈছে গোটেই ভাৰত বৰ্ষৰ ভিতৰত । আৰু আমাৰ ওচৰলৈ প্ৰায় ৩০ শতাংশ Cancer ৰোগী আহে আৰু আমি বিধায়ক সকলৰ পৰা যিটো সাহাৰ্য্য দিওঁ সেইটো যথেষ্ট নহয়। গতিকে মাননীয় স্বাস্থ্য মন্ত্ৰী ডাঙৰীয়াক মই এটা অনুৰোধ কৰিব বিচাৰিছো যে যিবোৰ দুৰাৰোগ্য ৰোগ আছে সেইকেইটা চিনাক্ত কৰণ কৰি তাৰ চিকিৎসাৰ বাবে ১০০ শতাংশ বিনামুলীয়া কৰিব লাগে। স্কুল, কলেজ আৰু বিশ্ববিদ্যালয় পতাটো ইমান ডাঙৰ কথা নহয় কিন্তু অলপতে অসমীয়া ভাষাই ধ্ৰুপদী ভাষা হিচাপে স্বকৃতি পোৱাৰ পিছটো কিয় অসমীয়া মাধ্যমৰ বহুতো স্কুল বন্ধ হ'ব লগা হল এই ক্ষেত্ৰত চৰকাৰ খনে দৃষ্টি ৰাখিব বুলি মই আশা ৰাখিছো। হয় কিছুমান বিদ্যালয় ভাগ কৰি দিয়াৰ পিছত বা অন্য স্কুলৰ লগত লগ কৰি দিয়াৰ ফলত কিছু স্কুল বন্ধ হৈছে কিন্তু অকল অসমীয়া ভাষাৰ বিদ্যালয় নহয় অসমত থকা অন্যান্য অঞ্চলিক ভাষাৰ লগতে ভাৰতবৰ্ষৰ অন্যান্য ৰাজ্য বোৰতো তেওঁলোকৰ আঞ্চলিক ভাষাবোৰ যেনে বেংগলী, টেলেগু ইত্যাদি ভাষাবোৰো সংকতত পৰিছে। যাৰ ফলত ল'ৰা ছোৱালী বিলাকে ইংৰাজী মাধ্যমৰ বিদ্যালয়লৈ ধাপলি মেলিছে। গতিকে মই আশা কৰোঁ যে আমাৰ চৰকাৰে ভবিষ্যতে ধ্ৰুপদী অসমীয়া ভাষাৰ এখনো যাতে স্কুল বন্ধ নহয় তাৰ ওপৰত গুৰুত্ব দিব বুলি মই আশা কৰিছো। নতুন শিক্ষা নীতি মতে চৰকাৰ খনে শিক্ষাৰ ক্ষেত্ৰত top to bottom গুৰুত্ব দিছে লগতে pre primary স্কুলৰ শিক্ষাৰ মান উন্নত কৰাৰ লগতে নতুন আদৰ্শ অংগনাবাদী কেন্দ্ৰ নিৰ্মান কৰিছে। স্কুল কলেজৰ নতুন গৃহ নিৰ্মান কৰিছে কিন্তু মই ভাবো যে চৰকাৰ খনে জাতীয় সংগঠনৰ লগতে যিবোৰ ছাত্ৰ সংগঠন আছে তেখেত সকলৰ লগত আলোচনা কৰাটো উচিত, কি কাৰণত আমাৰ ছাত্ৰ-ছাত্ৰী বিলাকে ধাপলি মেলিছে। বৰ্তমানৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াই গৃহ মন্ত্ৰীৰ দায়ত্বটো আছে আৰু তেখেতে গৃহ বিভাগটো উন্নত কৰাৰ বাবে যথেষ্ট প্ৰচেষ্টা চলাইছে, অসমৰ পুলিছ থানা বিলাকক অত্যাধনিক গৃহ দিছে নতুন Arms দিয়াৰ ব্যৱস্থা কৰিছে, নতুন বেটেলিয়ান খুলিছে কিন্তু মই দেখা পাইছো যে পুলিছৰ বেছিভাগ মানুহে অলপ ঠাইয়ো দৌৰিব পৰা অৱস্থাত নাই। এই ক্ষেত্ৰত এসময়ৰ ডিজিপি য়ে ব্যৱস্থা লৈছিল যে পুলিছৰ কনিষ্ঠবল বা বিষয়া হওক তেওঁলোকৰ মেদ বহুলতা কমাব লাগে। আজি পুলিছতকৈ চুৰ ডকাইতে বেছিকৈ দৌৰিব পাৰে। গতিকে মই মুখ্য মন্ত্ৰী মহোদয়ক এই বিষয়ত পদক্ষেপ গ্ৰহণ কৰিব বুলি অনুৰোধ কৰিলো। ইয়াৰ লগতে গৃহ ৰক্ষী বাহিনীৰ দৰমহা যথেষ্ট বৃদ্ধি পোৱাত মই ভাল পাইছো কিন্তু গাওঁ অঞ্চলত পুলিছক সহায় কৰিবৰ বাবে থকা ভি ডি পি সকলৰো পাৰিতোষিক বৃদ্ধি কৰাৰ লগতে তেওঁলোকক কিছু উন্নত কৰিব লাগে। BTC ত হৈ যোৱা আমাৰ বিধান সভাৰ অধিবেশন এটা মাইলৰ খুটি হিচাপে পৰিগনিত হৈছে ৰাস্তা ঘাটৰ যাতায়তৰ ক্ষেত্ৰত আমাৰ এই চৰকাৰৰ চতুৰ্থ বৰ্ষত। ইয়াৰ লগতে ষষ্ঠ অনুসূচীৰ সৰ্বাংগীন উন্নয়নৰ বাবে যেনে ডিমাহাচাওৰ বাবে ১০০ কোটি কাৰ্বিআংলংৰ বাবে ২০০ কোটি আৰু BTC ৰ কাৰণে ৫০০ কোটি ৰাস্তা ঘাট বনাবৰ কাৰণে মুখ্য মন্ত্ৰী যি ঘোষনা কৰিছে ইয়াৰ আগতে ইমান টকা দিয়াৰ ক'তো উদাহৰণ নাই।

**মাননীয় উপাধ্যক্ষ মহোদয়** ঃ হ'ব আপোনাৰ

**শ্ৰী দুৰ্গা দাস বড়ো, (কলাইগাওঁ)** ঃ উপাধ্যক্ষ মহোদয় মোৰ ৫ মিনিট গৈছে ৮ মিনিটৰ পৰা। গতিকে মই ক'ব বিচাৰিছো যে আজিৰ দিনটোত BTC ৰ ৰাইজ বহুত সুখী ইয়াৰ লগতে আমাৰ যিবোৰ খাদ্য সুৰক্ষাৰ কাৰ্ড দিছে তাত প্ৰতিগৰাকী বিধায়কক জৰিত কৰাৰ বাবে মই যথেষ্ট

আনন্দিত।.....

**মাননীয় উপাধ্যক্ষ ঃ** অনুগ্ৰহ কৰি চমু কৰক।

**শ্ৰী দুৰ্গা দাস বড়ো, (কলাইগাওঁ) ঃ** ছাৰ, মোৰ সময় ৮ মিনিট আছিল, তাৰে ৫ মিনিট গৈছে। গতিকে মই সেই কাৰণে কব বিচাৰিছো যে আজিৰ দিনটোত বিটিচি অঞ্চলৰ ৰাইজ এই ক্ষেত্ৰত যথেষ্ট সুখী। মই কিন্তু লগে লগে এটা কথা কব বিচাৰিছো, আমাৰ খাদ্য সুৰক্ষা, পাৰিলে আমি যি বিলাক কাৰ্ড দিলো প্ৰত্যেক গৰাকী বিধায়কক তাত জড়িত কৰা হৈছে, তাৰ ধন্যবাদ দিছো। আমাৰ যিবিলাক আপত্তি আহে আমি নিষ্পত্তি কৰিব পাৰিছো। কিন্তু তথাপি খাদ্য বিভাগৰ দুৰ্নীতিৰ আগতেও নাম আছিল এতিয়াও আছে, ভৰিষ্যতেও নাম থাকিব দুৰ্নীতিৰ বিভাগ বুলি। এখন এখন য'ত সুবিধা পায় বিশেষকৈ minority এলেকাত যিবিলাক ধৰ্মীয়া সংখ্যালঘু এৰিয়া আছে সেইবিলাক এলেকাত যথেষ্ট দুৰ্নীতি হৈছে এই কাৰ্ড দিয়াৰ ক্ষেত্ৰত।

**মাননীয় উপাধ্যক্ষ ঃ** অনুগ্ৰহ কৰি চমু কৰক।

**শ্ৰী দুৰ্গা দাস বড়ো, (কলাইগাওঁ) ঃ** গতিকে মই ভাৱো এই কথা বিলাক যিবিলাক বাকী আছে পাবলৈ, এতিয়াও বহু বাকী আছে পাবলৈ, তেওঁলোকৰ সেই অঞ্চল সমূহত দিয়াৰ ব্যৱস্থা কৰিব বুলি মই আশা ৰাখিছো আৰু মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই যোৱা ৪ টা বছৰত যিখিনি উন্নয়ন মূলক কাম-কাজ, বিশেষকৈ তাৰ লগত যিটো sports আছে সেই বিভাগত তেখেতে নিযুক্তিৰ যিটো ব্যৱস্থা কৰিলে, ইতিমধ্যে ঘোষণা কৰিছে last national games ত যি সকল খেলুৱৈয়ে মেডেল পাইছে তেওঁলোকক চাকৰি দিব। এই প্ৰশ্নটো মই উৎথাপন কৰিছো শেষত উপাধ্যক্ষ মহোদয়, এক প্ৰকাৰ হিচাপে মই এইটো গৌৰব কৰিছো যে আমি ৩ ৰ পৰা ৪ শতাংশ মাত্ৰ sports কোটা বিচাৰিছিলো আজি অসমৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াই বোধহয় এইটো আইনত পৰিণত কৰি থৈ দিলে আৰু ভাল হ'ব মই ভাৱো। Commonwealth games, Asian games, olympic and National games ৰ মেডেলিষ্ট বিলাকক যি চাকৰি দিয়াৰ কথা কৈছে ১০০ শতাংশই চাকৰি দিছে, ১ শতাংশ, ২ শতাংশ, ৩ শতাংশ নহয়।

**মাননীয় উপাধ্যক্ষ ঃ** অনুগ্ৰহ কৰি চমু কৰক।

**শ্ৰী দুৰ্গা দাস বড়ো, (কলাইগাওঁ) ঃ** গতিকে মই ভাৱো প্ৰত্যেকটো বিভাগতে অলপ ভাল coach দিয়াৰ কাৰণে ক্ৰীড়া বিভাগে চিন্তা কৰিব। ধন্যবাদ।

মাননীয় উপাধ্যক্ষ ঃ ধন্যবাদ। এতিয়া দিপ্লু ৰঞ্জন শৰ্মা।

**শ্ৰীদিপ্লুৰঞ্জন শৰ্মা, (চামগুৰি) ঃ** ধন্যবাদ, উপাধ্যক্ষ মহোদয়, অসম বিধান সভাৰ প্ৰথমটো ভাষণ মই সকলোকে ধন্যবাদ জ্ঞাপন কৰিছো, আশীৰ্বাদো বিচাৰিছো। প্ৰথম দিনটো ১৭ ফ্ৰেব্ৰুৱাৰী, ২০২৫ ইংৰাজী তাৰিখ আমাৰ কাৰণে এটা বিশেষ দিন আছিল। ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াই সদায় এটা কথা কয় যে এক ভাৰত শ্ৰেষ্ঠ ভাৰত। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়া আৰু মাননীয় অধ্যক্ষ মহোদয় বিশ্বজিৎ দৈমাৰী ডাঙৰীয়াই এই চিন্তাৰ প্ৰতিফলন ঘটাই এক অসম শ্ৰেষ্ঠ অসম, এই বাক্যশাৰী প্ৰতিফলিত কৰি কোকৰাঝাৰত বিধান সভাৰ যিটো প্ৰথম অধিবেশন আহ্বান কৰিলে তাৰ কাৰণে মই মাননীয় মুখ্যমন্ত্ৰীকে ধৰি মাননীয় অধ্যক্ষ মহোদয়কো ধন্যবাদ জ্ঞাপন কৰাৰ লগতে মই কৃতজ্ঞতাও জ্ঞাপন কৰিছো। আজি স্বামী বিবেকানন্দৰ এটা কথা মোৰ মনত পৰিছে যে স্বামী বিবেকানন্দই কৈছিল যে আমাৰ যি অতীত আছে আমাৰ যি ঐতিহ্য আছে, আমাৰ যি পৰম্পৰা আছে, এই ঐতিহ্য আৰু পৰম্পৰাক লৈ আমি সদায় গৰ্ব অনুভৱ কৰিব লাগে। আমাৰ বৰ্তমানত আৰু আমি কেনেকৈ ভাল কৰিব পাৰো তাৰ বাবে আমি আৰু চেষ্টা কৰিব লাগে। আৰু ভৰিষ্যৎ যি

আমাৰ আহি আছে এই ভৱিষ্যতক লৈ আমি খুব আশাবাদী হ'ব লাগে ভাল কাম কৰিম বুলি, ভাৰত বৰ্ষৰ বিশ্বসিংহাখনত প্ৰতিষ্ঠিত কৰিম বুলি। মাননীয় ৰাজ্যপাল ডাঙৰীয়াৰ যি ভাষণ আমাৰ ঐতিহ্যৰ পৰম্পৰাৰ সংমিশ্ৰণ। আৰু তাৰ লগে লগে তেখেতে যিটো বিষয়ে কৈছে, আমাৰ চৰকাৰৰ যিটো মূল দৃষ্টিভঙ্গি, ডº হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ নেতৃত্বধীন ভৱিষ্যৎ দৰ্শী চৰকাৰ খনৰ যিটো মূল চিন্তা যে ভৱিষ্যতৰ কাৰণে আমি সাজু, এই অতীত, পৰম্পৰা আৰু ভৱিষ্যৎ এই সংমিশ্ৰণত ডº হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ নেতৃত্বধীন চৰকাৰখনত অসমক ভাৰতৰ ভিতৰত এখন অন্যতম শ্ৰেষ্ঠ ৰাজ্যত পৰিণত কৰিবৰ বাবে আমাৰ যি সপোন, যি প্ৰচেষ্ঠা, এই সপোন আৰু প্ৰচেষ্ঠাক প্ৰতিফলিত কৰিছে মাননীয় মহামান্য ৰাজ্যপাল ডাঙৰীয়াৰ ভাষণে। আমি দেখিছো যে আমাৰ এই চৰকাৰৰ দিনত মাননীয় মুখ্যমন্ত্ৰী ডº হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ নেতৃত্বধীন চৰকাৰৰ দিনত আজি আমি গ্ৰাম্য উন্নয়নৰ পৰা আৰম্ভ কৰি অৰুণোদয়ৰ পৰা আৰম্ভ কৰি মুখ্যমন্ত্ৰী আত্মনিৰ্ভৰ আঁচনিৰ জৰিয়তে যুৱ বিকাশৰ কথা চিন্তা কৰি অৰুণোদয়, নিযুত মাইনাকে আৰম্ভ কৰি অতি গ্ৰাচৰুথৰ পৰা আৰম্ভ কৰি আজি আমি ২৭০০০ কোটি টকাৰ semi conductor industry, আজি আমি advantage Assamৰ জৰিয়তে আজি আমি কলৈকে আগবাঢ়িছো আজি আমি অসমত defence production ৰ পৰা আৰম্ভ কৰি বিভিন্ন ক্ষেত্ৰত আমি আজি আগবাঢ়িবলৈ সক্ষম হৈছো। এখন ভৱিষ্যৎ দৰ্শী চৰকাৰ। যি চৰকাৰে মহিলাসবলীকৰণৰ কথাও চিন্তা কৰিব আৰু যি চৰকাৰে নিযুত মাইনাৰ জৰিয়তে মাননীয় উপাধ্যক্ষ মহোদয়, মোৰ মনত আছে ২০০৯ চনত মই এটা খুব ভালকৈ মেট্ৰিক পাছ কৰা ল'ৰা এজনৰ ঘৰত গৈছিলো খূব দৰিদ্ৰ পৰিয়ালৰ ছাত্ৰ আছিল আমি গৈছিলো, মাকে আনন্দ কৰিব পৰা নাছিল কান্দিছিল। কিহৰ কাৰণে মই সুধিছিলো তেতিয়া তেওঁলোকে কৈছিল যে ল'ৰা-ছোৱালী ভালকৈ পাছ কৰিছে কিন্তু তেওঁলোকক ভৱিষ্যতলৈ পঢ়াম কেনেকৈ। আজি আমাৰ চৰকাৰে দুখীয়া ল'ৰা-ছোৱালীক পঢ়াবৰ কাৰণে যিমান খিনি ইনিচেটিভ লৈছে আজি নিযুত মাইনা আঁচনিৰ জৰিয়তে আজি ছাত্ৰী সকলৰ উন্নয়নৰ কাৰণে যিটো এটা revolutionary মই ভাৱো যে এইটো এটা নিৰৱ সামাজিক বিপ্লৱৰ কাৰণে আগবাঢ়ি গৈছে। আজি যেতিয়া শদিয়াৰ পৰা আৰম্ভ কৰি ধুবুৰীলৈকে শ্ৰীভূমিকে আৰম্ভ কৰি কোকৰাঝাৰলৈকে আজি প্ৰায় ২৫ হাজাৰতকৈ অধিক যুৱপ্ৰজন্মই আজি মুখ্যমন্ত্ৰী আত্মনিৰ্ভৰ অসম যোজনাৰ জৰিয়তে সৰু সৰু ব্যৱসায় আৰম্ভ কৰি নিজৰ পৰিয়ালক হাহি বিয়পাবলৈ সক্ষম হৈছে। নিজে স্বাৱলম্বি হৈ উঠিছে মই ভাৱো এই খন চৰকাৰে আজি যিমানখিনি কাম কৰিছে ইতিহাসৰ পাতত সদায় আমাৰ এই নাম লিখা হৈ থাকিব। আজি advantage Assam ৰ কথা আহিছে, সকলো সময়তে মই দেখিছো আমাৰ বিৰোধী পক্ষৰ সন্মানীয় বিধায়কে বহুত সময়ত প্ৰশ্ন কৰিছে কিন্তু আজি advantage Assam ৰ কথা আহিছে, আজি ২৭ হাজাৰ কোটি টকা এষ্টিমেটে আজি চেমি কন্‌ডাকটৰ ইণ্ডাষ্ট্ৰীৰ কথা আহিছে। এটা কথা বহুত দিন আগতে মোৰ মনত পৰিছে মাননীয় প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়া যেতিয়া মুখ্যমন্ত্ৰী হৈ আছিল তেতিয়া তেখেতে এটা খুব ওখকৈ অনুভৱ কৰিছিল যে আমি চিংগাপুৰত ৰাতিপুৱা মানুহে যি চাহ কাপ খাই সেই চাহত খোৱা গাখীৰ গুজৰাটৰ পৰা ৰপ্তানী হয় আৰু হয়তো বেছি দিন নাই আমি প্ৰত্যেকজন অসম বাসীয়ে খুব গৌৰৱে কব পাৰিম ৫ বছৰৰ পিছত যে জাৰ্মানী, আমেৰিকা অন্যান্য উন্নত দেশত যি micro chip লগা হৈছে সেই মাইক্ৰ চিপ অসমৰ জাগিৰোদৰ পৰা ৰপ্তানী হ'ব। এয়া আমাৰ উদ্যোগী ৰিভ'লৈচন। কিন্তু আমাৰ বিৰোধী পক্ষই আমাক হাহিছে কিন্তু তেওঁলোকে কংগ্ৰেছৰ মন্ত্ৰী প্ৰিয়াং খাৰ্গে যেতিয়া অসমত মেধাৰ পৰিৱেশ নাই, অসমত ইকো চিচ্‌টেম নাই বুলি গোটেই সমগ্ৰ অসমৰ মেধা শক্তিক অপমান

কৰিছে কিন্তু অখিল গগৈ ডাঙৰীয়াকে আৰম্ভ কৰি কোনেও ইয়াৰ প্ৰতিবাদ কৰা নাছিল কাৰণ সকলোৰে মূখত কাৰণ আমাৰ চৰকাৰে দায়িত্ব বদ্ধ ভাৱে কাম কৰো, দায়বদ্ধতাৰে কাম কৰো সন্মানীয় উপাধ্যক্ষ মহোদয়, মই ভাৱো আমাৰ চৰকাৰৰ ভাষণ মোৰ আৰু এটা বিষয় মোৰ আটাইতকৈ বেছি মোক প্ৰবান্বিত কৰিছিল যে ৬১ নং পেজত আমাৰ মাননীয় ভৱিষ্যৎ দৰ্শী মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই কৈছে যে ২০২৫ বৰ্ষটো আমি কিতাপৰ বৰ্ষ হিচাপে ল'ব লাগে। আৰু এইবাৰ মই দেখিছো মোৰ খুব ভাল লাগিছে যে আমাৰ চৰকাৰে এটা আঁচনি লৈছে যে পঞ্চায়ত আৰু মিনিচিপল্টি বিভিন্ন ৱাৰ্ডত ২৫৯৭ লাইবেৰী স্থাপন কৰিব। আমি যদি আজি জাপানৰ ইতিহাস চাও, অন্যান্য উন্নত দেশৰ ইতিহাস চাও সেই দেশৰ প্ৰজন্ম সমূহক গ্ৰন্থ অধ্যায়ণ কৰাৰ জৰিয়তে আজি আমি দেখিছে গতিকে আজি এদভাটেজ অসমৰ জৰিয়তে ১ লাখ ৭৫ হাজাৰ কোটি টকা আজি ইনভেজমেন্ট হ'ব গৈ আছে। মই সন্মানীয় বিৰোধী পক্ষক আহ্বান জনাম আমাৰ এই যি ইনিচেটিভত আপোনালোকে সমৰ্থন কৰক। বাহিৰত কোনোবা নেতাই অসমৰ মেধা শক্তিক ভেঙুচালী কৰিব পাৰে আপোনালোকে সকলোৰে দল মত নিৰ্বেশেষৰ ওপৰত এক অসম চেষ্ঠ অসম বনাবৰ কাৰণে মাননীয় মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ নেতৃত্বত উন্নয়নৰ যি অনিৰ্বাণ আৰু অনিৰূদ্ধ যাত্ৰা আৰম্ভ হৈছে সেই অনিৰ্বাণ আৰু অনিৰূদ্ধ যাত্ৰাত আমাক সকলোৰে সহযোগ কৰক। মাননীয় আমিনুল ইছলাম ডাঙৰীয়াই কৈছিল সবকা সাথ সব কা বিকাশ, আমাৰ চৰকাৰ আমাৰ দলৰ সবকা সাথ সব কা বিকাশ আজি কেনেদৰে প্ৰতিফলিত হৈছে আপুনি বেছি দূৰলৈ যাব নালাগে, আপুনি চামুগুৰিলৈ আহি চাওঁক। চামুগুৰিৰ ৰাইজে স্ববকা সাথ স্ববকা বিকাশৰ প্ৰতিফলন ঘটাইছে, justice to all appeasement to none এই নীতিৰে আজি আমি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়া, মাননীয় মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ নেতৃত্বত ভাৰতবৰ্ষত ২০৪৭ চনৰ ভিতৰত এখন বিকশিত ভাৰতবৰ্ষ আৰু অসমক ভাৰতবৰ্ষত ভিতৰত এখন শ্ৰেষ্ঠ্যতম ৰাজ্যত পৰিনত কৰিবৰ কাৰণে আমি প্ৰচেষ্টা অব্যাহত ৰাখিম। ভাৰত মাতা কি জয়, জয় আই অসম।

**মাননীয় উপাধ্যক্ষ** ঃ ধন্যবাদ। এতিয়া সন্মানীয় সদস্য শ্ৰী আশ্ৰাফুল হুছেইন।

**শ্ৰী আশ্ৰাফুল হুছেইন, (চেঙা)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, দূৰৰ পাহাৰ দেখিবলৈ ধুনিয়া, আমাৰ মাননীয় সদস্য গৰাকী নতুন আহিছে, ভিতৰৰ কাৰ্য্য প্ৰণালী বৰ বিশেষকৈ দেখা নাই। যাৰ কাৰণে বহুত ধুনিয়া ধুনিয়া কথাকে তেখেতে কবলৈ লৈছে।

মাননীয় উপাধ্যক্ষ মহোদয়, মহামহিম ৰাজ্যপাল মহোদয়ৰ ভাষণত যিবিলাক কথা তেখেতে উল্লেখ নকৰিলে, তাৰ সংশোধনীহে আমি বিচাৰিছো।

মাননীয় উপাধ্যক্ষ মহোদয়, ১৯৬৪ চনত অসম অন্তিম বাৰৰ বাবে cadestrial survey হৈছিল। আমি বিচাৰিছিলো যে মহামহিম ৰাজ্যপালৰ ভাষণত ক'ব যিসমূহ ঠাইৰ মানুহে এতিয়াও মাটিৰ পাট্টা পোৱা নাই, তেওঁলোকৰ জাতি ধৰ্মৰ ভেদা-ভেদ বাদ দি মাটি পাট্টা দিয়া হ'ব আৰু প্ৰতিজন নাগৰিকে মাটিৰ পাট্টা পাব। এই বিষয়টো থাকিব লাগিছিল।

(shri Jalen Daimary, Chairman on the Chair)

মাননীয় সভাপতি মহোদয়, আজি মই যি সমষ্টিত প্ৰতিনিধিত্ব কৰো, সেই সমষ্টিটোত অসমৰ ভিতৰত আটাইতকৈ বেচি cadestrial village আছে আৰু বিশেষকৈ চৰ অঞ্চলসমূহত আছে। যি চৰ অঞ্চলৰ মাটিত প্ৰতিদিনে নিশাই কষ্ট কৰি ফচল উৎপাদন কৰা হয়, সেই ফচলৰ জৰিয়তে অসমৰ কৃষি অৰ্থনীতিৰ ভড়াল আমি টনকীয়া কৰিছো আৰু সেই সময়ত আমাৰ কৃষসকলে

যুগৰ পিছত যুগ তেওঁলোকৰ আজোককাৰ, দেউতা সকলোৰ হাড়, মঙহ মাটিৰ লগত মিহলি হৈ যোৱাৰ পিছতো মাটিৰ মালিকীস্বত্ত তেওঁলোকে আজিৰ দিনলৈকে তেওঁলোকে আদায় কৰিব পৰা নাই বা আজিৰ দিনলৈকে পোৱা নাই। এই দূৰ্ভাগ্যৰ মাজেৰে আমি পাৰ কৰিছো। কোনোবা এটা পক্ষই ৫২ বছৰ তেওঁলোকে শাসন কৰিছে আৰু তেওঁলোকে আমাৰ ৫২ বছৰত সদায় যি অপমান অৱহেলা কৰিছে, তাৰ পৰা আমি পৰিত্ৰাণ বিচাৰিছো। ভাৰিছিলো যে আগৰ মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল ডাঙৰীয়া, বৰ্তমানৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ নেতৃত্বৰ চৰকাৰখনে অন্তত আমাৰ ন্যায় দিব আৰু সেই ন্যায় এতিয়া আমি পাম বুলি আশাবাদী। চৰকাৰৰ প্ৰচেষ্টাত যি ভূমিৰ ওপৰত বসুন্ধৰা ১, ২, ৩ ৰ জৰিয়তে যি কাম কাজ আৰম্ভ হৈছে, অহা দিনত ধৰ্মীয় ভেদাভেদ পাহৰি সকলোৰে যাতে মাটিৰ পাট্টা পায়, তাৰ ব্যৱস্থা কৰিব বুলি আমি আশা কৰিছোঁ আৰু আশা কৰিছিলো যে ৰাজ্যপাল মহোদয়ে এই পৰামৰ্শটো তেখেতৰ বক্তব্যত আগবঢ়াব।

মাননীয় সভাপতি মহোদয়, সংখ্যালঘুৰ পুঁজি বছৰৰ পিছত বছৰ কৰ্তন হৈ আছে, কমি কমি আছে। এই পুঁজি আজি দেখিবলৈ পাইছো যে সংখ্যালঘুৰ ছাত্ৰ-ছাত্ৰীয়ে কলাৰচিপ (ছাত্ৰ বৃত্তি) যেনেকুৱাকৈ পাব লাগিছিল, তেনেকুৱাকৈ পোৱা নাই। এটা সময়ত MSDP ৰ জৰিয়তে ৰাজ্যত infrastructure development ৰ কাম কাজ হৈছিল, কিন্তু MSDP ৰ আঁচনি UC প্ৰদান কৰিব নোৱাৰা কাৰণে আজি সংখ্যালঘূ কল্যাণ দপ্তৰত ভাৰত চৰকাৰৰ পৰা পুঁজি মুকলি কৰি দিয়া নাই। মই ভাৰিছিলো সভাপতি মহোদয়, ৰাজ্যপাল মহোদয়ে বিভাগটোক threatening দিব, তেখেত ক'ব যে ৰাজ্যত কিয় উন্নয়ন হৈ থকা নাই, ৰাজ্যত এই পইচা কিয় আনিব পৰা নাই। কিন্তু তেখেতৰ সেই পৰামৰ্শ তেখেতৰ ভাষণত দেখিবলৈ নাপালো। কেৱল ফুলঝাৰি, কেৱল চৰকাৰৰ প্ৰতিটো বাঁহ বাঁহ দিয়াৰ কাৰণে যদি ৰাজ্যপালৰ ভাষণ, তেখেত এখন ৰাজ্যৰ মূৰবী আৰু অভিভাৱক হিচাপে যদি তেখেতে আমাক সমালোচনা আৰু পৰামৰ্শ দিব নোৱাৰে, তেনেহলে সেই ভাষণৰ আন্ত সাৰ শূণ্যতা বুলিহে আমি কম।

মাননীয় সভাপতি মহোদয়, আমি ভাৰো যে চৰকাৰৰ সংখ্যালঘূ কল্যাণ দপ্তৰে অতি শীঘ্ৰে NSDP আঁচনি সমূহৰ UC প্ৰদান কৰক, আৰু কেন্দ্ৰৰ পৰা PMGBK আঁচনিৰ জৰিয়তে পুঁজি আৰু infrastructure ৰ কাম কৰক। আমি ভাৰো যে সংখ্যালঘূ বিভাগৰ যি পুঁজি বছৰৰ পৰা বছৰ অসম চৰকাৰে কৰ্তন কৰি গৈ আছে, এই পুঁজি অনাগত সময়ত অহা বাজেটত বৃদ্ধি কৰক আৰু আমি ভাৰো যে সংখ্যালঘু ছাত্ৰ -ছাত্ৰীসকলক কলাৰচিপ বৃদ্ধি কৰক।

মাননীয় সভাপতি মহোদয়, ১৯৯৩ চন তাৰ পিছত ২০১৩ চনত চৰ অঞ্চলৰ যি সঞ্চালয়ক আছে তাৰ জৰিয়তে অন্তিম বাৰৰ কাৰণে survey হৈছিল আৰু দেখা গৈছিল গোটেই অসমত ২২৫১খন চৰ গাঁও আছে, আৰু চৰ গাওঁ সমূহত প্ৰায় ১৯ শতাংশ মানুহে শিক্ষিত হৈছে আৰু তাৰ পৰবৰ্তীসময়ত বিভিন্ন ধৰণৰ শিক্ষাদিক্ষাৰ যি কাৰ্যসূচী ল'ব লাগিছিল, তাৰ বিপৰীতে আজিও দেখা গৈছে যে এজনীয়া শিক্ষকৰে অনেক বিদ্যালয় চলিছে আৰু শিক্ষক সকলক অনিয়ম উপস্থিত বা তেওঁলোকে সময়ত যিখিনি ছাত্ৰ-ছাত্ৰীসকলক যোগান ধৰিব লাগে, সেই ক্ষেত্ৰতটো monitoring, vigilance ৰ অভাৱ আমি পৰিলক্ষিত কৰিছো।

আমি ভাৰো সভাপতি মহোদয়, এই বিষয় বিলাকত যদি অসম খনক শ্ৰেষ্ঠ্য পাঁচখন ৰাজ্যৰ মাজলৈ লৈ যাব লাগে, তেনেহলে প্ৰতিটো জাতি জনগোষ্ঠী,একেবাৰে অসমৰ অন্তিম প্ৰাণত বসবাস কৰা মানুহৰো সমবিকাশ বা সমকল্যাণ হ'ব লাগিব। সকলোকে যদি আগলৈ লৈ যাব নোৱাৰে, তেনেহলে এই ৰাজ্যখনত আমাৰ আকাংশিত লক্ষ্যস্থানত উপনিত হোৱাটো কোনো

প্ৰকাৰে সম্ভৱ নহয়।

মহোদয়, দেখা গৈছে যে ৰাজ্য চৰকাৰে বিভিন্ন উৎসৰ পৰা ঋণ লৈছে । ঋণৰ ক্ষেত্ৰত আলোচনা সমালোচনা, পক্ষে - বিপক্ষে বিভিন্ন ধৰণৰ বাদনুবাদ থকা পিছতো কৈছে, প্ৰতিজন নাগৰিকৰ মুৰে মুৰে তেওঁলোকে ক'ব যে জনমুৰি ঋণটো নাই নেকি? যদি প্ৰতিজন নাগৰিকৰ আয়ত যেনেকৈ GSDP আছে, তাৰ ওপৰত যদি ঋণ লয়, আৰু সেই ঋণ যদি সমভাৱে বিতৰণ নকৰি কোনো বিশেষ ঠাই, বিশেষ ভাৱে মুখ্যমন্ত্ৰী বা চৰকাৰ ভাল লগা ঠাইখিনিত যদি সেই ঋণৰ টকাখিনি খৰছ কৰে, আমাৰ এই অঞ্চলবোৰত যদি উন্নয়নৰ কাম কাজ নহয়, আমি যদি তাৰ আকাশ পাতাল পাৰ্থক্যটো চাওঁ, সেয়াহে আটাইতকৈ দূৰ্ভাগ্যজনক। মই ভাৱিছিলো যে ৰাজ্যপাল মহোদয়ে ক'ব ঋণ গোটেই ৰাজ্যৰ কাৰণে লোৱা হৈছে, তেনেহলে চৰ অঞ্চলৰ প্ৰান্তিয় মানুহক, বিৰোধী বিধায়ক থকা মানুহৰ সমষ্টি সমূহত এই ঋণৰ টকাৰে সমভাৱে বিকাশ কৰিব লাগে। আজি অসম মালাৰ উন্নয়ন চাওঁক, লোক নিৰ্মাণ বিভাগৰ উন্নয়নে চাওঁক, দেখা গৈছে যে তেওঁলোকৰ ওচৰত discretionary power আছে কাৰণে তেওঁলোকে শাসকীয় পক্ষক কিলোমিটাৰৰ পিছত কিলোমিটাৰ আৰু বিৰোধী পক্ষৰ বিধায়কক সামন্য বা তাতোকৈ কম পূঁজি আৱন্টন দিব। ইয়াতকৈ বঞ্চনা আৰু অন্যায় একো হ'ব নোৱাৰে। ইয়াক আমি তীব্ৰ ভাষাৰে গৰিহণা দিছো। আমি ভাৱো যে সমবিকাশ, সম উন্নয়ন কৰিব নোৱাৰিলে ৰাজ্য কোনো পদ্ধে শ্ৰেষ্ঠ পাঁচখন ৰাজ্যত যাব নোৱাৰে।

মহোদয়, আমি ভাৱিছিলো যে গোটেই অসমত শেহতীয়াকৈ Rat Minning ক কেন্দ্ৰ কৰি বিভিন্ন বিষয় বিলাক হৈ আছে, ৰাজ্যপাল মহোদয়ে কথা বিলাক ক'ব যে Rat Minning যিহেতু Green Tribunal অবৈধ বুলি ঘোষণা কৰিছে, তাৰ পিছতো উমৰাংচুত কেনেকৈ ইমান মানুহ মৃত্যু হ'ল? কেনেকুৱাকৈ লিডুৰ কয়লাখনিত কয়লাৰ তলত শ্ৰমিকক পুতি থোৱা হ'ল? যোগীঘোপাত কেনেকৈ ট্ৰাকে ট্ৰাকে অবৈধ কয়লা জব্দ হয়? আজি অসমৰ ৰাজহৰ কৌটি কৌটি টকা কেনেকৈ ফাঁকি দিয়া হৈছে ? আজি খনিজাত সামগ্ৰী যি ধৰণে নিশেষ কৰি দিয়াৰ কাৰণে চিণ্ডিকেট ৰাজ ব্যৱস্থা শাসকীয় পক্ষৰ পৃষ্ঠপোষকতাত চলিছে, এই বিষয় বিলাকৰ সমালোচনা কৰিব লাগিছিল, পৰামৰ্শ আমাৰ দিব লাগিছিল, কিন্তু তাৰ পৰাও আমি বঞ্চিত হৈছো।

সভাপতি মহোদয়, দেখা গৈছে যে আজি গোটেই ৰাজ্যত যিধৰণৰ পুলিচি ৰাজ চলিছে, আমি আশা কৰিছিলো ৰাজ্যপাল মহোদয়ে ক'ব যে ৰাজ্যত যিধৰণে fake encounter হৈছে, ইয়াত আইন আৰু প্ৰশাসনৰ ব্যৱস্থা চলি থকা নাই। ন্যয়ালয়ৰ ওপৰত আপোনালোকৰ আস্থা হেৰুৱাইছে নেকি? আজি পুলিচৰ হাতৰ পৰা কেৱল আচামি দৌৰে। ইয়াৰ জৰিয়তে ভয় আৰু ভাবুকি দেখুৱাই যদি ভাৱিছে যে law and order situation control ত আনি আছো, তেওঁলোকৰ সেয়া ব্যৰ্থ প্ৰচেষ্টা। আনৰ ওপৰত আমি আস্থা আৰু বিশ্বাস হেৰাই দিয়াটো ভাল নহয়। আজি যদি extra juducial killing-যি প্ৰক্ৰিয়া ৰাজ্যত চলিছে, এই প্ৰক্ৰিয়াটো বন্ধ কৰা উচিত। গোটেই বিশ্বৰ বিভিন্ন প্ৰান্তৰ পৰা কোম্পানীসমূহ অসমলৈ আহিব, তেওঁলোকে যেতিয়া শুনিব যে অসমৰ ভিতৰত এনেকুৱাকৈ extra juducial killing ৰাজ্যৰ জৰিয়তে চলে, ইয়াতকৈ দূৰ্নাম আমাৰ একো হ'ব নোৱাৰে।

সভাপতি মহোদয়, এটা গুৰুত্বপূৰ্ণ কথা আজিৰ সদনত বৰপেটা জিলাৰ বহুকেইটা বিধায়ক আছে। পুলিছে বৰপেটা জিলাত যিটো আৰম্ভ কৰিছে, সেয়া শুনিলে আপোনালোকে আচৰিত হ'ব। বৰপেটা জিলাত ৰাতি ৰাতি মানুহ উঠাই লৈ যায় আৰু ৰাতিপূৱালৈ ৫ ৰ পাৰ ৭ লাখ টকালৈ

সেই মানুহ এৰি দিয়ে, কয় যে ই এনেকুৱা ধৰণৰ বদমাছ আছিল, সুদৰ ব্যৱসায় কৰিছিল। তেনেহলে ৰাতিপূৱা এৰি দিয়ে কিয়? উঠাই কিয়? কোন কেছৰ মোকৰদমাৰ বাবে উঠালে? এই ধৰণৰ প্ৰক্ৰিয়া গোটেই বৰপেটা জিলাত থানাই আৰম্ভ হৈছে। ন্যায় যদি আপোনালোকে বিচাৰে, তাৰ তদন্ত দিয়ক, ময়ো সাক্ষী থাকিম আৰু বৰপেটা জিলাৰ প্ৰতিজন বিধায়ক সাক্ষী থাকিব যে এই প্ৰক্ৰিয়া বৰপেটাত কাৰ স্বত্তছায়াত কি ধৰণে চলিছে, এই কথাটো প্ৰতিবেদনৰ আকাৰত আহিব লাগে আৰু মই ভাৱো অসমৰ মাননীয় মুখ্যমন্ত্ৰীয়ে ৰাজ্যপালৰ বক্তব্যৰ ওপৰত তেখেতৰ উত্তৰ প্ৰদান কৰিব আৰু সেই সময়ত তেওঁ এই কথাবিলাক স্পষ্ট কৰিব। বৰপেটা জিলাত সেই বিষয়বিলাকক লৈ মিডিয়াটো হয় হাল্লা হৈছে, মানুহে কয় এতিয়া বৰপেটা জিলাত মুক্ত ভাৱে জুৱা খেল চলে, আমাৰ লাজ লাগে। মানুহে আমাক ফোন কৰি কয় যে অমুক ঠাইত জুৱা খেল চলি আছে, কিন্তু এই জুৱা খেলৰ বাবে পুলিচৰ বৰমুৰীয়াক টকা দি মেনেজ কৰি জুৱাৰ আন অফিচিয়েল permission পৰ্যান্ত পাই। এই ধৰণৰ প্ৰক্ৰিয়া চলে। এই ধৰণৰ প্ৰক্ৰিয়াত যদি ৰাজ্যৰ প্ৰশাসন চলিছে, পুলিচতন্ত্ৰ চলিছে, ড০ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই যিহেতু zero tolerence ৰ কথা কয়, এই ধৰণৰ ব্যৱস্থাৰ মাজেৰে যদি ৰাজ্যখন গতি কৰিছে, এয়া নিন্দাৰ বিষয়।

সভাপতি মহোদয়, শিক্ষাৰ ক্ষেত্ৰত চৰ অঞ্চল আৰু দূৰ্গম অঞ্চলৰ তথ্য শিক্ষা বিভাগৰ ওচৰত থাকিব লাগিছিল যে কোনবিলাক সুগম অঞ্চল, কোন বিলাক দূৰ্গম অঞ্চল। আজি বিধান সভাত মোৰ প্ৰশ্ন আছিল সুগম আৰু দূৰ্গম কি। কিন্তু দেখা যায় যে তেওঁলোকৰ ওচৰত দূৰ্গম পৰা সুগমৰ নীতি আছে, কোনবিলাক সুগম অঞ্চল আৰু কোনবিলাক দুৰ্গম অঞ্চল। আজি বিধান সভাত মোৰ প্ৰশ্ন আছিল সুগম আৰু দুৰ্গম কি? দুৰ্গমৰ পৰা সুগম অঞ্চল আৰু সুগম অঞ্চলৰ পৰা দুৰ্গম অঞ্চললৈ নীতি আছে। কিন্তু সুগম কাক কয়, দুৰ্গম কাক কয় তাৰ সংজ্ঞা নাজানে শিক্ষা বিভাগে। অৰ্থাৎ চৰ অঞ্চল, পাৰ্বত্য অঞ্চল বা ভিতৰুৱা অঞ্চলসমূহক যে দুৰ্গম অঞ্চল ক'ব লাগে এইটো সংগ্ৰহিত কৰা নাই। কোনবিলাক বিদ্যালয় দুৰ্গম অঞ্চলত পৰে তাক এতিয়ালৈকে সংগ্ৰহিত কৰা নাই। আমি ভাৱো, শিক্ষা বিভাগে সেই দুৰ্গম অঞ্চলত শিক্ষক বা অন্য কৰ্মচাৰীৰ কাৰণে দুৰ্গমৰ কাৰণে ভাট্টা দিব লাগে। অন্যান্য বিভাগতো ভাট্টাৰ ব্যৱস্থা কৰিব লাগে। তেতিয়াহে দুৰ্গম অঞ্চল বিলাকত শিক্ষা-দীক্ষাৰ ক্ষেত্ৰত উৎসাহিত হৈ মানুহ যাবলৈ যত্ন কৰিব। সভাপতি মহোদয়, হস্পিতালৰ ক্ষেত্ৰত ক'ব বিচাৰিছো হস্পিতালত ডাক্তৰ, নাৰ্চ যিবিলাক দুৰ্গম অঞ্চল আছে, অঞ্চলত কাম-কাজ কৰে, তেওঁলোকে হস্পিতাল, স্বাস্থ্য খণ্ডত যায় নে নাযায়, তাৰ কোনো হিচাপ স্বাস্থ্য বিভাগে দিব নোৱাৰিব। আমি দেখিছো আমাৰ সমষ্টিৰ উদাহৰণ য'ত সোমবাৰ আৰু বুধবাৰে কেৱল ডাক্তৰ যায়। বেলেগ কোনো দিনত ডাক্তৰ নাযায়। গোটেই অসমত যিমান চৰ অঞ্চল স্বাস্থ্য কেন্দ্ৰ দেখা পাব, যিমান চৰ অঞ্চলত Sub-Center, PHE দেখা পাব, তাতে একেই অৱস্থা। এই প্ৰক্ৰিয়াৰ মাজত যদি এটা portal monitoring system নাথাকে, তেতিয়াহ'লে স্বাস্থ্য ক্ষেত্ৰ কেনেকৈ আগবাঢ়িব। শিক্ষাৰ ক্ষেত্ৰত কেনেকৈ আগবাঢ়িব? যদি এনেকুৱা কাৰ্য্য হৈ থাকে ৰাজ্যখন আচলতে ক'লৈ গৈ আছে? এই কথাটো অসমৰ জনগণৰ ওপৰত এৰি দিছো আৰু আশা কৰিছো চৰকাৰী পক্ষৰ পৰা সদিচ্ছা পাম।

**শ্ৰী জ্বলেন দৈমাৰী, সভাপতি** ঃ ধন্যবাদ। আপোনাক ৩ মিনিট সময় দিয়া হৈছে।

**শ্ৰীকমলাক্ষ দে পুরকায়স্থ (উত্তর শ্ৰীভূমি)ঃ-** মাননীয় অধ্যক্ষ মহোদয়, গত **১৭** তারিখ রাজ্যপালের বক্তব্যর উপর এখানে সবাই ভাষনবাদ করছেন। সভাপতি মহাশয়, যাদের দিনে

আমাদের সভ্যতা, সংস্কৃতি প্রশ্নের মুখে ছিল তারাই আজ বিরোধীতা করছেন। সেটাই হচ্ছে বাস্তব সত্য। অধ্যক্ষ মহোদয়, এই চার বছরে একটি সরকার এত কাজ করতে পারে সেটা আমরা কোনদিন ভাবিনি। আমি বিধায়ক হিসাবে আমারও কল্পনার বাইরে ছিল যে একটি সরকার এত কম সময়ে কিভাবে এত কাজ করতে পারে। সরকারের মানসিকতা আসলে নির্ভর করে সামাজিক দায়বদ্ধতা এবং সরকারের ভিশন এর উপর। সামাজিক দায়বদ্ধতা হিসাবে যেমন- বাল্য বিবাহ, ড্রাগস্ প্রতিরোধ করা, মাটির দালাল, সুদখোর এবং বিশেষ করে সমাজে যারা অশান্তি সৃষ্টি করে ওদেরকে কিভাবে প্রতিহত করা যায়। এটি হচ্ছে সামাজিক দায়বদ্ধতা আর ভিসন হচ্ছে একটি সরকার রাস্তা-ঘাটের কাজ কিভাবে করবে, ব্রিজের কাজ কিভাবে করবে, অ্যাডভান্টেজ আসাম দিয়ে আসামকে কিভাবে এগিয়ে নিয়ে যাবে বিভিন্ন ধরণের পরিকল্পনার মাধ্যমে এই রাজ্যকে কিভাবে এগিয়ে নিয়ে যাবে।

সভাপতি মহোদয়, গতকাল আমি একটি ডাটা কালেকশন করেছি যে ২০০১ থেকে ২০১৫ পর্যন্ত পিডাব্লিউডি র রাস্তার কাজ হয়েছিল ২২,৪১১ কিলোমিটার, ২০১৫ থেকে ২০২৫ অবধি রাস্তার কাজ হচ্ছে ৪৫,০২৬ কিলোমিটার। বিগত ২০০১ থেকে ২০১৫ অবধি ৩,৮১৪ টি ব্রিজের কাজ হয় তাহলে ২০১৫ থেকে ২০২৫ অবধি প্রায় চার হাজার ব্রিজের কাজ হয়েছে। এই যে উন্নতির পরিবেশ সেটা আমরা অস্বীকার করতে পারি না। তাই সরকারকে আমাদের ধন্যবাদ দিতে হবে। রাজ্যপালের বক্তব্যে যত কম ধন্যবাদ দেব ততই আমাদের আক্ষেপ আমি মনে করব সেটাই আমাদের ভূল। আপনারা সরকারকে ধন্যবাদ দিন। আজ অ্যাডভান্টেজ আসামের কথা বলা হয়েছে । অ্যাডভান্টেজ আসাম হয়তো মূখ্যমন্ত্রী করতেন বা অনুষ্ঠিত হতো এবং তার মাধ্যমে হয়তো বা ৫০ কোটি ১০০ কোটি টাকা খরচ হতো এগ্রিমেন্ট হয়ে গেল কিন্ত আজকের দিনে সেই অ্যাডভান্টেজ আসামের জন্য মুখ্যমন্ত্রী সিঙাপুর যাচ্ছেন, জাপান যাচ্ছেন, শিল্পপতিদের সাথে কথা বলছেন এবং কথা বলে কারা কারা আসবে সেটা নিশ্চিত করছেন। কত ছেলে মেয়েদের চাকু রি দেওয়া হবে সে ব্যাপারে নিশ্চিত করছেন। ঝুমুর নৃত্য, বিহু নৃত্য, মৈদামকে বিশ্বের দরবারে প্রতিষ্ঠিত করার জন্য মূখ্যমন্ত্রীর যে প্রচেষ্ঠা সেই ব্যাপারে আমি মূখ্যমন্ত্রীকে ধন্যবাদ জানাই। আমি মূখ্যমন্ত্রীকে অনুরোধ করব যে আমাদের বরাক ভ্যালি ভিত্তিক আসামের বাঙালিদের ধামাইল নৃত্য প্রতিযোগীতা করা হয়। আমি মনে করি আজকের দিনে যে মাইনোরিটির কথা বলছেন যে মাইনোরিটির ডেভেলপমেন্ট চাই। আপনাদের দিনে মাইনোরিটিকে কোন ধরণের পলিসি করা হয়নি। আপনারা পাট্টা দিতে পারলেন না। আজ বিটিএডি তে যে সাম্প্রদায়িক সংঘর্ষ সব আপনাদের দিনে হল। তাই আগামী দিনগুলোতে কিভাবে সুষ্ঠ সুন্দর পরিবেশ করা যায় সে বিষয়ে সরকাকে সহযোগীতা করা উচিৎ। সরকারের মানসিকতা আসামকে যাতে ভারতবর্ষের বুকে প্রতিষ্ঠিত রাজ্যে রূপান্তরিত করা যায় এবং লাস্ট আমি একটি কথা বলব যে লোন কাকে দেওয়া হয় যাদের ক্ষমতা আছে তাদেরকেই দেওয়া হয়। লোন বিশেষ করে জিএসডিপি উপর দেওয়া হয়। বর্তমান সময় আমাদের জিএসডিপি ৬.৪৩ এবং ২৬ এ গিয়ে সেটা ১০ লক্ষ টাকা হবে। যদি কোন ইনফ্রাস্ট্রাকচার দিয়ে সমাজের উন্নয়ন হয়, মানুষের ভালোর জন্য কাজ করা হয় সেটাই হচ্ছে উন্নয়ন। তাই আজকের দিনে মূখ্যমন্ত্রী যেভাবে কাজ করছেন, এই সরকারের প্রত্যেকটি বিভাগ যেভাবে কাজ করছে আমি মনে করি আগামী দিনে আসাম ভারতবর্ষের বুকে একটি শ্রেষ্ঠ রাজ্যে রূপান্তরিত হবে। সেই কথাগুলো বলে আমার বক্তব্য শেষ করছি।

**শ্রী জলেন দৈমাৰী, (সভাপতি)ঃ** শ্রীহেমাংগ ঠাকুৰীয়া। আপোনাৰ সময় ৫ মিনিট।

**শ্রীহেমাংগ ঠাকুৰীয়া, (পলাশবাৰী)ঃ** মাননীয় সভাপতি মহোদয়, আমাৰ যোৱা ১৭ ফেব্রুৱাৰী

তাৰিখে যি ঐতিহ্যমণ্ডিত কোকৰাঝাৰত বিধান সভাৰ প্ৰথমটো দিন আয়োজিত কৰা হৈছিল, অধিৱেশনত মহামান্য ৰাজপাল মহোদয়ে যি বক্তব্য প্ৰদান কৰিছিল, তেওঁৰ বক্তব্যত চৰকাৰে প্ৰকৃতাৰ্থত যিখিনি কাম-কাজ কৰিছে, তাৰ এটা সুন্দৰ প্ৰতিচ্ছৱি তেওঁ দাঙি ধৰিছে আৰু সেই ßÁ1Ë Ë ÃÊaî ÂßÁÕ±÷ ñòÊÂò±Ã ±Âò ßÁ1ËåÃ¼÷±òÏûþ÷ÅÉLäëÂ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই ২০২১ চনত যেতিয়া তেওঁ মুখ্যমন্ত্ৰী হয়, সেই সময়ত Covid কেৱল অসমতে নহয়, ভাৰতবৰ্ষতে নহয়, গোটেই বিশ্বতে Covid হৈছিল. Covid হোৱা স্বত্বেও মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে ঘোষণা কৰিছিল যে, অসমখনক শ্ৰেষ্ঠ ৰাজ্যত পৰিগণিত কৰিব আৰু সেই উদ্দেশ্যে তেওঁ জাতি-জনগোষ্ঠীৰ হৈ কাম কৰিছিল জাতি-জনগোষ্ঠীক লগত লৈ অসমখনক আগবঢ়াই লৈ যোৱাৰ চেষ্টা কৰিছিল। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ পৃষ্ঠপোষকতাত সেই সময়ত covid হোৱা স্বত্বেও ৰাজ্যখনৰ অৰ্থনীতি তেওঁ সৰল কৰি ৰাখিবৰ কাৰণে সক্ষম হৈছিল আৰু covid ৰ সময়ত covid vaccine প্ৰদান কৰি লগতে preventive measure লৈ অসমখনক অসমৰ জনতাক তেওঁ সুৰক্ষিত কৰিছিল। আমি যদি আমাৰ ৰাজ্যখনৰ যদি growth চাওঁ, বাহিৰৰ পৰা কোনোবাই যদি growth টো চাই তেতিয়া আমি generally GDP ৰ ওপৰত চোৱা হয়। আমি মনত ৰখা উচিত যে ২০০১ চনত অসমৰ GDP আছিল মাত্ৰ ৩৮ হাজাৰ ৩ শ ১৩ কোটি মাত্ৰ। এতিয়া অসমত বৰ্তমান অসমত ২০২৪-২০২৫ চনত অসমৰ GDP হৈছে ৬ লাখ ৪৩ হাজাৰ কোটি আৰু ২০২৫-২৬ বৰ্ষত ৭ লাখ ১৪ লাখ হব'লৈ গৈ আছে। মাননীয় সভাপতি মহোদয়, আজি বিৰোধী পক্ষই কৈ আছে যে এডভাণ্টেজ আসামৰ দ্বাৰা কি লাভ হ'ল। তেওঁলোকে ইয়াত কেৱল এখন চাহ মেলৰ আয়োজন কৰা হৈছিল বুলি কৈছিল। তেওঁলোকৰ বহুতে হয়তো নাজানে আৰু সেয়েহে ইয়াৰ বিষয়ে তেওঁলোকে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক সুধিব লাগে। মই তেওঁলোকক জনাব বিচাৰিছো যে অসমত যেতিয়া এডভাণ্টেজ আসাম হৈছিল, তাৰ পৰা বৰ্তমানলৈ ৭২৯১ কোটি টকা অসমত বিনিয়োগ হৈছে। বিভিন্ন উদ্যোগে অসমত বিনিয়োগ কৰিছে। বিশেষকৈ অইল ইণ্ডিয়া, ডাবৰ ইণ্ডিয়া, হিন্দুস্থান লিভাৰ, বৃটেনিয়া আদি কোম্পানীয়ে অসমত বিনিয়োগ কৰিছে। বৰ্তমান এডভাণ্টেজ আসাম-২.০ ত মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ পৃষ্ঠ পোষকতাত বহুকেইখন দেশ তথা ৰাজ্যৰ Multi-National Company এ অসমত বিনিয়োগ কৰাৰ যো-জা কৰিছে আৰু তেওঁলোক ইতিমধ্যে চুক্তিবদ্ধ কৰিছে। আমি আন্তঃগাঁথনিৰ ক্ষেত্ৰত শিক্ষা আৰু স্বাস্থ্যৰ ক্ষেত্ৰত প্ৰত্যেকটো বিভাগতে অসমত উন্নয়ণ হৈছে। আই আই এম খোলাৰ ক্ষেত্ৰত অসমে বহুদিন অপেক্ষা কৰিবলগীয়া হৈছে। আমাৰ অসমখন উত্তৰ-পূৰ্বাঞ্চলৰ Gate-Way আৰু অসমে আই আই এম পাব লাগে। আমি ২০০৮ চনতে আই আই এম পাব লাগিছিল। কিন্তু সেই সময়ত আমি আই আই এম খন ৰাখিব নোৱাৰিলো আৰু শ্বিলঙলৈ গুছি গ'ল। সেই সময়ত এজন শ্বিলংৰ মন্ত্ৰী আছিল আৰু তেওঁৰ পৃষ্ঠ পোষকতাত শ্বিলঙলৈ গুছি গৈছিল। আজি মাননীয় মুখ্যমন্ত্ৰী পৃষ্ঠ-পোষকতাত অসমৰ প্ৰত্যেটো সমষ্টিতে স্কুলৰ উন্নয়ণৰ বাবে ৭ কোটিকৈ টকা উন্নয়ণৰ কাৰণে দিয়া হৈছে। ২-৩ খন স্কুল সকলোৱে পাইছে। মই মোৰ সমষ্টিত ২ খন স্কুল পাবলৈ সক্ষম হৈছো আৰু ৭ কোটি টকাৰে স্কুল সমূহ নিৰ্মাণ হৈ আছে। শিৱসাগৰ সমষ্টিয়ে এখন দুখন নহয় ৪ খন স্কুল সক্ষম হৈছে। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে ১২৬ টা সমষ্টিৰ উন্নয়ণ কৰিব বিচাৰিছে। আজি ৰপ্তানিৰ ক্ষেত্ৰত যদি চোৱা হয় অসমৰ চাহপাতেই নহয় অসমৰ নেমু, আদা আদি অসমৰ বাহিৰত ৰপ্তানি হৈছে আৰু ইয়াৰ পৰা ৩৬ শ কোটি টকা লাভ কৰিছে। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে Chief Minister's Atma Nirbhar Asom Abhijan (CMAAA) ৰ অধীনত ২৫ হাজাৰ যুৱকক টকা দিয়া হৈছে।

মই মোৰ নিজৰ সমষ্টিতে দেখিছো যে এটা সময়ত যুৱকসকলে চাকৰি নাপাই বেলেগ বেলেগ কামত এনেই আছিল। সেই যুৱকসকলে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে দিয়া টকাৰে নতুনকৈ নিজৰ ব্যৱসায় ভালদৰে প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হৈছে। আমি অতি গৌৰাৱান্বিত যে নিউৰ্বক টাইমচত অলপতে অসম পৰ্যটনৰ ক্ষেত্ৰত ২০২৫ বৰ্ষত চতুৰ্থ স্থানত থকা বুলি ঘোষণা কৰিছে। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ শান্তি প্ৰক্ৰিয়াৰ বাবে অসমত পৰ্যটক আহিবৰ বাবে এটা পৰিৱেশৰ সৃষ্টি হৈছে। যাতায়াতৰ সুচল ব্যৱস্থা থকাৰ বাবে অসমত আজি যথেষ্ট পৰ্যটকৰ বৃদ্ধি হৈছে। মই পুনৰবাৰ মহামান্য ৰাজ্যপাল মহোদয়ৰ ভাষণৰ ধন্যবাদ জনাই মই মোৰ বক্তব্য সামৰিছো।

**মাননীয় সভাপতি ঃ** এতিয়া শ্ৰীমতী শিৱামণি বৰা ডাঙৰীয়ানী, আপোনাক ৫ মিনিট সময় দিয়া হ'ল

**শ্ৰীমতী শিৱামণি বৰা, (বটদ্ৰৱা) ঃ** মাননীয় সভাপতি মহোদয়, মোক দুই মিনিট সময় লাগিব। মহামান্য ৰাজ্যপাল মহোদয়ৰ ধন্যবাদ সূচক প্ৰস্তাৱাৰ বিৰোধিতা কৰি মই দুটামান বিষয়ৰ ওপৰত অৱগত কৰিব বিচাৰিছো। 'একেলগে খোজ কাঢ়ক, একেলগে কথা পাতক, আপোনালোকৰ মনবোৰ সমন্বিত হওঁক, ঠিক যেনেকৈ দেৱতাসকল নিজৰ উদ্দেশ্যত একত্ৰিত হৈছিল।' অথৰ্ববেদৰ এই উদ্ধৃতি দি অসম বিধান সভাৰ কোকৰাঝাৰত হোৱা বাজেট অধিৱেশনৰ প্ৰথম দিনা মহামান্য ৰাজ্যপাল মহোদয়ে নিজৰ ভাষণত কৈছিল। গণতন্ত্ৰৰ আদৰ্শক নিখুতভাৱে প্ৰতিফলিত কৰি সামগ্ৰিক ঐক্য আৰু সহযোগিতাৰ সুন্দৰ প্ৰকাশ, য'ত শাসন ব্যৱস্থাৰ মূলতে আছে সামূহিক উদ্দেশ্য, সমন্বয় আৰু অসম চৰকাৰৰ লক্ষ্য হিচাপে সকলো নাগৰিকৰ কল্যাণ সাধন। সকলো নাগৰিকৰ কল্যাণ সাধন হ'বলৈ হ'লে ৰাজ্যখনৰ সকলো অঞ্চলৰ সম বিকাশ হ'ব লাগিব। কিন্তু বৰ্তমান চৰকাৰৰ দিনত নিকৃষ্ট ৰাজনীতিৰ দ্বাৰা বিভিন্ন অঞ্চলক উন্নয়ণমূলক আঁচনিৰ পৰা বঞ্চিত কৰা হৈছে। সকলো বিভাগতে ইয়াৰ অসংখ্য উদাহৰণ আছে। মোৰ সকলোখিনি ক'বলৈ হয়তো সময় লাগিব। সেয়েহে দুটামান উদাহৰণ দিম। বৰ্তমান ফেজ-২ ৰ অধীনত আদৰ্শ অঙ্গনৱাড়ী কেন্দ্ৰ নিৰ্মাণৰ বাবে অনুমোদন দিওঁতে শাসনাধিষ্ঠ মন্ত্ৰী বিধায়কৰ অঞ্চলত ৪২ ৰ পৰা ৪৫ টা আৰু বিৰোধী বিধায়কৰ সমষ্টিত ১৪ ৰ পৰা ১৬ টা অনুমোদন দিছে। চৰকাৰখনৰ উদ্দেশ্য আৰু চিন্তা সৎ হোৱা হ'লে কোন জিলাৰ কোন অঞ্চলত অঙ্গনৱাড়ী কেন্দ্ৰৰ অৱস্থা শোচনীয় সেই মতে অনুমোদন দিলে হয়। লোকনিৰ্মাণ ৰূপান্তৰ আৰু উন্নয়ণ আদি সকলো বিভাগতে এই ধৰণে চৰকাৰে ৰাজনৈতিক উদ্দেশ্য প্ৰণোদিতভাৱে কাম কৰিছে। পঞ্চায়ত, আঞ্চলিক পঞ্চায়ত আৰু জিলা পৰিষদৰ কাৰ্য্যকাল ২০২৪ চনৰ ৬ ফেব্ৰুৱাৰীত অন্ত পৰিল। কিন্তু এটা বছৰ পাৰ হৈ যোৱাৰ পিছতো ৰাজ্যচৰকাৰে পঞ্চায়ত নিৰ্ব্বাচন অনুষ্ঠিত কৰা নাই। ৰাইজৰ প্ৰতিনিধিৰ পৰিৱৰ্তে চৰকাৰী বিষয়াৰ দ্বাৰা পৰিচালনা কৰি গান্ধীজীৰ গ্ৰাম্য স্বৰাজৰ ধাৰণাক অৱমাননা কৰিছে। আক্ষেপত কওঁ যে সাংবিধানিক মূৰব্বী হিচাপে ৰাজ্যপাল মহোদয়ৰ ভাষণত কি কাৰণে এবছৰতকৈ অধিক কাল পঞ্চায়ত নিৰ্ব্বাচন অনুষ্ঠিত কৰিবলৈ চৰকাৰখন চূড়ান্তভাৱে ব্যৰ্থ হৈছে আৰু কেতিয়া পঞ্চায়ত নিৰ্ব্বাচন অনুষ্ঠিত কৰিব তাৰ উল্লেখ থাকিব লাগিছিল। Rat hole mining শ্ৰমিকসকলৰ জীৱনৰ বাবে অতি বিপদজনক হোৱাৰ উপৰিও পৰিৱেশক বৃহৎ হাৰত প্ৰদূষিত কৰে। সেয়েহে ২০১৪ চনত ৰাষ্ট্ৰীয় সেউজ প্ৰাধিকৰণে Rat hole mining নিষিদ্ধ কৰিছিল। বৰ্তমানলৈ মাৰ্ঘেৰিটা, লিডু, ডিমাহাচাও, কাৰ্বি আংলঙত ব্যাপক হাৰত কয়লাৰ Rathole mining কৰি পৰিৱেশ প্ৰদোষিত কৰি শ্ৰমিকসকলক মৃত্যুৰ মুখলৈ ঠেলি দিয়াটো অতি চিন্তনীয় বিষয়। শৰৎকালীন অধিৱেশনত Rathole mining চলি থকাৰ বিষয়ে প্ৰশ্ন কৰিছিলো। কিন্তু চৰকাৰে অস্বীকাৰ কৰিছিল। এইবছৰ জানুৱাৰী মাহত উমৰাংচুত ৩ কিলো

কালামাটি অঞ্চলত এটা অবৈধ কয়লা খনিত Rathole mining কৰি থাকোতে দুৰ্ঘটনাত বহু শ্ৰমিক আৱদ্ধ হৈ আছিল। তাৰে পৰা ৯ জন শ্ৰমিকক মৃত অৱস্থাত উদ্ধাৰ কৰা হৈছে। উমৰাংচুৰ শোকাৱহ ঘটনাৰ পিছত চৰকাৰে Rathole mining সম্পূৰ্ণভাৱে বন্ধ কৰিবলৈ কি ব্যৱস্থা লৈছে, সেই বিষয়ে মাননীয় ৰাজ্যপাল মহোদয়ৰ ভাষণত উল্লেখ থকাটো সকলোৰে আশা কৰিছিল। ৰাজ্যখনৰ প্ৰায় আশী শতাংশ জনসাধাৰণ গাওঁত বাস কৰে। গাওঁত বাস কৰা দুখীয়া লোকসকলক কেন্দ্ৰীয় চৰকাৰে এম জি এন ৰে গাৰ পৰিপূৰক সংস্থাপন দিয়াৰ বাবে কেন্দ্ৰীয় চৰকাৰে এটা বৃহৎ Flagship Program এম.জি.এন.ৰেগাৰ দ্বাৰা জবকাৰ্ড থকা দুখীয়া পৰিয়ালক বছৰত ১০০ দিনৰ কৰ্মসংস্থাপন দিয়াৰ সুযোগ আছে। এই আঁচনিৰ ১০০ শতাংশ পুঁজি কেন্দ্ৰীয় চৰকাৰে বহন কৰে। ইয়াত ৰাজ্য চৰকাৰৰ অংশ শূন্য। তথাপিও ৰাজ্য চৰকাৰে অসমৰ জবকাৰ্ড থকা দুখীয়া জনতাক কৰ্মসংস্থাপন দিয়াত চূড়ান্ত ব্যৰ্থ হৈছে। এম জি এনৰেগাৰ আঁচনিৰ বিষয়ে মহামান্য ৰাজ্যপাল মহোদয়ৰ ভাষণত উল্লেখ থাকিব লাগিছিল। ৰাজ্যখনৰ প্ৰধান সমস্যা হৈছে সৰ্বাধিক মূল্যবৃদ্ধি। ইয়াৰ ফলত সকলো স্তৰৰ জনসাধাৰণৰ বিশেষকৈ দুখীয়া আৰু নিম্ন মধ্যবিত্ত লোকসকলৰ পানীত হাঁহ নচৰা অৱস্থা হৈছে। কিন্তু এই প্ৰধান সমস্যা সমাধানৰ ক্ষেত্ৰত চলিত বৰ্ষত কি ব্যৱস্থা লোৱা হৈছে আৰু অহা বৰ্ষত কি ব্যৱস্থ ল'ব তাৰ কোনো উল্লেখ মহামান্য ৰাজ্যপাল মহোদয়ৰ ভাষণত নাই। ৭৫% অধিক দুখীয়া আৰু নিম্ন মধ্যবিত্ত প্ৰধান সমস্যা সৰ্বাধিক মূল্যবৃদ্ধি প্ৰতি গা এৰা মনোভাব দেখুৱাই আহিছে।মহামান্য ৰাজ্যপাল মহোদয়ৰ ভাষণত আছে চাহ, আদিবাসী, কোচ, আহোম জনগোষ্ঠীৰ কথা উল্লেখ আছে। যদিও ৪০ বছৰ আগতে অসম চুক্তিৰ জৰিয়তে ভাৰত চৰকাৰে আৰু অসম চৰকাৰে দিয়া প্ৰতিশ্ৰুতি অনুসৰি ৬ জনগোষ্ঠীক জন মৰ্যাদা দিয়াৰ কথা উল্লেখ নাই। মহামান্য ৰাজ্যপাল মহোদয়ৰ ভাষণত কথা উল্লেখ কৰিছে আয়ুষ্মান অসম মুখ্যমন্ত্ৰী লোকসেৱা আৰোগ্য যোজনৰ দ্বাৰা চৰকাৰী কৰ্মচাৰী, পেঞ্চনাৰ সকলেও উপকৃত হ'ব। প্ৰকৃততে চিকিৎসাধীন হোৱা চৰকাৰী কৰ্মচাৰী, পেঞ্চনাৰ সকলে এই আঁচনিৰ দ্বাৰা উপকৃত হোৱা নাই। যেতিয়ালৈকে এই আঁচনি cash less কৰা নহয়, এই আঁচনিৰ দ্বাৰা চৰকাৰী পেন্সনাৰসকল উপকৃত নহয়। মোৰ আৰু বহু কথা ক'বলগীয়া আছিল কাৰণ ৰাজ্যপালৰ ভাষণত দুটামান বিষয়ৰ বাহিৰে সকলোতে খেলিমেলি দেখিবলৈ পাইছো । মই এইখিনিকে কৈ মোৰ বক্তব্য সামৰণি মাৰিলো। ধন্যবাদ

**মাননীয় সভাপতি ঃ** ধন্যবাদ। এতিয়া শ্ৰী গণেশ কুমাৰ লিম্বু। আপোনাক দলে ৫ মিনিট সময় দিছে।

**শ্ৰী গণেশ কুমাৰ লিম্বু, (বৰচলা)ঃ** ধন্যবাদ সভাপতি মহোদয়, মহামহিম ৰাজ্যপালৰ ভাষণৰ ধন্যবাদ সূচক প্ৰস্তাৱৰ মই সমৰ্থন জনাই দু-আষাৰ ক'ব বিচাৰিছো। ১৭ ফেব্ৰুৱাৰীত বি.টি.চি.ৰ বিধান সভাত আৰম্ভ হোৱা অধিবেশনটো এক ঐতিহাসিক আৰু অতি উল্লেখযোগ্য অধিবেশন আছিল। এই অধিবেশনত মহামহিম ৰাজ্যপাল ডাঙৰীয়াই যি বক্তব্য আগবঢ়াইছিল, সেই বক্তব্যত স্পষ্টকৈ উল্লেখ কৰা হৈছে যে আমাৰ চৰকাৰ তথা মাননীয় মুখ্যমন্ত্ৰীৰ নেতৃত্বাধীন চৰকাৰখনে নতুন অসম তথা আধুনিক অসম নিৰ্মাণৰ বাবে যিবোৰ ব্যৱস্থা বা কাৰ্য্যসূচী গ্ৰহণ কৰিছে, তাত স্পষ্টকৈ উল্লেখ হৈছে। আমি ইয়াৰ দ্বাৰা এটা বাৰ্তা দিবলৈ সক্ষম হৈছো যে আমাৰ জনজাতি, অজনজাতি বা সমগ্ৰ অসমখনৰ নৱ প্ৰজন্মৰ স্বাৰ্থত সকলোৱে মিলি অসমৰ উন্নয়নৰ বাবে আমি কাম কৰিম। আমি যদি কিছু বছৰ আগত চাওঁ, তেন্তে দেখিবলৈ পাওঁ যে উগ্ৰপন্থীৰ কাৰণেই বা বিভিন্ন ধৰণৰ ধৰ্ণা, বন্ধ আদি কাৰ্য্যসূচীৰ বাবে অসমৰ অৰ্থ ব্যৱস্থা থান-বান হৈ গৈছিল। তেনে এক সময়ৰ পৰা আমি আহি Advantage Assamৰ জৰিয়তে অসমৰ কথা ক'ব পাৰিছো আৰু

অসমখনত বিনিয়োগৰ কাৰণে বহিঃৰাষ্ট্ৰৰ লগত আলোচনা কৰিব পাৰিছো। অসমত কিছুমান উল্লেখযোগ্য কাম হোৱা আমি দেখিবলৈ পাইছো। আমি যদি চাওঁ, গুৱাহাটী মহানগৰীৰ নিচেই কাষত থকা জাগীৰোডত টাটা কোম্পানীয়ে ২৭ হাজাৰ কোটি টকাৰ বিনিয়োগেৰে Semi-Conductor ৰ জৰিয়তে Chips নিৰ্মাণৰ কাৰ্য্যসূচী গ্ৰহণ কৰিছে। এই উদ্যোগ স্থাপনৰ অন্তৰালত আমাৰ মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ নেৰা-নেপেৰা চেষ্টা লুকাই আছে যাৰ জৰিয়তে তেওঁ ৰাজ্যখনৰ ভৱিষ্যত আগুৱাই লৈ যাব বিচাৰিছে। তেওঁৰ চেষ্টা আৰু প্ৰধান মন্ত্ৰীৰ সহযোগত আমি আজি এনে এখন উদ্যোগ স্থাপন কৰিবলৈ সক্ষম হৈছো। আগতে, আমাৰ ৰাজ্যখনৰ বিষয়ে বৃহৎ বৃহৎ উদ্যোগীসকলৰ যি নেতিবাচক চিন্তা আছিল সেইবোৰ এতিয়া সম্পূৰ্ণ সলনি হৈছে। অসমত যে বৃহৎ বৃহৎ উদ্যোগ হ'ব পাৰে তাৰ পথ মুকলি হৈছে। আমি Advantage Assam লৈ যদি চাওঁ, তেতিয়া দেখিবলৈ পাওঁ যে আজিৰ অসমখন এখন আত্মবিশ্বাসী অসম আৰু নতুন কথা চিন্তা কৰিব পৰা অসম। ভাৰতৰ বিভিন্ন উদ্যোগ, ব্যৱসায় বাণিজ্যৰ ক্ষেত্ৰত অসমখনেও যে সফলতা অৰ্জন কৰিছে, তেওঁলোকৰ লগত সমানে ফেৰ মাৰিব পৰা অসমলৈ ৰূপান্তৰিত হৈছে সেই কথাকে সূচাইছে। আমাৰ Advantage Assam আয়োজন হোৱাৰ আগতেই আমি কিছুমান কথা গম পাইছো। যেনে জাপানৰ দৰে উন্নত ৰাষ্ট্ৰইও অসমখনৰ যুৱক-যুৱতীক কৰ্ম সংস্থাপন দিয়াৰ কথা চিন্তা কৰিছে আৰু ৫০ হাজাৰতকৈ অধিক কৰ্ম সংস্থাপন দিয়াৰ কথা ইতিমধ্যে কৈছে। তাৰ কাৰণে Planning বা Curriculum প্ৰস্তুত কৰাৰ ব্যৱস্থা কৰিবলৈ আমাৰ বিশ্ববিদ্যালয়ক কোৱা হৈছে। ইয়াৰোপৰি, ছিংগাপুৰেও অনুৰূপ চিন্তা-চৰ্চা কৰিছে। অন্য যিসমূহ উন্নত ৰাষ্ট্ৰ যেনে South Korea, United Kingdom, UAE, Malaysia, Thailand য়েও আমাৰ ৰাজ্যখনত বিনিয়োগৰ কাৰণে ইচ্ছা প্ৰকাশ কৰিছে। এনে এক পৰিৱেশ আজি অসমখনলৈ আহিল, মই ভাৱো ই আমাৰ সকলোৰে কাৰণে অতি স্বৰ্ণিল দিন। আমাৰ কাৰণে অতি আনন্দৰ বিষয়। তেনে এক পৰিৱেশত যেতিয়া বিশ্বৰ প্ৰতিনিধি ইয়ালৈ আহিব আৰু যেতিয়া আমাৰ ভাৰতবৰ্ষৰ প্ৰধান মন্ত্ৰী এই মঞ্চখনত থাকিব, তেনে এক সময়তে অসমৰ প্ৰাচীন চাহ-জনগোষ্ঠী অথবা আদিবাসী সমাজখনে তেওঁলোকৰ ঝুমুৰ নৃত্য তাত প্ৰদৰ্শন কৰাত এই জনগোষ্ঠীটোৰ সংস্কৃতিক আমি উচ্চ পৰ্যায়ত লৈ যোৱাই নহয় জনগোষ্ঠীটোক স্বীকৃতি দিয়া কামটো ইয়াতকৈ আৰু ধুনীয়া হ'ব নোৱাৰে। আমাৰ চৰকাৰৰ দিনত অসমীয়া ভাষাই যি ধ্ৰুপদী ভাষাৰ মৰ্যাদা আৰু চৰাইদেউ মৈদামখন বিশ্ব ঐতিহ্য ক্ষেত্ৰৰ স্থান হিচাপে যি ঘোষণা হ'ল মই ভাৱো ই সমগ্ৰ অসমখনত এক আনন্দৰ বন্যা বোৱাই নিছে। সকলোৰে আজি গৰ্বিত অনুভৱ কৰিছে যে আমি এইবোৰ এখন চৰকাৰৰ দিনত পাইছো। সভাপতি মহোদয়, সময়ৰ অভাৱৰ বাবে মই আৰু দীঘলীয়া নকৰি আমাৰ সতীৰ্থই মহামহিম ৰাজ্যপালৰ বক্তব্যৰ সমৰ্থনত যি প্ৰস্তাৱ আগবঢ়াইছে তাৰ পূৰ্ণ সমৰ্থন জনাই মোৰ ক'বলগীয়াখিনি ইমানতে সামৰণি মাৰিছো।

**মাননীয় সভাপতিঃ** ধন্যবাদ। পৰৱৰ্তী বক্তা আমাৰ সন্মানীয় সদস্য শ্ৰী কৰিম উদ্দিন বৰভূঞা।

( সদনত শ্ৰী কৰিম উদ্দিন বৰভূঞা অনুপস্থিত)।

সন্মানীয় সদস্য শ্ৰী মিছবাহুল ইছলাম লস্কৰ।

**শ্রী মিসবাহুল ইসলাম লস্কর (বরখোলা) ঃ** মাননীয় সভাপতি মহোদয়, রাজ্যপালের ভাষণ আমি পড়েছি কিন্তু বরাক ভেলির বিধায়করা আমরা অত্যন্ত নিরাশ। এই ভাষণে আমরা এমন কিছু পাই নাই যে বরাক ভেলির মানুষ হিসাবে আমরা খুশী হব। বিগত দিনে বরাক ভেলির জন্য একটা জিনিস আমরা পেয়েছি সেটা হল একটা জেলার নাম পরিবর্তন হয়েছে। সেটা ছিল করিমগঞ্জ

হয়েছে শ্রীভূমি। এর ফলে আমার বন্ধু কমলাক্ষ্য দে পুরকায়স্থ এত খুশী হয়েছেন যে তিনি করিমগঞ্জ ছেড়ে কাছাড়ে ঘর-বাড়ী খুজছেন। কাছাড়ের কোন সমষ্টি থেকে তিনি Election এ contest করবেন মনে হচ্ছে। এই হল আমাদের অবস্থা। বরাকে আমাদের মূল সমস্যা হল যোগাযোগ ব্যবস্থা। এই যোগাযোগ ব্যবস্থা শিলং দিয়ে আসতে আরও খারাপ অৱস্থা। আর হাফলং এর রাস্তা ঠিক হতে আরও বোধহয় দুই বছর লাগবে। যোগযোগ ব্যবস্থার ক্ষেত্রে আমরা পিছিয়ে পড়েছি আর এই ব্যবস্থা ঠিক না হলে আমাদের অর্থনীতি ব্যবস্থার উন্নতি হবে না। আমাদেৰ একটা Industry ছিল সেটা পাঁচগ্রামের পেপার মিল। সেটা এখন বন্ধ হয়ে গেছে। বন্ধ হওয়ার পরে এখানে প্রায় দুই তিন লাখ মানুষ Directly-indirectly এই Industry উপর নির্ভরশীল ছিল। কিন্তু আমাদের আর কোন Industry নাই। কেন্দ্রীয় সরকার ভারতমালা শিলচর থেকে ত্রিপুরা পর্যন্ত নিয়ে যাচ্ছে। কিন্তু আমাদের অঞ্চলের প্রায় ৫০ হাজার লোক এই রাস্তার সুবিধা পাবেনা। কারণ তাদের অঞ্চলটা বরাক নদী বিচ্ছিন্ন করে রেখেছে। আমার মাননীয় মুখ্যমন্ত্রীর কাছে একটা অনুরোধ থাকবে যে বরাকের গণি গ্রামে বরাক নদীর উপর একটা সেতু নির্মান করার জন্য। বরাক নদীর উপর এই সেতুর সেংশন যদি করে দেন তাহলে ৫০ হাজার লোক সেই ভারত মালার সাথে যোগাযোগ করতে পারবে এবং এই এলাকার উন্নয়ন হবে। আমাদের প্রতি বছর বন্যা হয়, আর বন্যা হলে প্রথমেই আমার সমষ্টিতে প্লাবিত হয়। বন্যার ফলে নদী ভাঙ্গনের সৃষ্টি হয়। আগে বন্যা হলে ক্ষতিগ্রস্থ এলাকাগুলোর কথা D.C. report দিত আর সঙ্গে সঙ্গে টাকা এসে যেত। বন্যা আক্রান্ত মানুষ সেই টাকা পেয়ে যেত। কিন্তু এখন দেখা যাচ্ছে বন্যা আক্রান্ত মানুষরা টাকাটা ঠিকমত পাননা। বরাক ভেলির প্রত্যেকটা মানুষের বাড়ীতে সুপারী গাছ আছে। বিগত দিনে সুপারী সিন্ডিকেট নিয়ে এই পবিত্র সদনে অনেক আলোচনা হয়েছে। আগে সুপারীর ১ ভি যেটা ১০০০ টাকার উপরে দাম ছিল। কিন্তু এইবার সেটা তিনশো থেকে সাড়ে তিনশো টাকা দাম হয়েছে। এতে আমাদের গ্রামীণ অর্থনীতির উপর একটা চাপ পড়েছে। এর মূল কারণ এই সিন্ডিকেট। এই সিন্ডিকেটের জন্য এমন অবস্থা হয়েছে। যদি সুপারী নিতে হয় তাহলে ৮০ থেকে ১ লাখ টাকা দিতে হয়। মাননীয় মুখ্যমন্ত্রীর কাছে আবেদন যাতে এই সিন্ডিকেট প্রথাটা বন্ধ হয় অন্তত লোকেল সুপারীর উপর। আরও একটা বিষয় হচ্ছে আমাদের এখানে যে স্কুলগুলো আছে সরকার বলেছিল একজন বিধায়ককে প্রেসিডেন্ট করে একটা মেনেজিং কমিটি করা হবে। আমিও একটা Model School এর প্রেসিডেন্ট হয়েছি কিন্তু আমি অত্যন্ত আশ্চর্যান্বিত যে আজ পর্যন্ত একটাও গ্রাণ্ট আসেনি। আমি অনেক চেষ্টা করেছি কিন্তু আজ পর্যন্ত কোন গ্রাণ্ট আসেনি। আমি আপনার মাধ্যমে সরকারের দৃষ্টি আকর্ষণ করছি। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ শ্রী দিগন্ত ঘাটোৱাল ।**

**শ্রী দিগন্ত ঘাটোৱাল, (বিহালী) ঃ** মাননীয় অধ্যক্ষ মহোদয় এইয়া মোৰ বিধান সভাৰ প্ৰথম বক্তব্য। পোনপ্ৰথমে মই মাননীয় অধ্যক্ষ মহোদয়ক আৰু মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছো । কোকৰাঝাৰৰ দৰে ঠাইত য'ত এটা সময়ত আমি দিনৰ ভাগতো যাবলৈ ভয় কৰিছিলো আজি বিধান সভাৰ বাজেট অধিবেশন পাতিবলৈ তাত সক্ষম হৈ ছো, যাক আমি ঐতিহাসিক বাজেট অধিবেশন বুলি ক'ব পাৰো। মহামহিম ৰাজ্যপাল ডাঙৰীয়াৰ ভাষণৰ সমৰ্থন জনাই দুআষাৰ ক'বলৈ ওলাইছো । আজি বিগত চৰকাৰৰ তুলনাত মাননীয় মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত এন ডি এ ৰ যিখন চৰকাৰ আছে তাত আমি এটা পৰিৱৰ্তন দেখিবলৈ পাইছো। আগতে দেখা পাইছিলো যে প্ৰত্যেক দিনাই বাতৰি কাকতত হওঁক বা টেলিভিচনত হওঁক বোমা

ফুটা, হত্যা-হিংসা ধৰ্ষণ হোৱা বিভিন্ন ধৰণৰ অশান্তময় পৰিৱেশ এটা সৃষ্টি হৈছিল। চাৰিওফালে আন্দোলন হৈছিল। উন্নয়নমূলক কাম-কাজত যথেষ্ট ধৰণৰ ব্যাধি হৈছিল। আজি অসম খনত চাৰিওফালে শান্তিময় পৰিৱেশৰ সৃষ্টি হৈছে যাৰ কাৰণে এটা উন্নয়ণৰ পথ ওলাইছে। এইখন চৰকাৰে যথেষ্টখিনি উন্নয়ন কৰিবলৈ সক্ষম হৈছে। আজি উন্নয়নৰ দিশত চাবলৈ গ'লে ব্ৰহ্মপুত্ৰৰ ওপৰত কিমানখন দলং হ'ল, ৰাস্তাৰ যোগাযোগৰ অৱস্থা আগতে কি আছিলে এটা সময়ত আমি কোকৰাঝাৰলৈ গাড়ীৰে যাব পৰা নাছিলো। ৰৌতাৰ পৰা আমি যাবলৈ হ'লে বাইকেৰে যাবলগীয়া এটা পৰিৱেশ আছিল। এতিয়া আমি সৌসিদিনাখন সকলো আমাৰ বিধান সভাৰ সদস্যই মন্ত্ৰী সকলে বাছেৰে গৈছো, চাৰিওফালে ৰাস্তাৰ ব্যৱস্থা সুন্দৰকৈ হৈছে। আজি উদ্যোগৰ ক্ষেত্ৰত, নিবনুৱা সমস্যা সমাধান কেনেকৈ হ'ব, চৰকাৰৰ সদিচ্ছা থাকিব লাগিব, আজি উদ্যোগ আহিব লাগিব । মই পুনৰ কৈছো যে অসমখন এনেকুৱা জৰাজীৰ্ণ, আতংকময় অৱস্থাত আছিলে যাৰ কাৰণে কোনো উদ্যোগপতিয়ে হওঁক বা বিনিয়োগকাৰীয়ে অসমত আহিব ভয় কৰিছিল । অসম সন্ত্ৰাসবাদ বুলি চিহ্নিত হৈছিল। আজি এটা পৰিৱেশ ও নিৰ্মাণ হৈছে, আজি ভাৰতবৰ্ষৰ বিভিন্ন ৰাজ্যৰ উদ্যোগপতিয়ে নহয় বিভিন্ন দেশৰ উদ্যোগপতিয়ে বিনিয়োগ কৰিবলৈ আগবাঢ়ি আহিছে যিটো আপোনালোক এডভান্টেজ আসাম- ২ জৰিয়তে জানিবলৈ পাব। অনাগত দিনত ইয়াৰ ভৰিষ্যত উজ্বল হ'ব বুলি মই আশা ৰাখিছো । আজি খোৱাপানীৰ ব্যৱস্থা কৰিছে জলজীৱন আঁচনিৰ জৰিয়তে। মই যিহেতু উত্তৰ অসম বিহালী সমষ্টিৰ পৰা আহিছো আজি সেই পাহাৰ অঞ্চল বিলাক বাদ দিয়ক একেবাৰে সীমান্ত অঞ্চললৈকে জলজীৱন আঁচনিৰ জৰিয়তে খোৱা পানীৰ ব্যৱস্থা কৰিছে। স্বাস্থ্যৰ দিশতো যথেষ্টখিনি ভাল হৈছে । বাগিছা সমূহত যথেষ্ট পৰিমানৰ মেডিচিন চাপ্লাইৰ পৰা ডাক্তৰ নাৰ্চৰ পৰা আজি সৌসিদিনাখন আয়ুষ্মান আৰোগ্য মন্দিৰৰ যোগেদি আজি বাগিচা সমূহত চিকিৎসা ব্যৱস্থা ভাল হৈছে। এনে ধৰণৰ যথেষ্টখিনি কাম আগবাঢ়িছে । মই এই খিনি বক্তব্যৰ যোগেদি মাননীয় ৰাজ্যপালৰ ভাষণৰ সমৰ্থন জনাইছো । ধন্যবাদ ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। শ্ৰী অখিল গগৈ ।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ৰাজ্যপাল ডাঙৰীয়াৰ ভাষণটো প্ৰথমৰ পৰা শেষলৈকে দুবাৰ পঢ়িলো খুব মনোযোগেৰে। এইখন পঢ়াৰ পাছত মই কেইটামান কথা ক'ব বিচাৰিছো। প্ৰথম কথা অধ্যক্ষ ডাঙৰীয়া, আমাৰ প্ৰধানমন্ত্ৰীয়ে কৈছিলে ২০১৪ চনতে যে আমি A for Assam কৰিম। ২০১৬ চনতো অসমত আহি কৈছিলে যে A for Assam কৰিম। অৰ্থ্যাৎ ভাৰতৰ নাম উঠিলে A for Assam বুলিয়ে ক'ব। A for Apple বুলি নকয়। তাৰ পাছত আমি দেখিলো যে অসমৰ মুখ্যমন্ত্ৰীয়েও অনবৰতে কৈ থাকে যে ভাৰতৰ শ্ৰেষ্ঠ বা ভাৰতৰ ভিতৰত অসমখন এক নম্বৰ ৰাজ্য কৰিম। ইয়াৰ আগতে সৰ্বানন্দ সোনোৱাল ডাঙৰীয়াও কোৱা শুনিছিলো অসমক ভাৰতৰ এখন শ্ৰেষ্ঠ ৰাজ্যৰ ভিতৰত গঢ়ি তুলিম। কিন্তু কাৰ্য্যত আজি অসম ভাৰতৰ কেই নম্বৰ ৰাজ্য ? আজি যদি আমি এটা এটা কৈ Reserve Bank ৰ document চাওঁ, SDC ৰ index চাওঁ, বেলেগ বেলেগ udise ৰ document চাওঁ, তেনেহ'লে দেখিবলৈ পাওঁ যে আজিৰ দিনটোত অসম ভাৰতৰ ভিতৰত এক নম্বৰ হ'ল প্ৰসূতি মৃত্যুৰ ক্ষেত্ৰত। সন্তান জন্ম দিওঁতে মৃত্যু হোৱা মাতৃৰ ক্ষেত্ৰতহে আজিৰ দিনত ভাৰতৰ ভিতৰত অসম এক নম্বৰত আছে। গড় আয়ুসৰ ক্ষেত্ৰতো অসম ভাৰতৰ ভিতৰতে আটাইতকৈ কম গড় আয়ুস থকা ৰাজ্য, ৬৭ বছৰ। যিবিলাক মানুহে ভালকৈ খাবলৈ নাপায়, যাৰ দৰিদ্ৰতাৰ পৰিমাণ বেছি, সেই ৰাজ্যৰ

মানুহৰহে গড় আয়ুস আটাইতকৈ কম থাকে। নৱজাতকৰ মৃত্যুৰ ক্ষেত্ৰত গোটেই ভাৰতবৰ্ষৰ ভিতৰত অসম তৃতীয় স্থানত আছে। দৰিদ্ৰতাৰ ক্ষেত্ৰত গোটেই ভাৰতবৰ্ষৰ ভিতৰত আমি পঞ্চম। এইবিলাক handbook of statistics of Indial States ৰ এইবাৰৰ যিটো latest version তাত প্ৰকাশ হৈছে। Reserve Bank of India ই এই তথ্য আমাক দিছে যে আজিৰ দিনটোত ভাৰতবৰ্ষৰ ইমান তলত অৱস্থান গ্ৰহণ কৰি আছো। মাধ্যমিক পৰ্য্যায়ত drop out ৰ ক্ষেত্ৰত আমি দেশৰ ভিতৰতে এক নম্বৰত। অথচ আটাইতকৈ দক্ষ শিক্ষামন্ত্ৰী আমাৰ মুখ্যমন্ত্ৰীজন আছিল। উচ্চ শিক্ষাত নামভৰ্ত্তিৰ ক্ষেত্ৰতো আমি দেশৰ ভিতৰতে আটাইতকৈ নিম্ন স্থানত আছো। এই গোটেই বিলাক Udise 2024 ৰ report ত কোৱা হৈছে। সুস্বাস্থ্যৰ ক্ষেত্ৰত তলৰ পৰা এক নম্বৰত। গুনগত শিক্ষাৰ ক্ষেত্ৰত আমি তলৰ পৰা চতুৰ্থ স্থানত, লিঙ্গ সমতাৰ ক্ষেত্ৰত আমি তলৰ পৰা চতুৰ্থ স্থানত, বহুমাত্ৰিক দৰিদ্ৰতাৰ পৰা আমি তলৰ পৰা ষষ্ঠ নম্বৰত। বহনক্ষম উন্নয়নৰ ক্ষেত্ৰত আমি তলৰ পৰা ষষ্ঠ স্থানত, জনমুৰী আয়ৰ ক্ষেত্ৰত এজন মানুহে এবছৰত কিমান আয় কৰে তাৰ ক্ষেত্ৰত আমি তলৰ পৰা দুই নং স্থানত,মাধ্যমিক বিদ্যালয়লৈ নোযোৱা শিক্ষাৰ্থীৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰৰ শিক্ষা মন্ত্ৰালয়ৰ শেহতীয়া ৰিপোৰ্ট অনুসৰি আমি ভাৰতবৰ্ষৰ ভিতৰত তৃতীয় --------হুলস্থুল-------------অধ্যক্ষ ডাঙৰীয়া, মই এইটো lay কৰি দিম যে যিসময়ত আমি কৈ আছো যে ভাৰতবৰ্ষৰ আমি এক নম্বৰ ৰাজ্য হ'বলৈ গৈ আছো সেই সময়ত আমি কোন ক্ষেত্ৰত এক নম্বৰ ৰাজ্য হ'বলৈ গৈ আছো ? হিন্দু মুছলমানৰ কাজিয়া লগোৱাৰ ক্ষেত্ৰত আমি এক নম্বৰ ৰাজ্য হ'বলৈ গৈ আছো। ভুৱা encounter কৰাৰ ক্ষেত্ৰত, দুখীয়াৰ ঘৰ উচ্ছেদ কৰাৰ ক্ষেত্ৰত আমি এক নম্বৰ ৰাজ্য হ'বলৈ গৈ আছো। এটা ভাল ক্ষেত্ৰতো আমি এক নম্বৰ স্থানত নাই। অধ্যক্ষ মহোদয়, আজি ৰাজ্যপালৰ ভাষণত আমি কি পাব লাগিছিল ? আমি ৰাজ্যপালৰ ভাষণত শুনিবলৈ পাব লাগিছিল যে চীনৰ নদীবান্ধ বন্ধ কৰাৰ কাৰণে ৰাজ্য চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ লগত কথা পাতিব। এই কথা ইয়াত উল্লেখ থাকিব লাগিছিল, কিন্তু নাই। BTR ত এইবাৰ অধিবেশন আৰম্ভ কৰিছে, কিন্তু আমি তাত দেখিলো যে বডোফা উপেন্দ্ৰ নাথ ব্ৰহ্মৰ নাম তাত নাই। BTR ৰ সমস্যা সমাধান কৰাৰ কাৰণে কোনো road map ৰাজ্যপলাৰ ভাষণত নাই। আমি দেখিলো যে BTR ৰ কামবিলাক একেবাৰে সম্পূৰ্ণ হোৱা নাই। আজি মোৰ দুটা প্ৰশ্নৰ উত্তৰত কৈছে যে আজিৰ দিনটোত যদি আমি অসমৰ Public education টো এই চৰকাৰৰ দিনত সম্পূৰ্ণৰূপে ধ্বংশ হৈ গৈছে। আজিৰ দিনতো অসমত এজনো শিক্ষক নথকা তিনিখন বিদ্যালয় আছে। আজিৰ দিনতো অসমত এজন শিক্ষক থকা বিদ্যালয় আছে ২২৯৫ খন আৰু আজিৰ দিনটোতো অসমত ১২,১১২ খন এল. পি. স্কুলতে পৃথক পৃথক কোঠা আছে। কিন্তু ২১,৯৬১ খন স্কুলতে পৃথক কোঠা নাই। স্থায়ী শিক্ষক নাই। স্থায়ী প্ৰধান শিক্ষক নাই। আমি দেখিছো যে উপযুক্ত পৰিমাণৰ শিক্ষক নথকা স্কুলৰ সংখ্যা অসমত ৩০,৪০৫ খন।

**মাননীয় অধ্যক্ষ ঃ** হ'ব। আপুনি বহক।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি দেখিবলৈ পাইছো যে আজি অসমত এফালৰ পৰা চকাৰী স্কুলবিলাক বন্ধ হৈ গৈছে।

**মাননীয় অধ্যক্ষ ঃ** হ'ব। আপুনি বহক। আপোনাৰ সময় শেষ হৈছে।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসমৰ চৰকাৰী শিক্ষা ব্যৱস্থা বন্ধ কৰা হৈছে।

----interruption-----

**মাননীয় অধ্যক্ষ ঃ** অখিল গগৈৰ আৰু কোনো কথা ৰেকৰ্ডত নাযাব। আপোনাক তিনি মিনিটৰ ঠাইত ৫-৬ মিনিট সময় দিয়া হ'ল। আপোনাৰ সময় শেষ হৈছে। আপোনৰ যদি আৰু কিবা আছে তেনেহ'লে লিখি দিব।

এতিয়া মাননীয় সদস্য শ্ৰী শ্বেৰমান আলী আহমেদ ডাঙৰীয়া।

**শ্ৰী শ্বেৰমান আলী আহমেদ, (বাঘবৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, সন্মানীয় সদস্য অখিল গগৈ ডাঙৰীয়াৰ দৰে ময়ো মাননীয় ৰাজ্যপাল ডাঙৰীয়াৰ ভাষণটো বহুকেইবাৰ পঢ়িলো। ভাষণটো আৰম্ভ হৈছে্মাৰ পবিত্ৰ ধৰ্মীয় গ্ৰন্থৰ এটা শ্লোকেৰে, যাৰ অৰ্থ হ'ল walk together, speak together, let your minds be in harmony just as the gods of old united India shared purpose. ইয়াতকৈ আৰু ভাল কথা থাকিব নোৱাৰে। একতাৰ কথা,Inclusive Development ৰ কথা। মাননীয় অধ্যক্ষ মহোদয়, আৰু ৰাজ্যপাল মহোদয়ৰ ভাষণ শেষ কৰিছে everything is for the welfare and happiness of all.সকলোৰে মঙ্গলৰ কাৰণে। Everything is for the well being and auspiousness of all. এই দুটা শ্লোকেৰে ৰাজ্যপালৰ ভাষণ আৰম্ভণি আৰু শেষ কৰিছে। কিন্তু 'কথণি অৰ কৰণি মে কিতনা অন্তৰ হ্যায়, জব অন্দৰ মে যাতা হু দিল দুখতা হ্যায়।'

মাননীয় অধ্যক্ষ মহোদয়, মই আৰু দুটামান কথা ক'ম। বেছি সময়তো নাপাওঁ। ৪০ নং পেজত Social Justice And Minority affairs ৰ আৰম্ভণি বৰ ধুনীয়া। Ensuring Inclusive Development and Social Empowerment is at the core of the Government's mission. এই বাক্যটোৰে আৰম্ভ কৰিছে। কিন্তু বাকী দুটা পেজত minority ৰ কথা ক'ব যাওঁতে SC ,OBC,Transgender ৰ কথা কোৱাহৈছে, ২৪ council development ৰ কথা কোৱা হৈছে, disability ৰ কথা কোৱা হৈছে। কিন্তু minority ৰ কথা কোৱা হোৱা নাই। আমি জানো যে ভাৰত চৰকাৰে minority মানে ৬ টা জনগোষ্ঠীক notify কৰিছে-মুছলমান, শিখ, খ্ৰীষ্টান, বৌদ্ধিষ্ট, জৈন জিৰোষ্ট্ৰীয়ান আৰু এই ৬ টা জনগোষ্ঠীৰ মানুহ অসমৰ প্ৰায় ৪০ শতাংশ। আজি এই যে অখিল গগৈ ডাঙৰীয়াই হওক বা বিভিন্ন সদস্যই কৈছে যে আমি ভাৰতৰ বেয়া কামবোৰৰ ভিতৰত প্ৰথম। কিন্তু ভাল কামবোৰৰ ক্ষেত্ৰত শেষত। তাৰ কাৰণ হ'ল যে প্ৰায় ৪০ শতাংশ জনসমষ্টিক বঞ্চিত কৰি ৰখা হৈছে। Minority ৰ নাম কৈ minority ৰ বিষয়ে এটা আঁচনিৰ কথা উল্লেখ কৰা হোৱা নাই। মই জানো অসমৰ মুখ্যমন্ত্ৰী মহোদয়ে ক'ব যে minority মানুহকো অৰুণোদয় দিছো, অন্যান্য সৰু সুৰা আঁচনিৰ সুবিধা দিছো। জনসমষ্টিক বঞ্চিত কৰি ৰখা হৈছে। মাইন'ৰিটিৰ নাম কৈ মাইন'ৰিটিৰ বাবে এটা স্কীমৰ কথা উল্লেখ কৰা হোৱা নাই। মই জানো আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে ক'ব মাইন'ৰিটিৰ মানুহক ও অৰুণোদয় দিছো, অন্যান্য কিবা কিবি স্কীম দিছো। মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে দাবী জনাব বিচাৰো যে মই বাঘবৰ সমষ্টিৰ বিধায়ক হিচাপে মোৰ অৰুণোদয় আঁচনিৰ প্ৰয়োজন নাই, মোৰ সকলো অৰুণোদয় কাটি দিয়ক। কিন্তু মোক লাগে শিক্ষাৰ ব্যৱস্থা, মোক লাগে কলেজ, বিশ্ববিদ্যালয় আৰু দলং। মাননীয় অধ্যক্ষ মহোদয়, উজনি অসমত ব্ৰহ্মপুত্ৰ নদীৰ ওপৰত দলং হৈছে, আমি ভালপাইছো। অসম উন্নতিৰ পথত। কিন্তু মাননীয় অধ্যক্ষ মহোদয়, গুৱাহাটীৰ পৰা গোৱালপাৰালৈ দুশ কিলোমিটাৰ ৰাস্তা। এই সদনত যোৱা চাৰিটা বছৰ বিভিন্ন

আবেদন-নিবেদন কৰাৰ পিছতো এখন দলং তাত চেংচন নহ'ল। মোৰ সমষ্টিৰ জ্বলজ্বলিত দুখনমান দলঙৰ অতি প্ৰয়োজন। ভিতৰত সকলো পকী ৰাস্তা হ'ল। বেছি টকাও নালাগে। ৪০-৫০ কোটি টকা লাগিব। কিন্তু বহুবাৰ অনুনয়-বিনয় কৰা স্বতেও এখনো দলং দিয়া নহ'ল। মাননীয় অধ্যক্ষ মহোদয়, ইয়াত বিভিন্ন উন্নয়নৰ কথা কোৱা হৈছে। মেডিকেল কলেজ ১০ খন, কিন্তু মাইন'ৰিটি এলেকাত এখনো নাই। আইন মহাবিদ্যালয় ১০ খন কিন্তু মাইন'ৰিটি এলেকাত নাই। আজি এখনো বিশ্ববিদ্যালয় মাইন'ৰিটি এলেকাত নাই। কেৱল সেয়াই নহয় মাননীয় অধ্যক্ষ মহোদয়, শিক্ষাৰ ব্যৱস্থা অতি পয়ালগা। মই মাত্ৰ দুটামান উদাহৰণ দিব বিচাৰিছো। আজি ৰামাপাৰা হাইস্কুলত ১০ টা শ্ৰেণী আৰু তাত ৪ জন শিক্ষক, কদমতলা হাইস্কুলত ১০১৫ enrollment কিন্তু ১০ টা পোষ্ট খালী। মানিকপুৰ জনকল্যাণ হাইস্কুলত ওৱানৰ পৰা ক্লাচ টেনলৈকে কিন্তু তাত ৪ জন শিক্ষক। পুলৰচল এল.পি স্কুল তাত ৮ টা ক্লাচ মাত্ৰ তিনিজন শিক্ষক। পশ্চিম দেউলদি এল.পি স্কুল তাত ৮ টা ক্লাচ আৰু  মাত্ৰ তিনিজন শিক্ষক। This is how the Education Department functioning. মাননীয় অধ্যক্ষ মহোদয়, যেতিয়ালৈ অকনি আৰু কৰ্মীৰ  অন্তৰটো নাযাব তেতিয়ালৈ আমাৰ অসম এক নম্বৰত কেতিয়াও নাযাব। মই দুটামান উদাহৰণ দিব খুজিছো। ৭৬৪ চাপৰি উদিৰাচল এল.পি স্কুলত ৬০ জন ছাত্ৰ এজন শিক্ষক। আজি ৭৭২ চোকাৰঝাৰ এল.পি স্কুল ত ১৩১ জন ছাত্ৰ মাত্ৰ এজন শিক্ষক, ১১৯৯ চিড়ুলী এল. পি স্কুলত ১০১ জন ছাত্ৰ আৰু এজন শিক্ষক। কেৱল মোৰ সমষ্টিত ৩৯ খন এনে স্কুল এল.পি স্কুল আছে য'ত P.P. ratio 60. মই কবিগুৰু ৰবীন্দ্ৰ নাথ ঠাকুৰৰ এটা নোবেল পুৰস্কাৰ লাভ কৰা গীতাঞ্জলী কবিতাটিৰ তিনিটা পংক্তিৰে মোৰ বক্তব্য শেষ কৰিবলৈ লৈছো।

হে মোর দুর্ভাগা দেশ, যাদের করেছ অপমান,
অপমান হতে হবে তাহাদের সবার সমান!
মানুষের অধিকারে
বঞ্চিত করেছ যারে,
সম্মুখে দাঁড়ায়ে রেখে তবু কোলে দাও নাই স্থান,
অপমানে হতে হবে তাহাদের সবার সমান।
মানুষের পরশেরে প্রতিদিন ঠেকাইয়া দূরে
ঘৃণা করিয়াছ তুমি মানুষের প্রাণের ঠাকুরে।
বিধাতার রুদ্ররোষে
দুর্ভিক্ষের দ্বারে বসে
ভাগ করে খেতে হবে সকলের সাথে অন্নপান।
অপমান হতে হবে তাহাদের সবার সমান।

তোমার আসন হতে যেথায় তাদের দিলে ঠেলে
সেথায় শক্তিরে  তব নির্বাসন দিলে অবহেলে।
চরণে দলিত হয়ে
ধূলায় সে যায় বয়ে
সে নিম্নে নেমে এসো,নহিলে নাহি রে পরিত্রাণ।
অপমানে হতে হবে আজি তোরে সবার সমান।

যারে তুমি নীচে ফেল সে তোমারে বাঁধিবে যে নীচে
পশ্চাতে রেখেছ যারে সে তোমারে পশ্চাতে টানিছে।
অজ্ঞানের অন্ধকারে

আড়ালে ঢাকিছ যারে
তোমার মঙ্গল ঢাকি গড়িছে সে ঘোর ব্যবধান।
অপমানে হতে হবে তাহাদের সবার সমান।
শতেক শতাব্দী ধরে নামে শিরে অসম্মানভার,
মানুষের নারায়ণে তবুও কর না নমস্কার।
তবু নত করি আঁখি
দেখিবারে পাও না কি
নেমেছে ধূলার তলে হীন পতিতের ভগবান,
অপমানে হতে হবে সেথা তোরে সবার সমান।
দেখিতে পাও না তুমি মৃত্যুদূত দাঁড়ায়েছে দ্বারে,
অভিশাপ আঁকি দিল তোমার জাতির অহংকারে।
সবারে না যদি ডাক,
এখনো সরিয়া থাক,
আপনারে বেঁধে রাখ চৌদিকে জড়ায়ে অভিমান--
মৃত্যুমাঝে হবে তবে চিতাভস্মে সবার সমান।

**মাননীয় অধ্যক্ষ ঃ** বহুত বক্তাই ক'বলগীয়া আছে কিন্তু সময় নহ'ব। আপোনোলোকে বাজেট বা অন্য শিতানত ক'ব। আজি যিসকলে কোৱা নাই তেওঁলোকে বাজেট, কাটমোশ্যনত ক'ব পাৰিব। এতিয়া মাননীয় মুখ্যমন্ত্ৰী মহোদয়।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসমৰ সন্মানীয় ৰাজ্যপাল শ্ৰী লক্ষ্মণ প্ৰসাদ আচাৰ্য্য ডাঙৰীয়াই অসমৰ সন্মানীয় বিধান সভাক কোকৰাঝাৰলৈকে গৈ আৰু আমাৰ বিধায়ক সকলেও কোকৰাঝাৰলৈ গৈ অসম বিধান সভাৰ অধিবেশনত ভাগ লোৱাৰ বাবে মই আন্তৰিক ধন্যবাদ আৰু অভিনন্দন জনালো। শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয়, অসম বিধান সভা কোকাৰঝাৰত অনুষ্ঠিত কৰাত মাননীয় বিধায়ক শ্ৰী দেৱব্ৰত শইকীয়া ডাঙৰীয়াই কৈছিল যে শিৱসাগৰ জিলাতো বিধান সভা অনুষ্ঠিত কৰিব লাগে। আমি এটা কথা অনুভৱ কৰিব লাগিব যে অসম বিধান সভা কোকৰাঝাৰলৈ যোৱা প্ৰাসঙ্গিকতা আৰু প্ৰয়োজনীয়তা ক'ত আছিল। যদি আমি অসমৰ .ৰাজনৈতিক ইতিহাস চাবলৈ যাওঁ তেতিয়া ১৯৬৮ চনত plain Tribel Council of Assam (PTC) ৰ উদ্যোগত অসমক divide ratio of 50ঃ50 কৰিব লাগে বুলি আন্দোলন আৰম্ভ হৈছিল। ১৯৬৮ চনৰ পৰা অসমৰ জনজাতীয় লোক সকলৰ মাজত বিশেষকৈ বড়ো সমাজৰ মাজত অসমৰ মূল সূতিৰ পৰা আঁতৰি গৈ এটা নিজস্ব জাতি গঠনৰ প্ৰক্ৰিয়া, আৰ্থ-সামাজিক বিকাশৰ বাবে, ভাষা বিকাশৰ বাবে আৰু অসমৰ পৰা আঁতৰি গৈ এখন সুকীয়া ৰাজ্য নিৰ্মাণৰ আন্দোলন বা প্ৰৱণতা স্পষ্টকৈ দেখা পোৱা গৈছিল। ১৯৮৫ চনত বডোফা উপেন্দ্ৰ নাথ ব্ৰহ্মৰ বিশেষকৈ অসম আন্দোলনৰ সমান্তৰালকৈ আৰু অসম গণ পৰিষদ চৰকাৰ গঠন হোৱাৰ পৰৱৰ্ত্তী সময়ত বড়োলেণ্ডত অসমক বিভক্ত কৰি বড়োলেণ্ড নামেৰে এখন সুকীয়া ৰাজ্য গঠনৰ দাবীত পূৰ্ণ সংগ্ৰাম চলিছিল। সংগ্ৰাম স্বাভাৱিকতে অহিংস আছিল কিন্তু অহিংস সংগ্ৰামৰ সমান্তৰাল ভাৱে এক হিসাংত্মক শক্তিও গা কৰি উঠিছিল। কেইবা হাজাৰ লোক আমাৰ মাজৰ পৰা আঁতৰি গৈছিল। তেওঁলোকৰ দাবী আছিল যে অসমক বিভক্ত কৰিব লাগে আৰু এখন সুকীয়া ৰাজ্যৰ নিৰ্মাণ হ'ব লাগে। কোকাৰাঝাৰত মই কৈছিলো যে অসমৰ মাননীয় মুখ্যমন্ত্ৰী হিতেশ্বৰ শইকীয়া মুখ্যমন্ত্ৰী হোৱাৰে পৰা অসমৰ ৰাজনৈতিক গতিবিধি সন্মুখৰ পৰা আমি দেখিছো। কিন্তু তাৰ আগৰে পৰা অসমৰ কোনো এজন মুখমন্ত্ৰীয়েই সহজ ভাৱে ১৯৬৮ চনৰ পিছত কোকৰাঝাৰলৈ যাব পৰা নাছিল। অন্ততঃ হিতেশ্বৰ শইকীয়াৰ

দিনৰ পৰা যদি আৰম্ভ কৰো আৰু একেবাৰে শেষলৈকে মাননীয় শ্ৰী সৰ্ব্বানন্দ সোনোৱাল ডাঙৰীয়ালৈকে এই দীঘলীয়া পৰিক্ৰমাটো অসমৰ কোনো এজন মুখ্যমন্ত্ৰীয়ে কোকাৰাঝাৰত কোনো এটা সাংস্কৃতিক অনুষ্ঠান, কোনো এখন নবাগত আদৰণি সভা, কোনো এখন সামাজিক সভাত যোগদান কৰাৰ তথ্য আমাৰ সমসাময়িক অসমৰ বুৰঞ্জীত নাই। ২০১৯ চনত যেতিয়া বড়োলেণ্ড accord হৈছিল, তাৰ আগত ও দুখন বিটিচি আৰু বিএচি ৰ accord হৈছিল। কিন্তু বড়োলেণ্ড accord ৰ সময়ত NDFB আৰু আফচু প্ৰথমবাৰৰ বাবে তেওঁলোকে উল্লেখ কৰিছিল যে আমাক স্ব-শাসন দিয়ক, স্বায়ত্ব শাসন দিয়ক। কিন্তু আমি এখন United অসমত থাকিব বিচাৰো। প্ৰথমবাৰৰ বাবে এই কামটোত লিখা হৈছিল যে Without disturbing the geographical intigate of Assam. এই গোটেই সময়চোৱাত অনা বড়ো লোক সকলেও যথেষ্ঠ সমস্যাৰ মাজেৰে বসবাস কৰিছিল। first time ৰ কাৰণে এই কথাটো লিখা হৈছিল, without disturbing the geographical integrity of Assam এই গোটেই সময়ছোৱাত অনাবড়ো লোক সকলেও যথেষ্ট সমস্যাৰ মাজেৰে বাস কৰিছিল। কংগ্ৰেছৰ শাসন কালত শ্বেৰমান আলি ডাঙৰীয়াই ভাষণ দিছে, তেখেত কংগ্ৰেছত আছে নে নাই মই নাজানো, কিন্তু কংগ্ৰেছৰ শাসন কালতেই সংখ্যালঘু লোক সকলৰ আটাইতকৈ যদি নিৰ্মম ভাৱে হত্যা কৰা হৈছিল বড়োলেণ্ডত, সেয়া কংগ্ৰেছৰ শাসন কালত আছিল। সংখ্যালঘু লোক সকলৰ বৈধ ভূমিলৈ ৰূপান্তৰিত হৈছিল। অধ্যক্ষ মহোদয়, কোকৰাঝাৰত নিৰ্মম ঘটণাৰ পাছত ধুবুৰীত যেতিয়া সংখ্যালঘু লোক সকল কেম্পত আছিল, মই এটা মাহ তেওঁলোকৰ লগত একেলগে আছিলো। ওডালগুৰিত তেতিয়া সংখ্যালঘু লোক সকলৰ ওপৰত গুলীবৰ্ষন কৰা হৈছিল, মই spot ত মোৰ security ৰ সৈতে ঠিয় দি সংখ্যালঘু লোক সকলৰ গাত গুলী নপৰক তাৰ ব্যৱস্থা কৰাৰ বাবে মই প্ৰচেষ্টা কৰিছিলো। এই সদনৰ পৰা বহি বহুত কথা ক'ব পাৰি । কিন্তু যেতিয়া স্পষ্টভাবে সমাজ দুটা ভাগত বিভক্ত হৈ যায় আৰু সেই সময়ত সাহসেৰে গৈ সংখ্যালঘুৰ হৈ ঠিয় দিয়া সাহস সেই জন মানুহৰে থাকিব পাৰে যিজন মানুহ সনাতন হিন্দু সংস্কৃতিত ডাঙৰ হৈছে, বাকী কোনোৱে নোৱাৰে।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ)** ঃ আপোনালোকক ভোট লাগে এতিয়া।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী)ঃ** আপুনি শুনি লওঁক আৰু এই গোটেইখিনি ভোট আপোনাৰ নামত দি দিছো। মই আজিও কৈছো, বি জে পি য়ে কাৰোৰ পৰা ভোট আশা নকৰে।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ)** ঃ কংগ্ৰেছৰ মন্ত্ৰীটো আপুনিও আছিল, আটাইতকৈ শক্তিশালী মন্ত্ৰী এজন আপুনিও আছিল আপোনাৰ দিনত মানুহ মৰিছিল।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী)ঃ** আপোনালোকে indirectly শক্তিশালী বুলি মই এটা কথা বুজি নাপাওঁ যে কংগ্ৰেছৰ সদস্য সকলে অখিলগৈক ভাল কৰিব যায় নে বেয়া কৰিব যায়। মোক শক্তিশালী বুলি কৈ কৈ তৰুণ গগৈক দুৰ্ব্বল কৰি দিয়ে আপোনালোকে। আজি মোৰ মন্ত্ৰী সভাত শক্তিশালী মন্ত্ৰী কোনোবা আছে নেকি? যদি আপোনালোকে কয় এওঁৰেই চলাইছিল এওঁৰেই কৰিছিল, তৰুণ গগৈৰ ব্যক্তিত্বক আপোনালোকে কিয় অপমান কৰে, মৃত মানুহ এজনৰ, নাপায় নহয় তেনেকুৱা কৰিব? মই এটা প্ৰৱনতা দেখিছো যে মৃত্যুৰ পিছটো অখিল গগৈয়ে তৰুণ গগৈ ডাঙৰীয়াক সমালোচনা কৰে। আপুনি মোক এটা কথা কওঁক আজি যদি এই মন্ত্ৰী সভাত কয়, ৰনোজ পেগু মুখ্যমন্ত্ৰীতকৈ শক্তি শালী তাৰ মানে মোক অপমান কৰা হ'ল নে নাই?

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ)** ঃ আপুনি কিন্তু ভাল কামকেইটাৰ credit কেইটা লয়, **১০৮** টো আপুনি আনিলে বুলি কয়, এইটো কেন্দ্ৰীয় চৰকাৰৰ বস্তু আছিল।

**माननीय अध्यक्ष ঃ** অখিল গগৈ বহক।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী)ঃ** মই ৰেৰ্কডত কৈছো, ১০৮ সম্পুৰ্ণ state government ৰ scheme আছিল, যেতিয়া আমি আনিছিলো। কালি মোৰ ওপৰত privilege motion লৈ আহক যদি মই ভুল কৈছো, মই দেখিছো যে বয়স যিমানেই হৈ গৈছে আপুনি সৰু ল'ৰা টাইপ হৈ গৈছে। আপুনি মনত এবাৰ ভাবিবছোন ১২৬ জন বিধায়কৰ কোনোৱে এনেকৈ উঠা বহা নকৰে কিন্তু আপুনি কৰি থাকে আৰু সাধাৰণ মানুহে ভাবে যে আপুনি বহুত active MLA কিন্তু আচলতে যে আপোনাৰ একোৱেই নাই। আপুনি যদি intellectually চাবলৈ যায় আপুনি ভুল তথ্যবিলাক দি থাকে।১০৮ টো ৰাজ্য চৰকাৰৰ স্কীম। তাৰ কাৰণে তৰুণ গগৈক ক্ৰেদিট দিয়ক। টেট'ৰ শিক্ষক সেইটো ৰাজ্য চৰকাৰৰ স্কীম। আপুনি মনত কৰকছোন, টেট'ত যেতিয়া শিক্ষক নিযুক্তি হৈছিল আপুনি ল'ৰা বিলাকক গৈ কি কৈছিল, ল'ৰাবিলাককো কৈছিল যে তোমালোকৰ ৯ মাহৰ চাকৰি চব শেষ হৈ যাব। কৈছিল নে নাই কওঁকচোন?

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ)** ঃ এতিয়াও সেই contractual শিক্ষক এতিয়াও সেই contractual য়ে হৈ আছে। আপুনি কৰিব পৰা নাই। আপোনাৰ দিনত স্কুল কমিছে স্কুল বঢ়া নাই, চৰকাৰী স্কুল । আপোনাৰ ঘৰত প্ৰাইভেট স্কুল হৈ গৈছে। আপোনাৰ ঘৰৰ মানুহে প্ৰাইভেট স্কুল খুলিছে।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী)ঃ** এতিয়া কোনেও একো কৰিব নোৱাৰে যেতিয়া এজন মতা মানুহ খুব দুৰ্ব্বল হয়, তেতিয়া তেওঁ মাইকী মানুহক আক্ৰমণ কৰিবলৈ আৰম্ভ কৰে। মই যদি কওঁ, আপোনাৰ পৰিবাৰে বি বৰুৱা কলেজত কেনেকৈ চাকৰি পাইছে, মইটো আজিলৈকে কোৱা নাই।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ)** ঃ ক'ব লাগে, challenge .

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী)ঃ** আপোনাৰ পৰিবাৰতকৈ চোকা ছোৱালীক পিছ পেলাই থৈ চাকৰি দিয়া হৈছিল, পেপাৰত ওলাইছে, ৰেকৰ্ডও আছে, মই আজি আকৌ এবাৰ কৈছো।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ)** ঃ challenge is accepted.

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী)ঃ** আন্দোলনকাৰী, ছেণ্ডেল পিন্ধা, আন্দোলনকাৰী মানুহ এজনে যেতিয়া চানমাৰিত মাটি কিনে সেই প্ৰশ্নৰ উত্তৰ কোনে দিব?

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ)** ঃ আপোনাতকৈ মোৰ শ্ৰীমতীয়ে দৰমহা বেছি পায়, আপুনি যিমানেই মোক গালি পাৰিব-----

.......(সদনত হুলস্থুল)......

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী)ঃ** অখিল কুমাৰ ডাঙৰীয়া এইটো ভগবানে বিচাৰ কৰিব। বিপ্লৱ শৰ্ম্মা কমিটিত মোৰ নাম নাই আপোনাৰ নাম আছে, মাননীয় অধ্যক্ষ মহোদয়----

.......(সদনত হুলস্থুল)......

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ)** ঃ APSC ৰ লিষ্টখন আপুনি উলিয়াইছে কিন্তু আপোনাৰ নাম নাই।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী)ঃ** যিমান Defamation case হৈছে, আপুনি কোৰ্টত গৈ মোৰ পোলোকা মাৰিছে, এইটো পেপাৰত অহা কথা, এইটো মোৰ লিখা কথা নহয় । মই আপোনাৰ ওপৰত যিমান টা Defamation case দিছো।

.............(সদনত হুলস্থুল)..............

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ)** ঃ আপুনি দিয়া Defamation case টো শেষ হোৱা নাই। এতিয়াও চলি আছে।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ ওপৰত মই যিমানটা Defamation case দিছো আপোনাৰ উকীলে গৈ কোৰ্টত কয় এই কেইটা মই কোৱা নাই বুলি। on record ৰ পৰা কৈছো, হাউচ কমিটি এখন গঠন কৰি দিয়ক। কমিটিখনে পৰীক্ষা কৰি ল'ব আপোনাৰ সাহসে নাই কোৰ্টত গৈ কথা কোৱা।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ) ঃ** Document খিনি কোৰ্টত দি দিয়ক।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী)ঃ** কোৰ্টত মই কি ক'ব লাগে?

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ) ঃ** আপুনি legislator, আপুনি আলোচনায়ে কৰিব নোৱাৰে।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, যোৱা কালি মই এটা কথা কৈছো, হাউচখনক আপুনি যদি পৰিচালনা কৰিব লাগে। এই এজন মানুহৰ লগত যদি মই এনেকৈ কথা পাতি থাকিব লাগে বাকী সদনৰ কি অধিকাৰ নাই নেকি? বাকী সদস্যৰ অধিকাৰ নাই নেকি? ইমান নিজক কিয় degrade কৰে, এটা টো লেভেলত থাকক। মুখ্যমন্ত্ৰী এজনে কথা ক'লে মইটো আৰু আপুনি পাতি দিয়া নাই অসমৰ মানুহে মোক মুখ্যমন্ত্ৰী পাতিছে। আজিও আপুনি যিমান শিৱসাগৰত ভোটত জিকে, জালুকবাৰীত মই তাতকৈ বহুত হাজাৰ ভোটত জিকি আহো। গতিকে এটাটো মানুহক সন্মান কৰক, এটা মিনিমাম বয়স বাঢ়িছে, you are becoming father. নিজৰ ল'ৰা-ছোৱালীয়ে চাই নাথাকে জানো আপোনাক। নিজক বচাওকচোন you have been given enough time. এনেকুৱা নকৰিব অসমৰ মৰ্য্যদা এটা আছে। ল'ৰা-ছোৱালী, পৰিবাৰে ঘৰত গৈ আপোনাকে কয় নহয় জানো, এইবোৰ কিয় কৰে বুলি। নকৰিব, আপোনাক মই অনুৰোধ কৰিছো you take half-an- hour time extra যি মনত আছে, মোৰ পৰা, আপোনাৰ মোৰ লগত কোনো যুঁজ নাই, কোনো স্বাৰ্থ নাই you take one hour from me আমি শুনি থাকিম। আপুনি যি ক'ব খোজে কথা কওঁক কালি জয়ন্ত মল্ল বৰুৱাই কথা কৈছে PHE ৰ, তেওঁ PHE department কো জন্মস্বত্তে লৈ আহিছে নেকি? আজি মন্ত্ৰী আছে PHE ৰ সেইটো গালি তেওঁ কিয় খাব? গোটেইটো অসমীয়া ইঞ্জিনিয়াৰ বিলাকে কাম কৰে PHE department ত। তাৰ মাজত ১০ জন ভাল ইঞ্জিনিয়াৰো আছে, যোনে টকা পইচা নাখায়। এনেকৈ generalise কৰি কৈ থাকিলে সকলোৰে মন বিলাক ভাঙি যায় নহয়। মই আপোনাক অনুৰোধ কৰিছো যে প্ৰধান মন্ত্ৰীয়ে সংসদত কথা ক'লে কোনেও কথা নকয় আৰু আপুনি কওঁতে মই সকলোকে মানা কৰিছিলো যে উত্তৰ নিদিব, তেওঁক ক'ব দিয়ক। ল'ৰা-ছোৱালীৰ ওচৰত কিছুমান থৈ যাওঁকচোন যে we conducted very well. প্ৰমোদ গগৈ ইয়াত আছিল, আপুনি যিটো সমষ্টিৰ পৰা প্ৰতিনিধিত্ব কৰিছে, তাৰ বিধায়ক আছিল প্ৰমোদ গগৈ। How he conducted House.কিছুমান এনেয়ে বহি থকা মানুহে ভাবিব পাৰে এই অখিল গগৈয়ে বহুত ডাঙৰ কৰি দিলে। But History will not be kind to you. History will be kind to you those who has give good spirits, speech ।**এইবিলাক ঘৈনীৰ কথাবিলাক কয় নেকি ? কিবা যদি ভুল কৰিছে - কাৰোতো সাহস হোৱা তেনেকৈ কোৰ্টত গৈ কেচ এটা কৰিবলৈ - যে** she is doing illegal **-এজনী মানুহক কিমান কৰে - ২০০৯ ত আপুনি মোৰ বাচ্ছাটোক - গাড়ীখনক লৈ কি নক'লে। আজি এই হাউচত থকা সকলোৰে একেই গাড়ী আছে । মই আজিও মনত দুখ পাই থাকো - আপুনি মোৰ ২ বছৰীয়া ছোৱালীজনীৰ যিটো মন্তব্য কৰি থৈছে - নাপায় ইমান কৰিব ।মইতো এনেয়ে থকা নাই -** I have also done something for the society - **ছোৱালীজনীক দেখিলে** I cried many nights looking at her. **সৰু ছোৱালীএজনী**

তাইৰ বয়স তেতিয়া ২-৩ বছৰ আছিল । মনত ৰাখিব- মই আপোনাক তথাপিও - I talk to you —তাকে লৈ মোক ঘৰত গালি পাৰে- যে মানুহজনৰ লগত কিয় কথা পাতা বুলি । যেতিয়া আপোনাৰ লগত মই কথা পাতো , ৰাতি ঘৰত গৈ I have to give answer , why I am talking to you আজি কাৰ গাড়ী নাই ? যিখন গাড়ীৰ কাৰনে আপুনি মোৰ - ছোৱালীজনীক ধৰিছিলে - আজি জয়ন্ত বৰুৱাৰ পৰা - সৰু সাংবাদিক এজনলৈকে - সৰু বিধায়কলৈকে কোনে সেইখন গাড়ীত নুঘুৰে মোক কওক । আজি আপোনাৰ গাড়ীখনৰ কোৱালিটি লওক আৰু সেই সময়ত মই চলোৱা গাড়ীখন মিলাই চাওক । মই নকও নিজে বুজি লওক যে, what I am এতিয়া হৈছে লিষ্টখন বিপ্লৱ শৰ্মাক মইয়ে দিলো - তাৰমানে বিসম্বাদী কংগ্ৰেছ বিধায়ক এজনে লিষ্ট দিব পাৰে নেকি ? তেতিয়া মই বিসম্বাদ কৰি থকা মানুহ এটা - মোৰ চিকিউৰিটি উঠাই লৈ গৈছে । মোৰ ভাইটিক ট্ৰেন্সফাৰ কৰিছে । সেইজন মানুহে ক'ত লিষ্ট দিব পাৰে । Do not go to a certain level কোনোৱা ভোট দিলে দিব , কিন্তু যিসকলে আপোনাক জিকায় তেওঁলোক মইএদিন মাতি আনি দেখুৱাম যে আপুনি কি লেভেলৰ বিধায়ক। বাকীসকলে কিমান ইনটেলেকচুৱেলী কথা কয় - এইবিলাক নকৰিব ভাল নালাগে । মাননীয় অধ্যক্ষ মহোদয়, আজি মই এইটো কথাই ক'ব খুজিছিলো যে, যেতিয়া আমি কোকৰাঝাৰৰ কথা কওঁ - আমাৰ মনত পৰে যে, কি ধৰণে ওদালগুৰি- কোকৰাঝাৰ এই গোটেই অঞ্চবিলাকৰ এদিন সাম্প্ৰদায়িক সংঘৰ্ষ এটা সমগ্ৰ অসমৰ কাৰণে এটা চিন্তা আৰু উদ্বেগৰ কাৰণ কৰি তুলিছে । মই সেইদিনাখনো কোকৰাঝাৰত কৈছিলো যে বড়ো নেতৃত্বক উদাৰ ভাবে আমি ধন্যবাদ জনাব লাগিব যে, এখন একত্ৰিত অসমত থকা সংকল্পৰ বাবে আৰু সেইদিনাখন মই অসম বিধান সভাৰ সকলো সদস্যক ধন্যবাদ জনাইছিলো যে, সকলোৱে উদাৰভাৱে চৰকাৰক অনুৰোধ কৰিছে যে, বিটিচি কাৰ্বি আংলঙক সহায় কৰক। প্ৰয়োজন হ'লে আৰু বেছি টকা দিয়ক , অধিক ক্ষমতা দিয়ক। তেওঁলোকে যাতে স্বায়ত্ব শাসনৰ প্ৰকৃত যিটো সোৱাদ বা প্ৰকৃত অধিকাৰ তেওঁলোকে পাব লাগে - অসম বিধান সভাৰ কিহৰ প্ৰতীক। আজি ইয়াত আমি হিন্দু - মছুলমান আছো, জনজাতি- অজনজাতি আছো গতিকে অসমখনৰ প্ৰতীক হৈছে - অসম বিধান সভা। একত্ৰিত অসম সেই দিনাখন কোকৰাঝাৰত আপোনালোকে উপিস্থিতিয়ে একত্ৰিত অসম যে আৰু অন্তত ৫০ বছৰলৈ অসমক বিভক্ত কৰাৰ বাবে কোনো আন্দোলন নহয় । কোনো সংগঠনে নকয় যে, মোৰ অসমখনক ভাঙি দুই টুকুৰা কৰক। অমূক অধিকাৰ দিয়ক । যিখন অসমৰ কল্পনাৰে আমি সকলো ৰাজনীতিলৈ আহিছিলো এখন একত্ৰিত বিকশিত অসম আমি আমাৰ ভৱিষ্যত প্ৰজন্মৰ বাবে থৈ যাম। সেইখন অসমৰ সপোন কোকৰাঝাৰত অসম বিধান সভাৰ অধিবেশন হ'ল পুনৰ এবাৰ প্ৰতীয়মান কৰিলে। জনজাতীয় লোকসকলক যদি আমি স্বায়ত্ব শাসন আৰু তেওঁলোকক যদি অধিকাৰ আমি দিব পাৰো অসমৰ ভৱিষ্যতৰ প্ৰজন্মই যদি জনজাতীয় লোকসকলক সমান অধিকাৰ দিয়ে মোৰ অসমখন কোনেও দুই টুকুৰা কৰা আন্দোলন নকৰে । মই ভাবো যে কোকৰাঝাৰৰ অধিবেশনে আমাক বহু কথা শিকাই থৈ গ'ল । জনজাতীয়- অজনজাতীয়ৰ মাজত বান্ধোন সুদৃঢ় কৰিলে । এক নতুন অসমে প্ৰাণ পাই উঠিলে , এতিয়া এইখন অসমক আমি আগুৱাই লৈ যাব লাগিব যাতে এইখন অসম ভাৰতৰ মহাশক্তিত পৰিনত হ'ব পাৰে। মই পুনৰ এবাৰ অধ্যক্ষ মহোদয়,আপোনাক ধন্যবাদ জনাইছো যে, আপুনি দায়িত্ব ৰাখি - কৰ্মযজ্ঞ সমাপন কৰিবলৈ আমাক সকলোকে সুবিধা দিছে । মই অসম বিধান সভাৰ হৈ আপোনাক ধন্যবাদ জনাইছো । বিধান সভা - যোৰহাটত হ'ব পাৰে- ডিব্ৰুগড়তো হ'ব পাৰে – but it will not carry that message - কাৰণ তাত অসম দ্বিখণ্ডিত কৰা আন্দোলন হোৱা নাছিল । য'ত সমস্যা আছিল তাত আমি গৈ সমাধান কৰাৰ চেষ্টা কৰিলো আৰু আমি সকলোৱে এক আশাৰে

ক'লো যে, বিটিচিক আৰু অধিকাৰ দিয়ক, কাৰ্বি আংলঙক অধিকাৰ দিয়ক, ডিমা হাচাওঁক অধিকাৰ দিয়ক। আপোনালোকৰ প্ৰত্যোকটো Speech has been included in the official domain, official records ভবিষ্যতে যদি কোনোৱাই বড়োলেণ্ড সম্পৰ্কত কথা ক'ব - আমি সকোলোৰে ক'ব পাৰিম যে, বিধায়কসকলে কিন্তু সদায় আমি বড়োলেণ্ডৰ আৰু ক্ষমতা-অধিকাৰ দিয়াৰ কথা আমি কৈছিলো। আমি কেতিয়াও তাৰ বিৰোধিতা কৰা নাছিলো । একত্ৰিত অসমৰ সোণোৱালী সপোন আজি অসমৰ মই মুখ্যমন্ত্ৰী হৈ থকা কালত ঐতিহাসিক ঘটনা সংঘটিত হ'ল। অসমৰ মুখ্যমন্ত্ৰী হিচাপে মই ভাবো সেই দিনটো আছিল মোৰ জীৱনৰ আটাইতকৈ সফলতম দিন । তাৰ আগতে মই কোকৰাঝাৰতো গৈছিলো , আমি বহুতে কোকৰাঝাৰত যোৱাই নাছিলো - মানসিকভাৱে চাপত আছিলো - আজি সকলোৰে দেখা পালে যে - কিধৰণে কোকৰাঝাৰ বাসী ৰাইজে আমাক আদৰি ল'লে । অধ্যক্ষ মহোদয় যোৱা বছৰতো পৰিঘটনা অসমৰ ৰাজ্যপাল মহোদয়ে আমাৰ সন্মুখলৈ আহিলে , মই নাজানো যে এটা জীৱনকালত মানুহে কিমান আশা কৰিব পাৰে । অখিল গগৈ ডাঙৰীয়া, দেৱব্ৰত শইকীয়া ডাঙৰীয়া - এনে ঐতিহাসিক স্থানৰ পৰা আহিছে যি স্থানত অসমৰ ৬০০ বছৰৰ সোণোৱালী ইতিহাস ৰছনা হৈছিল। আহোম স্বৰ্গদেউসকলে এখন একত্ৰিত সোণোৱালী অসমৰ কল্পনাৰে আমাৰ সমাজখনক আগুৱাই লৈ যাবলৈ প্ৰচেষ্টা কৰিছিল। চৰাইদেউ মৈদামৰ স্বীকৃতি ৰ সকলো কথা মোদী ডাঙৰীয়াক আমি ৰাজনীতিৰ দিশত বিভিন্ন ধৰণে ক'ব পাৰো। চৰাইদেউ মৈদামৰ ফাইল যেতিয়া তেওঁৰ ওচৰলৈ গৈছিল - There are all records , anybody can call those file. তেওঁৰ ওচৰলৈ বাৰানসীৰ পাৰ্শ্বনাথ মন্দিৰ আৰু শিৱসাগৰৰ চৰাইদেউ মৈদামৰ দুয়োটা ফাইল গৈছিল - কেশৱ মহন্ত ডাঙৰীয়াই ভালদৰে জানে । তেতিয়া মই প্ৰধানমন্ত্ৰী ডাঙৰীয়াক সাক্ষাৎ কৰি কৈছিলো যে, ছাৰ , মোৰ ৰিকুৱেষ্ট কৰিবলৈ ভাল লগা নাই , কাৰণ এটা বাৰানসীৰ আনটো অসমৰ- তেতিয়া প্ৰধানমন্ত্ৰী ডাঙৰীয়াই মোক কৈছিলে যে মই অসমৰটো পঠিয়াই দিম । ইমান ডাঙৰ কথা- নিজৰ সমষ্টিৰ এটা স্মৃতি আৰু এটা অসমৰ চৰাইদেউ জিলাৰ স্মৃতি - মাত্ৰ এটা নমিনেশ্যনহে ইউনেস্কোত পঠিয়াব পৰা যায় । এখন দেশৰ পৰা দুটা নমিনেশ্যন পঠিয়াব নোৱাৰে । মোৰ আগলৈ অসমত বহু কেইজন মুখ্যমন্ত্ৰী আছিল , বহু কেইজন শক্তিশালী ৰাজনেতা আছিল ১৯৪৭ চনৰ পৰা চৰাইদেউ মৈদাম আজি ৩০০-৪০০ বছৰ পুৰনি ইতিহাস কল্পনাও কৰিব পৰা নাছিলে । যোৱা বছৰটো অসমৰ বাবে এক যুগমীয়া বৰ্ষ আছিল। য'ত আমি চৰাইদেউ মৈদামক বিশ্ব ঐতিহ্য লৈকে আগবঢ়াই লৈ যাব পাৰো। আজি আমি সুধিছো অসমৰ বিকাশ ক'ত মই নাজানো বিকাশৰ পৰিসংখ্যা ক'ত । যদি বিকাশৰ পৰিভাষা চৰাইদেও মৈদাম নহয়, যদি বিকাশৰ পৰিভাষা লাচিত নহয়, আন কোন পৰিভাষাৰ কথা আমি ক'ব বিচাৰো। আজি চৰাইদেউ মৈদামৰ স্বীকৃতি আমাৰ জাতি সত্তাক লৈ এক ভাবিব নোৱাৰা এক কৃতিত্ব কঢ়িয়াই আনে। তাৰ তাৎক্ষনিক ফলাফল কি। অসম বিধান সভাত কাৰোবাৰ কিবা দ্বিমত থাকিব পাৰে, কিন্তু The New York Time ৰ দৰে আন্তঃৰাষ্ট্ৰীয় বাতৰি কাকতে কৈছে যে যদি এইবাৰ কোনোবাই পৃথিৱীৰ ৫২ খন ঠাইলৈ যাব বিচাৰে তাৰ ভিতৰত এখন হৈছে অসম। কেতিয়াবা আমি ৰাজনৈতিক মতভেদৰ এইবোৰ দেখা নাপাওঁ। কিন্তু আজি চৰাইদেউ মৈদামলৈ দিয়া ঐতিহাসিক স্বীকৃতি আমাৰ সকলোৰে বাবে বা আমাৰ অসম মাতৃৰ বাবে এক অভিনৱ কৃতিত্ব কঢ়িয়াই আনিছে। অসমৰ মহামান্য ৰাজ্যপাল ডাঙৰীয়াই তেওঁৰ ভাষণত এই কথাটো উল্লেখ কৰিছে যাৰ বাবে আমি তেখেতক ধন্যবাদ জনাইছো। আমাৰ অসমৰ ইতিহাস এক জৰ্জৰিত ইতিহাস। আজি সন্মানীয় বিধায়ক অখিল গগৈ ডাঙৰীয়াই Per capita

income ৰ কথা কৈছে আৰু তেখেতে কংগ্ৰেছক সমালোচনা কৰিছে, ইয়াত আমাৰ কোনো আপত্তি নাই । ৭৫ বছৰৰ ইতিহাস মচিব নোৱাৰে আৰু মই ৭৫ বছৰৰ মুখ্য মন্ত্ৰী নহয় মই মাত্ৰ তিনিটা বছৰৰ মুখ্য মন্ত্ৰীহে হয়। আজি যদি Per capita income ত অসম পিছ পৰি আছে, তেতিয়া হ'লে আমি কংগ্ৰেছ দলক সুধিম আপোনালোকে কিয় আমাক পিছ পেলাই থৈছে। স্বাধীনতাৰ আৰম্ভনিতে যি খন ৰাজ্য ভাৰত বৰ্ষত কৈ আগত আছিল, সেই ৰাজ্য খনৰ ওপৰত বাৰে বাৰে আক্ৰমণ কোনে চলালে, ক্ষত-বিক্ষত কোনে কৰিলে। আৰু সেই ক্ষত-বিক্ষত কৰাত আজি মলম কোনে দিলে। অসমীয়া ভাষা বঙালীৰ পৰা জন্ম হৈছে নে বঙালী ভাষা অসমীয়াৰ ভাষৰ পৰা জন্ম হৈছে, তেনে এক বিতৰ্কই অসমৰ ভিতৰতে বৰাকক ব্ৰহ্মপুত্ৰৰ পৰা আতৰাই লৈ গ'ল আৰু মানসিক ভাবে বৰাক আৰু ব্ৰহ্মপুত্ৰৰ মাজত দূৰত্ব বঢ়াই লৈ গ'ল। আমাৰ বিধায়ক শ্ৰী মিছবাহুল ইছলাম লস্কৰ ডাঙৰীয়াই ৰাষ্টাৰ দূৰত্বৰ কথা কৈছে। কিন্তু ৰাষ্টাৰে ক'লৈকে আহিব, য'ত এই খন ব্ৰহ্মপুত্ৰ উপত্যকাত বৰাকৰ ৰাইজৰ কোনো সন্মান নাই। আজিও মাতৃ ভাষাৰ দাবীত বৰাক উপত্যকাত হৈ যোৱা প্ৰতিটো আন্দোলন আৰু অসমৰ ৰাজ্যভাষাৰ দাবীত হোৱা প্ৰতিটো আন্দোলনে বৰাক আৰু ব্ৰহ্মপুত্ৰৰ মাজৰ সম্পৰ্কৰ এনাজৰীডাল চিঙি পেলাইছে। আজিও আমি সেই সম্পৰ্কৰ এনাজৰীডাল যোৰা লগাবলৈ চেষ্টা কৰি আছো। আমাৰ মাননীয় প্ৰধান মন্ত্ৰী ডাঙৰীয়াই সিদ্ধান্ত ল'লে যে অসমীয়া ভাষাও ১৫০০ বছৰ পূৰণি আৰু বঙালী ভাষাও ১৫০০ বছৰ পূৰণি। অসমীয়াৰ পৰা বঙালী হৈছে আৰু বঙালীৰ পৰা অসমীয়া হৈছে That debate is over. এই বিতৰ্ক বিলাক যদি নাথাকিলে হেতেন তেতিয়া হ'লে জনমুৰি আয় বহুত বৃদ্ধি হয়। ইয়াত Per capita income মানে মই income tax ৰ হিচাপ নহয়। আজি বৰাক আৰু ব্ৰহ্মপুত্ৰৰ মাজত প্ৰথম বাৰৰ বাবে এনে এক সম্পৰ্ক স্থাপন হ'ল যে মই কেতিয়াও ভৰা নাছিলো কাছাৰৰ জিলা আয়ুক্তৰ কাৰ্য্যালয়ৰ সন্মুখত লাচিত বৰফুকনৰ প্ৰতিমূৰ্তি স্থাপন কৰা হ'ল। যিটো কাম যোৱা ৭৫ বছৰে হোৱা নাছিল। মই কেতিয়াও ভৰা নাছিলো যে বৰাক উপত্যকাত "অ মোৰ আপোনাৰ দেশ" গানেৰে আমি বৰাকত সভাৰ কাম আৰম্ভ কৰিব পাৰিম। আজি প্ৰধান মন্ত্ৰী মোদী ডাঙৰীয়াই অসমীয়া আৰু বঙালী ভাষাক একেলগে ধ্ৰুপদী ভাষাৰ মৰ্য্যাদা প্ৰদান কৰিলে। যিটো কামে বৰাক আৰু ব্ৰহ্মপুত্ৰ দুইটাৰে স্বাভিমান ৰক্ষা কৰিলে। ২ লাখ মানুহে সভা পাতি প্ৰধান মন্ত্ৰী ডাঙৰীয়াক ধন্যবাদ জনাইছে। আমাৰ ৰাজ্যপাল মহোদয়ে তেখেতৰ ভাষণত এই কথাটো উল্লেখ কৰিছে যে অসমলৈ এক অক্ষয় কীৰ্তি নামি আহিছে। A for Apple. ভাৰতৰ পৰা যেতিয়া বিশ্ব ঐতিহ্য ক্ষেত্ৰ হিচাপে অকল অসমৰ নাম উল্লেখ কৰিলে আৰু যেতিয়া আমাৰ চিৰচেনেহী অসমীয়া ভাষাক ধ্ৰুপদী ভাষা হিচাপে স্বীকৃতি দিয়ে আৰু A for Apple. সেইটো সচা অৰ্থত হয় তাক সমালোচনা কৰি লাভ নাই । আজি আমাৰ সদনৰ দায়িত্ব হৈছে প্ৰধান মন্ত্ৰী ডাঙৰীয়াক প্ৰসংশা কৰা। মোৰ জন্মভূমিক যিয়ে সন্মান দিয়ে মোৰ ভাষা সংস্কৃতিক যিয়ে সন্মান দিয়ে তেখেতক আমি সন্মান দিবই লাগিব। অসমৰ পৰা পূৰ্বৰ প্ৰধান মন্ত্ৰী জৱহৰলাল নেহেৰু, ইণ্ডিৰা গান্ধী আৰু নৰসিংহ ৰাও কে ধৰি অসমৰ পৰা প্ৰতিনিধিত্ব কৰা সাংসদেও ভাৰতৰ প্ৰধান মন্ত্ৰী হৈছিল। ধ্ৰুপদী ভাষাৰ দাবী আজিৰ নহয়, চৰাইদেউ মৈদামৰ কথা আজিৰ নহয়। যোৱা বছৰটোত আমি দুটা কৈ Mile long স্তম্ভ অতিক্ৰম কৰিছো, যিটো সহজ নাছিল কিন্তু তাক আমি সম্ভৱ কৰিছো। মনোৰঞ্জন তালুকদাৰ ডাঙৰীয়াই প্ৰশ্ন কৰিছে যে Advantage 1.0 ৰ পৰা আমি কি পালো। কি পালো কি নাপালো সেইটো চাবলৈ আমাৰ সাহস আছে নে নাই। এই ক্ষেত্ৰত মই আমাৰ উদ্দোগ মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ কৰিছো যে তালুকদাৰ ডাঙৰীয়াক এদিন নুমলিগড় শোধানাগৰক লৈ যাওঁক। আমি দেখা

পাব লাগিব কি হৈছে নেদেখা লৈকে মনত থাকিব যে একো হোৱা নাই। নিশ্চয়কৈ বৰপেটা, সৰভোগ বা নলবাৰীত হোৱা নাই কিন্তু ক'ৰবাত হৈছে। সেই হোৱা থাইখিনি আপুনি চোৱাটো উচিত কাৰণ Advantage 1.0 ৰ সময়তে আমি স্বাক্ষৰ কৰিছিলো যে নুমলীগড়ক আমি ৯ মিলিয়ন মেট্ৰিক টন ৰ শোধানাগাৰলৈ উন্নীত কৰিম। ৩ মিলিয়ন মেট্ৰিক টন শোধানাগাৰক তেল দিবৰ বাবে আমাৰ তেল নাছিল। মোদী ডাঙৰীয়াই সিদ্ধান্ত ল'লে আৰু Advantage 1.0 স্বাক্ষৰ হ'ল যে পাৰাদ্বীপ পৰা পেট্ৰল কঢ়িয়াই অনা পাইপ লাইন হ'ব আৰু সেই পাইপ লাইনেৰে নুমলীগড় শোধানাগাৰক ৩ মিলিয়ন মেট্ৰিক টন ৰ পৰা ৯ মিলিয়ন মেট্ৰিক টন লৈ ৰূপান্তৰিত কৰা হ'ব। এতিয়া যি সকলে চাব খোজে পাইপ লাইন দডালো চাব পাৰে ১০ হাজাৰ কোটি টকাৰ আৰু শোধানাগাৰ চাব পাৰিব। ইয়াৰ পিছত Advantag 1.0 তে চহী কৰা Indradhanu Gas Grid নুমলীগড়লৈ আহক আমি দেখুৱাম। Advantag 1.0 তে চহী কৰা Cancer care Hospital বোৰো আমি বৰপেটাৰ পৰা ডিব্ৰগড়ৰ লৈকে আমি দেখুৱাম। মই সন্মানীয় সদস্য সকলক এটা অনুৰোধ কৰো যে We represent a constitutency সেইহে যদি আমি কিবা unparliamentary word ব্যবহাৰ কৰো সেইটো উঠাই ল'ব আৰু তেতিয়া আমি মানুহৰ মাজটো তুলুঙা হৈ পৰো। সাধাৰণ জনতাই কৈছে যে You have laid a huge thing. এটা সময়ত অসমৰ ৰাইজে প্ৰতিবাদ কৰিছিল যে আমি তেল নিদিওঁ, তেজ দিম কিন্তু এতিয়া ভাৰত চৰকাৰে কৈছে যে আমাক আপোনালোকৰ তেজ নালাগে ওলোটাই আমি তেল দিম। Advantage 1.0 য়ে অসমত এটা পটভূমি ৰচনা কৰি গ'ল। আমাক দি গ'ল Gas Grid, শোধানাগাৰ, Cancer care Hospital আৰু তেলৰ পাইপলাইন। গতিকে আজিৰ পৰা সদনত কোনেও নকলে মই ভাল পাম যে Advantage 1.0 আমি কি পালো। These are the solid things we have got. নুমলীগড় শোধানাগাৰ, গেছ পাইপ লাইন, খাৰুৱা তেলৰ পাইপলাইন আৰু Cancer care Hospital .গতিকে যদি কাৰোবাৰ মনত কিবা সন্দেহ আছিল যে আমি একো পোৱা নাই, মই মুখ্য মন্ত্ৰী হিচাপে এই পবিত্ৰ সদনৰ পৰা কৈছো These are the four major acheivements we had received. আমাৰ মনোৰঞ্জন তালুকদাৰ ডাঙৰীয়াই কৈছে যে খেতি ৯০ শতাংশ আছে। আমাৰ উদ্দেশ্য হৈছে কৃষি প্ৰধান ৰাজ্য এখনৰ পৰা আমি convert হ'ব লাগে। কাৰণ Best economic model কোনটো। Best economic model হৈছে ৩০ শতাংশ Industry, ৩০ শতাংশ কৃষি আৰু ৩০ শতাংশ Service sector. That is the model of the economy. আৰু এনেকুৱা model ৰ economy যি ৰাজ্য থাকে সি কেতিয়াও পিছপৰি যাব নোৱাৰে। আজি আমি নিৰ্ভৰ কৰিছো যে মাটি নোহোৱা বানপানীয়ে কৰা, erosionয়ে গঢ়া এটা অসম সমাজত যদি ৯০ শতাংশ মানুহ কৃষিৰ ওপৰত নিৰ্ভৰশীল হৈ থাকিব লাগে সেই সমাজ খন কেনেকৈ জীয়াই থাকিব? আপোনালোকে কয় যে গড়াখহনীয়া হয়, ৩০ শতাংশ মাটি আমাৰ বনভূমি, নদী মাতৃক আমি এখন দেশ, বানপানীয়ে গৰকা এখন দেশ, এইখন দেশত যদি ৰাইজক আমি যদি কৃষিৰ ওপৰত নিৰ্ভৰশীল কৰি ৰাখো তেতিয়াহলে এইখন দেশত কেতিয়াও per capita বাঢ়িব নোৱাৰে, কেতিয়াও GDP বাঢ়িব নোৱাৰে। We have a to bring a Judicious Mixture 30% Agriculture, 30% Industry, 30% service sector. আজি যদি আপোনালোকে চাব খোজে অসমৰ Economy য়ে সেই গতিলৈকে আজি লাহে লাহে গতি কৰিছে, primary sector, agriculture has reduced to 34, secondary sector 23%, Tertiary 41%. We have to bring a balance

30, 30, 30. তেতিয়া মানুহ কৃষিৰ ওপৰত অত্যন্ত নিৰ্ভৰশীল নহ'ব, মানুহ উদ্যোগৰ ওপৰত অত্যন্ত নিৰ্ভৰশীল নহ'ব, মানুহ অত্যন্ত সেৱা চেক্টৰৰ ওপৰত অত্যন্ত নিৰ্ভৰশীল নহ'ব। These are economic findings. গতিকে মনোৰঞ্জণ তালুকদাৰ ডাঙৰীয়া নিজেই এজন অধ্যাপক আছিল, আপুনি স্কুলত পঢ়োৱাইছিল, কলেজত পঢ়োৱাইছিল, বিশ্ববিদ্যালয়ত পঢ়োৱাইছিল, মই ভাৱো যে এটা Fundamentals of Economic. আমি সকলোৱে জানিব লাগে। অধ্যক্ষ মহোদয়, অসম ৰাজ্যৰ মানুহ জনৰ ওপৰত নিৰ্ভৰ কৰে যে মানুহজনৰ মানসিকতা কেনেকুৱা। এখন ৰাজ্যৰ বেয়া বিলাক আমি কম নে এখন ৰাজ্যৰ ভাল বিলাক আমি কম। যেতিয়া কোনোবাই ছোৱালী এজনী চাব গৈ কাৰোবাৰ বিয়াত, যে মই এইজনী ছোৱালী চাব খুজিছো আৰু ছোৱালী জনীৰ বেয়া বিলাক লিষ্ট কৰি কম যে আপোনাৰ ছোৱালী জনী এই বিলাক, এইবিলাক দেখোতে এনেকুৱা লাগিল, তেনেকুৱা লাগিল, This is one mentality of the people. আৰু এটা মেণ্টেলিটি থাকে যে আপোনাৰ ছোৱালী জনী বৰ ভাল বৰ সুৱলা, বৰ ধুনীয়া, কিন্তু মোৰে ল'ৰাটো ইমান ভাল নহয়, আপোনাৰ ছোৱালী যে ইমান যোগ্য তাইক মোৰ ল'ৰাটোৱে বিয়া, তাই উপযুক্ত নহয় মোৰ ল'ৰাটোৰ কাৰণে বিয়া হোৱাৰ। গতিকে এইখন বিয়া আমি নাপাতো। It is the mentality of a person. যে কেনেকৈ আপুনি নিজক reflect কৰিব, আপোনাৰ অন্তৰখন কিমান ধুনীয়া, কিমান শুৱলা, নিৰ্ভৰ কৰিব যে অসম মাতৃৰ আপুনি ভাল কথা বিলাক কব নে অসম মাতৃৰ নিগেটিভ কথা বিলাক কব। Who doesn't know যে Maternal mortality অসমত আটাইতকৈ বেছি। কোনে নাজানে কিন্তু এইটো ২০২১ চনৰ পিছত হোৱা কথা নহয়। These statistics are there from 1980. ১৯৮০ চনৰ পৰা Maternal mortality ত আমি সৰ্বনিম্ন। আৰু তাৰো আগৰ পৰা। আপুনি আমাক accuse কৰিব পাৰে যদি কিবা আমি অসমত অৱনতি লৈকে লৈ গৈছো। যদি মোৰ দিনত এটাও indicator কাম হৈ ছে You can accuse me. কিন্তু আজিৰ সদনত বহি বিমলা প্ৰসাদ চলিহা, শৰৎ সিংহ, গোলাপ বৰবৰাক সমলোচনা কৰা কিবা যুক্তি আছে নেকি? Indicator fault কাৰ দিনত কৰিছে? Indicator fault হিমন্ত বিশ্ব শৰ্মাৰ দিনত কৰা নাই। ২০০৮ চনত যেতিয়া মই স্বাস্থ্যমন্ত্ৰী আছিলো Maternal mortality was 480 today It has come down to 160. তাৰমানে কিমান মানুহৰ জীৱন ৰক্ষা হ'ল, ইয়াৰ ভিতৰত। Infant mortality has come down to 58 to 40%. গতিকে বিকাশৰ গতিটোক চাব লাগিব আৰু আমি পিছত এইকাৰণে থাকিব লাগিব আমি আগবাঢ়ি গৈছো বুলি বেলেগে ৰাজ্য এখনেতো নিজৰ শক্তিটো কম কৰি নিদিয়ে। যে আমি অসমে আগবাঢ়ি গতিকে বিহাৰে কাম কৰাতো বন্ধ কৰি নিদিয়ে, বেংগলে কাম কৰাতো বন্ধ কৰি নিদিয়ে। Incremental gain আমি যিমান কৰিম তেওঁলোকেও সিমানেই কৰিব। কিন্তু আমাৰ আমি ক'ত আছো তাতকৈ ডাঙৰ কথা ২০০৮ চনৰ পৰা নিৰন্তৰ ভাৱে কমি কমি আহি আজি আমি ক'ত থিয় হৈছো, কভিডৰ সময়ত অসমৰ স্বাস্থ্যত সকলোৱে ভূয়সী প্ৰশংসা কৰিব আজি আমি কৈছো যে নহয় পাৰকেপিতা ইনকামৰ কথা কোৱা হৈছে। চৰকাৰে জি ডি পি বঢ়াব পাৰে। পাৰকেপিতা চৰকাৰে কমাব নোৱাৰে। পাৰকেপিতা চৰকাৰে বঢ়াব নোৱাৰে। সেই বাবে মই বাৰে বাৰে কৈ থাকো জনসংখ্যা কমাওঁক। এখন ঘৰত যদি ৯ টা ল'ৰাৰ জন্ম হয় পাৰকেপিতা কমি গৈয়ে থাকিব। সেই কাৰণে মই কওঁ Child marriage হ'ব নালাগে। Per capita is not an economic indicator. This is a indicator of both social and economy. মই ভাৱো যে শিশু বাল্যবিবাহৰ বিৰুদ্ধে যোৱা ৩ বছৰ যি আমি পদক্ষেপ লৈছো after 10

years. সুচাংক এবছৰত বদলি নাযায়। শক্তিশালী অসমৰ আজি আমি ভেটি নিৰ্মাণ কৰিছো। আজি আমি মুখ্যমন্ত্ৰীৰ উদ্যমিতা দিছো, কৈছো ৩ তাতকৈ বেছি ল'ৰা-ছোৱালী হলে আমি নিদিও, কিয় মই মানুহৰ ওচৰত এটা মেছেজ দিব খুজিছো যে পপুলেচন কন্ট্ৰোল কৰক। কোনো ভোটৰ কাৰণে কাৰো ভাল কথা কোৱা স্বভাৱে নোলায়, মই লগে লগে কৈছো যে অসমৰ মুছলমান বিশেষকৈ immigrants যি খিনি সংখ্যালঘু লোক তেওঁলোকে জনসাধৰণৰ নিয়ন্ত্ৰণ কৰিবই লাগিব যদি অসমৰ সোণোৱালী ভৱিষ্যৎটো আগতীয়াকৈ বিচাৰো। যদি পপুলেচন নকমে পাৰকেপিতা কমিব নোৱাৰে, বাঢ়িব নোৱাৰে পপুলেচন কমিব লাগিব, this is a indicator. পাৰকেপিতা মানে কি জনমূৰি। গতিকে জনটো যদি বাঢ়ি বাঢ়ি গৈ থাকে মুৰীটোতো কমি কমি গৈ থাকিব। গতিকে এই কথা বিলাক সদনত কেতিয়াবা যদি আলোচনা হয় যথেষ্ট ভাল কথা, তেতিয়া সদনৰ সদস্য সকলে বুজিব যে মই কিয় পপুলেচন কন্ট্ৰোলৰ কথা কৈ থাকো। ইয়াত ভোটৰ কথা নাই। ইয়াত মোৰ ভৱিষ্যৎ সোণোৱালী অসম এখনৰ স্বপ্ন লুকাই আছে। যিয়ে বুজি নাপায় পাৰকেপিতা কমি গ'ল, পাৰকেপিতা বাঢ়ি গ'ল, আমাৰ বিজেপিৰ দিনত একো কমা নাই। Nothing has come down. যদি কেতিয়াবা বিচাৰে মই লিষ্ট কৰি দিম, সৰু এটা উদাহৰণ দিছো- Human Capital ত Sustainable যেতিয়া আমাৰ development goal আছিল তেতিয়া অসমৰ ৰেংক আছিল ২০১৮ চনত ২৮ খন। আজি আপুনি কৈছে, আপুনি এবাৰো নকলে যে হিমন্ত বিশ্ব শৰ্মাৰ দিনত It has come upto 23rd. তিনি বছৰত ৫ খন ৰাজ্যক বিত কৰো। From a Achievers state will become fourth ranking state. প্ৰতিটো পল প্ৰতিটো ক্ষণ যোৱা ৩ বছৰ ৬ মাহত আমি অসমৰ কাৰণে কাম কৰিছো। আজি কৈছে ৰাজহুৱা শিক্ষানুস্থান কমি গৈছে, মই ৰনোজ পেগু ডাঙৰীয়াক অনুৰোধ কৰিম মই শিক্ষামন্ত্ৰী হোৱাৰ আগত ৰাজহুৱা শিক্ষানুস্থান কিমান আছিল আৰু আজিৰ দিনত কিমান আছে। ২০০৯-১০ বৰ্ষত for all the time আপোনালোকে মনত ক্ৰিয়া কৰি লওক হিমন্ত বিশ্ব শৰ্মা শিক্ষামন্ত্ৰী হোৱাৰ আগত অসমত চৰকাৰী প্ৰতিষ্ঠান আছিল ৩৮০০০, আৰু আজি চৰকাৰী প্ৰতিষ্ঠান ৪৪ হাজাৰ। It has increased. These are hard statistics, ২০০৯ চনত।

**শ্ৰীঅখিল গগৈ** ঃ আজি মোক দিয়া প্ৰশ্নৰ উত্তৰ এবাৰ চাই ললে ভাল পাম।

**মাননীয় অধ্যক্ষ** ঃ Please.

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী)**ঃ মই যিখিনি কৈ আছো I am liable to privilege motion, ৰনোজ পেগু ডাঙৰীয়াক মই কৈছো, যে উত্তৰ বিলাক চাওক কাৰণ তেখেতে বিজেপি বিজেপি তুলনা কৰি আছে, মই শিক্ষা মন্ত্ৰী হোৱাৰ সময়ৰ কথা মই হে কব পাৰিম, তেওঁক আপুনি প্ৰশ্ন কৰিছে বিজেপি চৰকাৰৰ দিনত, হয় যেতিয়া একেটা কেম্পাছত দুখন স্কুল থাকিব তাক একত্ৰিকৰণ কৰি দিয়াতো বেয়া কথা নেকি? We do not need that much of school. মই মানৱীয়তাৰ খাতিৰত বাৰে বাৰে মোৰ assemblyৰ speech চাব, ২০১১ চনত মই speech দিছো, ২০১২ চনত speech দিছো, ২০১৩ চনত speech দিছো, যে আমাক স্কুল নালাগে, আমাৰ ২৮ হাজাৰ ৰাজহ গাঁও, We need 28000 good school, We don't need numbers, we need good school. আজি আপোনালোকে নিজেও জানে যে আপোনালোকৰ সমষ্টিত revenue village কেইখন আছে। ২৮ হাজাৰ revenue village আছে, ৩ হাজাৰ forest village আছে, so, you should have 32 thousand good school, আজিও আপোনাৰ হাতত স্কুল আছে ৩৯ হাজাৰ। তাৰ ফলত আমাৰ rev-

enue নাই, আমি টকা আনিব নোৱাৰো, শিক্ষক নিযুক্ত কৰিব নোৱাৰে, কৈছে শিক্ষক নাই, ভাল কথা শিক্ষক নাই, ১ লাখ শিক্ষকক মই আজিয়েই চাকৰি দি দিও, দৰমহা কৰপৰা দিম, where from money will come? So, consolidation, যিসকল ইয়াত economics ৰ student আছে তেখেতসকলে জানিব Public administration ৰ ডাঙৰ ভূলটো হ'ল consolidate again, চাৰিখন যদি স্কুল একেলগে আছে club it to one school, Government ৰ যদি Assistant Director, Deputy Director, Joint Director, Director, চাৰিটা অফিচ একেলগে আছে club it in one office and release the additional land for some productive purposes, that is call consolidation।

মই ৰণোজ পেগু ডাঙৰীয়াক অনুৰোধ কৰিম ব্যক্তিগত ভাবে, যে হিমন্ত বিশ্ব শৰ্মা শিক্ষামন্ত্ৰী হোৱাৰ আগতে কিমানখন অসমত কলেজ আৰু স্কুল আছিল আৰু আজি কিমান কলেজ আৰু স্কুল হৈছে, আপুনি অখিল গগৈ ডাঙৰীয়াক পত্ৰ এখন লিখি official record ৰ পৰা জনাই দিব। So, this debate also come to a close আৰু এইবাৰ যেতিয়া প্ৰদেশীকৰণ হ'ব suddenly আৰু number of school বাঢ়ি যাব, বাঢ়ি গলে আমি amalgamate কৰি শেষ কৰিব নালাগিব জানো। কিন্তু এবাৰৰ কাৰণে আমি কোনোবাই কৈছো জানো যে হয় সকলো বন্ধ হৈছে, কিন্তু ৰণোজ পেগু ডাঙৰীয়াই এটা অন্তত ভাল কাম কৰিছে, অন্তত চাহ বাগিছাত ২০০ খন হাইস্কুল পাতিছে। বিৰোধী প্ৰমোদ গগৈ ডাঙৰীয়া যেতিয়া বিধায়ক আছিল, তেখেতৰ মই speech পঢ়িছিলো, মই তেখেত শিৱসাগৰৰ বিধায়ক আছিল কাৰণে কৈছো he used to praise government for good things। চাহ বাগিছাৰ লৰা-ছোৱালীক স্বাধীনতাৰ ৭৫ বছৰলৈকে হাইস্কুল শিক্ষাৰ পৰা আমি বঞ্চিত কৰি ৰাখিছিলো। আজি সকলোৱে আমাক সমালোচনা কৰক, শ্বেৰমান আলি দাই ..... (interfere)

**শ্ৰী ওৱাজেদ আলি চৌধুৰী, (ধুবুৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই এটা কথা interfere কৰিছো, চাহ বাগিছাত যেনেকৈ হাইস্কুল দিছে, আমাৰ চৰ অঞ্চলত বহুত ঠাইত হাইস্কুল নাই, লৰা-ছোৱালীবিলাকে class 6 শেষ কৰাৰ পিছতে পঢ়া শুনা বন্ধ কৰি দিয়ে।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী)** ঃ মই তাৰেও উত্তৰ দিম।

যদি স্বাধীনতাৰ ৭৫ বছৰলৈকে অসমৰ আটাইতকৈ প্ৰাচীন উদ্যোগটোক, কপালৰ ঘাম মাটিত পেলাই কাম কৰা মানুহখিনিৰ কাৰণে আমি এখন হাইস্কুল স্থাপন কৰিব পৰা নাছিলো, আজি এখন চৰকাৰে তাত গৈ ২৮০ খন হাইস্কুল যদি পাতিব খোজো, don't we deserve credit ? আজি যিয়ে অসমীয়া স্কুলবিলাকক সমালোচনা কৰিছিল, সেই অসমীয়া স্কুলসমূহত যদি আমি ৮ কোটি টকাকৈ দি যদি বিল্ডিং বনোৱাৰ কাৰণে সাহস কৰো, don't we get some credits ? আজি অসমৰ আটাইবোৰ মহাবিদ্যালয় NAAC ৰ A credited হ'ল don't we deserve some credit, আমি একোৱে credit আশা নকৰো।

যোৱা পৰহি দিনাখন ৭ হাজাৰ contractual শিক্ষকক একেলগে regularise কৰা হ'ল, don't we get some credits, আজিৰ TET ৰ শিক্ষক সকলক, যাক কোৱা হৈছিল তোমালোক ১১ মাহৰ লৰা-ছোৱালী, যাক অপমান কৰা হৈছিল। তেওঁলোকে আজি bonafide চৰকাৰী চাকৰি, ৪৫ হাজাৰ TET students have become regular teacher, আৰু বাকী যিকেইজনে অহা নাই, তেওঁলোকে নিজে নাহো বুলি কৈছে। don't we get some

credit? আমি কতোৱে credit আশা নকৰো। একো একোটা সমষ্টিত যিধৰণে ৰাস্তাৰ পৰিবৰ্তন হৈছে, আমি credit আশা নকৰো।

মৰিগাওঁ আৰু দৰং দুয়োটা ঠাইত ব্ৰহ্মপুত্ৰ সংযোগী কৰিব। মৰিগাওঁতো সংখ্যালঘু মানুহ, দৰঙটো সংখ্যালঘু মানুহ। ব্ৰহ্মপুত্ৰ নদীৰ ওপৰত লাহৰীঘাট সমষ্টিত দলং বনোৱাৰ কাৰণে কংগ্ৰেছৰ সাহস নাছিল, য'ত আমি কৰি আছো। ক'ত আছিলে, নজৰুল ইছলামৰ দৰে শক্তিশালী মন্ত্ৰী আছিল। কেতিয়াবা কৰবাত বিধান সভাত প্ৰশ্ন এটা হৈছিল নে মৰিগাঁও আৰু দৰঙৰ মাজত এখন দলং লাগে বুলি।

আজি গহপুৰ আৰু নুমলিগড়ৰ মাজত সুৰঙ্গ হ'ব don't we get credit, অসমৰ ইমান ডাঙৰ vision এটা নিৰ্মাণ কৰিলো।

আজি ধুবুৰী আৰু ফুলবাৰীৰ মাজত ব্ৰহ্মপুত্ৰ নদীৰ ওপৰত দলং নিৰ্মাণৰ কাম দিনে ৰাতিয়ে চলি আছে। মাননীয় প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াই তাৰ অকণো credit নাপাব ।

(interfere)

**শ্ৰী ওৱাজেদ আলি চৌধুৰী, (ধুবুৰী)** ঃ সেইখন দলং নিৰ্মাণৰ প্ৰচেষ্টা কংগ্ৰেছৰ দিনতে আৰম্ভ হৈছিল।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী)**ঃ এবাৰ আপুনি নথি পত্ৰ চাই কওঁক যে কংগ্ৰেছে তাত এটা টকাও দিছিলে নেকি?

**শ্ৰী ওৱাজেদ আলি চৌধুৰী, (ধুবুৰী)** ঃ Cabinet Memorandum, আপুনি য'ত আছিল।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী)**ঃ ও ৱাজেদ আলি চৌধুৰী ডাঙৰীয়া, ৩০ কিলোমিটাৰৰ বাবে Cabinet Memorandum বনাব অসম চৰকাৰৰ সাহসো আছে নেকি? JICA ই লোণ দিছে, ২০১৬ চনত, আপোনাক তাৰো তথ্যসমূহ দি দিম। কৰবাত যদি আপোনালোকে ভুলতে মানুহক কৈ আছে যে কংগ্ৰেছে কৰিছিল বুলি সেইটোও যাতে নোহোৱা কৰি দিয়ে যে মোডী ডাঙৰীয়াক ভোট নিদিও, কিন্তু মোডী ডাঙৰীয়াই কৰিছিলে। all documents, we will give it to you, কংগ্ৰেছৰ দিনত সৰু পিনৰ কাগজ এখনো চলা নাছিল। আপোনালোকৰ যদি কৰবাত ভূল ধাৰণা আছে, সেই ধাৰণাটো মই with documents সলনি কৰি দিম আৰু আপোনালোকে এটা document চাব, কংগ্ৰেছ চৰকাৰৰ দিনত এই কামটো হৈছিল নেকি।

মাননীয় অধ্যক্ষ মহোদয়, আপোনালোকে কল্পনা কৰক, যে যোৱা তিনিটা বছৰত মই প্ৰচেষ্টা কৰিছিলো যে পঞ্জাৱৰ লগত অসমৰ GDP কমি কমি আহি থাকিব লাগে। আমাৰ GDP ১৯ নম্বৰত আছিল, আজি আমি ১৭ নম্বৰত আৰু লাহে লাহে মই আশা কৰিছো যে অহা তিনি চাৰি বছৰৰ ভিতৰত, মোৰ যিটো ধাৰণা by 2029 we will be over Punjab, কাৰণ GDP ৰ লগত population ৰ কোনো কথা নাই।

আজি Advantage 2, মানুহৰ মাজত যি এক পৰিবেশ, কি হ'ব Advantage 2 কৰি? মানুহক আলফা নকৰিব, যুৱসমাজক আশা দিব লাগে যে আমি তোমালোকৰ ভৱিষ্যত সুৰক্ষিত কৰিম। you are also a part of the state, আমি লৰা-ছোৱালীক ক'ব লাগে যে we are securing your future, আমি সকলোৱে মিলি তোমালোকৰ কাৰণে কাম কৰি আছো, অসমখন সুৰক্ষিত হ'ব।

আজি সন্মানীয় বিধায়ক মনোৰঞ্জন তালুকদাৰ ডাঙৰীয়া এজন বয়োজ্যেষ্ঠ বক্তি, I re-

spect him. কলে Semi - Conductor আহিলে কি হ'ব? ১৭ শ অসমীয়া ছোৱালী আজি বেঙ্গালোৰত কাম কৰি আছে, ছোৱালী কেইজনীৰ লগত যেতিয়া আপুনি কথা পাতিব, মই ভাৱো যে আপোনাৰ মনটো অনুশোচনাৰে ভৰি পৰিব। ২৭ হাজাৰ লৰা-ছোৱালীয়ে চাকৰি পাব আৰু আপুনি কৈছে যে এইটো আনি কি হ'ব? ১৫ হাজাৰ direct job আৰু ১২ হাজাৰ indirect job or vice - versa । সেইটো আৰম্ভণিয়ে মাত্ৰ।

**শ্ৰী মনোৰঞ্জন তালুকদাৰ, (সৰভোগ)** ঃ মই Semi - Conductor আহিলে কি হ'ব বুলি কোৱা নাই, আপুনি ৰেৰ্কডটো চাব, মই কৈছো যে Semi - Conductor আহিছে ঠিকে আছে, সেইটোতে আমি ঢোল বজাই আছো। কাছাৰ কাগজ-কল কিয় বন্ধ হ'ল।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী)**ঃ প্ৰথমতে আপোনালোকৰ প্ৰশ্ন আছিল জাগীৰোড আৰু কাছাৰ। মই জাগীৰোডৰ ক্ষেত্ৰত প্ৰশ্নটোৰ উত্তৰ দিলো। Advantage 2 ৰ পিছত কাছাৰ কাগজ-কল কি হ'ব, কেনেকৈ কোনে জানে।

**শ্ৰী মনোৰঞ্জন তালুকদাৰ, (সৰভোগ)** ঃ ক্ষুদ্ৰ মজলিয়া শিল্প উদ্যোগ যেনেকৈ ধ্বংস হৈ গৈছে, ২ লাখতকৈ বেছি বন্ধ হৈ গৈছে। আমাৰ লগত নথি পত্ৰ আছে....

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী)**ঃ তেনেকুৱা কোনো তথ্য আমাৰ লগত নাই। আপুনি share কৰি দিয়ক, মই অকণমান আগতে মিটিং কৰি আহিছো, অসমত ১১ হাজাৰ কোটি টকা অকল ক্ষুদ্ৰ উদ্যোগে কৰিব খুজিছে। এইবাৰ Advantage Assam 2 ত স্বাক্ষৰ কৰিব আৰু মুদ্ৰা লোণৰ ক্ষেত্ৰত মই হিচাপটো দি দিম। এইবোৰ পুৰনি ৰেৰ্কড চাই ক'ব লাগিব। যোৱা দুই বছৰত আমাৰ বেংকৰ লোণ change হৈছে, CD ratio ৩২ ৰ পৰা ৬৮ শতাংশ।

মাননীয় অধ্যক্ষ মহোদয়, এই গোটেই কথাখিনি কোৱাৰ পিছত মই এটা কথা ক'ব খুজিম যে বহু ক্ষেত্ৰত সফলতা আমি লওঁ। মই এটাই কথা কম যে গোটেই বিলাক কাম অসমৰ জনতাৰ কাৰণে, আজি অসম পৰিবৰ্তন হৈছে। প্ৰধানমন্ত্ৰী মোডী ডাঙৰীয়াই ব্ৰহ্মপুত্ৰৰ ওপৰত ঢলা শদিয়াৰ দলঙৰ নিৰ্মাণৰ কাম সম্পূৰ্ণ কৰিলে, বগীবিলৰ দলং নিৰ্মাণ সম্পূৰ্ণ কৰিলে। কলীয়াভোমোৰাৰ ওপৰত দ্বিতীয়খন দলং হ'ল। মাজুলীৰ দলঙৰ নিৰ্মাণৰ কাম আৰম্ভ কৰিলে, ২৮ ফেব্ৰুৱাৰীত ভাল খবৰ আপোনালোকে পাই যাব।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ)** ঃ Election টো হৰাৰ কাৰণে বন্ধ কৰি দিছে নেকি?

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী)** ঃ আপোনাৰ মানসিকতা। মাজুলীত আমি election ত জিকিছিলো। কোনোবাই যদি আপোনাক ভুলকৈ কথা কৈছে, মাজুলীত আমি election হাৰিছিলো নে জিকিছিলো? MLA য়ে ক'ব। আজিৰ পৰা এইটো ভুল ধাৰণা ভাঙি দিয়ক।

(................সদনত হুলস্থুল............)

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ)** ঃ আপুনিতো ১ লাখ নিবনুৱাৰ appointment ৰ দিনাও আপুনি মতাৰ কথা আছিল....... (সদনত কথাৰ মাজত হুলস্থুল)

**মাননীয় অধ্যক্ষ** ঃ Please Hon'ble Member, please sit down.

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী)** ঃ আজি মাজুলীত এটা negative message দিবলৈ আপুনি চেষ্টা কৰি আছে। মানুহক নিৰাশ নকৰিব। কাৰণ election ৰ দিনাখন আপুনি কি ক'ব? এনেকুৱা মানুহে কেনেকৈ credit পাব? Negativity ৰে তেখেতে কেনেকৈ credit পাব? মানুহে positive কামৰ কাৰণে, শ্ৰী অখিল গগৈয়ে সঁচাকৈ কৰিলেও অখিল গগৈক credit নিদিয়ে। কাৰণ মানুহে জানে তেওঁ negative য়ে কৈ থাকে। গতিকে সেইটো এটা stamp ৰৈ যায়

মানুহৰ। এতিয়া কথাটো হ'ল যে, তাৰপিছত আহিল কলীয়া ভোমোৰা দলং হ'ল। তাৰপাছত এতিয়া শ্ৰীনৰ দলেক শ্ৰী নীতিন গাডকাৰী ডাঙৰীয়াই চিঠি দিছে যে তেকেলীফুটা দিচাং মুখতো দলঙৰ কথা আৰম্ভ হৈছে। তাৰপৰা আৰম্ভ হ'ল নুমলীগড় গোলাঘাটত মাজত সুৰংগ হ'ব। কলীয়া ভোমোৰাৰ মাজত দুখন, নগাওঁ, মৰিগাওঁৰ ওপৰত দলং, নাৰেংগী কোলাৰ ওপৰত দলং, গুৱাহাটী উত্তৰ গুৱাহাটীৰ ওপৰত দলং, পলাশবাৰী, শুৱালকুছিৰ ওপৰত দলং, ফুলবাৰী ধুবুৰীৰ ওপৰত দলং। এই যে গোটেই ঘটনাচক্ৰ যোৱা চাৰে তিনিটা বছৰত এই গোটেই ঘটনাচক্ৰৰ আৰৰ মহানায়ক কোন? মোদী ডাঙৰীয়াক ধন্যবাদ জনাইছো, মই নিজেও ধন্যবাদ লৈছো। কিন্তু আচল credit হৈছে অসমৰ জনসাধাৰণ। আজি অসমৰ জনসাধাৰণে আমাক কেনেকৈ সহায় কৰিছে? ২০২০ চনত অসমত প্ৰতি বছৰে অপৰাধ ৰেজিষ্টাৰ হৈছিল ১ লাখ ২১ হাজাৰ ৬ শ ৯ টা। আজি ২০২৪ চনত অসমত অপৰাধ ৰেজিষ্টাৰ হৈছে ৫০ হাজাৰ। তাৰমানে বছৰত ৭০ হাজাৰ crime অসমত কমি গৈছে। (সদনত কথাৰ মাজত হুলস্থুল)

**মাননীয় অধ্যক্ষ** ঃ Hon'ble Member, please sit down.

(সদনত কথাৰ মাজত হুলস্থুল)

**ডº হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, বিধান সভাৰ পৰা permanently ও মানুহ উলিয়াব পাৰে। ১২৫ জন মানুহক দিগদাৰ কৰি থকাওটো এটা punishment হ'ব লাগিব। এজন মানুহে ১২৫ টা সমষ্টিক disturb কৰিব নেকি? গতিকে পাটোৱাৰী ডাঙৰীয়াক মই অনুৰোধ কৰিম এই ৬ মাহ যাব দিয়ক, অহাবাৰ যদি তেওঁ ভুলতে জিকি আহে সেইটো permanently disable কৰি দিব লাগিব। তাৰপাছত হোৱা murder case লুকুৱাব পাৰিম নেকি? আজি আপুনি যদি চায়, investigation, crime, conviction, court কতো মই দাবী কৰিব নোৱাৰো। 3.5% conviction has gone up to 23%. আজি তাকো কওঁক যে এইটো মইয়ে মানা কৰি থৈছো judiciary. ইয়াৰ পিছত আজি আমাৰ অসমত এই গোটেই crime figure বিলাক কমি যোৱাৰ পিছত যোৱাকালি Australian High Commissioner য়ে advisory দিছে যে ৪ খন জিলাৰ বাদে য'ত distrub area Act আছে বাকী সকলোতে tourist যাব পাৰে। যোৱাকালি Autralia চৰকাৰে কৈছে যে য'ত য'ত distrub area act নাই ৪ খন জিলাত তাক বাদ দি গোটেই অসমত it is safe to travel এতিয়া কওঁক, Australia খনতো হিমন্ত বিশ্ব শৰ্মা election ৰ আগত লৈ আহিছে। মাননীয় অধ্যক্ষ মহোদয়, অন্তত সদনে জানিব Autralian High Commissioner ক মই control কৰিব নোৱাৰো। New York Times মই control কৰিব নোৱাৰো। যদি মই ইমানলৈকে control কৰিব পাৰো, তেতিয়া মোৰ লগত আৰু কাজিয়া পেচাল কৰা বাদ দি দিয়ক। Just follow me. যদি মই ইমান control কৰিব পাৰো, তেতিয়াহ'লে মোক follow কৰক। মাননীয় অধ্যক্ষ মহোদয়, অহা বছৰটোত আমি কেইটামান নতুন কাম কৰিব গৈ আছো। মই সদনক জনাব খোজো, প্ৰথম কথাটো হ'ল যে, এখন সমাজৰ মূল স্তম্ভটো হৈছে বৌদ্ধিক। যিখন সমাজত বৌদ্ধিক জ্ঞান আৰু চৰ্চা নাথাকে, সেইখন সমাজ কেতিয়াও আগুৱাই যাব নোৱাৰে। অহা বছৰটোত মই সদনৰ পৰা সহযোগিতা বিচাৰিম যে আমি year of the book কিতাপৰ বৰ্ষ আমি পালন কৰিম, হেমকোষ অভিধান, চন্দ্ৰকান্ত অভিধান এইবিলাক আমি print কৰিম। সমাজৰ মানুহক আমি বিতৰণ কৰিম যাতে পুৰণা কিতাপ, বুঢ়ীআইৰ সাধু চৰকাৰে কৰিব। চৰকাৰী কৰ্মচাৰীক আমি অতিৰিক্ত দৰমহাৰ লগত টকা-পইচা দিম যাতে কিতাপ কিনিব পাৰে আৰু book fare

পাতিবৰ কাৰণে আমি সহযোগিতা কৰিম। We want to create a society based on intelectual activity. আৰু ইয়াৰ ওপৰত মই আপোনালোকৰ পৰা সহযোগিতা বিচাৰিছো। দ্বিতীয়তে, শ্ৰীদেৱব্ৰত শইকীয়া ডাঙৰীয়াই ধান, সৰিয়হ কিনাৰ কথা তেওঁ আমি target reach কৰিব পৰা নাই বুলি কৈছে। অসমত target কিমান আছে কোনেও নাজানে। কিন্তু ৬ শ টকাৰ পৰা ২৩ শ টকা দিয়াৰ পাছত আমি যিমান ধান পাব লাগে definately সিমান ধান পোৱা নাই। কিন্তু কৃষক সকলে কয় যে, we are happy. যদি চৰকাৰক দিয়া নাই, private mill ক দামটো তেওঁলোকে এটা level ত পাইছে। অসমৰ কৃষি অৰ্থনীতিৰ বিকাশ হৈছে। এইবাৰ আমি কি কৰিব খুজিছো ধান আৰু সৰিয়হত কেন্দ্ৰীয় চৰকাৰে দিয়া MSP ৰ ওপৰতো ৰাজ্য চৰকাৰে আৰু অতিৰিক্ত আমি কৃষকক টকা দিব খুজিছো। কিমান দিব পাৰিব বিত্ত মন্ত্ৰী ডাঙৰীয়ানিয়ে হিচাপ কৰিব যে ধানত যদি কেন্দ্ৰীয় চৰকাৰে ২৩ শ কোটি টকা দিছে, আমি লগত আৰু কিবা দিব পাৰো নেকি? সৰিয়হত যদি কেন্দ্ৰীয় চৰকাৰে ৫ হাজাৰ ৫ শ টকা দিছে, আমি আৰু লগত extra দিব পাৰো নেকি? আমি কৃষি অৰ্থনীতি সুদৃঢ় কৰিব খুজিছো we want to give more and more money to the farmers. মাকৈক লৈ এইবাৰ আমি MSP দিবৰ কাৰণে সিদ্ধান্ত লৈছো। We will give MSP for the মাকৈ. মই big industry ৰ কথা কওঁকে মই অৰ্থনীতি পাহৰি যাব খোজা নাই। এইবাৰ আমি মেইজ, মাকৈ, সৰিয়হ, ধান ইয়াৰ ওপৰত আমি Central Government subsidy ৰ ওপৰত we want to bring state support. কল্পনা আমি কেতিয়াবা কৰিছিলো, কৰবাততো আপোনালোকে সেইখিনিতো ক'ব যে এটা ভাল কাম হৈছে। আজি অসমত যোৱা বছৰ ৪ শ খন আমি হাইস্কুলত ৮ কোটি টকাকৈ দিছিলো। এইবাৰ আমি আৰু equal number of highschool আনিব খুজিছো যে প্ৰতি সমষ্টিত আৰু দুখন হাইস্কুলক আমি ৮ কোটিকৈ টকা দিব খুজিছো। Nobody has done, Public education ক ৰাজহুৱা শিক্ষাক শক্তিশালী কৰাৰ বাবে আমাৰ চৰকাৰে যিমান প্ৰচেষ্টা লৈছে আগত কেতিয়াও এনেকুৱা হোৱা নাছিল। Flood gets of money আমি open কৰি দিছো যে আপোনালোকে খৰচ কৰক শিক্ষানুষ্ঠানখিনিক ভাল কৰি ঠিক কৰক। মই বাক্সা জিলাত গৈছিলো, মই নাজানো আমি কোন মানুহক লগ কৰো, আপোনালোকে কোন মানুহ লগ কৰে। স্কুল এখনত ছাত্ৰী সকলে আহিছিল, মই ছাত্ৰী গৰাকীক সুধিছিলো শিক্ষক আহে নে নাই? যে চাৰ, আজিকালি শিক্ষাসেতু হোৱাৰ পৰা সকলো চাৰ স্কুললৈ আহে। আজি ছাত্ৰ-ছাত্ৰীৰ মাজত euphoria কিন্তু economic condition বঢ়াৰ লগে লগে কোনোবাই যদি ইংৰাজী মাধ্যমৰ স্কুলত গৈছে that is a different thing। কিন্তু আমাৰ decline ৰ যিটো ট্ৰেণ্ড আছিল, we have arrested that. এতিয়া ল'ৰা-ছোৱালী চৰকাৰী শিক্ষানুষ্ঠানলৈকে আহিছে। কিছুমান শিক্ষানুষ্ঠানে ৰাতি দুই বজাৰ পৰাও form লয়। শিৱসাগৰতে এখন স্কুল আছে, আজি এইবাৰ বাজেটত আমি চেষ্টা কৰিব খুজিছো যে প্ৰথম বাৰৰ বাবে আমাৰ যি গোটেই মূল্য বৃদ্ধিৰ কথাটো য'ত আমি আনিব খোজো যে সমাজত মূল্য বৃদ্ধি হয়। এইবাৰ আমি প্ৰথম বাৰৰ বাবে চেষ্টা কৰিছো যে ৰেচন কাৰ্ডত আমি দালি নিমখ, চেনী বজাৰতকৈ অন্ততঃ ২০ বা ২৫ টকা তলৰ দামত আমি দিব পাৰো। বিত্তমন্ত্ৰী ডাঙৰীয়াক মই অনুৰোধ কৰিছো যে, আপুনি এই বিলাক কথা বাজেট প্ৰস্তুত কৰোতে আপুনি পৰীক্ষা কৰি লব। মহিলা উদ্যামিতা আঁচনি, মানুহে মোক কৈ আছে যে ১০ হাজাৰ টকাটো promise কৰিছে কিন্তু মই দিয়া নাই । হিমন্ত বিশ্ব শৰ্মাই যদি মুখেৰে কথা কয় তাৰ পৰিবৰ্তন নহয়। আমি ১০ হাজাৰত ৰাখিব খোজা নাই। ২৭ লাখ মহিলাক আমি এই বছৰত ১০ হাজাৰ,

অহা বছৰ ২৫ হাজাৰ, তাৰ পিছত আমি ৫০ হাজাৰলৈকে লৈ যাব খুজিছো যাতে আমি সঁচা অৰ্থত লাখপতি বাইদেউৰে নিৰ্মাণ কৰিব পাৰো। আজি আপোনালোকক মই নিমন্ত্ৰণ কৰিছো যে এক এপ্ৰিলৰ পৰা বিহালিত আমি ইয়াক আৰম্ভ কৰিম। আজি প্ৰথম বাৰৰ বাবে ৩ টা বছৰ এপিডিচিএল ত continuous profit হোৱাৰ পিছত আমি এইবাৰ এক এপ্ৰিলৰ পৰা electricity ৰ দামো অন্ততঃ এক টকা পৰৱৰ্তী সময়ত আৰু ৫০ পইচা আমি লাহে লাহেকৈ কমোৱাৰ প্ৰক্ৰিয়া আৰম্ভ কৰিব খুজিছো। ডিগ্ৰী পাছ কৰাৰ ছাত্ৰ এজন পৰীক্ষাত interview দিব লাগে, পৰীক্ষা দিব লাগে বা বিভিন্ন ঠাইত যাব লাগে আৰু দেউতাক মাকৰ পৰা টকা খুজিব নোৱাৰে। অন্তত এবছৰৰ কাৰণে মই নিবনুৱা ভাট্টা বুলি কব খোজা নাই প্ৰেৰণাদায়ক ভাট্টা এটা দিব পাৰো নেকি তাৰে আমি চিন্তা চৰ্চা আৰম্ভ কৰিছো।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ)ঃ** বৃদ্ধ পেঞ্চনটো ২৫০ টকা হৈ আছে সেইটো অন্তত ৩ হাজাৰ টকা কৰিব পৰা হলে ভাল আছিল।

**ডঃ হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী)** ঃ অসমত বৃদ্ধ পেঞ্চন বিধবা পেঞ্চনৰ মানুহ সকলক আমি অৰুণোদয় আঁচনিলৈ কনৰ্ভাট কৰি আছো। বিধৱা পেঞ্চনত ৩ লাখ মহিলাক আমি ইতিমধ্যে বিধৱা পেঞ্চনৰ পৰা কাতি অৰুণোদয় যোগ কৰি দিলো। ১২৫০ পাই গ'ল আৰু এনেকৈ বাঢ়ি গৈ থাকিব। গতিকে প্ৰথম বাৰৰ বাবে আমি এখন নতুন অসম নিৰ্মাণৰ কাম আগবাঢ়িছো। ৰাজনৈতিক সমালোচনা যিয়েই নহওঁক কিয় ? অসমৰ শান্তিৰ পৰিৱেশ উপকৃত কৰিব একোজন মন্ত্ৰীয়ে, একোজন বিধায়কে যেনেকৈ ৩০ কোটি টকা পি ডব্লিউ ডি ৰ কাৰণে খোজে, ২০ কোটি টকা খোজে, অসম মালা খোজে সেয়াই প্ৰমাণ যে এইখন চৰকাৰৰ সক্ষমতাৰ ওপৰত আজি মানুহৰ কাৰো সন্দেহ নাই। অসম মালাত ডাঙৰ ডাঙৰ ৰাস্তাবোৰ কেতিয়াবা ৰাজ্য চৰকাৰে বনাব পাৰিব বুলি কোনোবাই কল্পনাও কৰিছিল নেকি ? আজি জলজলিৰ দৰে দলং আমাক খুজি আছে, আগতে মানুহে কৈছিল বাঁহৰ দলং এখন বনাই দিয়ক, আজি চৰকাৰৰ সক্ষমতাৰ ওপৰত কাৰো সন্দেহ নাই যে ই বেটাই যি কৰিব খোজে তাকেই কৰিব পাৰে। এই যিটো বিশ্বাস মানুহৰ মাজত আনিছো, কেইদিন মান আগতে গাহৰিৰ এটা প্ৰকল্প লৈ খেলিমেলি হ'ল, তেতিয়া মই গাহৰি পালক সকলক পীয়ুষ হাজৰিকাৰ লগত কথা পাতিব দিছিলো, মই কলো ঠিক আছে অসমতো আমি নাপাতো, যদি শিলিগুৰিত পাতি অসমলৈকে পঠাই দিম। যদি মেঘালয়ত পাতি অসমলৈকে পঠাই দিয়ে। বোলে নহয় মুখ্যমন্ত্ৰীয়ে পাৰিলে সেইটোও বন্ধ কৰিব পাৰিব। মানুহৰ আস্থা আৰু বিশ্বাস আমাৰ ওপৰত কিমানখিনি আপোনালোকে কল্পনা কৰক। যে ৰাজ্যৰ পৰিধিৰ বাহিৰত গৈও যদি হিমন্ত বিশ্ব শৰ্মাই বিচাৰে আমাক সহায় কৰিব পাৰে। পাৰো নোৱাৰো বেলেগ কথা। This is the level of confidence people of Assam have developed on this Government. মানুহক ইটো সিটো কৈ ইফালে সিফালে লৈ যাব পাৰি। আজি কোনোবা চৰকাৰী কৰ্মচাৰীয়ে ঘৰ বনাবলৈ লোন পাব, সূত চৰকাৰে দিব, দূৰ্ঘটনা হলে এক কোটি টকালৈ পাব। এই কথাবিলাক কোনে কল্পনা কৰিছিল ? মাননীয় অধ্যক্ষ মহোদয়, আপোনালোকে সমালোচনাৰ জৰিয়তে যিখিনি আমাক পৰামৰ্শ দিছে সেইখিনি আমি নিশ্চয় গ্ৰহণ কৰিম আৰু যিখিনি সু-পৰামৰ্শ প্ৰতিজনৰ ভাষণত আছে সেইখিনি আমি গ্ৰহণ কৰি ৰাজ্যক আগুৱাই লৈ যাবলৈ চেষ্টা কৰিম।

**শ্ৰীআমিনুল ইছলাম, (জ্যেষ্ঠ, ধিং)ঃ** অধ্যক্ষ মহোদয়, এইমাত্ৰ আমি এটা খবৰ পাইছো যে চামুগুৰি ৰূপহিঘাট সমষ্টিত সংসদ ৰকিবুল হুছেইন গণপ্ৰহাৰত যথেষ্ট আঘাত প্ৰাপ্ত হৈছে। এই বিষয়ে মুখ্যমন্ত্ৰী মহোদয়ে কি একচন লব কৈ দিলে ভাল হয়।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, গণ প্ৰহাৰ কাক দিছে। ৰকিবুল হুছেইনে মাৰিছে নে ৰকিবুল হুছেইনক মাৰিছে?

**শ্ৰীআমিনুল ইছলাম, (জ্যেষ্ঠ, ধিং)ঃ** মাননীয় অধ্যক্ষ মহোদয়, তেখেতে যথেষ্ট আঘাত প্ৰাপ্ত হৈছে। ইয়াৰে বিষয়ে মুখ্যমন্ত্ৰী মহোদয়ে কি একচন লব ?

**শ্ৰী দেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এঠাইত দেখুৱাইছে যে আৰক্ষীৰ লোকে তেখেতক আঘাত প্ৰাপ্ত কৰিছে।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, সেইটো check কৰি লম। আমি এটা নতুন আঁচনি এইবাৰ কৰিব বিচৰিছো যে, অসমৰ প্ৰত্যকখন গাওঁত Specifically টাৰ্গেট কৰি Develop কৰিব পাৰো নেকি? যদি প্ৰত্যকখন গাওঁক আমি ১ কোটি টকাকৈ দিব পাৰো। আগত প্ৰস্তাৱ আছিল, সক্ষমতা নাছিল। এইবাৰ আমি আৰম্ভ কৰিব বিচাৰিছো যে অসমত প্ৰত্যেক সমষ্টিত তিনি, চাৰি, পাচখন গাওঁলৈ আমি আৰম্ভ কৰো যে, আমি ১ কোটি টকাকৈ প্ৰত্যকখন গাওঁতে দি পঠাম। Targeted approach. যে, গাওঁখনত বিদ্যালয় ভাল হওঁক, গাওঁখনৰ অংগনৱাড়ী বিলাক ভাল হওঁক, গাওঁখনৰ নামঘৰটো ভাল হওঁক। আমি আজি next level লৈ যাব খুজিছো। এইবাৰৰ যিখন বাজেট হ'ব, এই বাজেটখনে অসমৰ আত্মবিশ্বাসৰ পৰিচয় দিব । এইবাৰৰ বাজেটখনে নতুন অসমৰ পৰিচয় দিব। মাননীয় অধ্যক্ষ মহোদয়, দুটা সম-সামৰিক কথাৰে মই সামৰণি মাৰিব বিচাৰিছো। যোৱাকালি সদনত ন্যায়াধীশ বিপ্লৱ শৰ্মাৰ প্ৰতিবেদন সম্পৰ্কে ইয়াত উল্লেখ হৈছে। ন্যায়াধীশ বিপ্লৱ শৰ্মাৰ প্ৰতিবেদনৰ মই আগতেও পঢ়িছিলো কাৰণ মোক দিছিলে কাৰণ মই পঢ়িবই লাগিব। সেই কাৰণে এই প্ৰতিবেদনখন সদনত আনিব খোজা নাছিলো। মই বহুত বাৰ প্ৰচেষ্টা কৰিছিলো যে, ন্যায়াধীশ বিপ্লৱ শৰ্মাৰ প্ৰতিবেদনখন সদনত নাহক। ১৪/১৫ টা বছৰ প্ৰয়াত তৰুণ গগৈ ডাঙৰীয়াৰ মন্ত্ৰী সভাত কাম কৰাৰ পিছত তেখেতৰ বিপক্ষে লিখি থকা প্ৰতিবেদন এখন অনাৰ বাবে মোৰ একেবাৰে আগ্ৰহ নাছিল। কাৰণ জীৱনত, আকৌ কৈছো, সনাতন হিন্দু সংস্কৃতিৰ কাম কৰা বা এজন follower হিচাবে we know how to respect the relations. মই চেষ্টাও কৰা নাছিলো। কংগ্ৰেছৰ দুই এজন সদস্যক মই অনানুষ্ঠানিক ভাবে জনাইছিলো যে, এই দাবীটো কৰি থাকিব নালাগে। কাৰণ সকলোৱে জানে ইয়াত ৰাকেশ পালৰ নিযুক্তি কাৰ সময়ত হৈছে। ন্যায়ধীশ বিপ্লৱ শৰ্মা কমিটিৰ প্ৰতিবেদন আহিলে তাত প্ৰয়াত তৰুণ গগৈৰ ওপৰত কমেন্ট থাকিবই। কিন্তু ন্যায়ধীশ বিপ্লৱ শৰ্মাক যোৱাকালি ভূপেন বৰা ডাঙৰীয়াই গালি-গালাজ কৰিছে। Don't shoot the messenger. File ত প্ৰয়াত তৰুণ গগৈ দেৱৰ জলজল-পটপটকৈ চহী আছে। অতিৰিক্ত মুখ্য সচিবে কৈছে তেওঁৰ এজন in-charge মেম্বাৰে মানুহবোৰক বাৰে বাৰে কাৰ্য্যকাল বঢ়াই দিয়ে। তেওঁৰ নটাৰী আছিল কিন্তু উকীল ও নাছিল ক'ব গ'লে। তেনেকুৱা এজন মানুহক সভাপতি কৰা কাৰ চৰকাৰৰ দিনত হৈছিল, এই গোটেইখিনি ৰেকৰ্ডৰ পাৰ্ট আছিল। ন্যায়াধীশ বিপ্লৱ শৰ্মা কমিটিৰ প্ৰতিবেদনখন সদনত আনিবৰ বাবে কোনে দাবী কৰি আছিল? কংগ্ৰেছে দাবী কৰি আছিল। গতিকে কংগ্ৰেছে নিজে জানিব লাগিছিল যে, এই গোটেই ঘটনাটো আমাৰ চৰকাৰৰ দিনত হৈছিল। গতিকে বোকাটো আমাৰ গাতে আহিব। এতিয়া কংগ্ৰেছ অহাৰ পিছত কৈছে যে, এইখন ভুল। আজি কেনেকৈ ভুল হ'ব পাৰে? ৰাকেশ পালক নিযুক্তি দিয়া প্ৰয়াত তৰুণ গগৈ দেৱৰ চহীটোতো ভুল হ'ব নোৱাৰে। আজি আপোনালোকে চাওঁক সেইবাবে সম্পৰ্কক মই সন্মান কৰো কাৰণে মই খুব reluctant আছিলো যে, অন্তত মই মুখ্যমন্ত্ৰী হিচাবে যাতে এইখন মই lay কৰিব নালাগে। কোনে মোক push কৰিলে? It is the Con-

gress Party. বিপ্লৱ শৰ্মাৰ কমিটিৰ প্ৰতিবেদনখন আনক আনক। কোনোবাই হয়তো কৈ দিছিল আমিয়েই ক'ৰবাত আছো নেকি। অখিল গগৈ ডাঙৰীয়াৰ মনত আমাৰ প্ৰতি এটা ধাৰণা আছে। মই তেওঁক আহ্বান জনাওঁ যে তেওঁ তিনি দিন মান মোৰ ঘৰত থাকক। তেতিয়া বুজি পাব যে আমি কোন শ্ৰেণীৰ মানুহ হয়। আমি সেই শ্ৰেণীৰ মানুহ নহয়। Opposite camp ত থাকিলে মানুহৰ ওপৰত মানুহৰ এটা ধাৰণাৰ সৃষ্টি হয়। মই যদি সেইটো কামেই কৰিলোহেঁতেন, টেট, পুলিচৰ নিযুক্তিত স্বচ্ছ নিযুক্তিৰ প্ৰক্ৰিয়া আৰম্ভই নকৰিলোহেঁতেন, মই সকলোৰে পৰা ৩ লাখকৈ টকা ল'লোহেঁতেন। অসমৰ স্বচ্ছ নিযুক্তি প্ৰক্ৰিয়াৰ ইতিহাসৰ লগত, অখিল গগৈয়ে ভাল পাওঁক বা বেয়া পাওঁক, হিমন্ত বিশ্ব শৰ্মাৰ নাম কিন্তু সদায়ৰ কাৰণে যুগমীয়া হৈ থাকি গ'ল। You can't erase that. This is a permanent stamp. অসমত চাকৰিৰ ক'লা বজাৰ শেষ কৰা মুখ্যমন্ত্ৰী জনেই আছিল হিমন্ত বিশ্ব শৰ্মা। এইটো কোনেও মচিব নোৱাৰে কাৰণ ই backed by facts. বিপ্লৱ শৰ্মা কমিটিৰ প্ৰতিবেদনৰ ওপৰত আলোচনা হ'ব আৰু সেইদিনাখনেই আমাৰ চৰকাৰৰ দিনত চাকৰি হোৱা ১ লাখ ১৫-২০ হাজাৰ ল'ৰা-ছোৱালীৰ নাম, ঠিকনাৰ কিতাপখন মই আপোনালোকৰ আগত দি দিম। কোনো ধৰণৰ সমস্যা নাই। আমি আৰু তথ্য সংগ্ৰহ কৰি আছো। সংখ্যা আৰু বাঢ়িব। যিহেতু অখিল গগৈৰ মনৰ ধাৰণা সেই কাৰণে আমি সেইদিনাই কৰিব পৰাকৈ লগে লগে দি দিম যাতে এফালে dark history আৰু এফালে shining history পঢ়িব পাৰো। এফালে ১ লাখ ১৫-২০ হাজাৰ ল'ৰা-ছোৱালীৰ নাম থাকিব আৰু আনফালে কংগ্ৰেছৰ কীৰ্তি ইতিহাস লেখা থাকিব। অখিল গগৈ ডাঙৰীয়াৰ কংগ্ৰেছৰ লগত alliance আছে নে নাই মই নাজানো, কিন্তু তেওঁ ক'লে যে বিয়াতটো বস্তু ল'ব পাৰি তেন্তে দিয়াজনৰ কি আপত্তি আছে? হয়, কোনো আপত্তি নাই। অসমৰ সাংসদ এজনে বিয়াত ৩ লাখ টকাৰ গহনা দিলে। মই নামটো ক'ব বিচৰা নাই। কংগ্ৰেছ দলে তেওঁক ভাল পায় নে নাপায় মই নাজানো কিন্তু তেওঁলোকেই কৈ আছে বিয়াত উপহাৰ ল'ব পাৰে। বিয়াত সকলোখিনি ল'ব পাৰি। কিন্তু লোৱাৰ পিছত income taxক লোৱা বুলি জনাব লাগিব। সেইকাৰণে, হয়তো তেওঁ নাই লোৱা বুলি ক'ব লাগিব আৰু ল'লে income tax ত দেখুৱাব লাগিব। ২০১৪ চনৰ election affidavit ত Income Tax Returnখন মই দেখা পাইছো। তাত সোণৰ অলংকাৰখিনি দেখুওৱা নাই। অখিল গগৈ ডাঙৰীয়াই তেওঁক ভাল পাই এই কথাখিনি লৈ আহিলে নে বেয়া পাই লৈ আহিলে মই নাজানো। বিপ্লৱ শৰ্মাৰ কমিটিৰ প্ৰতিবেদন অহাৰ পিছত গৌৰৱ গগৈৰ নাম অনাত মই সকলোকে মানা কৰিছিলো। কিন্তু, কোনেও তেওঁৰ কথা নানিলে, কেৱল অখিল গগৈ ডাঙৰীয়াই আনিলে। বাহিৰত তেওঁৰ impression টো এনেকুৱা যে মই তেওঁৰ বৰ শুভাকাংক্ষী কিন্তু তেওঁ মাৰটো এনেকৈ মাৰে যাতে উঠি যাব নোৱাৰে। এতিয়া সেই বিষয়টোও তদন্তৰ আওঁতাত আহি গ'ল। লগতে, বিয়াত আৰু কি কি উপহাৰ পাইছিল সেইখিনি কথাও আহি গ'ল। সিদ্ধাৰ্থ ভট্টই কৈছিল যে হীৰাৰ অলংকাৰ পাইছিল নে কি পাইছিল সেইটোও জানিব লাগিব। এতিয়া ঘটনাটো হ'ল যে এইখিনি যদি তেওঁ দেখুওৱা নাই তেন্তে বাকীখিনিও দেখুওৱা নাই। Gift Tax is 30%. ৩ লাখ টকাৰ সম্পত্তি ল'লে ৯০ হাজাৰ টকা Tax দিব লাগিব। কেতিয়াবা যদি কাৰোবাৰ পৰা উপহাৰ হিচাপে ঘড়ী, মটৰ আদি লয় তেন্তে তাৰ ৩০% income tax ক জমা দিব লাগিব। আজি মই আপোনালোকৰ অন্তৰত প্ৰশ্ন কৰিম। ৩ দিন হৈ গ'ল কিন্তু on record, Gaurav Gogoi has not denied. তেওঁ ভাৰিছে যে অখিল গগৈৰ defence ৰে তেওঁৰ কাম হৈ গ'ল। He may have thanked you also. Whatsapp কৰিব যে দাদা বৰ ভাল পালো

। কিন্তু আপুনি তেওঁক ফচাই দিলে। Gift Tax দিলে নে নাই? টকা লোৱা, Gift লোৱা important নহয়। কিন্তু তাত এইটো কথা লিখা আছে যে এই Gift টো দিয়াৰ পিছতেই ঘটনাই নাটকীয় ৰূপ লৈ ল'লে। যি আগলৈকে মোক permanent কৰিব বিচৰা নাছিল, বিয়াৰ পিছতেই মোৰ প্ৰতি তেওঁ সহজ আৰু সৰল হৈ পৰে, Chairman বনাই দিলে। যদি মুকুল শইকীয়াৰ statement টো চায়, term of event started from that marriage. এইবিলাক মই অনা নাই public domain ত। অখিল গগৈ ডাঙৰীয়াই আনিছে। মইতো আজি প্ৰথম কৈছো। আপুনি alliance ত আছে নে নাই, কি কৰিব খুজিছে মই নাজানো, But, let me be on record .....interruptions ...মই ক'লোৱেই নহয়, আমাৰ কোনো এজন সদস্যই গৌৰৱ গগৈৰ নামেই উল্লেখ কৰা নাই। It was started by Akhil Gogoi, দুটা seat মোক বেছিকৈ দিব নেকি বুলি আৰম্ভ কৰি দিলে। কংগ্ৰেছৰ লগত alliance কৰি কোনো লাভ নাই। এপ্ৰিললৈকে যিটো পৰিৱেশ হ'ব, কোনো কামেই নোহোৱা হ'ব। মই ইমানেই কৈ থৈ দিছো। মই next যিটো কথা ক'ম তাৰ পৰা আপুনি আৰু গ'ম পাব যে কোনো লাভ নাই, এইটো বস্তু গ'ল আৰু, এইটো নচলা টকা হৈ যাব। ঘটনাটো হ'ল যে মই বিচাৰো, Gaurav Gogoi, being the son of Chief Minister Tarun Gogoi, he must defend his father. হিন্দু ধৰ্মত লিখা থাকে যে পুত্ৰক জন্মই দিয়া হয় যাতে পিতাৰ legacy টো আগুৱাব পাৰে। তাৰ বাবে শ্ৰাদ্ধৰ পৰা গোটেইখিনি কৰা যায়। সেই কাৰণে কোৱা হয় পুত্ৰং দেহিঃ। হিন্দু ধৰ্মত পূজা কৰিলে কন্যাং দেহিঃ বুলি কোৱা নহয়। তিনি দিন নিজৰ পিতৃৰ ওপৰত অভিযোগ আহিছে, No Statement । নিজে বিয়াত টকা লোৱা কথা আহিছে, Income Taxত দেখুৱাইছো বুলিও কোৱা নাই, নাই দেখুওৱা বুলিও কোৱা নাই। আৰু এই মানুহবিলাকেই হৈছে নতুন অসমৰ একো একোজন চিৰ জাগ্ৰত প্ৰহৰী। মানে মানুহ কেনেকৈ camouflage কৰিব পাৰে, ৰাকেশ পালে কেৱল ইমানলৈকে নাই। ৰাকেশ পালৰ তাতে লিখা আছে যে চাকৰিয়াল ছোৱালী প্ৰাৰ্থীৰ সতীত্ব হৰণৰ কামতো তেওঁ লিপ্ত হৈছে। চাৰ, মই প্ৰথম দিনাই কৈছিলো যে অখিল গগৈ, কমল মেধি, গৌৰৱ গগৈলৈ যাবই নালাগে। আনকি মই ৰিপ'ৰ্টটোও দিব খোজা নাছিলো আপোনাৰ নামটো মই দেখা পোৱাৰ কাৰণে। আপুনি কম, তৰুণ গগৈ বেছি। তৰুণ গগৈ ডাঙৰীয়াৰ নামটো থকাৰ কাৰণে মই ৰিপৰ্টটোৱেই দিব খোজা নাছিলো কিন্তু আপোনালোকে হেঁচা দি থাকিল যে ৰিপ'ৰ্টটো দিয়ক, ৰিপ'ৰ্টটো দিয়ক। Now, you face the consequence. There will be discussions. মৃত্যুৰ পিছত তৰুণ গগৈৰ নামটো ইতিহাসত সোণোৱালীভাৱে আলোচনা হ'ব লাগে, But, now he will be discussed in a diffferent way and I am not responsible for that. মই যিমান পাৰিছিলো চেষ্টা কৰিছিলো, I have informed it to the few Congress Leaders যে এই ৰিপ'ৰ্টটোৰ কথা বেছি ক'ব নালাগে। Unnecessarily চাৰৰ কথা আহিব, we should avoid. But, this is your destiny. আপোনালোকে বিচাৰিছে, গতিকে আমিও কৈছো আলোচনা হওঁক। মাননীয় অধ্যক্ষ মহোদয়, কেইদিনমানৰ পৰা অসমত আন এটা বিতৰ্ক চলি আছে যে এজন পাকিস্তানী নাগৰিক যাৰ নাম Ali Touqeer Sheikh, এই ব্যক্তিজনে এটা Climate Action Group ত কাম কৰে। মই জানিবৰ কাৰণে কৈছো কাৰণ ছেপ্টেম্বৰ মাহলৈকে this will create a big impact in the politics of Assam. Ali Touqeer Sheikh য়ে CDKN নামৰ এটা Climate Action Organization ত কাম কৰে। কিন্তু মানুহজনৰ Tweets , কথা-বতৰা

অসমৰ হিন্দু-মুছলিম, বাংলাদেশী immigrantsৰ পৰা আৰম্ভ কৰি his all interest is all about India’s and Assam’s internal political affairs. Climate less, Politics more. ইয়াৰ বাবে SIT গঠন হ’ল। দেৱব্ৰত শইকীয়া ডাঙৰীয়াই উল্লেখ কৰিলে যে অসমৰ SIT য়ে পাকিস্তানত কি কৰিব? But, our SIT is so smart that within two days we have discovered that Ali Touqeer Sheikh has come to India for 18 times. এজন পাকিস্তানী নাগৰিক ১৮ বাৰ ভাৰতলৈ আহিছে আৰু এই গোটেই তদন্তটো কোনে কৰিলে, আমাৰ অসম পুলিচে। ৬-১১-২০১০ ত আহিলে, ২৩-০২-২০১১ ত আহিলে, ০২-০২-২০১২ ত আহিলে, ০১-০৫-২০১২ ত আহিলে, ২৬-২০১৩ত আহিলে, ১৭-০৮-২০১৩ ত আহিলে, ০৫-১০-২০১৩ ত আহিলে, ২৭-১০-২০১৩ত আহিলে, ০৫-০২-২০১৪ ত আহিলে ০৬-০২-২০১৫ত আহিলে ০৩-০৪-২০১৬ ত আহিলে ৩১-০৫-২০১৬ত আহিলে ১০-১১-২০১৮ ত আহিলে। কোনে উলিয়ালে, অসম পুলিচৰ SIP য়ে উলিয়ালে মাত্ৰ তিনিদিনত উলিয়ালে। এতিয়া আমি গম পাম যে কোনে তেওঁক ভাৰতলৈ আনে, কোনে তেওঁক আতিথ্য দিয়ে, কি ঘটনা, we are get it more and more.Initial মোৰ হাতত যি তথ্য পৰিছে, It will be very very fetal for the congress party. It will be complete by difficult. যোৱা কালি মই প্ৰদ্যুত বৰদলৈ ডাঙৰীয়াক এটা tweet কৰিছিলো, just do not criticise me for politics. It is going to be huge and I am repeating the investigation which has revealed certain things যিটো মই কল্পনাও কৰিব নোৱাৰো। And I am speaking in this assembly as a most responsible person. মই এজন responsible person হিচাপে থিয় হৈ ইয়াত কৈ আছো। The impact on Assam politics will be huge. দেবব্ৰত শইকীয়া ডাঙৰীয়াই কৈছে যে আমি কিমান পাৰিম মই নাজানো আমি যিমানদূৰ পাৰিম পাৰিম, যেতিয়া নোৱাৰো, we have to transfer it to NIA. যিমান দূৰলৈ পাৰিম we will go. যেতিয়া আমি নোৱাৰিম we have to give it to NIA. This will be another thing justice Biplab Sarma committee report, if it is a 10% what is coming in August, September it will be 1000%. It will be huge huge and huge. কেনেকৈ আমাৰ দৰে মানুহক ভিলেইন বনাই দিয়ে যিয়ে ৰাতিয়ে দিনে, আমি কাম কৰো, আমাৰ দৰে মানুহক ভিলেইন বনাই, যিসকল হিৰো হ’ব খুজিছে, you know that what is there, what they are actually. তেওঁলোক কি হয়? So I promise to Assam assembly that I will break this Ali Talki network and will come back to Assam Assembly in the month of August, give us just three months, we come back with facts which should be huge. I know the facts because informally facts is with me but it has to be on records. And the facts will be huge, it will be fetal আৰু আমাৰ সকলোৰে অন্তৰ আত্মা কপাই তুলিব। ইয়াতকৈ adjective মই use কৰিব নোৱাৰো। So যিসকলে defend কৰে যে নহয় নহয় এইখনটো Pakistan Embassyৰ ফটো নহয় সিখন ফটো, এখন morph কৰিছে, দুইখনেইটো এজনেই মানুহৰ ফটো, So sometime we should not defend, it should indefendable and মই ভাৱো this will be a case

which will fall in indefendable category. সদনে বিচাৰিছে যে ওমৰাংছুৰ বিতৰ্ক হ'ব লাগে, ছিণ্ডিকেটৰ বিতৰ্ক হ'ব লাগে, I am ready for everything. কোনো কথা নাই। আমি বিতৰ্ক কৰিম, বিতৰ্ক should be constructive. আমাৰ চেঙা সমষ্টিৰ বিধায়কে বৰপেটা পুলিচৰ ওপৰত এটা অভিযোগ দিছিল আৰু তেতিয়া মই DGP ক লগে লগে কৈছো যে it should be enquire. Even যদি তাত মোৰ ভাই ও SP আছে It has to be enquired. কোনো পৰিৱৰ্তন হ'ব নোৱাৰে। It has to be enquired fully, completely. তাত একোৰে কথা থাকিব নোৱাৰে। So will enquired কাৰণ যোৱা ২৫ বছৰ অসমৰ ৰাইজে মোক বহুত দিছে। Now this is time to pay back. তাৰ আগত একো কথাই থাকিব নোৱাৰে। বাকী politics আহিলে কাৰোবাৰ ঘৈণীয়েকক ধৰিব লাগিব, কাৰোবাৰ জীয়েকক ধৰিব লাগিব, these are the people আদি এনেকুৰা ঘটনা হয়। যি মানুহে হেমকোষ অভিধান খন চুৰি কৰি নিজৰ বুলি দাবী কৰি আছে, blood relation হয় নে নহয়, সেইবোৰ মানুহৰ নাটক, সেইবোৰ মানুহ অসমত নায়ক আৰু যিবিলাকে দিনে ৰাতিয়ে ৰাইজৰ কাৰণে কাম কৰি আছে সেইবোৰ মানুহ খলনায়ক। This is our state unfortunately. But we have to fight with that. গতিকে আমি তেনেকৈ চলি গৈ থাকিব লাগিব। মই আপোনালোকক প্ৰতিশ্ৰুতি দিছো Advantage Assam 2 will be different. যোৱাবাৰ Advantage-1 was mostly Government sponsor. চৰকাৰে আমাক কি দিছিল ভাৰত চৰকাৰে, নুমলীগড় PSU, গেছ গ্ৰীড PSU আমাৰ crude পাইপলাইন কিন্তু এইবাৰৰ Advantage Assam অসমৰ প্ৰতি মানুহৰ এটা ডাঙৰ আকাংক্ষা বৃদ্ধি পাইছে। Lots of private investment will come , কিন্তু অসমৰ মানুহে যদি কয় আদানীক মাটি নিদিব, আম্বানীক মাটি নিদিব তেতিয়া আকৌ গুচি যাব। That is a different thing. যদি অসমত উদ্যোগীকৰণ লাগে, মই যেতিয়া মুখ্যমন্ত্ৰী হৈ শপত লৈ justice ৰঞ্জন গগৈৰ ঘৰত গৈছিলো তেতিয়া তেওঁ মোক কৈছিল যে তোমাৰ কাৰ্য্যকালত Tata ৰ এটা factory আৰু Relience ৰ এটা factory আনা। তেতিয়া অসমৰ destiny পৰিৱৰ্তন হ'ব। এইবাৰ একেলগে উদ্যোগপতি সকল আহিব আৰু বহুতো ভাল ঘোষণা কৰিব, আমি সকলোৰে যদি সহযোগিতা কৰো মাটি-বাৰী দিওঁ, তাৰ পিছতো আপোনালোকে মোক প্ৰশ্ন কৰিব যে কি হ'ল Advantage Assam-2 ? আমি সকলোৰে যদি সহযোগিতা নকৰো মাটি-বাৰী নিদিওঁ, গালি গালাজ কৰো, আকৌ মানুহখিনি গুচি যাব। কিন্তু যদি মানুহখিনিক আদৰি লওঁ আৰু আমি গালি-গালাজ কৰিলেও আদানী আম্বানীৰ এটকাও কম নহয়। তেওঁলোকে গৈ বেংগলত পাতি ল'ব, উৰিষ্যাত পাতি ল'ব। আমি তেওঁলোকক একোৰে কৰিব নোৱাৰো। মাত্ৰ খেদি পঠিয়াব পাৰো। আমি যদি তেওঁলোকক লগত ৰাখিব পাৰো, আমি যদি নীতি-নিয়মৰ মাজত অন্যায় কৰি নহয়, within the rules and regulation আমি যদি তেওঁলোকক সহায় কৰিব পাৰো Advantage Assam-2 য়ে অসমৰ বিকাশত এক নতুন ইতিহাস ৰচনা কৰিব পাৰিব। অখিল গগৈ ডাঙৰীয়াই কৈছে যে A for Assam মোদী ডাঙৰীয়া, উৰিষ্যাত কৰা নাই, মধ্যপ্ৰদেশত কৰা নাই, সকলো BJP rules state. কিন্তু মোদী ডাঙৰীয়াই জয় শংকৰ ডাঙৰীয়াক কৈছে যে তুমি Advantage Assam-2 ত যাবা। ৫১ জন ৰাষ্ট্ৰদূতক লগত লৈ যাবা with a special flight. Flight ৰ টকা অসম চৰকাৰে দিয়া নাই। It is being paid by the Ministry of External Affairs. এজন প্ৰধানমন্ত্ৰীয়ে কি কৰিব পাৰে, আমাক টো spoon feeding কৰিব নোৱাৰে, যে তোমালোক

অসমীয়া ভাৰতৰ খাজনাটো খুলি দিছো কিন্তু whatever he can ৫১ খন দেশৰ ৰাষ্ট্ৰদূত will come with a special Aircraft আৰু Aircraft খন lead কৰিব এচ. জয় শংকৰ ডাঙৰীয়াই, Ministry of External Affairs. আমাৰ ৰাজস্থানত হ'ল বি জে পি চৰকাৰ, মধ্য প্ৰদেশত investment হ'ল বি জে পি চৰকাৰ, উৰিষ্যাত investment summit হ'ল বি জে পি চৰকাৰ ক'তো প্ৰধানমন্ত্ৰী ডাঙৰীয়াই এইবিলাক কৰা নাই, because he believes A is for Assam. আৰু নামৰূপৰ সাৰ কাৰখানা বন্ধ হ'ব বন্ধ হ'ব কৈ আছে, একেবাৰে কৈ দিলে যে ২ লাখ মেট্ৰিক টনৰ পৰা ১২ লাখ মেট্ৰিক টন হ'ব। এজন প্ৰধানমন্ত্ৰীয়ে আমাক কি কৰিব পাৰে, নুমলীগড়, semi-conductor আৰু এতিয়া সাৰ কাৰখানা, তিনিটাকৈ ডাঙৰ industry অকল আমাৰ চাৰে তিনি বছৰ, নুমলীগড় আৰম্ভ হ'ল, bamboo refinery আৰম্ভ হ'ল, আমাৰ semi-conductor এতিয়া সাৰ কাৰখানা। বাকীটো আঁচনিৰ কথা মই বাদেই দিলো। So these are a political convention, মই আপোনালোক সকলোকে আমন্ত্ৰণ জনাম,আপোনালোকো আহক , আমি সকলোৱে মিলি আমাৰ অসম খনক এটা নতুন পৰ্য্যায়ত লৈ যাব লাগিব আৰু মই ভাবো যে আমি আজি সেই পৰ্য্যায়ত আহিছো য'ৰ পৰা আমি এখন নতুন অসমৰ সপোন দেখিব পাৰো। এখন পৰিৱৰ্তিত অসমৰ সপোন দেখিব পাৰো। কাৰোবাৰ মনত ধাৰণা হ'ব পাৰে যে আমি সংখ্যালঘু ভোটৰ বাবে কিছুমান কথা কওঁ। নহয় সংখ্যালঘু অধ্যুষিত ২২টা ২৩ টা সমষ্টিত আমি ক'তোৱে নিজিকো। আজিয়ে আপোনালোকে গেৰেন্টি লৈ লওঁক। জিকাৰ সম্ভাৱনাও নাই আৰু জিকাৰ প্ৰচাৰ ও নাই । তাত একো নাই কিন্তু আজি সংখ্যালঘু অঞ্চলসমূহত আৰু সংখ্যালঘু মানুহৰ নিৰাপত্তা এই দুয়োটা যদি indicator হয়, তেতিয়া আপোনালোকে চাব কৈ দিলে সংখ্যালঘু অঞ্চলসমূহত কলেজ পতা নাই। সংখ্যালঘু অঞ্চলসমূহত কলেজ পতাৰ প্ৰথম সাহসটোও আমি কৰিছো। আজি চকীঘাটত ল' কলেজ হৈছে জামুগুৰিত। সংখ্যালঘু অঞ্চলত হোৱা নাই জানো পদ্ম দা? আজি সংখ্যালঘু অঞ্চলত আদৰ্শ হাইস্কুল বনোৱা কথাটো, চাহ বগিছাত চাহ বাগিছাৰ স্কুল হৈছে, কিন্তু মডেল স্কুল আজি সংখ্যালঘু অঞ্চলতে হৈছে,নামটো সলনি হৈছে। কিন্তু স্কুলটো হৈয়ে আছে। আৰু লাগে আমি আৰু কৰিব পাৰো। There is no bar on that আজি ৰাজেদ আলী চৌধুৰী ডাঙৰীয়াই পাহৰি গৈছে, কিন্তু ময়ে স্বাস্থ্যমন্ত্ৰী হৈ থাকোতে প্ৰথম চৰ অঞ্চলত হস্পিতাল মই গৈয়ে বনাইছো। My track record is not that, হয় ড্ৰাগছৰ বেপাৰ কৰিলে, ক'ৰবাত লাভ জেহাদ কৰিলে I have to give a befitting reply but that is a different thing আৰু মাননীয় অধ্যক্ষ মহোদয়, সাধাৰণ সংখ্যালঘু মানুহ drugs ৰ বেপাৰীৰ লগত নাই। সাধাৰণ সংখ্যালঘু মানুহ লাভ জেহাদীৰ লগত নাই। সাধাৰণ সংখ্যালঘু মানুহ সত্ৰৰ মাটি দখল কৰাৰ লগত নাই। কিন্তু যদি বটদ্ৰৱাৰ মাটি দখল কৰিব যায় তেতিয়াতো action হ'বই, এইটোত কেনেকৈ আমি ৰাখিব পাৰো। আজি যদি চৰকাৰে চাউল কিনিছে, আজি অৰুণোদয় দিয়া হৈছে, আজি আমাৰ মাননীয় শ্বেৰমান আলী ডাঙৰীয়াই কৈছে যে মোক অৰুণোদয় নালাগে। যদি আপুনি অৰুণোদয় নালাগে বুলি কয়, মই দুখন কলেজ বাঘবৰক দি দিব পাৰো, একেখিনিয়ে কথা।

**শ্ৰী শ্বেৰমান আলী আহমেদ, (বাঘবৰ) ঃ** Exactly, দুখন কলেজ তাৰ লগতে বামোনডোঙৰা নগৰবেৰা এখন দলং আৰু জলজলীৰ ওপৰত দুখন দলং

-----------interruption----

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** অহাকালি মই বৰপেটা জিলাৰ DC ক পঠিয়াম বাঘবৰত যে শ্বেৰমান আলী ডাঙৰীয়া কৈছে যে দুখন কলেজ হ'লে আৰু এইবোৰ নালাগে বুলি --------interruption----আৰু গোটেই লিষ্টখন কম।

**শ্ৰী শ্বেৰমান আলী আহমেদ, (বাঘবৰ) ঃ** Let the DC go and declare.

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** He will not declare, he will take public opinion. আমি এনেকুৱা কথা ক'ব নালাগে। আপুনি কওক যে দলং হ'ব লাগে, কলেজ হ'ব লাগে। These are good things, লগত অৰুণোদয়টো কিয় link কৰাৰতো কোনো প্ৰশ্ন নাই। দুখীয়া দৰিদ্ৰ মানুহ কেইটা কিবা এটা পাই আছে, মানুহৰ মুখৰ পৰা পেটৰ ভাঁত কিয় কাঢ়িব লাগে। এতিয়া মই এটা সৰু statement পঢ়ি দিম-আজি দিনৰ ২ঃ৩০ বজাত মাননীয় সাংসদ ৰকিবুল হুছেইন ডাঙৰীয়াৰ ৰূপহী থানাৰ অন্তৰ্গত গনামাৰী গাওঁলৈ গৈ থকা অৱস্থাত জনতাই তেখেতক বাধা প্ৰদান কৰে।তেতিয়া তেওঁৰ লগত থকা দেহৰক্ষী PS এজনে blank fire কৰে, fire কৰাৰ সময়ত কলা নে বগা কাপোৰ মুখতবান্ধি কৰিছে সেইটো নাজানো। মই সুধিছো যে ৰূপহী থানা, ৰূপহী আমাৰ জাগাই নহয়, ৰূপহী, চামুগুৰি তেওঁৰে জাগা। গতিকে তেখেতৰ ঠাইত কোনোবাই তেওঁক আক্ৰমণ কৰিলে, তেওঁ কলা কাপোৰ পিন্ধিয়ে কৰিব লাগিব, নহ'লে মুখখন দেখাই কোনো কৰিব। কিন্তু পুলিচে লগে লগে গুলিচালনা কৰিলে। বৰ্তমান সাংসদ গৰাকীয়ে গুনাবৰী গাৱঁত মিটিং কৰি আছে আৰু SP তাতে নিজে উপস্থিত আছে। অৰ্থাৎ তেখেতৰ নিৰাপত্তাৰ সম্পূৰ্ণ ব্যৱস্থা SP য়ে নিজে ওপৰত থাকি কৰিছে আৰু মই আপোনালোকক প্ৰতিশ্ৰুতি দিছো ৰকিবুল হুছেইন নগাওঁ, চামগুৰি, ৰূপহীলৈ গ'লে তেওঁক আমি security টো আৰু অলপ বঢ়াই দিম কাৰণ মই দেখা পাইছো যে যোৱা এবছৰত কেইবাটাও এনেকুৱা ঘটনা হৈছে। চামুগুৰি, ৰূপহীত গ'লেই কিবা নহয় কিবা এটা খেলিমেলি হয়,মই কাৰণটো ক'বলৈ নাযাওঁ but as a Home Minister I will ensure that he gets additional security, when he visits Samaguri and Rupohi area. ধন্যবাদ।

**শ্ৰীমতী নন্দিতা দাস, (বকো) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে মুখ্যমন্ত্ৰী ডাঙৰীয়াক এটা অনুৰোধ কৰিব বিচাৰিছো। ইতিমধ্যে সকলোৱে জানে যে মোৰ সমষ্টিৰ এজন অধিবক্তা ৰফিকুল ইছলাম, তেখেতে গনতান্ত্ৰিকভাৱে আন্দোলন কৰিবলৈ গৈ মৃত্যুমুখত পৰিল। যি কাৰণতে নহওঁক কিয় সেই সময়ত tear gas অধিক পাইছিল বুলি আমি ধাৰণা কৰিছো বা আমাৰো তেনেকুৱা এটা অৱস্থা হৈছিল। বৰ্তমান এগৰাকী মহিলা অকালতে বিধৱা হ'ল। তেখেতৰ দুটা শিশু আছে।

------------------interruption------

**মাননীয় অধ্যক্ষ ঃ** এইটোৰ লগত তাৰ কি সম্পৰ্ক আছে? আজি যিটো তেখেতে উত্তৰ দিলে--interruption------

**শ্ৰীমতী নন্দিতা দাস, (বকো) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোক ক'বলৈ দিয়ক।

--interruption------

**মাননীয় অধ্যক্ষ ঃ** আপুনি এইটো অন্য শিতানত দিয়ক।

--interruption------

**শ্ৰীমতী নন্দিতা দাস, (বকো) ঃ** মাননীয় অধ্যক্ষ মহোদয়, সেই বিধৱা মহিলা গৰাকীক চৰকাৰৰ ফালৰ পৰা কিবা সহায় কৰিব নেকি? এইটো সমষ্টিবাসী হিচাপে মুখ্যমন্ত্ৰী ডাঙৰীয়ালৈ মোৰ অনুৰোধ।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, প্ৰথম কথা হ'ল যে এজন দুখীয়া দৰিদ্ৰ মানুহক সহায় কৰাত আমাৰ কোনো আপত্তি নাই। চৰকাৰী নিয়ম নীতিৰ মাজেৰে যিখিনি পাৰো মই সহায় কৰিম। সিদিনাখন অখিল গগৈ ডাঙৰীয়াই ৰাজীৱ শদিয়াৰ কথাও কৈছিল, মই ডিব্ৰুগড় তিনিচুকীয়ালৈ যেতিয়া যাম,তেখেতৰ বাসভৱনতো যাম, মই সহায়ো কৰি দিম। কিন্তু অলপ সময়ৰ কাৰণে আমি সকলোৱে চিন্তা কৰিম যে এইবিলাক আন্দোলন কৰি একো একোজন মানুহক এই পৰ্য্যায়লৈ লৈ আনিছে। আজি তেওঁৰ পৰিয়ালটো কেনেকৈ চলিব আৰু তেওঁৰ পৰিয়ালটো কোনে চাব, এই কথাবিলাক আগতীয়াকৈ চিন্তা কৰিব লাগে। এতিয়া যিহেতু মানুহজনক সহায় কৰাৰ কথা কৈছে মই যিখিনি পাৰো সহায় কৰিম। মাত্ৰ চাকৰি দিয়াৰ ক্ষেত্ৰত কিমান খিনি পাৰো সেইটো মই নাজানো। আপুনি আগতে অসমৰ কোনো এজন এনেকুৱা মুখ্যমন্ত্ৰী নাপাব যিজনে আপুনি whatsup কৰা কথা এটাকো ইমান গুৰুত্ব দিয়ে। গতিকে এজন বিধায়ক হিচাপে আপোনাক যিটো সন্মান দিব লাগে, মই আপোনাক দিছো। আপুনিও মুখ্যমন্ত্ৰী হিচাপে আমাক সন্মান দিয়াটো আৰম্ভ দিয়ক।

**শ্ৰী দেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এইখিনিতে মই অলপমান ক'ব পাৰিমনে?

**মাননীয় অধ্যক্ষ ঃ** অলপ কওক।

**শ্ৰী দেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি) ঃ** মাননীয় অধ্যক্ষ মহোদয়,মই মুখ্যমন্ত্ৰী ডাঙৰীয়াক ধন্যবাদ জনাইছো ৰাজ্যপালৰ ভাষণৰ ওপৰত তেওঁৰ প্ৰতিক্ৰিয়াখিনি ব্যক্ত কৰাৰ কাৰণে। কোকৰাঝাৰত অধিৱেশন হোৱাৰ কাৰণে আজি তেখেতে আপোনাকো প্ৰশংসা কৰিলে আৰু আমাৰ ফালৰ পৰাও আপোনাক ধন্যবাদ জনাইছো। সেইদিনাখন সদনত আমাৰ ধ্ৰুপদী ভাষাৰ স্বীকৃতিৰ বাবেও এটা বিশেষ বক্তব্য আপুনি উপস্থাপন কৰিছে। মই আজি অসমীয়া ভাষাৰ ওপৰত কিছু কথা কৈছিলো। গতিকে মই চমুকৈ দুটামান কথা কওঁ আৰু যিহেতু আমি সদনত নিয়মমতে শুনিছিলো যে যিসকলে আত্মপক্ষ সমৰ্থন কৰিব নোৱাৰে, তেখেতসকলৰ নাম ল'ব নাপায়। কিন্তু যোৱা সময়ছোৱাত সংসদতে হওক বা বিধানসভাতে হওক, তেনেকুৱা বহু উদাহৰণ পাইছো যিখিনিয়ে আমাক অলপমান অসুবিধা দিয়ে। গতিকে মই কোনো মুখ্যমন্ত্ৰী কোকৰাঝাৰলৈ যোৱা নাছিল বুলি তেখেতে যিটো কৈছে, এই বিষয়ত আমাৰ বৰ্তমানৰ মন্ত্ৰী ব্ৰহ্ম ডাঙৰীয়ায়ো ক'ব পাৰিব যে হিতেশ্বৰ শইকীয়াই ১৯৯৩ চনত কোকৰাঝাৰত গুৱাহাটী বিশ্ববিদ্যালয়ৰ এটা কেম্পাচ উদ্বোধন কৰিববলৈ গৈছিল, যদি অন্য সময়তো গৈছিল মোৰ মনত নাই। সেই গতিকে

-----Interruption----

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়,প্ৰফুল্ল মহন্ত ডাঙৰীয়াও কোকৰাঝাৰলৈ গৈছিল। মই কৈছো যে নিশা থকাকৈ BTR ত কোনো মুখ্যমন্ত্ৰী যোৱা নাছিল। তাৰকাৰণে মই কাকো সমালোচনা কৰা নাছিলো। পৰিৱেশটো তেনেকুৱা আছিল। I was talking about the situation. লগতে মই সৰ্বানন্দ সোনোৱাল ডাঙৰীয়াৰ কথাও কৈছো be-

ing a political. মই পৰিৱেশটোৰ কথা কৈছো। তাৰ credit টো মই Bodo leadership ক দিছো, মই লোৱা নাই।

**শ্ৰী দেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি) ঃ** ধন্যবাদ। মাননীয় অধ্যক্ষ মহোদয়, মই দ্বিতীয়তে আৰু কেইটামান কথা তথ্যৰ কাৰণেহে ক'ব বিচাৰিছো। NRL ৰ expansion ৰ কথাটো ২০১৪ চনতে প্ৰস্তাৱনা কৰা হৈছিল। তাৰ পৰৱৰ্তী সময়ত চৰকাৰৰ পৰিবৰ্তন হ'ল। Government is a continuous process. সেইকাৰণে

-----Interruption---

**মাননীয় অধ্যক্ষ ঃ** এতিয়া আৰু discussion নালাগে।

**শ্ৰী দেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি) ঃ** হয়, অধ্যক্ষ মহোদয়। যিকেইটাত anomaly আছে বা মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ বক্তব্যত অসুবিধা পাইছো সেইকেইটাত কওঁ। মহোদয়, Tea Garden,Non-Tea Garden ৰ কথা কৈছে শিক্ষানুষ্ঠান পতাৰ ক্ষেত্ৰত। কিন্তু আমাৰ অসমত যেতিয়া বহু স্কুল আছে, যিবিলাক চাহ বাগানৰ মাটিতেই আছে আৰু তাত চাহ বাগান আৰু গাওঁৰ সকলোৰে ল'ৰা-ছোৱালী পঢ়ে। মোৰ সমষ্টিৰ যিখন ১৯০১ চনত স্থাপিত বিদ্যালয়, নাজিৰা হায়াৰ চেকেণ্ডাৰী, সেইখন Assam Tea Company ৰ head quarter থকাৰ কাৰণে Assam Tea Company ৰ মাটিতে আছে। সেই গতিকে বাগানত ৭৫ বছৰে কোনো স্কুল স্থাপন কৰা নাই বুলি ক'লে ভুল হ'ব। গেলেকী বা মেজেঙা ইত্যাদি বহুকেইখন স্কুল আছে।

তেনেকৈ ধান procurement ৰ কথা কৈছে, মই ভাল পাইছো, কিন্তু soil conservation বিভাগটোৰ কথা আমি কোনেও হয়তো আলোচনা কৰা নাই। আমাৰ তাত ৩০০০ পৰিয়াল ১৪,০০০ বিঘা মাটিত আজি ১০ বছৰে খেতি কৰিব পৰা নাই। কাৰণ পানী সকলো সময়তে চপচপীয়া হৈ থাকে। এইবিলাকো সমাধান হ'লে ভাল হ'ব। Crime Rate কমিছে, সেইটো মই ভাল পাইছো। আজি বিবৃতিও দিছো সাংসদৰ কাৰণে আৰু এতিয়া দুটা কথা আহিল। মুখ্যমন্ত্ৰী মহোদয়ে কৈছে যে বিপ্লৱ শৰ্মা কমিটিখন তেখেতে দাখিল কৰিব বিচৰা নাছিল। যিটো সংসদীয় পৰিক্ৰমা আইন অনুসৰি ৬ মাহৰ ভিতৰত দাখিল হ'ব লাগিছিল আৰু এই কমিটিখনত আমি আদৰণি জনাইছো। কিন্তু তথ্যখিনি পঢ়াৰ পাছত এয়া সম্পূৰ্ণ নহয় বুলি ক'ব বিচাৰিছো। কাৰণ জাষ্টিচ শৰ্মাই নিজেও কৈছে যে মোৰ হাতত যিমান কেপাচিটি আছিল তাৰ মাজত মই কৰিলো আৰু তদন্ত কৰিব লাগে। Come accross in both CC 2013-14 with to the same extent possible with in that scope commission could do the same আৰু jurisdiction টো extend কৰিব লাগে to undertake illegality.

**মাননীয় অধ্যক্ষ ঃ** হ'ব এইটো discussion ত কৰিব পাৰিব।

**শ্ৰী দেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি) ঃ** দ্বিতীয়তে, যিজন মানুহৰ ভিত্তিত কৈছে মৃগেন শইকীয়া, তেখেতক এই কেচটো anti corruption হৈ থাকোতে হাই কোৰ্টে তেওঁৰ ৰাজসাক্ষী হ'বৰ যোগ্যতা নাই বুলি ৰিজেক্ট কৰিছে আৰু সেই মানুহজনৰ কথাখিনিৰ ভিত্তিত আমাৰ সাংসদৰ কথা কোৱা হৈছে। যিজনে আত্মপক্ষ সমৰ্থন কৰিব নোৱাৰে। তেনেকৈ জাষ্টিচ বি. বি. কটকীৰ ৰিপোৰ্ট আছিল red hole mining বন্ধ কৰিব লাগে। সেই ৰিপোৰ্টৰ ভিত্তিত চৰকাৰে কি একশ্যন ল'লে? DIG, CID reportation সেইবিলাক কথাও ইয়াত কোৱা হোৱা নাই।

**মাননীয় অধ্যক্ষ ঃ** এই বিষয়ত যেতিয়া আলোচনা হ'ব তেতিয়া ক'ব পাৰিব।

**ড° ৰফিকুল ইছলাম, (জনিয়া) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী ,মহোদয়ে বহুখিনি গুৰুত্বপূৰ্ণ পৰিকল্পনাৰ বিষয়ে কৈছে। সেইখিনি হৈ উঠিলে নিশ্চিতভাৱে অসমৰ বাবে ভাল হ'ব। তাৰবাবে মই মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক ধন্যবাদ জনাইছো। মই যোৱা ২০১১ চনৰ পৰাই বৰপেটা জিলাত এখন বিশ্ববিদ্যালয়, বৰপেটা-কামৰূপ সংযোগী ব্ৰহ্মপুত্ৰ ব্ৰীজ আৰু তেখেতৰ সমষ্টি আমিনগাওঁৰ পৰা বৰপেটা হৈ শালমাৰা four lane আৰু এই এৰিয়াটোত ৰেল লাইনৰ ও কানেকটিভিটি নাই। সেইখিনি যিহেতু আমাৰ Assembly ৰ নহয় সেয়েহে তেখেতে দিব পাৰিব। সেই কথাখিনি মই বাৰে বাৰে কৈ আছো বা আপত্তি কৰি আছো। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই বহুখিনি পৰিকল্পনা লৈছে। বৰপেটাত এখন সৰুকৈ হ'লে ও বিশ্ববিদ্যালয়, ব্ৰহ্মপুত্ৰৰ ওপৰত ব্ৰীজ, আপোনাৰ সমষ্টিৰ পৰা four lane এইখিনি দি দিলে আমি নিশ্চয় উপকৃত হ'ম।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই কিছুমান ধাৰণাৰ কাৰণে কৈছো। আমি ভট্টদেৱ বিশ্ববিদ্যালয়খন বৰপেটাত দিছিলো। কিন্তু পিছত জিলা হোৱাৰ কাৰণেহে সলনি হ'ল। গতিকে বৰপেটাত মেডিকেল কলেজ, বৰপেটাত বিশ্ববিদ্যালয় দুয়োখন কৰা হৈছিল। এতিয়া জিলা বদলি হ'ল যেতিয়া পিছত আলোচনা হ'ব। আমি এতিয়া বৰপেটাত National Highway আনিলো। বাইপাচৰ কাম অহা সপ্তাহৰ পৰা আমি আৰম্ভ কৰিম। আমিনগাওঁৰ পৰা হাইৱে ও হ'ল। গতিকে বৰপেটাৰ যথেষ্ঠ কাম হৈ আছে আৰু হ'ব।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ।

**শ্ৰী দিগন্ত বৰ্মণ, বিধায়ক, (বৰক্ষেত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক এটা কথা ক'ব বিচাৰিছো। মই মাননীয় ৰাজ্যপাল মহোদয়ৰ ভাষণৰ ওপৰত বক্তব্যত এটা কথা কৈছিলো যে অসমৰ কেবিনেট সিদ্ধান্তমৰ্ম্মে ৩৬ টা চাৰ্কোল অফিচ বিলুপ্ত কৰা হৈছে। এটা প্ৰস্তাৱ দিছে। এইটো মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে কনচিডাৰ কৰিব বুলি অনুৰোধ কৰিছো। কাৰণ থাকিলে ভাল হয়।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, কেতিয়াবা কেতিয়াবা মই বৰক্ষেত্ৰীৰ পৰা বাতৰিকাকতত পাওঁ। অসমৰ পৰা কোনো চাৰ্কোল অফিচ বিলুপ্ত কৰাৰ কোনো সিদ্ধান্ত চৰকাৰে লোৱা নাই। চৰকাৰে মাত্ৰ ডি.চি সকলক কৈছে যে নতুনকৈ সমষ্টি গঠনৰ পৰিপ্ৰেক্ষিতত চাৰ্কোল বিলাক কোন ক'ত থাকিব লাগে আপোনালোকে ৰাইজৰ লগত কথা পাতক। সেইটোহে কোৱা হৈছে। কোনো বিলুপ্তিৰ কথা কতো নাই। ক'ৰ পৰা কোনে কেনেকৈ উলিয়াই দিছে মই নাজানো। আলোচনাটোত এইটোৱে আছে যে - You may please discuss with the local MLA and local citizen. সেইটোহে আছে। গতিকে তেনেকুৱা কোনো প্ৰস্তাৱ বৰ্তমান চৰকাৰৰ হাতত নাই।

**শ্ৰী জাকিৰ হুছেইন লস্কৰ, (হাইলাকান্দি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই এটা বিষয় মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে বৰাক ভেলীৰ মেঘালয়ৰ পৰা যিটো four lane ৰাস্তাৰ পজিশ্যনটো মই জানিব বিচাৰি আছো।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, দুটা-তিনিটা বৰাক ভেলীৰ ওপৰত development হৈ আছে। এটা হৈছে হাফলঙেদি যিটো ৰাস্তা, আপোনালোকে দেখিছে যে পূৰ্ণগতিত কাম হৈ আছে। মাননীয় বিধায়ক শ্ৰী মিছবাহুল ইছলাম লস্কৰ ডাঙৰীয়াই কৈছে যে দু বছৰ লাগিব। ৭২ বছৰে নোহোৱা কাম এটা যদি দুবছৰত হয়, তেতিয়াহ'লে কি বেয়া পাবলগীয়া

কথা আছে। ধৰি ললো আৰু তিনিবছৰ লাগিব। কিন্তু মোৰ মতে এবছৰ লাগিব। যি ধৰণে কাম হৈছে শত্ৰুৱেও স্বীকাৰ কৰিব যে এনেকুৱা কাম আগত কেতিয়াও কৰাৰ কথা নাছিল। গতিকে আমি যদি কওঁ যে ভাল কাম হৈছে, খৰতকীয়াকৈ কৰিলে কামটো বেয়া হ'ব। দ্বিতীয়তে, এতিয়া আমি এটা নতুন planning লৈছো। এইটো হ'ল যে আমি বৰাপানী লৈকে যাবলৈ ১ ঘন্টা লাগিব আৰু বৰাপানীৰ পৰা পাহাৰৰ মাজেদি আমি ৪ ঘন্টাত পাঞ্চগ্ৰাম ওলাম। অৰ্থাৎ টোটেল ৰাস্তাটো হ'ব ৫ ঘন্টাত আমি পাঞ্চগ্ৰাম পাম আৰু এইটো হাফলঙৰ ৰাস্তাটোত কৈও বহুত ওচৰ। মই ভাৱো যে Advantage Assam ৰ সময়ত প্ৰধানমন্ত্ৰী ডাঙৰীয়া আহিব, নীতিন গাডকাৰী ডাঙৰীয়া আহিব। কিন্তু কেতিয়া হ'ব কেনেকৈ হ'ব আমি গম পাম। এইটোৱে বৰাক ভেলীক কমপ্লিট গুৱাহাটী-যোৰহাটৰ নিচিনা কৰি দিব। এই ৰাস্তাটোৰ বাবে বৰাকৰ পৰা কোনো দাবী নাছিল। এই ৰাস্তাটোৰ বাবে মেঘালয় চৰকাৰেও সহযোগিতা কৰিছিল। কাৰণ এই ৰাস্তাটোৰ বেছিভাগ অংশই মেঘালয়ত হ'ব। কেৱল শেষৰ ৫০ কিলোমিটাৰহে অসমত হ'ব। গতিকে এইটো এটা game changing হ'ব আৰু এই কামটোৰ বাবে নিশ্চয় ৫-৬ বছৰ সময় লাগিব। এইবছৰৰে কেইমাহমানৰ ভিতৰত আমি এটা ভাল খবৰ শুনিবলৈ পাম।

**শ্ৰী জাকিৰ হুছেইন লস্কৰ, (হাইলাকান্দি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে যিটো ৰাস্তাৰ কথা কৈ আছে তাৰ বাবে মই মাননীয় মুখ্যমন্ত্ৰীক ধন্যবাদ জনাইছো। কিয়নো যিটো কাম বহু বছৰ ধৰি হোৱা নাছিল।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া সকলোৰে উত্তৰ দিলে। গতিকে মই শেষৰ কাৰ্য্যসূচীলৈ আহো। আমাৰ ধন্যবাদ সূচক প্ৰস্তাৱ সম্পৰ্কত সংশোধনীৰ বাবে আমি সাতখন সংশোধনী প্ৰস্তাৱৰ জাননী পাইছিলো। ইয়াৰ ৬ খন উত্থাপন হৈছে। মাননীয় বিধায়ক শ্ৰী দেৱব্ৰত শইকীয়া আৰু তেখেতৰ সহযোগী সকলৰ এখন সংশোধনী আছিল। তেওঁলোকে এই সংশোধনী প্ৰস্তাৱটো উঠাই ল'ব নে?

**শ্ৰী দেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি উত্থাপন কৰা বিষয়খিনি ভৱিষ্যতে যাতে চৰকাৰে বিবেচনা কৰে তাৰবাবে অনুৰোধ কৰি আমি আমাৰ সংশোধনী প্ৰস্তাৱটো উঠাই ললো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মাননীয় বিধায়ক শ্ৰী আব্দুল ৰছিদ মণ্ডল আৰু তেখেতৰ সহযোগী সকল।

**শ্ৰী আব্দুল ৰছিদ মণ্ডল, (পশ্চিম গোৱালৰপাৰা)) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই সংশোধনী প্ৰস্তাৱটো উঠাই ল'ম। কিন্তু মাননীয় মুখ্যমন্ত্ৰী মহোদয় যিহেতু ইয়াত উপস্থিত আছে গতিকে মোৰ এটা অনুৰোধ থাকিল যে State Highway no. 43 খালচাপিঠাৰ পৰা গোৱালপাৰা জিলাৰ কাঠমৰা আৰু কামৰূপ জিলাৰ কুলসীলৈ যি ২০৪ কিলোমিটাৰ State Highway no. 43 ৰাস্তা বনোৱাৰ কথা ঘোষণা কৰিছে তাৰ আৰম্ভণি কেতিয়া হ'ব? আৰু ২০১৩ চনতেই এই সদনে গঠন কৰি দিয়া সমিতিৰ Waqf Board ৰ সম্পত্তিৰ যিটো কেলেংকাৰী আছিল, সেই সদন কমিটিৰ ওপৰত নিৰ্ভৰ কৰি তাৰ এটা ন্যায়িক তদন্তৰ ব্যৱস্থা কৰিব নেকি? তাৰবাবে মই মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক অনুৰোধ কৰিলো। ২০১৩ চনতেই সদনত Waqf Board ৰ কেলেংকাৰীৰ কাৰণ এটা সদন কমিটি গঠন কৰি দিছিল আৰু তাত মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে এটা Judicial Inquiry ৰ ঘোষণা কৰিছিল যদিও সেইটো তেনেকৈয়ে পৰি আছে।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, বিষয়টোৰ সম্পৰ্কে মই অৱগত

নহয়। গতিকে মই এইটো পৰীক্ষা কৰি চাম।

**শ্ৰী আব্দুল ৰছিদ মণ্ডল, (পশ্চিম গোৱালপাৰা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আমাৰ সংশোধনী প্ৰস্তাৱটো উঠাই ললো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মাননীয় বিধায়ক শ্ৰী নুৰুল হুডা। তেখেত সদনত অনুপস্থিত। এতিয়া মাননীয় বিধায়ক শ্ৰী শ্বেৰমান আলী আহমেদ ডাঙৰীয়া।

**শ্ৰী শ্বেৰমান আলী আহমেদ, (বাঘবৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক যি কেইটা কথা উল্লেখ কৰিছিলো, সেইকেইটা কথাকে অনুৰোধ কৰি ক'ব বিচাৰিছো যে বামুণআৰাৰ পৰা নগৰবেৰালৈ এখন দলং নিৰ্মাণ আৰু জ্বলজ্বলিৰ ওপৰত দুখন দলং আৰু এখন কলেজ স্থাপনেৰে সেই অঞ্চলটোৰ বৃহত্তৰ আৰ্থ-সামাজিক দিশত ব্যাপক প্ৰভাৱ পেলাব। এই বিষয়ে মই যোৱা চাৰিটা বছৰে অনুৰোধ কৰি আহিছো। আজি পুনৰ অনুৰোধ কৰিলো যে এই বামুণআৰাৰ পৰা নগৰবেৰালৈ সংযোগী এখন দলং আৰু জ্বলজ্বলিৰ ওপৰত দুখন দলং তথা এখন কলেজ যদি দিব পৰা যায় তাৰবাবে বিবেচনা কৰিবলৈ অনুৰোধ জনাই মোৰ সংশোধনী প্ৰস্তাৱটো উঠাই ললো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মাননীয় বিধায়ক শ্ৰী আশ্ৰাফুল হুছেইন।

**শ্ৰী আশ্ৰাফুল হুছেইন, (চেঙা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই মোৰ পূৰ্ব্বৰ বক্তা মাননীয় শ্বেৰমান আলী মহোদয়ৰ লগত সহমত পোষণ কৰি বৰপেটা জিলাৰ টঙৰা টোখলাবন্ধাত দলঙৰ প্ৰস্তাৱটো আমি যিহেতু বিচাৰিছিলো সেইটো পুনশ্চঃ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ ওচৰত অনুৰোধ কৰি আৰু চৰ অঞ্চলত বিনা পট্টাত থকা মানুহখিনিক যাতে মাটিৰ পট্টা প্ৰদান কৰা হয় এইখিনিকে আশা কৰি মই মোৰ সংশোধনী প্ৰস্তাৱ উঠাই লৈছো। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া মাননীয় বিধায়ক শ্ৰী মনোৰঞ্জন তালুকদাৰ।

**শ্ৰী মনোৰঞ্জন তালুকদাৰ, (সৰভোগ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, উন্নয়ণৰ এই ধাৰা যাতে অব্যাহত থাকে তাকে আশা ৰাখি মই মোৰ সংশোধনী প্ৰস্তাৱটো উঠাই লৈছো।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় সদস্য শ্ৰী ৰূপক শৰ্মাই মহামান্য ৰাজ্যপাল মহোদয়ৰ ভাষণৰ ওপৰত উত্থাপন কৰা প্ৰস্তাৱটোলৈ এতিয়া আহো। মোৰ প্ৰস্তাৱটো হৈছে যে ২০২৫ চনৰ ১৭ ফেব্ৰুৱাৰী তাৰিখে ৰাজ্যপালে সদনত প্ৰদান কৰা ভাষণৰ কাৰণে এই অধিবেশনত সমবেত হোৱা অসম বিধান সভাৰ সদস্য সকলে তেখেতৰ প্ৰতি গভীৰভাৱে কৃতজ্ঞতা প্ৰদান কৰে। প্ৰস্তাৱৰ সপক্ষে থকা সকলে কওঁক - 'হয়'

বিপক্ষে থকা সকলে কওঁক 'নহয়'

**মই ভাৱো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে প্ৰস্তাৱটো সদনত গৃহীত হ'ল। সদন ২১ ফেব্ৰুৱাৰী, ২০২৫ তাৰিখৰ ৰাতিপুৱা ০৯ঃ৩০ বজালৈ স্থগিত ৰখা হ'ল।**